# পয়োভৰা

উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ
অসমীয়া ভাষাৰ
একমাত্ৰ মাহেকীয়া
আলোচনী

সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ **দীপিকা কচ্ছল**
জ্যেষ্ঠ সম্পাদক ঃ **অনুপমা দাস**

**PAYOBHARA**
**VOL. - 48 No. 7**
**অষ্টাচত্বাৰিংশ বৰ্ষ ঃ সপ্তম সংখ্যা**
**ছেপ্তেম্বৰ ঃ ২০১৭**

শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা
প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে
১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
**গজানন পি ধোপে**

## এই সংখ্যাত


| | | |
|---|---|---|
| ❒ নগৰ অঞ্চলত বহনযোগ্য গৃহ | দুৰ্গা শংকৰ মিশ্ৰ | ৩ |
| ❒ ভূমি অধিগ্ৰহণ, পুনৰ সংস্থাপন আৰু পুনৰ্বাসন | অল্লানজ্যোতি গোস্বামী, গৌতম ভান | ১১ |
| ❒ বহনযোগ্য গৃহৰ বাবে বিত্তীয় সাহায্য | চৰণ সিং | ১৫ |
| ❒ ভূ-সম্পত্তি (নিয়ন্ত্ৰণ আৰু উন্নয়ন) আইন, ২০১৬ (ৰেৰা) | ৰঞ্জিত মেহতা | ১৯ |
| ❒ মহাত্মা গান্ধীৰ উদাত্ত আহ্বান 'কৰিম কিম্বা মৰিম' | এ আন্নামালাই | ২২ |
| ❒ সত্তৰ বছৰত শিহৰণকাৰী গণতন্ত্ৰ | বাল্মীকি প্ৰসাদ সিং | ২৬ |
| ❒ স্মাৰ্ট মহানগৰত দীনসকলৰ আবাসন | উষা পি ৰঘুপতি | ৩৩ |
| ❒ বহনক্ষম বাসগৃহত সেউজ প্ৰযুক্তি | যশকুমাৰ শুক্লা | ৩৭ |
| ❒ গ্ৰামাঞ্চলত দীৰ্ঘস্থায়ী আৰু মানসম্পন্ন গৃহনিৰ্মাণ | সমীৰা সৌৰভ, ৰাহুল সিং | ৪১ |
| ❒ সকলোৰে বাবে গৃহৰ আন্তঃগাঁথনি ঃ প্ৰয়োজনীয়তা আৰু প্ৰশাসন | কৃষ্ণ দেৱ | ৪৭ |
| ❒ উন্নয়ন পথ মানচিত্ৰ | | ৫৩ |
| ❒ আপুনি জানেনে? | | ৫৫ |


পয়োভৰাত প্ৰকাশিত
প্ৰবন্ধ-পাতিৰ মতামত
লেখকৰ নিজস্ব

পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ২৩০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ৪৩০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ৬১০.০০ টকা
সম্পাদকীয় কাৰ্যালয় পেন্সনপাৰা পথ, গৃহ নং ৪, গুৱাহাটী
গুৱাহাটী-৭৮১ ০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইল ঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in
প্ৰকাশক ঃ অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
মুদ্ৰক ঃ ডি কে গ্ৰাফিকছ, বামুণীমৈদাম, গুৱাহাটী ঃ ৭৮১ ০২১, ফোন নং ঃ ৯৮৬৪০-৬৩৫৮৪

প

য়ো

ভ

ৰা

# এই সংখ্যাৰ প্ৰসংগত

প্ৰতিজন ব্যক্তিৰে নিজৰ ওপৰত এখন চালৰ সপোন থাকে। ধনী আৰু বিখ্যাত লোকসকলে নিজৰ বাবে সুন্দৰ ঘৰ নিৰ্মাণ কৰে, দৰিদ্ৰসকলেও নিজৰ আৰু পৰিয়ালৰ আশ্ৰয়ৰ বাবে প্লাষ্টিকৰ তম্বু তৰি ঘৰৰ সপোন পূৰ কৰে।

ভাৰতত এসময়ত বাসস্থানৰ বিষয়টো এটা উল্লেখযোগ্য বিষয় নাছিল, যুটীয়া পৰিয়াল ব্যৱস্থা মানে পৰিয়ালটোৰ সকলো সদস্যৰ বাবে এটা ঘৰ আছিল য'ত সমগ্ৰ পৰিয়ালটোৰ লোক বাস কৰিছিল। মহানগৰীলৈ কৰ্মৰ সন্ধানত প্ৰব্ৰজন হোৱা ধাৰাই এটা পৰিয়ালৰ বাবে গৃহৰ প্ৰয়োজনীয়তাটো এটা বিশেষ বিষয় কৰি তুলিলে। আণৱিক পৰিয়ালৰ ব্যৱস্থাই পিতৃ-মাতৃ আৰু সন্তান পৰস্পৰৰ পৰা আঁতৰত বাস কৰা পৰিস্থিতিৰ সৃষ্টি কৰিলে। নগৰ অঞ্চলৰ প্ৰতি আকৰ্ষণ বৃদ্ধি হোৱাৰ ফলত বস্তি আদি অঞ্চলত বাস কৰা লোকৰ সংখ্যাও বৃদ্ধি হৈছে। ২০১১ চনৰ লোকপিয়ল অনুসৰি ১০ বছৰৰো অধিক কালত ভাৰতৰ নগৰ অঞ্চলত বাস কৰা লোকৰ সংখ্যা ৯১ নিযুতলৈ বৃদ্ধি পাইছে। লোকপিয়লটোত ২০১২ চনৰ আৰম্ভণিতে ১৮.৭৮ নিযুত লোকৰ বাসগৃহৰ নাটনি বুলি দেখুওৱা হৈছে আৰু অধিক সংখ্যক লোকেই অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণী বা কম উপাৰ্জন গোটৰ।

সাম্প্ৰতিক কালত সেয়েহে বহনযোগ্য বাসগৃহৰ প্ৰশ্নটো সবাতোকৈ ডাঙৰ প্ৰত্যাহ্বান হিচাপে দেখা দিছে। সেয়েহে আজিকালি যুৱ প্ৰজন্মই তেওঁলোকৰ কাৰণে স্থায়ী ঘৰৰ হেঁপাহৰে সৈতে নিজৰ কেৰিয়াৰ আৰম্ভ কৰিবলৈ বাধ্য হয়। নগৰ অঞ্চলত ভূমি আৰু ভূ-সম্পত্তিৰ আকাশলংঘী মূল্যই বাসগৃহৰ অবহনযোগ্য কৰি তুলিছে। প্ৰায়েই বাঢ়ি থকা ভাৰা, ঘৰ নিৰ্মাণকাৰীসকলৰ শোষণ, অনুমোদন নোহোৱা ভূমিৰ ব্যৱহাৰ, গৃহ নিৰ্মাণত নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ আদিয়ে যোগান আৰু চাহিদাৰ মাজত ব্যৱধান বৃদ্ধি কৰিছে।

এনে পৰিস্থিতিত চৰকাৰী বিধিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। ভূমি অধিগ্ৰহণ, পুনৰ সংস্থাপন আৰু পুনৰ্বাসন বিধেয়কখনে বিভিন্ন উদ্দেশ্যত ভূমি ব্যৱহাৰ যথোপযুক্ত আৰু ন্যায়সিদ্ধ হোৱাটো নিশ্চিত কৰে। ভূ-সম্পত্তি (নিয়ন্ত্ৰণ আৰু বিকাশ) আইনখন বাসগৃহ ক্ৰয় কৰোঁতাসকলক সুৰক্ষা দিবৰ বাবে চৰকাৰে প্ৰৱৰ্তন কৰিছিল। প্ৰধান মন্ত্ৰী আৱাস যোজনা— সকলো নগৰীয়া বাসিন্দাৰ বাবে বাসগৃহৰ এই আঁচনিখন ভাৰতৰ মধ্যবিত্ত, নিম্ন মধ্যবিত্ত আৰু দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰা শ্ৰেণীৰ বাসগৃহ সমস্যাটো দূৰীকৰণৰ বাবে চৰকাৰে প্ৰৱৰ্তন কৰিছে। প্ৰধান মন্ত্ৰী আৱাস যোজনা— গ্ৰামীণ আঁচনিখন ২০২২ চনৰ ভিতৰত কেঁচা আৰু জৰাজীৰ্ণ ঘৰত বাস কৰা সকলো লোকৰ বাবে মৌলিক সা-সুবিধাযুক্ত পকা ঘৰ প্ৰদান কৰাৰ উদ্দেশ্যেৰে গ্ৰহণ কৰা হৈছে। বিত্ত যোগানৰ ক্ষেত্ৰত, ৰাষ্ট্ৰীয় বাসগৃহ ব্যৱস্থাপনা বেংকে নিয়ন্ত্ৰণ কৰে বাসগৃহ বিত্তীয় কোম্পানীবোৰক আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকে বাণিজ্যিক বেংক আৰু আংশিকভাৱে সমবায় বেংকসমূহক নিয়ন্ত্ৰণ কৰে। ঋণ সংযোজিত ৰাজসাহায্য আঁচনি বাসগৃহৰ বাবে পুঁজি প্ৰদান, যিসকলে নিজৰ বাবে বহনযোগ্য বাসগৃহ লাভ কৰিব নোৱাৰিলেহেঁতেন তেওঁলোকৰ বাবেও এই আঁচনিয়ে গৃহ লাভৰ সুবিধা প্ৰদান কৰিব।

আন্তঃগাঁথনি গৃহ ব্যৱস্থাপনাৰ আন এটা গুৰুত্বপূৰ্ণ মাত্ৰা। পথ, মেট্ৰ' ৰে'ল, বিদ্যালয়, চিকিৎসালয়, বজাৰ অঞ্চল, শিশুৰ বাবে খেল-ধেমালিৰ স্থান আদি সুবিধাৰ পৰ্যাপ্ত পৰিমাণৰ আন্তঃগাঁথনি ২০২২ চনৰ ভিতৰত সকলোৰে বাবে গৃহ আঁচনি সফল কৰাৰ বাবে নিশ্চিত কৰিব লাগিব। নিৰ্মাণ কাৰ্যত দীৰ্ঘ দিন স্থায়ী আৰু পৰিৱেশ মিত্ৰ হোৱাটো আজিৰ দৃশ্যপটত সমানেই গুৰুত্বপূৰ্ণ। ঘৰৰ আৰ্হি সময় আৰু প্ৰাকৃতিক প্ৰলয়ৰ প্ৰতিৰোধী হোৱাটো নিশ্চিত হ'ব লাগে। সেউজ প্ৰযুক্তিবিদ্যাই গৃহ পৰিৱেশ মিত্ৰ কৰিব পাৰে আৰু গৰমৰ দিনত শীতলকাৰক আৰু শীতৰ দিনত গৰম কৰাৰ কৃত্ৰিম ব্যৱস্থাৰ প্ৰয়োজন নাথাকিব। স্মাৰ্ট মহানগৰ অভিযান আৰু অটল-মিছন ফৰ ৰিজুভিনেশ্বন এণ্ড আৰবান ট্ৰেন্সফৰমেশ্বন (এ এম আৰ ইউ টী)এ মহানগৰৰ উৎকৰ্ষ সাধন বিষয়ক এই প্ৰয়োজনবোৰ পূৰণ কৰিবলৈ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে যিটোৱে নাগৰিকসকলৰ পৰিষ্কাৰ আৰু বহনক্ষম পৰিৱেশত আন্তঃগাঁথনি আগবঢ়াব আৰু উন্নত মানৰ সেৱাৰ বিষয়বোৰৰ প্ৰয়োজন পূৰণ কৰিব।

এখন সুস্থিৰ ঘৰ এটা পৰিয়ালৰ প্ৰতিজনৰে জীৱন আৰু সুখৰ কাৰণে আৱশ্যকীয় চৰ্ত। এইবোৰ প্ৰতিজন লোকৰ বাবে উত্তম জীৱন যাপনৰ বাবে চৰকাৰে চলোৱা প্ৰচেষ্টা বিশেষ।

# নগৰ অঞ্চলত বহনযোগ্য গৃহ

দুৰ্গা শংকৰ মিশ্ৰ*

## প্ৰস্তাৱনা

চহৰসমূহ হ'ল অৰ্থনৈতিক বিকাশ আৰু ন ন পৰিৱৰ্তনৰ চালিকা শক্তি। ভাৰতৰ চহৰত বাস কৰা লোকসকলে এতিয়া মুঠ জনসংখ্যাৰ প্ৰায় এক-তৃতীয়াংশ অধিকাৰ কৰে আৰু তেওঁলোকে দেশখনৰ মুঠ ঘৰুৱা উৎপাদনৰ তিনি-পঞ্চমাংশতকৈ অধিক উৎপাদন কৰে। ভাৰতীয় অৰ্থনীতিৰ কাৰণে বাসগৃহ হ'ল এটা গুৰুত্বপূৰ্ণ খণ্ড; কিয়নো অন্যান্য উদ্যোগৰ সৈতে ইয়াৰ আন্তঃসম্পৰ্ক আছে; আৰু তেনে উদ্যোগৰ সংখ্যা হ'ল প্ৰায় ২৬৯। নিয়োগ উদ্ৰেক, মুঠ ঘৰুৱা উৎপাদন বৃদ্ধি সাধনৰ ক্ষেত্ৰত বাসগৃহ খণ্ড বিকাশৰ এটা পোনপটীয়া প্ৰভাৱ আছে। তেনেদৰে অৰ্থনীতিক কামত লগোৱাৰ ধৰণ-কৰণ সন্দৰ্ভতো এই খণ্ডৰ সম্পৰ্ক আছে।

সমগ্ৰ বিশ্বতে এইটো বৰ্দ্ধিতভাৱে উপলব্ধি কৰা হৈছে যে নিৰন্তৰ বাসস্থানৰ ব্যৱস্থা অৰ্থাৎ গৃহনিৰ্মাণ আৰু চহৰৰ বিকাশ সাধন কাৰ্য জীৱন ধাৰণৰ গুণগত দিশ তথা জনগণৰ সমাজিক আৰু অৰ্থনৈতিক কল্যাণ সাধনৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ প্ৰভাৱ আছে। সেয়ে গৃহ নিৰ্মাণক বাসস্থানৰ নতুন কাৰ্যক্ৰমণিকাৰ কেন্দ্ৰীভূত বিষয় কৰা হৈছে। বৰ্তি থাকিব পৰা আৰু দুৰ্যোগকালিন অৱস্থাকো সহ্য কৰিব পৰা গৃহ নিৰ্মাণ কাৰ্যক "ছেন্দাই ফ্ৰেমৱৰ্ক (২০১৫) আৰু জলবায়ু বিষয়ক পেৰিছ চুক্তিত (২০১৬) থকা উদ্দেশ্যৰ প্ৰতি সহমৰ্মিতা অটুট ৰখাৰ ক্ষেত্ৰত ইয়াক এটা গুৰুত্বপূৰ্ণ পদক্ষেপ ৰূপে স্বীকৃতি দিয়া হৈছে। নিৰন্তৰ বিকাশ লক্ষ্যৰ ১১ নং উদ্দেশ্যক সামৰি লোৱা বিষয়ৰ লক্ষ্য হ'ল চহৰ আৰু অন্য বসতিস্থলসমূহক সৰ্বাঙ্গভাৱে পূৰ্ণ, নিৰাপদ, বহনক্ষম আৰু যথাযথ স্থিতিক অক্ষুণ্ণ ৰখা। ভাৰতেও জনগণৰ আৰ্থ-সমাজিক অৱস্থাৰ উন্নতি সাধনৰ ক্ষেত্ৰত গৃহনিৰ্মাণক স্বীকৃতি দিছে আৰু সেইমতে ২০২২ চনৰ ভিতৰত সকলোৰে বাবে বাসগৃহ নিৰ্মাণ আঁচনিখন প্ৰচলন কৰিছে।

এই উল্লিখিত বিষয়সমূহলৈ লক্ষ্য কৰি এই প্ৰবন্ধটো পাঁচটা ভাগত বিভক্ত কৰা হৈছে। প্ৰস্তাৱনাৰ পাছতেই দ্বিতীয় ভাগত বাসগৃহৰ দৃশ্যপট আৰু সেই ক্ষেত্ৰত দেখা দিয়া প্ৰত্যাহ্বান সম্পৰ্কে আলোচনা কৰা হৈছে। তৃতীয় ভাগত চৰকাৰৰ নীতি আৰু কাৰ্যসূচী অনুযায়ী গ্ৰহণ কৰা পদক্ষেপ সম্পৰ্কে পৰ্যালোচনা কৰা হৈছে। চতুৰ্থ ভাগত অন্য আঁচনি-সমূহৰ স'তে বাসগৃহৰ সমিলমিল কাৰ্যৰ ওপৰত আলোকপাত কৰা হৈছে। অন্তিম ভাগ হ'ল সামৰণিত দাঙি ধৰা বক্তব্য।

## বাসগৃহৰ দৃশ্যপট আৰু প্ৰত্যাহ্বান

পূৰ্বৰ বাসগৃহ আৰু চহৰৰ দৰিদ্ৰতা উমশম মন্ত্ৰণালয় গঠন কৰা চহৰৰ বাসগৃহ নাটনি বিষয়ক কাৰিকৰী গোট, ২০১২-১৭ৰ মতে ১৮.৭৮ নিযুত বাসগৃহ গোটৰ নাটনি দেশখনত আছে। ইয়াৰ ভিতৰত অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকৰ বাবে বাসগৃহ গোটৰ (হাউছিং ইউনিট) নাটনি ১০-৫৫ নিযুত কিম্বা সৰ্বমুঠ নাটনিৰ ৫৬.২ শতাংশ। কম উপাৰ্জিত গোটৰ লোকৰবাবে প্ৰয়োজন হয় ৭.৪১ নিযুত গৃহ কিম্বা ৩৯.৪ শতাংশ। মজলীয়া আৰু তাৰ ওপৰৰ উপাৰ্জন গোটৰ ক্ষেত্ৰত এই নাটনিৰ সংজ্ঞা হ'ল ০.৮২ নিযুত অথবা ৪.৪ শতাংশ। দেখদেখকৈ এই প্ৰভেদ ঘাইকৈ অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণী আৰু কম উপাৰ্জিত গোটৰ লোকসকলৰ ক্ষেত্ৰত স্পষ্ট। চহৰৰ বাসগৃহ নাটনিৰ ক্ষেত্ৰত দহখন ৰাজ্যই মুঠ হিচাপত ৭৬ শতাংশ বৰঙণি যোগাইছে। সেই ৰাজ্যকেইখন হ'ল— উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ, পশ্চিমবঙ্গ, অন্ধ্ৰপ্ৰদেশ, তামিলনাডু, বিহাৰ, ৰাজস্থান, মধ্য প্ৰদেশ, কৰ্ণাটক আৰু গুজৰাট। এয়া এটা প্ৰত্যাহ্বানৰ বিষয় আৰু তাৰ সমাধানাৰ্থে নিৰ্দিষ্ট কাৰ্যসূচী গ্ৰহণ কৰাৰ প্ৰয়োজন হয়; আৰু সেইটোৱে আমাৰ অৰ্থনীতিক উৎসাহিত কৰাৰ সুযোগ দিয়ে। তাৰ বাবে ব্যাপক আকাৰত নিৰ্মাণ কাম-কাজ আৰম্ভ কৰা হয়। নিয়োগৰ পথ মুকলি হয় আৰু অৰ্থনীতিয়ে গতি লাভ কৰে।

কাৰিকৰী গোটৰ প্ৰতিবেদনত ১৮.৭৮ নিযুত বাসগৃহৰ নাটনিৰ বিষয়ে আলোকপাত কৰিলেও লোকপিয়ল অনুযায়ী ভাৰতৰ চহৰাঞ্চলত ২০১১ বৰ্ষত ১১.০৭ নিযুত খালী আছিল বুলি উল্লেখ কৰে। এই তথ্যই বাসগৃহ

*লেখক দুৰ্গা শংকৰ মিশ্ৰ ভাৰত চৰকাৰৰ বাসগৃহ আৰু চহৰ পৰিক্ৰমা মন্ত্ৰণালয়ৰ সচিব।

বজাৰখনত চাহিদা আৰু যোগানত যে সামঞ্জস্য নাই সেইটোকে উদঙাই দেখুৱায়। গৃহ সংখ্যা প্ৰয়োজনতকৈ অধিক উচ্চ উপাৰ্জন কৰা গোটৰ ক্ষেত্ৰত, কিন্তু অৰ্থনৈতিকভাৱে দুৰ্বল তথা কম উপাৰ্জিত শ্ৰেণীৰ লোকৰ ক্ষেত্ৰত ৯৫ শতাংশ নাটনি হোৱাৰ বিষয়টো পিয়লত প্ৰকাশ পায়। তদুপৰি প্ৰেক্ষাপণ কৰা অনুযায়ী পৰিলক্ষিত হয় যে ভাৰতৰ চহৰৰ জনসংখ্যা ২০১১ চনত যি বাৰ্ষিক বৃদ্ধি হাৰ আছিল ২.৭৬, সেয়া ২০৫০ চনৰ ভিতৰত ৮১৪ নিযুত লোকলৈ বৃদ্ধি পাব বুলি হিচাপ কৰা হৈছে। এনে স্থিতিয়ে বৰ্দ্ধিত জনসংখ্যাৰ বাবে, বিশেষকৈ দুখীয়া লোকসকলৰ কাৰণে বাসগৃহ আৰু মূল সা-সুবিধাসমূহ ব্যৱস্থা কৰাৰ ক্ষেত্ৰত এটা বৃহৎ প্ৰত্যাহ্বান আনি দিব। ফলস্বৰূপে ই গৃহহীন লোকৰ সংখ্যা বৃদ্ধি তথা হ্ৰস্বকালিন প্ৰব্ৰজনৰ পথ মুকলি কৰিব পাৰে। মাটিৰ অধিক মূল্যই দুখীয়াসকলক বস্তি এলেকাত বাস কৰিবলৈ প্ৰৰোচিত কৰিব অথবা চহৰৰ দাঁতি কাষৰীয়া এলেকাৰ মাটি দখল কৰিবলৈ বাধ্য কৰিব। এই অৱস্থাটোৱে যেন-তেন আৰু অপৰিকল্পিত বিকাশৰ সূচনা কৰিব। উন্নত আৰু বাধা-বিঘিনি মুক্ত মাটি, গৃহনিৰ্মাণত অধিক খৰচ, ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণৰ অভাৱ, নিৰ্ভৰযোগ্য ভাৰা লাভ কৰিব পৰা বজাৰৰ অনুপস্থিতি, দুখীয়াসকলে গৃহ ঋণ পোৱাৰ সুচল ব্যৱস্থা নথকা আদি হ'ল কিছুমান প্ৰত্যাহ্বানৰ বিষয়—যিবোৰক বহনক্ষম বাসগৃহ বজাৰৰ বিকাশৰ বাবে সমাধান কৰা প্ৰয়োজন। কমদামী নিৰ্মাণ সামগ্ৰী আৰু ঘৰ সজাৰ কাম-কাজৰ ক্ষেত্ৰত প্ৰযুক্তিৰ পৰিৱৰ্তন সাধন বহুলভাৱে গ্ৰহণযোগ্য নহয় আৰু সেয়ে বজাৰত ইয়াৰ দাম নাই। আন কিছুমান নিয়ামক বাধাও আছে, যেনে— দীঘলীয়া আৰু জটিল অনুমোদন প্ৰক্ৰিয়া পৰিৱেশ বিষয়ত সেউজ সংকেত প্ৰদান নিৰ্মাণ উপ-বিধিসমূহত স্পষ্টতা আৰু মূল নক্সাৰ ৰূপায়ণৰ অভাৱ।

**চৰকাৰৰ প্ৰয়াস ঃ কাৰ্যসূচী, নীতি আৰু সংস্কাৰ**

স্বাধীনতা লাভৰ পিছৰ পৰা ভাৰত চৰকাৰে দুখীয়াসকলক গৃহ প্ৰদান কৰিবলৈ বহু নীতি আৰু কাৰ্যসূচী হাতত লৈছে। ইয়াৰ ভিতৰত কেইখনমান আঁচনিৰ কথা উল্লেখ কৰিব পাৰি। সেয়া আছিল ১৯৫২ চনৰ ঔদ্যোগিক কৰ্মী আৰু অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকৰ বাবে সমন্বিত ৰাজসাহায্যকৃত বাসগৃহ আঁচনি, ১৯৫৬ চনৰ নিম্ন উপাৰ্জিত গোটৰ বাসগৃহ আঁচনি, বস্তি এলেকা উন্নয়ন/চাফাই আঁচনি (১৯৫৬ চনত আৰম্ভ কৰি ১৯৭২ চনত ৰাষ্ট্ৰীয় স্তৰত বাদ দিয়া হয়), ১৯৭২ চনৰ চহৰৰ বস্তি এলেকাৰ পৰিৱেশমূলক উন্নয়ন আঁচনি, ১৯৯৬ চনৰ ৰাষ্ট্ৰীয় বস্তি বিকাশ কাৰ্যসূচী, নেহৰু ৰোজগাৰ যোজনাৰ অংশ ৰূপে বাসগৃহ তথা আশ্ৰয়স্থলৰ মান উন্নত কৰা বিষয়ক আঁচনি (ইয়াক প্ৰচলন কৰা হৈছিল ১৯৮৯ চনত, কিন্তু ১৯৯৭ চনত বন্ধ কৰি দিয়া হয়) আৰু ১৯৮৮-৮৯ বৰ্ষৰ নৈশ আশ্ৰয় আঁচনি। দুই নিযুত, বাসগৃহ কাৰ্যসূচী, বাল্মীকি আম্বেদকাৰ আবাস যোজনা (২০০১-০২ বৰ্ষত প্ৰচলন), জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰ নৱীকৰণ মিছন, ৰাজীৱ আবাস যোজনা, ৰাজীৱ অভিযান যোজনা আৰু শেহতীয়া প্ৰধান মন্ত্ৰী আবাস যোজনা (চহৰ) উল্লেখযোগ্য। তদুপৰি বিভিন্ন মন্ত্ৰণালয়ৰ নিজাববীয়া কাৰ্যসূচী আছে— যিবোৰ নিজ এলেকাৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰহণ কৰা হৈছে। পূৰ্বতে হাতত লোৱা প্ৰায় ভাগ আঁচনিৰ প্ৰভাৱ সীমিত অৱস্থাৰ, কিয়নো বস্তি এলেকা-সমূহ ক্ৰমাগত-ভাৱে বিস্তাৰিত হৈ পৰিছে।

বহনক্ষম বাসগৃহ নিৰ্মাণৰ ক্ষেত্ৰত যি প্ৰত্যাহ্বান আহি পৰে তাক সমাধান কৰিবৰ বাবে চৰকাৰে বহু নীতিৰ ব্যৱস্থা হাতত লৈছে। প্ৰথম ৰাষ্ট্ৰীয় বাসগৃহ নীতি ১৯৮৮ চনত ঘোষণা কৰা হৈছিল। ১৯৯৪ চনত এটা পুনৰবৰ্দ্ধিত নীতি কেন্দ্ৰীয় চৰকাৰ পৰিৱৰ্তন হোৱাক্ৰমে স্থিতি লাভ কৰে। এটা নতুন গৃহ আৰু আবাস নীতি ১৯৯৮ চনত ঘোষণা কৰা হৈছিল। ইয়াত আধিক্য আৰোপ কৰাৰ বিষয় আছিল গৃহ নিৰ্মাণৰ ক্ষেত্ৰত এক উপযুক্ত আবাসস্থল ৰূপে গুৰুত্ব লাভ কৰা— যিটো এটা পৰিপূৰক দিশ হিচাপে গণ্য কৰা কৰ্তব্য। এই নীতিয়ে কিছু গুৰুত্বপূৰ্ণ প্ৰয়াসৰ দিশ সূচনা কৰে। সেয়া হ'ল 'নগৰ অঞ্চলৰ ভূমি উচ্চ সীমা আৰু নিয়ন্ত্ৰণ আইন'ৰ বাতিলকৰণ আৰু ভূ-সম্পত্তিৰ ক্ষেত্ৰত বিদেশৰ প্ৰত্যক্ষ বিনিয়োগ বৃদ্ধি। এই সকলোবোৰ নীতি একে শ্ৰেণীৰ আৰু গাঁও তথা চহৰাঞ্চল উভয়তে প্ৰযোজ্য হয়। নতুন নীতি ২০০৭ ঘোষণা কৰা হয়। ইয়াক ৰাষ্ট্ৰীয় চহৰাঞ্চলৰ গৃহ আৰু আবাস নীতি ৰূপে জনা যায়। এই নীতিয়ে বিভিন্ন ধৰণৰ ৰাজহুৱা তথা ব্যক্তিগত অংশাদাৰিতাক উৎসাহিত কৰিবলৈ বিচাৰে—যাৰ দ্বাৰাই সকলোৰে বাবে “বহনক্ষম বাসগৃহ লক্ষ্য ন্যস্ত কৰিব পাৰি। ইয়াত গুৰুত্ব প্ৰদান কৰা বিষয়টো হ'ল নতুন বাসগৃহ প্ৰকল্পত অৰ্থনৈতিক-ভাৱে দুৰ্বল আৰু কম উপাৰ্জিত গোটসমূহৰ বাবে মাটিৰ নিৰ্দ্ধাৰণ। এই নীতিয়ে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ উপৰি অন্য প্ৰতিষ্ঠানৰ নিৰ্দিষ্ট ভূমিকা থিৰ কৰে। (প্ৰতিষ্ঠানবোৰ হ'ল, থলুৱা

সংস্থা, বেংক, বাসগৃহ বিষয়ক বিত্তীয় প্ৰতিষ্ঠান আৰু ৰাজহুৱা সংস্থা। এই বাসগৃহ খণ্ডত বৃদ্ধি হোৱা প্ৰত্যাহ্বানৰ বিষয়বোৰ সম্পৰ্কে উপলব্ধি কৰি কেন্দ্ৰীয় চৰকাৰে এতিয়া এই নীতি পুনৰ বৰ্দ্ধিত কৰিবলৈ ইচ্ছা কৰিছে।

অধিকতৰ বেচৰকাৰী খণ্ডৰ অংশ গ্ৰহণৰ আৱশ্যকতালৈ চাই চৰকাৰে এটা ৰাষ্ট্ৰীয় ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিতা নীতিৰ খচৰাও যুগুতাই উলিয়াছে। এই নীতিয়ে ব্যক্তিগত খণ্ডৰ জৰিয়তে বিভিন্ন ভাগত বহু সংখ্যক যোজনা ৰূপায়ণ কৰিবৰ বাবে সূত্ৰ দাঙি ধৰিছে। ইয়াৰ বাহিৰেও ভাৰাত লোৱা গৃহ আৱশ্যকতাৰ কথা উপলব্ধি কৰি আদৰ্শ ৰায়তী স্বত্ব আইন সহ এটা 'ৰাষ্ট্ৰীয় নগৰ অঞ্চলৰ ভাৰা বাসগৃহ নীতি'ও তৈয়াৰ কৰা হৈছে যাতে নীতিগতভাৱে ভাৰাত ল'ব পৰা গৃহৰ ক্ষেত্ৰত চালুকীয়া অৱস্থাত থকা বজাৰখনক সক্ৰিয় কৰিব পৰা যায়।

চৰকাৰে বিভিন্ন সংস্কাৰ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু তাৰ ফলস্বৰূপে বহনক্ষম বাসগৃহ খণ্ডক এটা আকৰ্ষণীয় বিনিয়োগৰ লক্ষ্য ৰূপে প্ৰতিস্থাপিত কৰিছে। তাৰ ভিতৰত কিছুমান উল্লেখযোগ্য সংস্কাৰ হ'ল— ভূ-সম্পত্তি বিধিবদ্ধ আইন, উদাৰীকৰণ বিদেশৰ প্ৰত্যক্ষ বিনিয়োগ নীতি, ভূ-সম্পত্তি বিনিয়োগ ন্যাস আৰু সামগ্ৰী আৰু সেৱা কৰ। ভূ-সম্পত্তি বিধিবদ্ধ আইন ২০১৭ চনৰ ১ মেইত বলৱৎ কৰা হয়। ই অসংগঠিত ভূ-সম্পত্তি খণ্ডক ভালদৰে তথা স্বচ্ছভাৱে লেনদেন কৰিবলৈ সুবিধা প্ৰদান কৰে— যাৰ ফলত উপভোক্তা-সকলৰ স্বাৰ্থ অটুট ৰখাৰ উপৰি বিনিয়োগকাৰীৰ বিকাশক উৎসাহিত কৰে। ২০১৭ চনৰ ১ জুলাইত প্ৰচলন কৰা সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাৰ লক্ষ্য হ'ল কৰৰ ক্ষেত্ৰত যিবোৰ বাধা-বিঘিনি আছে তাক দূৰ কৰি একক কৰ তথা একীভূত বজাৰ সৃষ্টি কৰা। কৰ আৰোপত স্বচ্ছতা প্ৰদান তথা যোগান চক্ৰ উপযুক্ত কৰি তোলাটো ইয়াৰ লক্ষ্য।

গৃহ নিৰ্মাণ ব্যৱসায় কাৰ্য সহজ কৰিবৰ কাৰণে কিছুমান প্ৰাৰম্ভিক ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন হয়। তেনে ব্যৱস্থাৰ ভিতৰত কেইটামান উল্লেখযোগ্য হ'ল— খৰতকীয়া অনুমোদন আৰু সেউজ সংকেত, চিঙ্গল উইণ্ডো, অৰ্থাৎ ইটো-সিটো বিভাগলৈ নগৈ একেটা কক্ষৰপৰা তেনে সেউজ সংকেত প্ৰদান পদ্ধতি, স্বয়ংক্ৰিয়ভাৱে (অটোমেটেড) ভৱন আঁচনি অনুমোদন পদ্ধতি আৰু সম্পত্তি অধিকাৰৰ প্ৰমাণ-পত্ৰ ব্যৱস্থা। এনে কৰাৰ উদ্দেশ্য হ'ল প্ৰকল্পসমূহ অধিক খৰচৰদ্বাৰা আক্ৰান্ত নহয় আৰু সময়ো উকলি নাযায়। তদুপৰি চৰকাৰে বহনক্ষম বাসগৃহৰ প্ৰতি 'আন্তঃগাঁথনি মৰ্যাদা' প্ৰদান কৰিছে— যাৰ ফলত প্ৰকল্প ঋণ বহনযোগ্য হৈ উঠিব আৰু ক্ৰেতাসকলৰ বাবে ঘৰৰ মূল্যও হ্ৰাস পাব। এই আন্তঃগাঁথনি মৰ্যাদা প্ৰদানে সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব, কিয়নো ই বহনক্ষম বাসগৃহ খণ্ডত বেচৰকাৰী বিনিয়োগক ন্যস্ত কৰাত যোগান পক্ষৰ পিনৰপৰা উদগনি জগাব। ২০১৬-১৭ আৰু ২০১৭-১৮ বৰ্ষৰ বাজেটত এটা সমৰ্থনসূচক পৰিৱেশ সৃষ্টি কৰিবৰ কাৰণে এক প্লেটফৰ্ম অথবা মঞ্চৰ যোগান ধৰা হৈছে। বিত্তীয় ৰেহাই প্ৰদানেই হ'ল এনে ব্যৱস্থা। সেই ব্যৱস্থাত আছে আয় কৰ আইনৰ ৮০-আই বী এ ধাৰাৰ অধীনত প্ৰত্যক্ষ কৰ লাভ, এফ ডী আই তথা ই চী বী প্ৰস্তাৱিত শিথিলতা আৰু কাৰ্পেট ক্ষেত্ৰৰ সংজ্ঞাৰ উচিত মানৰ পৰিমাণ।

কেন্দ্ৰই বন্ধকী ব্যৱস্থাৰ সংস্কাৰৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। তাৰ বাবে প্ৰধান মন্ত্ৰী আবাস যোজনাৰ চহৰৰ অধীনত এটা নতুন বিস্তৃত ঋণ সংযোজন সাহায্য আঁচনিৰ দিহা কৰিছে— যাৰদ্বাৰাই অৰ্থনৈতিক-ভাৱে দুৰ্বল তথা কম উপাৰ্জিত শ্ৰেণীৰ লোকসকলৰ উপৰি অন্য নিম্ন বৰ্গৰ লোকে তাৰ লাভ পাব পাৰে। গৃহ ক্ৰয় কৰোঁতাসকললৈ ৰিজাৰ্ভ বেংকৰ যি হাৰ কৰ্তন ব্যৱস্থা আছে তাৰ কাৰণে পুঁজিভিত্তিক ঋণ হাৰৰ ওপৰত সামান্য মূল্য আৰোপ কৰা হৈছে।

**চহৰৰ নতুন বাসগৃহ অভিযান**

২০১৫ চনৰ জুনত প্ৰধান মন্ত্ৰীয়ে এটা আৱাস যোজনা প্ৰচলন কৰে। চহৰসমূহক উদ্দেশ্য কৰি গ্ৰহণ কৰা এই যোজনাক কোৱা হয় প্ৰধান মন্ত্ৰী আৱাস যোজনা। (চহৰ)। ইয়াৰ লক্ষ্য হ'ল ২০২২ চনৰ ভিতৰত সকলোৰে বাবে বাসগৃহৰ ব্যৱস্থা কৰা। আঁচনিখনে ৰাজ্য তথা কেন্দ্ৰশাসিত প্ৰদেশসমূহৰ জৰিয়তে চহৰৰ থলুৱা সংস্থা আৰু অন্যান্য সংস্থাক কেন্দ্ৰীয় সাহায্যৰ যোগান ধৰে। কাৰ্যসূচীত চাৰিটা বিষয় আছে। সেয়া হ'ল— ঋণ সংযোজিত সাহায্য আঁচনি আৰু অন্য তিনিখন কেন্দ্ৰীয়ভাৱে পৃষ্ঠপোষকতা কৰা আঁচনি। ব্যক্তিগত প্ৰতিষ্ঠানৰ অংশগ্ৰহণৰ জৰিয়তে বস্তি বাসিন্দাসকলে ব্যৱহাৰ কৰা মাটিক এক সম্পদ ৰূপে লৈ পুনৰ সংস্থাপনৰ দিহা কৰা, অংশীদাৰিতামূলকভাৱে বহনযোগ্য বাসগৃহ আৰু ব্যক্তিগত গৃহ নিৰ্মাণৰ সুবিধাৰ্থে ৰাজসাহায্য ব্যৱস্থা এই আঁচনিত অন্তৰ্ভুক্ত কৰা হৈছে।

সমবায় ভাবধাৰাৰে প্ৰেৰিত অভিযানৰ শিথিল ব্যৱস্থাৰে নিজ নিজ ৰাজ্যত বাসগৃহৰ চাহিদা পূৰণৰ কাৰণে

ওপৰত উল্লিখিত বিষয়ক বাছি ল'ব পাৰে। অভিযানৰ নীতি-নিৰ্দেশনা অনুযায়ী আঁচনি তৈয়াৰী আৰু অনুমোদন প্ৰক্ৰিয়া ৰাজ্যবোৰৰ হাতত এৰি দিয়া হৈছে। যাতে তাৰ কাম খৰতকীয়াকৈ ৰূপায়ণ কৰিব পাৰে। পূৰ্বৰ কাৰ্যসূচী ৰূপায়ণৰপৰা প্ৰাপ্ত শিক্ষা অনুযায়ী এই প্ৰধান মন্ত্ৰী আবাস যোজনাই গড় গঠনত প্ৰয়োজন ভিত্তিক শিথিল ব্যৱস্থা, চাহিদা অনুযায়ী পৰিচালিত দৃষ্টিভঙ্গী আৰু প্ৰত্যেক চহৰৰ থলুৱা সংস্থাৰ বাবে বিস্তাৰিত ৰূপত কাৰ্য হাতত লৈছে।

**প্ৰকৃত স্থানৰ বস্তি এলেকাৰ পুনৰ-বিকাশ**

বিকাশ সাধন কাৰ্যত জড়িত থকা বেচৰকাৰী প্ৰতিষ্ঠান কিম্বা গোটসমূহে কম উপাৰ্জিত লোকৰ বাবে গৃহ নিৰ্মাণৰ অৰ্থে সীমা নিৰ্দ্ধাৰিত মাটিত বহু প্ৰকাৰৰ সহায়-সহযোগ আগবঢ়ায়। এই ক্ষেত্ৰত বিশেষকৈ বস্তি বাসিন্দা-সকলৰ কথা উল্লেখ কৰিব পাৰি। বস্তি এলেকাৰ পুনৰবিকাশ আৰু তাৰ বাসিন্দাসকলৰ পুনৰ সংস্থাপন কৰাৰ লগতে বেচৰকাৰী প্ৰতিষ্ঠানে আঁচনি ৰূপায়ণ কালত হিতাধিকাৰী-সকলক অন্তৰ্বৰ্তীকালীন থকাৰ ব্যৱস্থাৰো দায়িত্ব লয় আৰু যেতিয়া আঁচনিৰ কাম সম্পূৰ্ণ হয়, তেনে অৱস্থাত আবণ্টিত ঘৰসমূহত হিতাধিকাৰীক পুনৰ বাস কৰাটো নিশ্চিত কৰে। এনে কাৰ্যৰদ্বাৰা বাসগৃহ ব্যৱস্থা কৰাৰ দিশত এটা সৰ্বাত্মক দৃষ্টিভঙ্গী অৱলম্বন কৰাটোকেই সূচায়। চহৰৰ থলুৱা সংস্থাবোৰেও পুনৰবিকাশ সাধন কৰা এই ঠাইবোৰ জাননীকৃত কৰা বস্তি এলেকাত ধৰা নহয়। ৰাজ্যবোৰেও উপযুক্ত বস্তি বাসিন্দা-সকলক (বেচৰকাৰী মাটিৰ বস্তিৰ বাহিৰে) ঘৰ প্ৰদান কৰিবৰ বাবে গড় হিচাপে প্ৰতি ঘৰৰ ক্ষেত্ৰত ১ লাখ টকাৰ বস্তি পুনৰসংস্থাপন মঞ্জুৰী প্ৰদান লাভ কৰে।

**ঋণ সংযোজিত ৰাজসাহায্য আঁচনি**

প্ৰাৰম্ভিক অৱস্থাত দুৰ্বল শ্ৰেণীৰ লোকক গৃহ ঋণৰ বাবদ ৰাজসাহায্য দিয়া হৈছিল। কিন্তু ২০১৭ চনত ঋণ সংযোজিত ৰাজসাহায্য আঁচনিক মজলীয়া উপাৰ্জন গোটৰ লোকক সামৰি ল'বৰ বাবে এবছৰৰ কাৰণে বিস্তাৰিত কৰা হয়। অৱশ্যে সেইবোৰৰ সুত সাহায্য হাৰ ঋণ লোৱা ধনৰাশিৰ ওপৰত নিৰ্ভৰ কৰি ৩-৪ শতাংশত সীমাবদ্ধ কৰা হয় (১ নং তালিকাত দ্ৰষ্টব্য)। এই ঋণ নতুনকৈ সজা ঘৰ অথবা কোঠা বৃদ্ধি কৰিবৰ কাৰণে লাভ কৰে। অৰ্থনৈতিক-ভাৱে দুৰ্বল শ্ৰেণীৰ লোকৰ বাবে (৩০ বৰ্গ মিটাৰ পৰ্যন্ত) আৰু কম উপাৰ্জিত শ্ৰেণীৰ লোকৰ বাবে (৬০ বৰ্গ মিটাৰ পৰ্যন্ত) গৃহ ঋণৰ ওপৰত ৬.৫% সুত সাহায্য দিয়া হয় আৰু ইয়াৰ ম্যাদ কাল হ'ল ১৫ বছৰ পৰ্যন্ত। এই ৰাজসাহায্য মাত্ৰ ৬ লাখ টকাৰ ঋণৰ বাবে পাৰে। সাহায্যসমূহ ঋণ প্ৰদান প্ৰতিষ্ঠানসমূহলৈ প্ৰণালীকৰণ কৰা আৰু তাৰ অগ্ৰগতি পৰ্যবেক্ষণ কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় পৰ্যায়ত ঘাই সংস্থা, হাডকো আৰু নেচনেল হাউছিং বেংকে দায়িত্ব গ্ৰহণ কৰে।

**অংশীদাৰিতাৰ বহনক্ষম বাসগৃহ ব্যৱস্থা**

ইয়াৰ অধীনত গৃহ নিৰ্মাণৰ বাবে অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ বাসগৃহৰ অৰ্থে বিত্তীয় সহায্য আগবঢ়োৱা হয় যেতিয়া সেইবোৰ ৰাজহুৱা/ব্যক্তিগত প্ৰতিষ্ঠানৰ অংশীদাৰিত্বভাৱে নিৰ্মাণ কৰিবলৈ লোৱা হয়। এনে প্ৰতিটো দুৰ্বল শ্ৰেণীৰ লোকৰ ঘৰৰ বাবদ ১.৫ লাখ টকা হাৰত কেন্দ্ৰীয় সাহায্য আগবঢ়োৱা হয়। বহনযোগ্যতা নিশ্চিত কৰিবৰ কাৰণে ৰাজ্যই কাৰ্পেট ক্ষেত্ৰৰ প্ৰতি বৰ্গ মিটাৰৰ বিক্ৰী মূল্য (উচ্চ সীমা) থিৰ কৰে। ৰাজ্য সমূহে উদগনি স্বৰূপে অন্য ৰেহাই প্ৰদান কৰিব পাৰে, যেনে— ৰাজসাহায্যৰ ব্যৱস্থা, মাটি আৰু মোহৰ শুল্কৰপৰা অব্যাহতি। এনে প্ৰকল্প বিভিন্ন শ্ৰেণীৰ লোকৰ ঘৰসমূহৰ এটা মিশ্ৰণ হ'ব পাৰে, কিন্তু কেন্দ্ৰীয় সাহায্যৰ বাবে বিবেচনাযোগ্য হ'ব যেতিয়া কমেও ৩৫ শতাংশ ঘৰ অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকসকলৰ হয়।

**হিতাধিকাৰী নেতৃত্বৰ গৃহ নিৰ্মাণ**

নতুন ঘৰ নিৰ্মাণ অথবা বৰ্তমান যিবোৰ ঘৰ আছে তাৰ উন্নীতকৰণৰ বাবে অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ উপযুক্ত পৰিয়ালক ১.৫০ লাখ টকাৰ কেন্দ্ৰীয় সাহায্য আগবঢ়োৱা হয়। হিতাধিকাৰীয়ে প্ৰয়োজনীয় নথি পত্ৰৰে এখন আবেদন দাখিল কৰি চহৰৰ থলুৱা সংস্থাৰ ওচৰলৈ যাব লাগে। এনে ধৰণৰ সকলোবোৰ আবেদন পত্ৰৰ ভিত্তিত সংস্থাই চহৰজোৰা এটা সমন্বিত গৃহ প্ৰকল্প যুগুতাই উলিয়ায়।

চহৰৰ নতুন বাসগৃহ অভিযান কাৰ্য আৰম্ভ কৰাৰপৰা ২৪ লাখৰ ওচৰা-উচৰি গৃহ মঞ্জুৰ কৰা হৈছে। প্ৰায় ১০ লাখ ঘৰৰ নিৰ্মাণ কাৰ্য আৰম্ভ হৈছে। এতিয়ালৈকে বিবেচনা কৰা ৫,১৪৭ প্ৰকল্পৰ আবণ্টন ৰাশিৰ পৰিমাণ হ'ল ১,২৭,৮১০ কোটি টকা। ইয়াত জড়িত হৈ আছে ৩৭,২৭০ কোটি টকা কেন্দ্ৰীয় সাহায্য। ঋণ সংযোজিত সাহায্য আঁচনিৰ অধীনত ২০১৭ চনৰ ৩১ জুলাইলৈকে ৪৮,৮৬৩-টা নতুন ঘৰৰ বাবে ৯৬২ কোটি টকাৰ সাহায্য মোকলাই দিয়া হৈছে। (২

**১ নং তালিকা ঃ প্ৰধান মন্ত্ৰী আবাস যোজনাৰ বৈশিষ্ট্য**

| | |
|---|---|
| বস্তিৰ পুনৰ বিকাশ | — সম্পদ ৰূপে মাটিৰ ব্যৱহাৰ<br>— বেচৰকাৰী অংশীদাৰিতাৰে<br>— প্ৰতি ঘৰৰ বাবে ১ লাখ হাৰত কেন্দ্ৰীয় চৰকাৰৰ মজুৰী<br>— প্ৰয়োজন সাপেক্ষে অতিৰিক্ত এফ এছ আই/টি ডী আৰ/এফ এ আৰ ৰাজ্য তথা কেন্দ্ৰীয় শাসিত প্ৰদেশৰদ্বাৰা যোগান |
| হিতাধিকাৰীজনক গৃহ নিৰ্মাণ | — ব্যক্তিগত ঘৰৰ প্ৰয়োজন হোৱা অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকৰ বাবে<br>— নতুন নিৰ্মাণ বা বৰ্তমানে থকা ঘৰৰ সম্প্ৰসাৰণৰ অৰ্থে প্ৰতি ঘৰৰ বাবে ১.৫ লাখ টকা হাৰৰ কেন্দ্ৰৰ মঞ্জুৰী |
| অংশীদাৰিতাৰ বহনক্ষম বাসগৃহ | — সংশ্লিষ্ট সংস্থাসমূহকে ধৰি ব্যক্তিগত খণ্ড অথবা ৰাজহুৱা খণ্ডৰ স'তে<br>— বহনক্ষম গৃহ প্ৰকল্পত প্ৰতি দুৰ্বল শ্ৰেণীৰ লোকৰ ঘৰৰ ক্ষেত্ৰত ১.৫ লাখ টকাৰ কেন্দ্ৰীয় সাহায্য |
| ঋণ সংযোজিত ৰাজসাহায্য আঁচনি | — অৰ্থনৈতিকভাৱে দুৰ্বল, কম উপাৰ্জিত আৰু মজলীয়া উপাৰ্জিতৰ বাবে পোনপটীয়া সুত সাহায্য |

| | | অ-দু | ক-উ | ম-উ-১ | ম-উ-২ |
|---|---|---|---|---|---|
| পৰিয়ালৰ উপাৰ্জন (বছৰি টকা) | | ৩,০০,০০০ লৈকে | ৩,০০,০০০ - ৬, ০০,০০০ | ৬, ০০,০০০ - ১২,০০,০০০ | ১২,০০,০০০ - ১৮,০০,০০০ |
| সুত সাহায্য (বছৰি % হিচাপত) | | ৬.৫% | ৬.৫% | ৪% | ৩% |
| | কাৰ্পেট এলেকা | ৩০ বৰ্গ মিটাৰ | ৬০ বৰ্গ মিটাৰ | ৯০ বৰ্গ মিটাৰ | ১১০ বৰ্গ মিটাৰ |

উৎস ঃ **গৃহ আৰু চহৰৰ দৰিদ্ৰতা উপশম মন্ত্ৰণালয়, ২০১৭**

নং তালিকাত দ্ৰষ্টব্য)। এতিয়ালৈকে বিবেচনা কৰা সৰ্বাধিকসংখ্যক প্ৰকল্প অন্ধ্ৰ প্ৰদেশত আছে। তাৰ পিছতেই তামিলনাডু, মধ্যপ্ৰদেশ আৰু কৰ্ণাটক (২ নং তালিকাত দ্ৰষ্টব্য)। এই গৃহ প্ৰকল্প সমূহৰ স্থিতি বিকাশ আৰু ৰূপায়ণ কাৰ্য ৰাজ্য তথা কেন্দ্ৰশাসিত অঞ্চলবোৰৰ সৈতে নিয়মীয়াকৈ পৰ্যালোচনা কৰি থকা হৈছে। মঞ্জুৰ কৰা ঘৰবোৰৰ কাম-কাজ ভাল নক্সা আৰু প্ৰযুক্তিমূলক বিষয় আদিৰে খৰতকীয়াকৈ কৰিবলৈ লোৱা হৈছে। হিতাধিকাৰীমূলক গৃহ নিৰ্মাণ উপযুক্তভাৱে পৰ্যবেক্ষণ কৰি থকা হৈছে আৰু যোগান ধৰা আধাৰৰদ্বাৰা সংযোজিত।

**স্থিতিৰ স'তে খাপ খাই পৰা প্ৰযুক্তি-মূলক উপ-অভিযান**

আধুনিক নিৰ্মাণ প্ৰযুক্তিৰ নব্য গতিধাৰা অক্ষুণ্ণ ৰাখিবৰ কাৰণে এটা প্ৰযুক্তিমূলক উপ-অভিযানৰ দিহা কৰা হৈছে। প্ৰধান মন্ত্ৰী আবাস যোজনা (চহৰ) অধীনত এই প্ৰক্ৰিয়া যাতে গঢ় লৈ উঠিব পাৰে তাৰ প্ৰতি লক্ষ্য কৰা হৈছে। গুণগতভাৱে নিৰ্মাণ, ছেউজ প্ৰযুক্তিৰ অৱলম্বন আৰু বিভিন্ন ভৌগলিক অৱস্থা তথা জলবায়ু মণ্ডল অনুসৰি উপযুক্ত নক্সা তৈয়াৰ সেয়া এনে অভিযান কাৰ্যই সমৰ্থবান কৰি তুলিব পাৰে। ইয়াৰ বাবে বিভিন্ন সংস্থা, নিয়ামক তথা প্ৰশাসনীয় সংস্থাৰ সমন্বয় সাধনেৰে তেনে কামত আগবাঢ়ি যোৱাত সহায়ক হয়। আনকি প্ৰয়োজন

২ নং তালিকা ঃ প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ স্থিতি (২০১৭ চনৰ ৩১ জুলাইৰ বা লেখত)

| ক্ৰমিক সংখ্যা | | ৰাজ্য/কেন্দ্ৰীয় শাসিত প্ৰদেশ | বিবেচিত প্ৰকল্প প্ৰস্তাৱ | এতিয়ালৈকে অভিযানত কৰা বিনিয়োগ (কোটি টকা হিচাপত) | কেন্দ্ৰীয় সাহায্য (কোটি টকা হিচাপত) | নিৰ্মাণ কৰিব লগা ঘৰ |
|---|---|---|---|---|---|---|
| ১ | | অন্ধ্ৰপ্ৰদেশ | ২০৭ | ২৪৮৩৯.৮৬ | ৬৩২৪.২৯ | ৪২০৩৮৬ |
| ২ | | বিহাৰ | ১৮০ | ৩৯১১.১৮ | ১৪৫৪.৩৯ | ৮৮৩৭১ |
| ৩ | | ছত্তিশগড় | ৬৯ | ২৯৬৪.০৯ | ৫১৭.০৫ | ৩৫৩৫৭ |
| ৪ | | গোৱা | - | ১.৪৬ | ০.৩৬ | ২০ |
| ৫ | | গুজৰাট | ১৭৪ | ১০৩৭৭.৬৮ | ২২৫৬.১৫ | ১৫৬৯৩ |
| ৬ | | হাৰিয়ানা | ৫ | ৩৪১.২২ | ২২৭.৫৩ | ৪৪৭৪ |
| ৭ | | হিমাচল প্ৰদেশ | ৩৬ | ২২১.৯২ | ৯৬.৫৮ | ৪৮৯৭ |
| ৮ | | জন্মু আৰু কাশ্মীৰ | ৪৪ | ২৯২.৩২ | ১০৪.২৩ | ৬২৫০ |
| ৯ | ৰাজ্যসমূহ | ঝাৰখণ্ড | ১৮৪ | ৩০৩৯.৮৯ | ১২৬৪.০৬ | ৮১৭২৫ |
| ১০ | | কৰ্ণাটক | ৮৪২ | ৯২৫১.১৯ | ৩৩৪২.৪৩ | ২০৩১৪৫ |
| ১১ | | কেৰালা | ১০৬ | ১০৮২.৬১ | ৫১৭.৬২ | ৩২৬৪২ |
| ১২ | | মধ্যপ্ৰদেশ | ৩৬৮ | ১৯৪৫২.৬১ | ৪৪১১.৫১ | ২৮৬৯৪৯ |
| ১৩ | | মহাৰাষ্ট্ৰ | ৪৯ | ১৪১৪৪.৬৮ | ২০৬৯.০০ | ১৩৩০৪৩ |
| ১৪ | | উৰিষ্যা | ১১৬ | ২৬৬৩.৭৮ | ৯৭৬.৬৬ | ৫৯৫২৫ |
| ১৫ | | পঞ্জাব | ৩২৯ | ১২১৪.৯০ | ৬০৪.৪০ | ৪২৯০৫ |
| ১৬ | | ৰাজস্থান | ৬৫ | ৩১৯০.৪৫ | ৭৯০.১৯ | ৪৪৭৬৩ |
| ১৭ | | তামিলনাড়ু | ১৬৩৪ | ১১৯৪৫.২৪ | ৫০৮৭.১৮ | ৩৩৪৮০১ |
| ১৮ | | তেলেঙ্গানা | ১৪৬ | ৫০০৩.৪৪ | ১২৫৩.১২ | ৮৩০৯৪ |
| ১৯ | | উত্তৰ প্ৰদেশ | ২৫৬ | ৩২৬২.০৭ | ১৩৩৯.১৩ | ৭৮৭২৭ |
| ২০ | | উত্তৰাখণ্ড | ৪১ | ৫১৬.৫২ | ২০৩.৫২ | ৮০৭২ |
| ২১ | | পশ্চিমবঙ্গ | ১৫৩ | ৫৯০৩.৭২ | ২১৮৪.৭০ | ১৪৪৮৬২ |
| | | মুঠ | ৫০০৪ | ১২৩৬১৩.০৯ | ৩৫০২৪.০২ | ২২৫০৫০১ |
| ২২ | (উঃ পূঃ ৰাজ্য) | অৰুণাচল প্ৰদেশ | ৫ | ৯৮.১৬ | ৭৮.৪৪ | ১৬০৬ |
| ২৩ | | অসম | ৪৭ | ১২৪৭.৭৮ | ৫৪৮.৮৯ | ৩৬৫৭৭ |
| ২৪ | | মণিপুৰ | ২৪ | ৬৭৯.৫২ | ৩৯৬.৭২ | ২৬৪৫১ |
| ২৫ | | মেঘালয় | ৮ | ৩২.২৩ | ১১.৫১ | ৭৬৪ |
| ২৬ | | মিজোৰাম | ৯ | ২২২.৯২ | ১৬৫.২৯ | ১০৫৫২ |
| ২৭ | | নগালেণ্ড | ১৩ | ৩৩৫.০৩ | ২২৯.২৭ | ১৩৫৬০ |
| ২৮ | | ছিকিম | ১ | ১.৯৫ | ০.৬৫ | ৪৩ |
| ২৯ | | ত্ৰিপুৰা | ২৪ | ১২৬৭.৪৯ | ৭২২.৫৭ | ৪৫৯৭২ |
| | | মুঠ | ১৩১ | ৩৮৮৫.০৯ | ২১৫৩.৩৪ | ১৩৫৫২৫ |

| | | | | | | |
|---|---|---|---|---|---|---|
| ৩০ | | আন্দামান নিকোবৰ দ্বীপপুঞ্জ | ৩ | ৫৩.৯৬ | ৯.৩৪ | ৬০৯ |
| ৩১ | কেন্দ্ৰশাসিত প্ৰদেশ | চণ্ডীগড় | - | ১.২৯ | ০.২১ | ১০ |
| ৩২ | | দাদৰ এণ্ড নগৰ হাভেলি | ১ | ৩৯.৩২ | ১৫.১২ | ৯৪৬ |
| ৩৩ | | দমন আৰু ডিউ | ২ | ৫.০৬ | ২.১১ | ১৩৬ |
| ৩৪ | | দিল্লী | - | ৫০.১৮ | ৮.৯১ | ৪৬৮ |
| ৩৫ | | লাক্ষাদ্বীপ | - | - | - | - |
| ৩৬ | | পুডুচেৰী | ৬ | ১৬২.৮১ | ৫৮.০১ | ৩৮৬৬ |
| | | মুঠ | ১২ | ৩১২.৬৩ | ৯৩.৪৯ | ৬০৩৫ |
| | | সৰ্বমুঠ | ৫১৪৭ | ১২৭৮১০.৮১ | ৩৭২৭০.৮৪ | ২৩৯২০৬১ |

উৎস ঃ **গৃহ আৰু চহৰ দৰিদ্ৰতা উপশম মন্ত্ৰণালয়, ২০১৭**

সাপেক্ষে নিৰ্মাণৰ ক্ষেত্ৰত দুৰ্যোগ প্ৰতিহত কৰাৰ অৰ্থে অৱলম্বন কৰা কৌশল প্ৰক্ৰিয়াৰো উৎকৰ্ষ সাধন কৰা আৱশ্যকতাৰ দিশটোৰ প্ৰতি নিৰ্মাণ-কাৰীৰ দৃষ্টি আকৰ্ষণ কৰে। আঁচনিখনে থলুৱাভাৱে উপযুক্ত গৃহ নক্সা, আৰু নিৰ্মাণ কৌশল ৰূপে দুৰ্যোগ প্ৰতিহত প্ৰযুক্তিক স্থানীয় পৰিৱেশলৈ লক্ষ্য ৰাখি অৱলম্বন কৰিবৰ বাবে উৎসাহ প্ৰদান কৰে। বৰ্দ্ধিত ঘৰৰ চাহিদা পূৰণ কৰিবৰ বাবে আঁচনিখনে কিছুমান নিৰ্মাণ সামগ্ৰী ব্যৱহাৰ কৰাৰ পোষকতা কৰে। তেনে সামগ্ৰীবোৰ হ'ল, থলুৱাভাৱে প্ৰস্তুত কৰা ইটা আৰু কম খৰচী কৌশল ব্যৱহাৰ। চিমেণ্টৰ ভাৰসাম্য ৰাখিব পৰা মাটি বা ফ্লাই এছ ব্যৱহাৰ এনে ইটা এক সমল ৰূপে কামত লগোৱাৰ পোষকতা কৰে। আঁচনিখনে অধিক টিকি থাকিব পৰা আৰু সৰ্বাত্মকভাৱে বহনক্ষম গৃহ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত উপযুক্ত শক্তি সমন্বিত কৰাৰ নীতি-নিৰ্দেৰ্শনাক গ্ৰহণ কৰে আৰু সেই অনুযায়ী কামত আগবাঢ়ে। নতুন প্ৰযুক্তি ব্যৱহাৰ কৰি ১৩ খন ৰাজ্যত ঘৰ নিৰ্মাণ কৰিবলৈ লোৱা হৈছে আৰু তেনে ঘৰবোৰৰ নমুনা আৰু প্ৰদৰ্শনে বিস্তাৰিতভাৱে প্ৰভাৱ পেলাব।

**চহৰাঞ্চলৰ অন্য অভিযানৰ স'তে বাসগৃহ অভিযানৰ একীভূতকৰণ**

চহৰৰ আঁচনিসমূহৰ সমন্বিতকৰণে নগৰ-চহৰবোৰক ঘৰৰ চাহিদা পূৰণ কৰাৰ ক্ষেত্ৰত খৰতকীয়াকৈ সক্ষম হ'বলৈ সহায় কৰিছে। তেনে ঘৰবোৰ আৱশ্যকীয় আন্তঃগাঁথনিৰে সু-সজ্জিত কৰাটো হ'ল আন এটা উল্লেখনীয় বিষয়।

**স্মাৰ্ট ছিটি অভিযান ঃ**

চহৰ বিকাশ মন্ত্ৰণালয়ৰ ই হ'ল এটা ধ্বজাবাহী অভিযান। ইয়াৰ লক্ষ্য হ'ল মহানগৰবোৰত মূল আন্তঃগাঁথনি কাৰ্যক উৎসাহিত কৰা আৰু তাৰ সম্যক ৰূপায়ণৰদ্বাৰা জনগণক এটা সুন্দৰ জীৱন যাপন কৰিবলৈ সুবিধা প্ৰদান কৰা। স্মাৰ্ট ছিটিৰ ক্ষেত্ৰত যি প্ৰস্তাৱসমূহ আছে তাৰ ভিতৰত বাসগৃহ হ'ল এক অন্যতম গুৰুত্বপূৰ্ণ ক্ষেত্ৰ। ক্ষেত্ৰভিত্তিক বিকাশ হ'ল স্মাৰ্ট ছিটিৰ এটা মূল উপাদান আৰু ইয়াৰদ্বাৰা বৰ্তমানে থকা অঞ্চলবোৰৰ ৰূপান্তৰ সাধন আশা কৰিব পাৰি। সেই পৰিৱৰ্তনত বস্তি এলেকাকে ধৰি অন্য অনুন্নত অঞ্চলবোৰো সুপৰিকল্পিত হৈ উঠে, আৰু তাৰদ্বাৰাই সমগ্ৰ চহৰখনৰেই জীৱন ধাৰণৰ অৱস্থা উন্নত হয়। বহু স্মাৰ্ট ছিটি প্ৰস্তাৱত ক্ষেত্ৰভিত্তিক বিকাশৰ অধীনত বাসগৃহ বিষয়টো অন্তৰ্ভুক্ত কৰিছে আৰু প্ৰধান মন্ত্ৰী আবাস যোজনাৰ (চহৰ) স'তে একীভূত হোৱাৰ প্ৰস্তাৱ কৰিছে।

**পুনৰুজ্জীৱিতকৰণ তথা চহৰৰ ৰূপান্তৰ সাধনৰ অৰ্থে অটল অভিযান**

ইয়াৰ প্ৰয়াস হ'ল প্ৰতি ঘৰৰ পৰিয়ালকে জল যোগান আৰু পয়ঃপ্ৰণালীৰ সুবিধা প্ৰদান কৰা, খোলা ঠাইৰ উন্নতি সাধন তথা পৰিৱেশৰ গতিশীল ব্যৱস্থাৰ প্ৰদূষণ হ্ৰাস কৰা— যাৰ দ্বাৰাই বাসগৃহৰ প্ৰতি মূল আন্তঃগাঁথনি যোগান ধৰিব পাৰি। এই অভিযানে দেশৰ ৫০০ খন মহানগৰক সামৰি লৈছে। এই আঁচনিৰ মতে বাকীবোৰ অভিযান কাৰ্য মিলি প্ৰয়োজনীয় আন্তঃগাঁথনি বিকাশ কৰাত সহায় কৰিব।

**স্বচ্ছ ভাৰত অভিযান (চহৰ)**

ইয়াৰ লক্ষ্য হ'ল খোলা ঠাইত মল ত্যাগ অভ্যাস দূৰ কৰা, কায়িকভাৱে মল-মূত্ৰ চাফাই কৰা কাৰ্য উচ্ছেদ কৰা আৰু আধুনিক তথা বিজ্ঞানসন্মত পৌৰ জাবৰ নিষ্কাষণ ব্যৱস্থাপনা প্ৰচলন কৰা। বাসগৃহৰ ভিতৰতে শৌচাগাৰ নিৰ্মাণ কৰাটো হ'ল অভিযানৰ এটা অনবদ্য অংশ। স্বচ্ছ ভাৰত অভিযানৰ স'তে

প্ৰধান মন্ত্ৰী আবাস যোজনাৰ সমন্বিত কাৰ্যই ৰাজহুৱা স্বাস্থ্য বিধিসন্মত সংক্ৰান্তীয় মূল সা-সুবিধা প্ৰদান কৰাৰ নিশ্চিত কৰে।

**দীনদয়াল উপাধ্যায় অন্ত্যোদয়া যোজনা ৰাষ্ট্ৰীয় চহৰাঞ্চলৰ জীৱিকাবৃত্তি অভিযান**

এই অভিযান কাৰ্যৰ উদ্দেশ্য হ'ল চহৰৰ গৃহহীনসকলক আশ্ৰয় প্ৰদান কৰা আৰু সেই আশ্ৰয়স্থল স্থায়ী। চহৰৰ গৃহহীন লোকৰ, বিশেষকৈ স্পৰ্শকাতৰ শ্ৰেণীৰ লোকসকলৰ প্ৰয়োজনীয়তা পূৰ্ণ কৰাৰো ইয়াৰ লক্ষ্য আছে।

**ৰাষ্ট্ৰীয় চহৰৰ স্বাস্থ্য অভিযান**

এই আঁচনিয়ে চহৰৰ লোকসকলৰ স্বাস্থ্য ৰক্ষাৰ আৱশ্যকতাবোৰ দূৰ কৰিবলৈ বিচাৰে। দুখীয়া লোকলৈ প্ৰাথমিক স্বাস্থ্য ৰক্ষা সেৱা আগবঢ়ায় আৰু তেওঁলোকে চিকিৎসৰ বাবে জেপৰ ধন অধিক খৰচ কৰিব লগা নহয়। এই স্বাস্থ্য অভিযান প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ স'তে মিলি অধিক ফলপ্ৰসূভাৱে বিকাশ কৰাত সহায় কৰে।

**সামৰণি**

বিভিন্ন পৰ্যায়ত ভূমিকা গ্ৰহণ কৰা সকলো সংগঠন আৰু প্ৰতিষ্ঠানসমূহৰ কাৰণে কাৰ্য ৰূপায়ণৰ ক্ষেত্ৰত যিমান ধাৰণ ক্ষমতাৰ প্ৰয়োজন হয়, তাক গঢ়ি তোলাটো এটা গুৰুত্বপূৰ্ণ প্ৰাক্ অৱস্থা— যাৰদ্বাৰাই ২০১১ চনৰ ভিতৰত সকলোৰে বাবে বাসগৃহ যোগান ধৰাৰ ৰাষ্ট্ৰীয় সংকল্পৰ বাস্তৱায়িত কৰিব পৰা যাব। আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত অভ্যাস আৰু কাৰ্য সম্পাদনৰ ভাল বিষয়বোৰ বিভিন্ন অংশীদাৰিসকলৰ মাজত সঙ্গতিপূৰ্ণ কৰি আগবঢ়া দৰকাৰ। এই ক্ষেত্ৰত ৰাজ্যসমূহৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে, কিয়নো গৃহ আৰু চহৰ বিকাশ হ'ল সংবিধানৰ অধীনত এটা ৰাজ্যিক বিষয়। ৰাজ্যবোৰে নিজে গ্ৰহণ কৰা নীতি-বিশেষৰ জৰিয়তে এটা বিক্ষিপ্ত বাসগৃহ আঁচনি যুগুতাব লাগে আৰু তাত সঠিক প্ৰতিষ্ঠানমূলক তথা ন্যায়িক গাঁথনিৰ প্ৰতি গুৰুত্ব দিয়া উচিত— যাৰ দ্বাৰাই এই অভিলাষী কাৰ্য পাবৰ কাৰণে এক পৰিৱেশ গঢ়ি উঠে। গৃহ খণ্ডই নতুনত্ব প্ৰদান আৰু পৰিৱৰ্তন সাধন বিষয়ৰ প্ৰতি মনোযোগ দিয়া আৱশ্যক। চহৰাঞ্চলত বহনক্ষম বাসগৃহৰ চাহিদা পূৰণৰ কাৰণে কম খৰচী তথা খৰতকীয়া গতিৰ নিৰ্মাণ প্ৰযুক্তিৰ অভ্যাসৰাজি ব্যাপক আকাৰত কামত লগোৱা প্ৰয়োজন। তাৰ বাবে চৰকাৰৰ উপৰি ইয়াৰ স'তে জড়িত থকা ব্যক্তিগত খণ্ড, অন্য সংগঠন আৰু প্ৰতিষ্ঠানৰ দায়বদ্ধতাৰে এটা নতুন গতি সঞ্চাৰ কৰিব; আৰু তাৰদ্বাৰাই প্ৰধান মন্ত্ৰীৰ স্বপ্ন বাস্তৱায়িত কৰি তুলিব বুলি আশা কৰিব পাৰি। সেই স্বপ্ন হ'ল ভাৰতৰ স্বতন্ত্ৰতাৰ ৭৫তম বাৰ্ষিকীৰ ভিতৰত সকলোৰে বাবে বাসগৃহৰ ব্যৱস্থা কৰা। ❐


**'পয়োভৰা'ৰ গ্ৰাহক হোৱা নিয়মাৱলী**

▯ 'পয়োভৰা'ৰ প্ৰতিখনৰ মূল্য ২২.০০ টকা আৰু বিশেষ সংখ্যাৰ মূল্য ৩০.০০ টকা। আনহাতে এবছৰৰ বাবে গ্ৰাহক মূল্য হ'ব ২৩০.০০ টকা, দুবছৰৰ বাবে ৪৩০.০০ টকা আৰু তিনি বছৰৰ বাবে ৬১০.০০ টকা নিৰ্দ্ধাৰণ কৰা হৈছে। ▯ গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। ▯ গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্য্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। ▯ মণি-অৰ্ডাৰ পঠোৱাৰ ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩। ▯ আলোচনীখন সাধাৰণ ডাকত পঠোৱা হয়।

# ভূমি অধিগ্ৰহণ, পুনৰ সংস্থাপন আৰু পুনৰ্বাসন

**অম্লানজ্যোতি গোস্বামী***
**গৌতম ভান***

ভূমি অধিগ্ৰহণ, পুনৰসংস্থাপন তথা পুনৰ্বাসন তথা সকলোৰে বাবে বাসগৃহৰ মাজত যোগসূত্ৰ স্থাপন কৰাটোৱে বিশেষ বৈশিষ্ট্য বহন কৰিছে। এয়া ঘাইকৈ পৰিকল্পিত বিকাশৰ অৰ্থে নাটনি হোৱা ভূমিৰ প্ৰসঙ্গত আৰু বহনক্ষম বাসগৃহ দেশখনত অধিকভাৱে অভাৱ হোৱাৰ হেতু সেই বৈশিষ্ট্য মন কৰিবলগীয়া বিষয়।

বিগত কালৰ চৰকাৰী হিচাপ মতে (কুন্দু সমিতিৰ প্ৰতিবেদন, ২০১২) ভাৰতত প্ৰায় ১৯ নিযুত গৃহ গোটৰ নাটনি চহৰাঞ্চলত আছিল। এই নাটনিৰ প্ৰায় ৮০ শতাংশ (প্ৰায় ১৫ নিযুত গৃহ গোট) যিবোৰ গৃহ গোট আছে তাৰ অপৰ্যাপ্ত কাৰণেহে তেনে হয়, গৃহহীনতাৰ বাবে নহয়। এই কথাটোৱে আমাক মনত পেলাই দিয়ে যে চহৰাঞ্চলত গৃহৰ নাটনি বাসগৃহৰ অনুপস্থিতিতকৈ থকা-মেলাৰ অনুপযুক্ত ব্যৱস্থা— যিটোৱে এতিয়া অধিক গতি লাভ কৰিছে। এই বিষয়টোলৈ চাই ভাৰত চৰকাৰৰ প্ৰধান মন্ত্ৰী আবাস যোজনাই এটা নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ প্ৰয়াস কৰিছে। ২০২২ চনৰ ভিতৰত ২০ নিযুত নতুন গৃহ গোট নিৰ্মাণ কৰাৰ লক্ষ্য ৰাখিছে। গ্ৰাম্য ভাৰতৰ বিষয়টোও এইখিনিতে চোৱা প্ৰয়োজন। প্ৰায় ৫০ শতাংশ অথবা গাঁৱৰ ১০ কোটি পৰিয়ালৰ লোক ভূমিহীন। গুৰুত্বপূৰ্ণভাৱে এই বিষয়টো লোৱা প্ৰয়োজন। কাৰণ দেশখনত ভূমি সংস্কাৰ সাধন কৰাৰ ক্ষেত্ৰত যি ঐতিহাসিক অপাৰগতাই ক্ৰিয়া কৰিছিল সেই প্ৰসঙ্গও এটা উল্লেখনীয় বিষয় আৰু তেনে স্থিতিত চহৰ আৰু গ্ৰাম্য তথা ভূমি অধিগ্ৰহণৰ বিভাজ্য ৰাজনীতিয়ে এটা সঠিক সিদ্ধান্ত গ্ৰহণ কৰাত অসমৰ্থ হৈছিল।

চহৰ এলেকাত বহনক্ষম বাসগৃহৰ ক্ষেত্ৰত নীতিৰ সন্দৰ্ভত এতিয়া যি মনোযোগ দিবলৈ লোৱা হৈছে তাক আমি কেনেদৰে নিৰ্দ্ধাৰণ কৰা উচিত হ'ব? ইয়াক পৰীক্ষা কৰিবৰ বাবে তিনিটা পৰিমাত্ৰা আছে। প্ৰথম দুটা হ'ল— পৰ্যাপ্ততা আৰু বহনক্ষমতা। নীতি তৈয়াৰীৰ ক্ষেত্ৰত কেইটামান বিষয়ে আলোচনাত ঠাই পায়। সেয়া হ'ল— কম উপাৰ্জিত পৰিয়ালৰ ঘৰক কেনেদৰে ব্যাখ্যা কৰা হয়, এটা বহনক্ষম ঘৰৰ আকাৰ আৰু মূল্য কি আৰু কি সেৱা তথা সামগ্ৰীয়ে পৰ্যাপ্তক বুজায়। তৃতীয়টোৰ সমস্যা সমাধান নকৰাকৈ আছে কিম্বা নীতিৰ ক্ষেত্ৰত কমেইহে মনোযোগ লাভ কৰিছে। এই গুৰুত্বপূৰ্ণ পৰিমাত্ৰা হ'ল নিৰ্ভৰযোগ্যতা। বহনক্ষম বাসগৃহৰ অৱস্থানৰ সৈতে বিষয়টো জড়িত আছে। নীতি কাৰ্যৰদ্বাৰা সৃষ্টি অথবা সমৰ্থৱান কৰি তোলা এটা ঘৰত জীৱনক অৰ্থপূৰ্ণ কৰাৰ সামৰ্থ্য ৰূপে নিৰ্ভৰযোগ্যতাক বুজিব পৰা যায়। সেয়ে 'নিৰ্ভৰযোগ্যতাই' যি নীতিত মনোযোগ দিয়ে তাকো চেৰাই মূল্য অথবা হিত সাধনৰ শিখৰলৈ যায়। কেন্দ্ৰ বা ৰাজ্যই ঘৰ দখল কৰাৰ ক্ষেত্ৰত যি নিম্ন হাৰ দিয়ে তাক উন্নত কৰিবলৈ যদি বিচাৰে, তেনেহ'লে নিৰ্ভৰযোগ্যতা বিষয়টোলৈ চোৱা আৱশ্যক হ'ব।

কম উপাৰ্জিত গোটৰ লোকসকলৰ বাবে নিৰ্ভৰযোগ্যতা তিনিটা দিশত থকা বাঞ্ছনীয়। সেয়া হ'ল— (ক) নিয়োগ আৰু জীৱিকা নিৰ্বাহৰ সৈতে যোগসূত্ৰ (অৰ্থাৎ য'তেই চাকৰি আছে তাতেই লোকসকলে বাস কৰে); (খ) সংযোগ সাধন (ঘাইকৈ ৰাজহুৱা পৰিবহণৰ সুচলতা) আৰু (গ) শাৰীৰিকভাৱে তথা সামাজিক আন্তঃগাঁথনিৰ প্ৰতি সুচলতা (অৰ্থাৎ সমজুৱা অনুষ্ঠান, স্কুল, চিকিৎসালয় ইত্যাদি)। যদি এই দিশবোৰ বিবেচনা কৰা নহয়— বিশেষকৈ চাকৰি আৰু জীৱিকা নিৰ্বাহৰ ক্ষেত্ৰত সম্পৰ্ক নাথাকে, তেনেহ'লে বহনক্ষম গৃহ নীতিয়ে অভিপ্ৰেত ফল লাভ কৰিব নোৱাৰিব। অৱস্থান অথবা ভৌগোলিক পৰিৱেশ অৱজ্ঞা কৰাৰ অৰ্থ হ'ল এটা 'ঘৰ'ক 'বাসগৃহ' কৰি তোলাৰ প্ৰকৃত স্বৰূপক অৱজ্ঞা কৰাহে। সেয়ে ভূমি অধিগ্ৰহণ কৰাটো পৰীক্ষা-নিৰীক্ষা কৰি চোৱাটো গুৰুত্বপূৰ্ণ বিষয়— যাতে বহনক্ষম বাসগৃহ নিৰ্মাণ নিশ্চিত কৰিব পাৰি। যদি অধিগ্ৰহণ, পুনৰসংস্থাপন আৰু পুনৰ্বাসন আইনক এটা উপায় ৰূপে লৈ সম উপাৰ্জিত চহৰৰ লোকক

*লেখকদ্বয় অম্লানজ্যোতি গোস্বামী আৰু গৌতম ভান ইণ্ডিয়ান ইনষ্টিটিউট ফৰ হিউমেন ছেটেলমেণ্টৰ সৈতে জড়িত।

দাঁতিকাষৰীয়া অঞ্চলবোৰত সংস্থাপন কৰা হয় তেনেহ'লে অধিকাৰৰ উচ্চ হাৰ নিশ্চিত কৰা সম্ভৱ নহ'ব কিম্বা গাঁও আৰু চহৰ বিকাশৰ পৰিকল্পনা কাৰ্যক্ষেত্ৰত পৰিণত কৰা নহ'ব।

সেই কাৰণে গুৰুত্বপূৰ্ণ প্ৰশ্নটো হ'ল ভূমি অধিগ্ৰহণ, পুনৰসংস্থাপন আৰু পুনৰ্বাসন আইনখনক চহৰ অঞ্চলত বহনক্ষম বাসগৃহৰ বাবে পুনৰবিকাশ কাৰ্য নিশ্চিত কৰিবলৈ কেনেদৰে ব্যৱহাৰ কৰা হ'ব। কেৱল সেইটোৱেই নহয়; সকলোৰে বাবে ঘৰ প্ৰদানৰ লক্ষ্য পূৰণ কৰা বিষয়টোও চাব লাগিব। এইক্ষেত্ৰত ভূমি অধিগ্ৰহণ আইন ব্যৱহাৰ কৰিলেই নহ'ব, ইয়াৰ অতিৰিক্ত বহু অন্য কৌশলৰ বিষয়বোৰো চাব লাগিব। তাৰ ভিতৰত কেইটামান হ'ল— অৱস্থানৰ মান উন্নীতকৰণ, ঋণ-সংযোজিত ৰাজ-সাহায্য, হিতাধিকাৰীমূলক সা-সুবিধা ইত্যাদি। গ্ৰাম্য আৰু চহৰ অঞ্চল উভয়তে ইয়াৰ ক্ৰমণিকাক অটুট ৰখাৰ বিষয়টোও জড়িত আছে।

প্ৰথমে ভূমি অধিগ্ৰহণ, পুনৰ-সংস্থাপন আৰু পুনৰ্বাসন আইনখনে কি কয় চাওঁ আহক।

আইনখনে 'ৰাজহুৱা উদ্দেশ্য'ৰ সন্দৰ্ভত যি ব্যাখ্যা দাঙি ধৰিছে তাত নিম্নোল্লিখিত উদ্দেশ্যৰ কাৰণে অধিগ্ৰহণ বিষয়টোক সামৰি লৈছে ঃ

(ক) উপযুক্ত চৰকাৰৰদ্বাৰা সময়ে সময়ে নিৰ্দিষ্ট কৰা উপাৰ্জিত গোটসমূহৰ বাবে বাসগৃহ যোজনা।

(খ) পৰিকল্পিত বিকাশ অথবা গ্ৰাম্য ঠাইসমূহৰ উন্নতি সাধন কিম্বা চহৰ অঞ্চলৰ যিকোনো ঠাইৰ বাবে যোজনা অথবা গ্ৰাম্য আৰু চহৰ অঞ্চলৰ দুৰ্বল শ্ৰেণীৰ লোকসকলৰ কাৰণে আবাসিক উদ্দেশ্যৰ অৰ্থে ভূমিৰ ব্যৱস্থা।

(গ) দুখীয়া অথবা ভূমিহীন অথবা প্ৰাকৃতিক দুৰ্যোগৰদ্বাৰা আক্ৰান্ত অঞ্চলত বাস কৰা লোক অথবা যিকোনো চৰকাৰী আঁচনিৰ ৰূপায়ণৰ ফলত স্থানান্তৰিত অথবা আক্ৰান্ত লোকসকলৰ বাবে আবাসিক উদ্দেশ্যৰ আঁচনি।

আন কথাত ক'বলৈ গ'লে সকলোৰে বাবে বহনক্ষম ঘৰ নিশ্চিত কৰিবৰ কাৰণে খাচ পাম ধৰণৰ মাটি অধিগ্ৰহণ কৰাটো আইনখনৰ অধীনত সম্ভৱ হয়। সেয়া গ্ৰাম্য তথা চহৰ অঞ্চল দুয়োটাৰ ক্ষেত্ৰতে প্ৰযোজ্য। ক্ষতিপূৰণ আদি বিষয়বোৰো ওপৰত উল্লিখিত সকলো ক্ষেত্ৰতে আইনখনৰ চৰ্ত বাহাল থাকিব। তদুপৰি চৰকাৰী-বেচৰকাৰী অংশীদাৰিতাৰে অথবা ব্যক্তিগত ধৰণেৰে এনে উদ্দেশ্যৰ বাবে চৰকাৰে মাটি অধিগ্ৰহণ কৰিলে লওঁতাৰ পৰা সন্মতিদান সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ অতিৰিক্তভাৱে প্ৰযোজ্য হয় (চৰকাৰী-বেচৰকাৰী অংশীদাৰিতাৰ ক্ষেত্ৰত ৭০ শতাংশ আৰু ব্যক্তিগত কোম্পানীৰ ক্ষেত্ৰত ৮০ শতাংশ)। এয়া সামাজিক প্ৰভাৱৰ নিৰ্দ্ধাৰণৰ সন্দৰ্ভত থকা ব্যৱস্থাৰ দৰেই মানিবলগীয়া বিষয়। ইয়াৰপৰা এইটোকেই বুজা যায় যে এনে ৰাজহুৱা উদ্দেশ্যৰ বাবে মাটি অধিগ্ৰহণৰ প্ৰক্ৰিয়া সবিশেষ নিয়ম-নীতি পালন কৰি যাব লগা হয়। পিছে ৰাজহুৱা উদ্দেশ্যৰ সংজ্ঞাত বহনক্ষম গৃহৰ বাবে যোজনাত বিশেষভাৱে অন্তৰ্ভুক্ত কৰিলেও তেনে গৃহৰ ক্ষেত্ৰত মাটি অধিগ্ৰহণৰ সফল ছবি কমেইহে প্ৰতিফলিত হয় বুলি ক'লেও অত্যুক্তি কৰা নহয়। অন্য ৰাজহুৱা উদ্দেশ্যৰ যোজনাহে নীতি ৰূপায়ণৰ ক্ষেত্ৰত সততেই প্ৰাধান্য বিস্তাৰ কৰা দেখা যায়। তেনেবোৰ যোজনা হ'ল, যেনে— আন্তঃগাঁথনি যোজনা, কৌশলাত্মক উদ্দেশ্যৰ যোজনা ইত্যাদি।

অন্য এটা বিষয়ো মন কৰিবলগীয়া যে আলোচ্য আইনখনৰ অধীনত ভূমি অধিগ্ৰহণ কৰা হ'লেও পুনৰসংস্থাপন তথা পুনৰ্বাসন ব্যৱস্থাৱলীয়ে ন্যূনতম আন্তঃগাঁথনি সুবিধাৰ বিষয়েও দাঙি ধৰিছে আৰু সেইবোৰ নিশ্চয় প্ৰদান কৰিব লাগিব যদিহে খাচ পামৰ অধীনত মাটি অধিগ্ৰহণ কৰাৰ ফলত স্থানান্তৰিত হ'ব লগা হয়। এয়া চহৰৰ নিম্ন উপাৰ্জিত গোট অথবা গাঁৱৰ ভূমিহীন লোক-সকললৈ গৃহ যোগান ধৰাৰপৰা সুকীয়া বিষয়। আনকি ভূমি অধিগ্ৰহণৰদ্বাৰা স্থানান্তৰিত হ'ব লগা সকললৈ পুনৰ-সংস্থাপন তথা পুনৰ্বাসৰ সুবিধা প্ৰদান কৰাৰ ক্ষেত্ৰতো এটা স্থানান্তৰিত হোৱা ভূমিহীন পৰিয়ালে আইনখনৰ অধীনত 'আক্ৰান্ত পৰিয়াল'ৰ প্ৰয়োজনীয় ব্যাখ্যাৰ বিষয়সমূহ প্ৰথমে পূৰ্ণ কৰিব লাগিব। এই বিষয়বোৰৰ ভিতৰত আছে গৰাকীৰ উপৰি বাকী লোকসকলৰ প্ৰাথমিক জীৱিকা নিৰ্বাহৰ পথ আক্ৰান্ত হোৱা ঘটনাও আৰু তেনে লোকসকলৰ ভিতৰত পৰে— কৃষি শ্ৰমিক, খেতিয়ক, বাঢ়ৈ, বনাঞ্চলত বাস কৰোঁতা আৰু চহৰৰ বাসিন্দা যিসকল তেনে অঞ্চলত যোৱা তিনি বছৰ কাল বাস কৰিছিল। কিন্তু এইটো কৰা সহজ নহয়।

যদি চৰকাৰে ভূমি অধিগ্ৰহণ কৰাৰ বিকল্প পথ গ্ৰহণ কৰে, তেনেহ'লে এইটো নিশ্চিত কৰা আৱশ্যক যে অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ লোক, নিম্ন উপাৰ্জিত গোটৰ লোকৰ বাবে বহনক্ষম ঘৰৰ কাৰণে পৰ্যাপ্ত ব্যৱস্থাৱলী পুনৰবিকশিত ভূমি খণ্ডত থাকিব। আন্তঃগাঁথনিমূলক সুবিধা আৰু নিয়োগৰ সুযোগ-সুবিধাও যে আছে তাৰ প্ৰতিও মনোযোগ দিয়া আৱশ্যক। পিছে এয়া কাৰ্যত পৰিণত কৰিবলৈ বৰ কঠিন, কিয়নো ভূমি টনাটনি কিম্বা অধিগ্ৰহণৰ

প্ৰয়াসত ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত অৰ্থনীতিয়ে ঘেৰি থাকে আৰু তেনে অৱস্থাত অতি কমেইহে তাৰপৰা সুফল পায়। তদুপৰি এই ভূমি টনাটনি অৱস্থাত কেৱল মাটিৰ গৰাকীয়েহে মূৰকত পুনৰবিকশিত ভূমিৰ এটা ভাগ পায়। এনে ভূমিৰপৰা বহনক্ষম ঘৰৰ কাৰণে ভূমিহীন লোকে কিবা লাভ পাবলৈ হ'লে এটা নিৰ্দিষ্ট নীতি থাকিব লাগিব— যি নীতিয়ে নিশ্চিত কৰা প্ৰয়োজন হ'ব যে পুনৰবিকশিত কৰাৰ পাছত ভূমিখিনিৰ কিছু ভাগ তেনে বহনক্ষম বাসগৃহৰ বাবেও থাকিব।

ইয়াৰপৰা এইটো স্পষ্ট যে আমাৰ সন্মুখত দুটা প্ৰত্যাহ্বানৰ বিষয় আছে। এটা হ'ল অধিগ্ৰহণ, পুনৰসংস্থাপন তথা পুনৰ্বাসন আইন ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত থকা কঠিনতাক বাস্তৱসন্মতভাৱে দূৰ কৰিবলৈ চাব লাগিব— যাতে গ্ৰাম্য আৰু চহৰৰ বহনক্ষম বাসগৃহৰ কাৰণে পথ সুচল হয় আৰু গৃহনীতিত থকা সুৰুঙাক জোৰা লগোৱাৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব দিয়া হয়। দ্বিতীয় বিষয়টো হ'ল বহনক্ষম বাসগৃহৰ বাবে আইনৰ ব্যৱস্থাৱলী কামত লগাবলৈ অনীহা প্ৰকাশ কৰা কাৰ্যক প্ৰত্যাহ্বান জনোৱা আৱশ্যক।

এইবোৰ প্ৰত্যাহ্বানৰ বিৰুদ্ধে আমি নিশ্চয়েই বুজি উঠিব লাগিব প্ৰধান মন্ত্ৰী আবাস যোজনাই কি ধৰণৰ ব্যৱস্থাক উৎসাহিত কৰিবলৈ লৈছে আৰু কি কৰা নাই। আবাস যোজনাই চাৰিটা ক্ষেত্ৰৰ ওপৰত আলোকপাত কৰিছে। সেয়া হ'ল— (ক) বেচৰকাৰীভাৱে বিকাশ কৰোঁতাৰ ভূমিক সম্পদ ৰূপে লৈ পুনৰবিকাশ সাধন কৰা খণ্ড— য'ত অতিৰিক্ত টী ডী আৰ/এফ এ আৰৰ সুবিধা ব্যক্তিগত খণ্ডলৈ যোগান ধৰিব পাৰি আৰু তাৰদ্বাৰাই তেনে যোজনা-সমূহ বিত্তীয়ভাৱে নিৰ্ভৰযোগ্য কৰিব পাৰি; (খ) বহনক্ষম বাসগৃহ কাৰ্যক উৎসাহ প্ৰদান কৰা ৰূপে দুৰ্বল শ্ৰেণীৰ লোকসকলৰ কাৰণে ঋণ সংযোজিত ৰাজসাহায্য; (গ) কেন্দ্ৰীয় সাহায্যসহ চৰকাৰী-বেচৰকাৰী অংশীদাৰিতাৰে বহনক্ষম বাসগৃহ— য'ত অৰ্থনৈতিক-ভাৱে দুৰ্বল শ্ৰেণীৰ লোকৰ বাবে ৩৫ শতাংশ নিৰ্মিত ঘৰ; (ঘ) হিতাধিকাৰী-মূলক ব্যক্তিগত গৃহ নিৰ্মাণৰ বাবে সাহায্য।

উল্লিখিত এই ব্যৱস্থাৱলীয়ে এইটোকে বুজায় যে যিক্ষেত্ৰত এই আইনৰ (অধিগ্ৰহণ, পুনৰসংস্থাপন তথা পুনৰ্বাসন) ৰাজহুৱা উদ্দেশ্যৰ ব্যৱস্থাৱলীক উপপাদ্যমূলকভাৱে বহনক্ষম ঘৰৰ কাৰণে ব্যৱহাৰ কৰিব পাৰি, তেনে ক্ষেত্ৰত স্থানান্তৰিত তথা আক্ৰান্ত পৰিয়ালবোৰৰ সন্দৰ্ভত ই নিশ্চয়েই ক্ষতিপূৰণ, পুনৰসংস্থাপন, সামাজিক প্ৰভাৱ আদি বিষয়বোৰ সম্পৰ্কে প্ৰয়োজন হোৱা সবিশেষ নিশ্চয়েই পূৰ্ণ কৰিব লাগিব। তদুপৰি ৰাজহুৱা উদ্দেশ্য (অৰ্থাৎ বহনক্ষম ঘৰ) প্ৰকৃততে লাভ কৰা আৱশ্যক হ'ব (অৰ্থাৎ মাটিখিনি ব্যক্তিগত উদ্দেশ্যৰ বাবে অন্য কামত খটাব নালাগিব)। নতুন গৃহ গোটি নিৰ্মাণেৰে ঘৰৰ নাটনি সমস্যাটো সমাধান কৰাৰ কথাই আমি পূৰ্বতে উল্লেখ কৰা চিন্তাৰ বিষয়টোকে উদ্ৰেক কৰে। বহনক্ষম ঘৰৰ বাবে উপযুক্ত স্থান ব্যৱহাৰ নকৰিলে নিৰ্ভৰযোগ্যতাৰ দিশৰপৰা প্ৰত্যাহ্বান আহি পৰাটো স্বাভাৱিক। কাৰণ তেনে গৃহ নিৰ্মাণত বহু বিষয় নিহিত আছে— যিবোৰ আইন তথা ৰূপায়ণৰ পিনৰপৰা গুৰুত্বপূৰ্ণ।

ইয়াৰ বিকল্প হ'ল ভূমিখিনি ব্যৱহাৰ কৰাটো— যি ভূমিত ঘৰ আছে, কিন্তু সেই ঘৰে সকলোখিনি অটুট ৰাখিব পৰা নাই; অৰ্থাৎ অপৰ্যাপ্ত হৈ আছে। এনে পৰিস্থিতিৰ কথালৈ লক্ষ্য ৰাখি প্ৰধান মন্ত্ৰী আবাস যোজনাই এটা আৰ্হি আগবঢ়াইছে। পিছে সেয়া জটিল ধৰণে তৈয়াৰী আৰ্হি, কাৰণ খাচ পামৰ মান উন্নত কৰাৰ পৰিৱৰ্তে সেই খাচ পামক পুনৰ বিকাশ কৰা ৰূপে দাঙি ধৰিছে। উপপাদ্যমূলক দিশৰপৰা চাবলৈ গ'লে দুয়োটাৰ মাজত মূল প্ৰভেদ হ'ল আগৰটোত বৰ্তমানে থকা গাঁথনি আঁতৰাই পেলাব নোখোজে, কিন্তু মূল সেৱাৰ সুবিধা তথা আন্তঃগাঁথনিৰে তাৰ উন্নতি সাধন কৰিবলৈ বিচাৰে; আৰু পিছৰটোৰ আৰ্হিত বৰ্তমানে থকা গাঁথনি আঁতৰাই পেলাই নতুন আন্তঃগাঁথনিৰে পুনৰ নকৈ নিৰ্মাণ কৰিবলৈ বিচাৰে। খাচ পামৰ পুনৰবিকাশে কম উপাৰ্জিত লোকৰ যি ঘৰ আছে তাৰ ঘনতা অৰ্থাৎ ভৰ আৰু আয়তনৰ অনুপাত অনুযায়ী গাঢ়তা ধৰি ৰাখিব নোৱাৰে। তাৰ মানে হ'ল মান উন্নতকৰণ অবিহনে নতুন মাটি বিচাৰি উলিওৱাৰ আৱশ্যকতা থাকিব। তদুপৰি প্ৰধান মন্ত্ৰী আৱাস যোজনাত পকী ঘৰৰ (অথবা সকলো বতৰতে বাস কৰিব পৰা গৃহ) গৰাকীৰ পৰিয়ালক ইয়াৰ সুফল লাভ কৰাত অন্তৰ্ভুক্ত কৰা হোৱা নাই। আন কথাত ক'বলৈ গ'লে পকী ঘৰৰ বৰ্দ্ধিত মান উন্নীতকৰণ কাৰ্য যোজনাৰ অধীনত সুফলৰ বাবে উপযুক্ত নহ'ব।

বহু ৰাজ্যই এইবোৰ সমস্যা আৰু খুঁটি-নাটি দূৰ কৰিবৰ কাৰণে নিজ ৰাজ্যৰ গৃহ নীতি প্ৰসাৰিত কৰিব বিচাৰিছে; আৰু সেইবোৰত ভিন্ন দৃষ্টিভঙ্গী আৰোপ কৰি কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিবলৈ লৈছে। বিভিন্ন ৰাজ্যৰ বহু উদাহৰণ চালি-জাৰি চোৱা হৈছে কেনেকৈ সকলোৰে বাবে বহনক্ষম আৰু পৰ্যাপ্ত বাসগৃহ স্বপ্ন বাস্তৱায়িত কৰিব পৰা যায়। উদাহৰণ

স্বৰূপে কৰ্ণাটকৰ ২০১৬ চনৰ বহনক্ষম গৃহ নীতিত সাতটা আৰ্হি পৰিলক্ষিত হয়, যেনে— (ক) হিতাধিকাৰী গতিদানমূলক গৃহৰ সংখ্যা বৃদ্ধি; (খ) হিতাধিকাৰী গতিদান নতুন গৃহ নিৰ্মাণ; (গ) খাচ তৰপৰ মান উন্নীতকৰণ; (ঘ) খাচ তৰপৰ পুনৰবিকাশ; (ঙ) গৃহ আৰু সেৱা প্ৰদানৰ সা-সুবিধাৰে স্থানসমূহৰ বিকাশ; (চ) সমষ্টি বাসগৃহ আৰু উপনগৰী যোজনা তথা (ছ) অংশীদাৰ-মূলক বহনক্ষম গ্ৰুপ হাউছিং। এই সাতটাৰ ভিতৰত প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ লাভসমূহ কেৱল (গ), (ঙ) আৰু (চ)ৰ ক্ষেত্ৰতহে প্ৰযোজ্য হয়।

তেনেহ'লে আমি কেনেদৰে কামত আগবঢ়া উচিত? ভাৰতৰ চহৰবোৰত গৃহ সংকটৰ সমস্যা যে উদ্ভৱ হৈছে তাক মানি ল'ব লাগিব। সেয়া কেৱল মেট্ৰোপলিটান অঞ্চলবোৰতেই নহয়, প্ৰসাৰিত হ'ব ধৰা নতুন সৰু সৰু চহৰ আৰু মহানগৰবোৰতো তেনে সংকটে দেখা দিছে। ইয়াৰ সমাধান কেৱল ভূমি অধিগ্ৰহণ, পুনৰসংস্থাপন আৰু পুনৰ্বাসন ব্যৱস্থাৰ প্ৰয়াসৰেই নহয় তাৰ বাহিৰেও যিবোৰ মাটি আছে তাক উপযুক্ত আৰু সমভাৱে পুনৰ ব্যৱস্থা কৰিব লাগিব।

চলন্তি অৱস্থাত থকা তথা নতুন যোজনাসমূহত বহনক্ষম গৃহৰ বাবে কিছু শতাংশ গৃহ গোট সংৰক্ষণ কৰা ভাবধাৰা হ'ল পুৰণি। ইয়াৰ বাবে ভাল ৰূপায়ণৰ কাৰ্য ব্যৱস্থা হাতত লোৱা প্ৰয়োজন। নতুন মহানগৰ আঁচনিবোৰৰ ভিতৰত বহনক্ষম বাসগৃহ মণ্ডল সৃষ্টি কৰা নীতি অধিক বৈশিষ্ট্যপূৰ্ণ হ'ব পাৰে, কিয়নো তেনে ব্যৱস্থাই যথেষ্ট শতাংশ ভাগ এনে ভূমি অন্যত ব্যৱহাৰ কৰিব নোৱাৰাটো নিশ্চিত কৰিব। এই মিশ্ৰিত গৃহ নিৰ্মাণ ব্যৱস্থাত এইটোও নিশ্চিত কৰিব যে বহনক্ষম বাসগৃহ বিষয়টো কেৱল একপক্ষভাৱেই হাতত লোৱা নহয়। উদাহৰণ স্বৰূপে ৰাজস্থানে বহনক্ষম গৃহ নীতিৰ অধীনত (২০১৫) এটা কাৰ্যসূচী ৰূপায়ণ কৰে— য'ত বেচৰকাৰী বিকাশ সাধন কৰোঁতাই অলপতে খালী কৰা অথবা অব্যৱহৃত মাটিৰ ৭৫ শতাংশ ভাগত বহনক্ষম বাসগৃহ গোট নিৰ্মাণ কৰে আৰু তাৰ বিনিময়ত মুকলি বিক্ৰীৰ বাবে ২৫ শতাংশ মাটিৰ বিকাশ সাধন কৰিব লাগিব। এই কাৰ্য উক্ত ৰাজ্যখনৰ কোটা আৰু যোধপুৰত সমাপন কৰা হয়। ৰাঁচী মূল আঁচনি ২০৩৭ত বহনক্ষম গৃহ মণ্ডলৰ বাবে সমানুপাত অংশৰ ভূমিৰ ব্যৱস্থাৰ অৰ্থে জাননীও দিয়া হৈছে। ৰাঁচী আৰু জয়পুৰৰ মাজত প্ৰভেদ হ'ল চহৰ পৰ্যায়ত ভূমি সংৰক্ষণ কৰা আৰু আনপিনে যোজনাসমূহত সংৰক্ষণৰ বাবে গ্ৰহণ কৰা পদক্ষেপ। উভয় কাৰ্য একে সময়তে চোৱা-চিতা কৰিব পাৰে, কিন্তু গুৰুত্ব দিয়া আৱশ্যক যে চহৰাঞ্চলত মাটিখিনিৰ ব্যৱহাৰ কেনেদৰে সাৰ্থক-ভাৱে হ'ব লাগিব সেই সম্বন্ধে নিৰ্দেশনা অবিহনে কামত আগবাঢ়িলে যোজনাভিত্তিক সংৰক্ষণৰ প্ৰভাৱ সীমিত অৱস্থাত থাকিব।

বহনক্ষম বাসগৃহৰ উদ্দেশ্যৰ কাৰণে ভূমি অধিগ্ৰহণ, পুনৰসংস্থাপন তথা পুনৰ্বাসন আইনখনৰ ব্যৱহাৰ সম্বন্ধে প্ৰাসঙ্গিক বিষয়বোৰৰ সামগ্ৰিক দৃষ্টি-ভঙ্গীৰপৰা বুজি পোৱাটো আৱশ্যক হ'ব। যি ক্ষেত্ৰত আইনখনত থকা পুনৰ-সংস্থাপন আৰু পুনৰ্বাস ব্যৱস্থাই স্থানান্তৰিত হোৱা গ্ৰাম্য পৰিয়ালবোৰৰ কাৰণে পৰ্যাপ্তভাৱে পুনৰসংস্থাপন নিশ্চিত কৰিবলৈ প্ৰয়াস কৰিছে, তেনে ক্ষেত্ৰত পুনৰসংস্থাপন তথা পুনৰ্বাসনৰো সীমা চেৰাই এটা অধিক সঙ্গৱদ্ধ বহনক্ষম গৃহ নীতি অৱলম্বন কৰিবলৈ প্ৰয়াস কৰিব— যাৰদ্বাৰাই চহৰাঞ্চলৰ বহনক্ষম ঘৰৰ আৱশ্যক হোৱা পৰিয়ালবোৰকো সামৰি ল'ব। অৱশ্যে অৱস্থানৰ নিৰ্ভৰযোগ্যতা বিষয়টো মনত ৰাখি যদি পৰিকল্পিত বিকাশ আইনখনৰ সামগ্ৰিক লক্ষ্য হয়, তেনেহ'লে এনে বিকাশে নিশ্চয়ে নতুন চাকৰি সৃষ্টি কৰাটো বাঞ্ছনীয় আৰু মূল আন্তঃগাঁথনিৰ সা-সুবিধাও যথেষ্টভাৱে উন্নত কৰিব লাগিব। ইয়াৰ ব্যতিৰেকে অধিগ্ৰহণ প্ৰয়াসে ঘাইকৈ একাষৰীয়াকৈহে কাম কৰিব।

গ্ৰাম্য ভূমিহীন লোকৰ নিশকতীয়া অৱস্থাৰ প্ৰতি জৰুৰীভাৱে মনোযোগ দিয়া আৱশ্যক। উল্লিখিত আইনখনক গ্ৰাম্য ভূমিহীন লোকৰ বাবে বহনক্ষম ঘৰৰ যোগান ধৰিবৰ কাৰণে এটা ন্যায়িক যন্ত্ৰ ৰূপে ব্যৱহাৰ কৰিব পাৰে। পিছে এনে ৰাজহুৱা উদ্দেশ্যৰ বাবে কোনো ধৰণৰ বিখ্যাত অধিগ্ৰহণৰ কথা জ্ঞাত নহয়। কিয়নো সেই পূৰ্বৰ পুনৰবিতৰণ ব্যৱস্থাৰ দৰে দোহৰা কাৰ্য স্বৰূপ হ'ব। মধ্যপ্ৰদেশে এটা গৃহ নিশ্চয়তা আইনৰ বাবে এটা ব্যতিক্ৰম প্ৰয়াস কৰিছে— যিটো বৈশিষ্ট্যপূৰ্ণ আৰু এটা আদৰণীয় নতুন বিকাশ বুলি ক'ব পাৰি।

ওপৰত কৰা বিশ্লেষণৰ পৰা এইটো স্পষ্ট হয় যে অধিগ্ৰহণ, পুনৰসংস্থাপন তথা পুনৰ্বাসন আইনখন বহনক্ষম ঘৰৰ বাবে বহু বৃহৎ কৌশলৰ মাত্ৰ এটা অংশহে— যাক সকলোৰে বাবে গৃহ যোগান ধৰিবলৈ সমগ্ৰ দেশতে ৰূপায়ণ কৰা হৈছে। নতুন গোটৰ অৰ্থাৎ গৃহ গোটত থকা সকলৰ হাৰ উন্নত কৰাৰ ক্ষেত্ৰত অৱস্থানৰ বিষয়টোৱে প্ৰাধান্য বিস্তাৰ কৰে— বিশেষকৈ যিসকলে জীৱিকা নিৰ্বাহৰ সা-সুবিধাৰ প্ৰতি চিন্তা কৰে। নতুন পৰিকল্পিত বিকাশৰ অৰ্থে এটা বৃহৎ কৌশল পন্থাৰ অংশ ৰূপে বহনক্ষম গৃহ মণ্ডলৰ আৱশ্যক হয় অৰ্দ্ধ-

**(২৫ পৃষ্ঠাত চাওক)**

# বহনযোগ্য গৃহৰ বাবে বিত্তীয় সাহায্য

**চৰণ সিং***

গৃহ খণ্ডটো কোনো অৰ্থনীতিৰ বাবে এটা গুৰুত্বপূৰ্ণ খণ্ড; কিয়নো ইয়াৰ সৈতে প্ৰায় ২৭০টা অন্য উদ্যোগৰ আন্তঃসম্পৰ্ক আছে। গৃহ খণ্ডৰ উন্নয়নৰ সৈতে সংস্থাপন সৃষ্টি, মুঠ ঘৰুৱা উপাৰ্জন বৃদ্ধি আৰু অৰ্থনীতিৰ গ্ৰহণীয়তাৰ আৰ্হিৰ সৈতে প্ৰত্যক্ষ প্ৰভাৱ বিদ্যমান। দেশৰ গৃহ খণ্ডৰ উন্নয়নৰ ক্ষেত্ৰত সহায় কৰাৰ বাবে এক সু-উন্নত গৃহ, বিত্তীয় বজাৰ এখন থকাটো প্ৰয়োজন। পিছে অন্য দেশৰ তুলনাত ভাৰতবৰ্ষৰ গৃহ বিত্তীয় বজাৰখন এতিয়াও ইয়াৰ শৈশৱ অৱস্থাতে আছে। ভাৰতবৰ্ষৰ গৃহ বিত্তীয় একাউণ্টৰ ধন মুঠ ঘৰুৱা উপাৰ্জনৰ প্ৰায় ৮ শতাংশ যদিও ইয়াৰ বিপৰীতে চীনৰ ক্ষেত্ৰত ১২ শতাংশ, মালয়ছিয়াৰ ক্ষেত্ৰত ২৯ শতাংশ, স্পেইনৰ ক্ষেত্ৰত ৪৬ শতাংশ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ক্ষেত্ৰত ৮০ শতাংশ।

নগৰীকৰণৰ সৈতে গৃহ বিত্তীয় বজাৰখন বৃদ্ধি হোৱা আশা কৰা যায়। ভাৰতবৰ্ষৰ ক্ষেত্ৰত নগৰীকৰণে ক্ষিপ্ৰ-ভাৱে অগ্ৰগতি লাভ কৰিছে আৰু ২০১১ চনৰ ৩১ শতাংশৰপৰা ২০৩০ চনত প্ৰায় ৪১ শতাংশলৈ অথবা ২০১১ চনত নগৰ অঞ্চলত বাস কৰা লোকৰ সংখ্যা ৩৬০ নিযুতৰপৰা ২০৩০ চনত ৬০০ নিযুতলৈ অধিক হোৱাৰ আশা কৰা হৈছে। তেনে ক্ষেত্ৰত ভাৰতবৰ্ষত গৃহ গোটৰ যোগান আৰু চাহিদাৰ মাজৰ বিস্তৃত ব্যৱধান আৰু গৃহ বিত্তীয় সমাধানৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাটো গুৰুত্বপূৰ্ণ নীতি সম্পৰ্কীয় দিশ হৈছে। এখন দেশৰ গ্ৰহণযোগ্য গৃহ ব্যৱস্থাৰ কাৰণে এটা ভাৰসাম্য আৰু বহনক্ষম বিত্তীয় আৰ্হি সৃষ্টি এটা জটিল দিশ। প্ৰৱৰ্তিত বজাৰমুখী আৰ্হিয়ে উচ্চ আয়ৰ লোকসকলৰ প্ৰতি অধিক গুৰুত্ব প্ৰদান কৰে। তেনে সন্ধিক্ষণত আৰ্থিক-ভাৱে দুৰ্বল শ্ৰেণী (ই ডব্লিউ এছ) আৰু নিম্ন আয়ৰ গোট (এল আই জি) তথা বস্তি বাসিন্দাসকলে বিত্তীয় উৎসৰ আনুষ্ঠানিক ব্যৱস্থা পোৱাৰ পৰা প্ৰায়ে বঞ্চিত হৈ আছে।

ভাৰতবৰ্ষত গৃহ গোটৰ চাহিদা আৰু যোগানৰ দিশটো আলোচনা কৰিলে গৃহ বিত্তীয় বজাৰখন অতি জটিল, বিশেষকৈ নগৰ অঞ্চলত মাটিৰ নাটনি পৰিলক্ষিত হয়। ইয়াৰ বিপৰীতে অৰ্থনৈতিক সমৃদ্ধিৰ স্তৰ বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত গৃহৰ চাহিদা বৃদ্ধি পাইছে। দেশখনত বিস্তৃতভাৱে সম্প্ৰসাৰিত হৈ থকা ৰাজহুৱা বা ব্যক্তিগত উভয় ভৱন নিৰ্মাণকাৰী, বিকাশ সাধন কৰোঁতা আৰু নিৰ্মাণ কোম্পানীবোৰৰ পৰাই গৃহৰ যোগান আহে। কেন্দ্ৰ আৰু ৰাজ্য উভয় চৰকাৰ এটা সুযোগ প্ৰদানকাৰী আৰু সেই সুযোগ দুই নিয়ামক ভাৰতীয় ৰিজাৰ্ভ বেংক (আৰ বী আই) আৰু ৰাষ্ট্ৰীয় গৃহ বেংক (এন এইছ বী)ৰ জৰিয়তে সম্পন্ন কৰে। ঘৰুৱা আৰু বিদেশী উভয় প্ৰকাৰৰ বাণিজ্যিক বেংকে গৃহ বিত্তীয় বজাৰখনত প্ৰভাৱ বিস্তাৰ কৰে। অতিৰিক্তভাৱে সমবায় বেংক আৰু গৃহ বিত্তীয় কোম্পানী, আত্মসহায়ক গোট, ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান আৰু বেচৰকাৰী সংস্থাবোৰেও এই সুবিধা আগবঢ়ায়। ভাৰতীয় ৰিজাৰ্ভ বেংকে বাণিজ্যিক বেংক আৰু আংশিক সমবায় বেংকবোৰ (যিবোৰ মুখ্যতঃ ৰাজ্যিক চৰকাৰবোৰে শাসন কৰে) তথা এন এইছ বীয়ে গৃহ বিত্তীয় কোম্পানীবোৰ নিয়ন্ত্ৰণ কৰে।

**ভাৰতত বহনযোগ্য গৃহ**

স্বাধীনতাৰ তাৎক্ষণিক পৰৱৰ্তী সময়ত শৰণাৰ্থীসকলৰ পুনৰ সংস্থাপনৰ সময়তে ভাৰতবৰ্ষত বহনযোগ্য গৃহ আঁচনি প্ৰৱৰ্তিত হয়। ১৯৫৭ চনত ব্যক্তিগতভাৱে আৰু সমবায় ভিত্তিক ঋণ প্ৰদানৰ বাবে গ্ৰাম্য গৃহ আঁচনি প্ৰৱৰ্তন কৰা হয়। পৰৱৰ্তীভাৱে ১৯৭০ৰ প্ৰথম ভাগত গৃহ নিৰ্মাণৰ স্থান তথা নিৰ্মাণ সহযোগিতা আৰম্ভ কৰা হয়— যাক ১৯৭৪ চনত ৰাজ্য চৰকাৰবোৰলৈ সলনি কৰা হয়। ১৯৮০ আৰু ১৯৮৩ চনত আৰম্ভ কৰা গ্ৰাম্য আৰু গৃহহীন সংস্থাপন আঁচনিখন ১৯৮৫ চনত ইন্দিৰা আবাস যোজনা হিচাপে আনুষ্ঠানিকভাৱে আৰম্ভণি ঘটোৱা হয়। শেহতীয়াভাৱে কেন্দ্ৰীয় চৰকাৰে ২৫ জুন, ২০১৫ত ২০২২ চনৰ ভিতৰত সকলোৰে বাবে গৃহ (এইছ এ-২২)

*লেখক চৰণ সিং বাংগালুৰৰ ইণ্ডিয়ান ইন্সটিটিউট অৱ মেনেজমেণ্টৰ পূৰ্ণকালিন সময়ৰ ভিযিটিং ফেকাল্টি আৰু মুম্বাইৰ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ভূতপূৰ্ব গৱেষণা সঞ্চালক।

আঁচনিখন আৰম্ভ কৰে। এই আঁচনিৰ জৰিয়তে ২০২২ চনৰ ভিতৰত নগৰ অঞ্চলত ২ কোটি অতিৰিক্ত গৃহ আগবঢ়োৱাৰ লক্ষ্য বান্ধি লোৱা হৈছে। গ্ৰামাঞ্চলত সকলোৰে বাবে গৃহ-২২ খন ১ এপ্ৰিল ২০১৬ চনত আৰম্ভ কৰা হয় আৰু ইয়াৰ জৰিয়তে ২০২২ চনৰ ভিতৰত প্ৰায় ৩ কোটি পকী গৃহৰ সমৰ্থন আগবঢ়োৱাৰ লক্ষ্য বান্ধি লোৱা হৈছে।

ভাৰতবৰ্ষৰ গ্ৰামাঞ্চল আৰু নগৰাঞ্চলৰ বাবে প্ৰধান মন্ত্ৰী আবাস যোজনাই (পী এম এ ৱাই) বহনযোগ্য গৃহ নিৰ্মাণক সামৰি লৈছে। এই ক্ষেত্ৰত বৰ্তমান বস্তি অঞ্চলৰ বাসিন্দাসকলৰ ব্যক্তিগত সহযোগিতাৰে ভূমিক এটা সম্পদ হিচাপে লৈ পুনৰ সংস্থাপনৰ ব্যৱস্থা, অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণী আৰু নিম্ন উপাৰ্জন গোট (বক্স-১)ৰ জৰিয়তে ৰাজ সাহায্যযুক্ত ঋণ সংযোগ; দেশক পৰোক্ষভাৱে সহায় কৰা ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ সংস্থাৰ জৰিয়তে বহনযোগ্য গৃহৰ সহযোগিতা, আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ ব্যক্তিৰ বাবে হিতাধিকাৰী ভিত্তিক ব্যক্তিগত গৃহ নিৰ্মাণ আদি সংলগ্নিত। নগৰীয়া স্থানীয় নিকায় আৰু আন ৰূপায়ণকাৰী সংস্থাবোৰলৈ পি এম এ ৱাই ৰূপায়ণৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলবোৰৰ জৰিয়তে কেন্দ্ৰীয় সাহায্য আগবঢ়োৱা হয়।

**প্ৰতিষ্ঠানৰ ভূমিকা**

চৰকাৰৰ ভূমিকা গৃহ গোট প্ৰদানকাৰীতকৈ বজাৰ সংযোগকাৰী হিচাপে অধিক গুৰুত্ব আৰোপিত হৈছে। ঐতিহাসিকভাৱে ১৯৫১ চনত আৰম্ভ হোৱা প্ৰথম পাঁচ বছৰীয়া পৰিকল্পনাই গৃহ খণ্ডক অৰ্থনীতিৰ এটা গুৰুত্বপূৰ্ণ স্থানত অৱস্থান কৰাইছিল। সেয়ে গৃহ নাটনিৰ সমস্যা সামগ্ৰিকভাৱে মোকাবিলা কৰাৰ কাৰণে ১৯৫৪ চনত ৰাষ্ট্ৰীয় নিৰ্মাণ সংস্থা (এন বি অ') আৰু ১৯৭০ চনত গৃহ আৰু নগৰ উন্নয়ন নিগম লিমিটেড (হাড্‌কো) গঠন কৰা হৈছিল। গৃহ বিত্তীয় প্ৰতিষ্ঠানবোৰক উৎসাহ যোগোৱাৰ মুখ্য সংস্থা হিচাপে কাম কৰাৰ কাৰণে ১৯৮৮ চনত ৰাষ্ট্ৰীয় গৃহ বেংক গঠন কৰা হয়।

কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰে গৃহ খণ্ডলৈ ঋণ ৰেহাইৰ প্ৰস্তাৱ আগবঢ়াইছে। বহুতো ৰাজ্য চৰকাৰে লীজধাৰীৰ সুৰক্ষা, ভাৰাৰ বাবে সম্পত্তি নিৰ্মাণত উৎসাহ যোগোৱাৰ বাবে আইন প্ৰণয়ন কৰিছে। চৰকাৰে লগতে ভূ-সম্পত্তি খণ্ডৰ বাবে বিদেশী প্ৰত্যক্ষ বিনিয়োগো মুকলি কৰিছে য'ত টাউনশ্বিপৰ ক্ষেত্ৰত ১০০ শতাংশ বিনিয়োগ, নিৰ্মাণৰ পৰিগাঁথনি, নিৰ্মাণ উন্নয়ন প্ৰকল্প আৰু স্বয়ংক্ৰিয় পথেৰে ভূ-সম্পত্তি সৃষ্টিত অনুমতি প্ৰদান কৰা হৈছে।

ভাৰতীয় ৰিজাৰ্ভ বেংকে গৃহ খণ্ডৰ বাবে কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু সমবায়কে ধৰি ব্যক্তিগত আৰু

## বক্স-১ ঃ ঋণ সংযোজিত ৰাজসাহায্য আঁচনি

পী এম এ ৱাই (নগৰ) সকলোৰে বাবে গৃহ-২২ অভিযানৰ শাৰীৰ সৈতে ঋণ সংযোগী ৰাজসাহায্য আঁচনি (চী এল এছ এছ)ৰ জৰিয়তে আৰ্থিকভাৱে দুৰ্বল আৰু নিম্ন আয়ৰ লোক তথা মধ্য আয় বৰ্গ (এম আই জী)লৈ ৰাজসাহায্য আগবঢ়োৱা হয়। এই আঁচনিৰ অধীনত সম্পত্তিৰ নিৰ্মাণ বা অধিগ্ৰহণ বা বৰ্তমানৰ বাসস্থানত অতিৰিক্তভাৱে কোঠালি, শৌচাগাৰ আৰু পাকঘৰৰ সংযোজন আদি সামৰি লোৱা হৈছে। ই ডব্লিউ এছ/এল আই জীৰ ক্ষেত্ৰত এই সুতৰ ৰাজসাহায্য ৬.৫ শতাংশ আৰু ১২ লাখ টকাৰ তলৰ (এম আই জী-১) মধ্য আয় বৰ্গৰ লোকৰ ক্ষেত্ৰত ই ৪ শতাংশ আৰু ১২-১৮ লাখ (মধ্য আয় বৰ্গ-২)ৰ মধ্য আয় বৰ্গৰ লোকলৈ ৩ শতাংশ আগবঢ়োৱা হয়। ঋণৰ সৰ্বোচ্চ ৰাজসাহায্য হিচাপ হ'ল ই ডব্লিউ এছ/এল আই জীৰ কাৰণে ৬ লাখ টকা, এম আই জী-১ৰ কাৰণে ৯ লাখ টকা আৰু এম আই জী-২ৰ কাৰণে ১২ লাখ টকা।

যিহেতু এই আঁচনিৰ লক্ষ্য কেৱল মাত্ৰ নিম্ন আয়ৰে নহয়, মধ্য আয়ৰ নাগৰিকলৈকো গৃহৰ মালিকীস্বত্বৰ উৎসাহ যোগোৱা আৰু সমৰ্থৱান গৃহৰ ব্যৱস্থা কৰাটোও। তেনে ক্ষেত্ৰত আঁচনিখনে মহিলা আৰু সমাজৰ দুৰ্বল শ্ৰেণীলৈ মালিকীস্বত্বৰ উৎসাহ যোগোৱাটোও অন্যতম লক্ষ্য। উদাহৰণ স্বৰূপে— ই ডব্লিউ এছ/এল আই জীৰ কাৰণে চী এল এছ এছ ঘৰৰ মহিলা মুৰব্বী বা পুৰুষ মুৰব্বী আৰু তেওঁৰ পত্নীৰ যুটীয়া নামৰ জৰিয়তে দিয়া হয়। এম আই জী আঁচনিৰ ক্ষেত্ৰত বিধৱা আৰু একক কৰ্মী মহিলাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হয়। ই ডব্লিউ এছ/এল আই জীৰ ক্ষেত্ৰত হস্ত চাফাইকৰ্মী, ট্ৰেন্সজেণ্ডাৰ আৰু দিব্যাংগসকলক অগ্ৰাধিকাৰ দিয়া হয়। এই আঁচনিৰ জৰিয়তে সমাজৰ অধিকাংশ লোকলৈ সাহায্য আগবঢ়াব পৰাকৈ একে সময়ত গৃহ নিৰ্মাণৰ বোজা কমোৱাৰ উদ্দেশ্যে সম্পন্ন কৰা হৈছে।

উৎস ঃ **গৃহ আৰু নগৰীয়া দৰিদ্ৰতা নিৰ্মূল মন্ত্ৰণালয়, ভাৰত চৰকাৰ**

অন্যান্য খণ্ডকো ধৰি অগ্ৰাধিকাৰ ভিত্তিক নিৰ্দ্ধাৰিত পৰিমাণৰ ধন ধাৰলৈ দিয়াৰ ব্যৱস্থা কৰিবলৈ বাণিজ্যিক বেংকবোৰলৈ ব্যৱস্থা গ্ৰহণৰ ব্যৱস্থা কৰিছে। অগ্ৰাধিকাৰ খণ্ডক ধাৰে দিয়াৰ বাবে আৰ বি আয়ে নিৰ্দিষ্ট গৃহ নিৰ্মাণ কোম্পানীবোৰে বেংকৰ জৰিয়তে জাৰি কৰা ঋণপত্ৰবোৰতো বিনিয়োগ কৰাৰ হিচাপ উলিয়াইছে। অন্যান্য ব্যৱস্থাৱলীৰ ভিতৰত ২০০৪ চনৰপৰা গৃহ নিৰ্মাণৰ বাবে ঋণৰ সোঁত সৃষ্টিৰ বাবে বেংকবোৰৰ জৰিয়তে বন্ধকী দলিল সমৰ্পিত সুৰক্ষা (এম বী এছ) আদিৰ দৰে বিনিয়োগ ব্যৱস্থা, গৃহ খণ্ডলৈ কম প্ৰত্যাহ্বানৰ কাৰ্যভাৰ আৰু গৃহ ঋণৰ অৰিহণা বৃদ্ধিৰ বাবে সুতৰ হাৰৰ পৰিৱেশৰ উন্নীতকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

সকলোৰে বাবে গৃহৰ ব্যৱস্থাৱলীৰ প্ৰতি আন্তৰ্জাতিক সংস্থাবোৰেও সমৰ্থন আগবঢ়াইছে। সমৰ্থৱান গৃহৰ বাবে ইউ এন ডী পীয়ে চৰকাৰৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰাৰ প্ৰতিশ্ৰুতি দিছে। ভাৰতবৰ্ষৰ ক্ষেত্ৰত নিম্ন আয় বৰ্গৰ কাৰণে বহনক্ষম গৃহ বিত্ত আগবঢ়োৱাৰ বাবে ৰাষ্ট্ৰীয় গৃহ বেংকৰ জৰিয়তে সম্পদবোৰ একত্ৰিত কৰাত বিশ্ববেংকে আগভাগ লৈছে।

**আন্তৰ্জাতিক অভিজ্ঞতা**

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইউৰোপত শেহতীয়া বিত্তীয় সংকটৰ এটা গুৰুত্বপূৰ্ণ কাৰক বুলি কেইবাটাও বাস্তৱবাদী অধ্যয়নে গৃহ খণ্ডক দায়বদ্ধ কৰিছে। বাসগৃহৰ বিত্তৰ দেশৰ বিত্তীয় সুস্থিৰতাৰ লগত প্ৰত্যক্ষ সম্পৰ্ক আছে আৰু পদ্ধতিগত বিত্তীয় হেঁচাৰ ক্ষেত্ৰত গৃহ বিস্ফোৰণ আৰু আধিক্যৰ কাচিৎহে সম্পৰ্ক আছে। আমেৰিকা যুক্তৰাষ্ট্ৰ, স্পেইন, আয়াৰলেণ্ড আৰু গ্ৰেট ব্ৰিটেইনৰ শেহতীয়া অভিজ্ঞতাৰপৰা ক'ব পাৰি যে অবহনক্ষম গৃহ নিৰ্মাণ বৃদ্ধিয়ে সামগ্ৰিকভাৱে লোকচান আৰু বেংকৰ সংকট মাতি আনিছিল। প্ৰকৃততে এই ধাৰা আগশাৰীৰ আৰু উদ্ভুত বজাৰ উভয়ৰ ক্ষেত্ৰত সমান। এনে ধৰণৰ অৱস্থাৰ পৰিপ্ৰেক্ষিতত গৃহ বিত্তীয় বজাৰখনে বিশেষ ৰূপান্তৰৰ ফল ভোগ কৰিবলগীয়া হৈছে।

আগশাৰীৰ দেশবোৰৰ ক্ষেত্ৰত গৃহ বিত্তীয় বজাৰখনৰ ইতিহাস ২০০ বছৰতকৈও অধিক পুৰণি ১৭৯৫ চনত ডেনিছ আৰু ১৭৬৯ চনত জাৰ্মানীত বন্ধকী ঋণ ব্যৱস্থা আৰম্ভ হৈছিল। বিপৰীত ক্ৰমে উদ্দীপ্ত বজাৰৰ ক্ষেত্ৰত গৃহ বিত্তীয় ব্যৱস্থা এটা শেহতীয়া পদক্ষেপ। আগশাৰীৰ দেশবোৰৰ ক্ষেত্ৰত গৃহ নিৰ্মাণৰ বিত্তৰ মূল পদ্ধতি হ'ল আবদ্ধ ঋণপত্ৰ আৰু এল টী ভী অনুপাত ৮০ শতাংশ বা ততোধিকৰ ভিত্তিত বন্ধকীৰদ্বাৰা নিৰাপত্তা আৰু ঋণৰ কাৰ্যকাল ২০ বছৰ বা ততোধিক। বেছিভাগ ক্ষেত্ৰতে গৃহ ঋণৰ ক্ষেত্ৰত সুতৰ হাৰ প্ৰাক্-আদায় জৰিমনাৰ সৈতে শিথিলতাপূৰ্ণ। আমেৰিকা যুক্তৰাষ্ট্ৰক বাদ দি অধিক আগবঢ়া দেশত মধ্যম আয় বৰ্গৰ কাৰণে সমৰ্থৱান গৃহৰ ব্যৱস্থা কৰাটো এখন চৰকাৰৰ আনুষ্ঠানিক দায়িত্ব। সি যি কি নহওক, ইউৰোপৰ মূল ভূ-ভাগ সম্বন্ধীয় ক্ষেত্ৰত গৃহ ঋণৰ ক্ষেত্ৰত চুক্তি ভিত্তিক জমাবোৰত ৰাজ-সাহায্য প্ৰদানৰ একক ব্যৱস্থা আছে।

উদিত দেশবোৰৰ ক্ষেত্ৰত গৃহ বজাৰখনৰ মূল ধাৰ দিওঁতা হ'ল বেংকবোৰ আৰু চেজ ৰিপাব্লিক, হাংগেৰী, পোলেণ্ড আৰু ৰাছিয়াত ক'ভাৰ বণ্ড ব্যৱস্থা নাই। চিলি, মালয়ছিয়া আৰু মেক্সিকোক বাদ দি বন্ধকী ভিত্তিক সুত বিৰল যেতিয়া এল টী ভী অনুপাত ৬০-১১০ শতাংশৰ সীমাৰ ভিতৰত থাকে আৰু সুতৰ হাৰ শিথিল। বেছিভাগ ক্ষেত্ৰতে ৰাজসাহায্য, কৰ কৰ্তন আৰু ভৱিষ্যনিধি শীঘ্ৰে উলিওৱা আদিৰ ক্ষেত্ৰত চৰকাৰী সমৰ্থন উপলব্ধ।

আগশাৰীৰ আৰু উদিত দেশবোৰৰ ক্ষেত্ৰত গৃহ মালিকীস্বত্বৰ বাবে চৰকাৰী হস্তক্ষেপ নিয়মীয়া ব্যৱস্থা। আমেৰিকা যুক্তৰাষ্ট্ৰ, জাপান, দক্ষিণ কোৰিয়া আৰু জাৰ্মানীৰ ক্ষেত্ৰত ৰাজসাহায্যৰ জৰিয়তে গৃহ বিত্তীয় বজাৰখনৰ প্ৰতি চৰকাৰী সমৰ্থন আগবঢ়োৱা হয়। মালয়ছিয়াত চৰকাৰে বিশেষ বন্ধকী লিকুইডিটি আগবঢ়ায়। ব্ৰাজিল, চীন, ইণ্ডোনেছিয়া, ছিংগাপুৰ আৰু থাইলেণ্ডত চৰকাৰী প্ৰতিষ্ঠানে বন্ধকী বজাৰত মুখ্য ভূমিকা পালন কৰে।

সমৰ্থৱান গৃহ প্ৰকল্পক অৰ্থৰ নিমিত্তে ভিন্ন দেশত ভিন্ন আঁচনি, ব্যৱস্থা আৰু নীতি প্ৰৱৰ্তিত হৈ আছে। ডেনমাৰ্ক, ছিংগাপুৰ আৰু ছুইডেনৰ দৰে দেশে সকলো লোকৰ বাবে বহনযোগ্য গৃহ নিৰ্মাণৰ লক্ষ্য বান্ধি লৈছে। বিপৰীতক্ৰমে মালয়ছিয়া, কানাডা আৰু আমেৰিকাৰ দৰে দেশত বহনযোগ্য গৃহৰ অৰ্থ নিম্ন আয় বৰ্গৰ লোকৰ বাবে আৰু বিভিন্ন কাৰণত পৰম্পৰাগত গৃহ বজাৰখনৰপৰা ইয়াক বাদ দিয়া হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰত সকলো বহনযোগ্য আঁচনিৰ বাবে যুক্তৰাষ্ট্ৰীয় চৰকাৰে নিধি আগবঢ়ায়। আনহাতে কানাডাত এনে ধৰণৰ প্ৰকল্পৰ প্ৰতি বিত্তীয় সাহায্য আগবঢ়োৱাৰ বাবে স্থানীয় প্ৰশাসনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰত সমৰ্থৱান গৃহ নিৰ্মাণৰ বাবে বিকাশ কৰোঁতালৈ সম্পত্তি উৎসৰ্গা কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰে। এই ক্ষেত্ৰত বজাৰ ভিত্তিক

সুবিধা তথা বোনাছ, অনুজ্ঞাপত্ৰ আৰু অনুজ্ঞাপত্ৰ লুপ্তকৰণ আৰু যিসকল বিকাশ কৰোঁতাই এই প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে তেওঁলোকলৈ আবেদন প্ৰক্ৰিয়া উজুকৰণ আদি ব্যৱস্থা কৰা হয়। কানাডাত অ-লাভজনক বিকাশ কৰোঁতাৰ কাৰণে উন্নয়নমূলক মাচুল তথা অনুজ্ঞাপত্ৰৰ অগ্ৰাধিকাৰৰ কাৰণে চৰকাৰী ৰেহাই আগবঢ়োৱা হয়। নেদাৰলেণ্ডছত চৰকাৰে এটা বিশেষ নিধি গঠন কৰে যি জমিদাৰৰ দৰে কাম কৰে আৰু গৃহ সংস্থাবোৰলৈ নিৰাপত্তা আগবঢ়ায়। তদুপৰি নেদাৰলেণ্ডছত নিম্ন আয়ৰ গৃহ সহযোগিতা ৰাজসাহায্যৰ অৰ্থত আগবঢ়োৱা হয়। আনহাতে স্পেইনত সম্পত্তিৰ মালিকীস্বত্বও ৰাজসাহায্য ভিত্তিক দিয়া হয়।

ছিংগাপুৰত বহনযোগ্য গৃহ ব্যৱস্থালৈ চৰকাৰী পৃষ্ঠপোষকতা আগবঢ়োৱা হয়। বাংলাদেশত চৰকাৰে গ্ৰামীণ বেংকৰ উপৰি পুনঃসংস্থাপন শিবিৰ আৰু আন ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান, গ্ৰামাঞ্চললৈ গৃহ ঋণ প্ৰদানত সমৰ্থন আগবঢ়ায়। মেক্সিকোত কৰ্মীৰ বেতনৰ বিধিসন্মত অৰিহণা বহনযোগ্য গৃহ নিৰ্মাণৰ ক্ষেত্ৰত ব্যৱহৃত হয়।

**সামৰণি**

ভাৰতবৰ্ষত গৃহ বিত্তীয় বজাৰখনত এটা ব্যৱধান আছে— যি মুখ্যতঃ কেন্দ্ৰীয় চৰকাৰে মীমাংসা কৰে। শেহতীয়া বছৰবোৰত চৰকাৰ আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকে গৃহ খণ্ডলৈ বিত্তীয় সাহায্য প্ৰদানৰ বিষয়টো উদাৰীকৰণ কৰিছে। গৃহ বজাৰত বহুসংখ্যক প্ৰতিষ্ঠান আছে, তাৰে কিছুমান নিয়ন্ত্ৰিতও নহয় আৰু সেইবোৰৰ ওপৰত নিৰীক্ষণো নহয়। বিশ্বজনীন অভিজ্ঞতাই কয় যে গৃহ মূল্য আৰু গৃহ ঋণ সম্পৰ্কিত। এল টী ভী অনুপাত আৰু গৃহ মূল্যৰ মানৰ এটা ইতিবাচক সম্পৰ্ক আছে। এই ক্ষেত্ৰত ভয়ৰ কাৰণ হ'ল উচ্চ প্ৰভাৱে গৃহ ঋণৰ সক্ৰিয়তাক কঠোৰতাৰে প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। সি যি কি নহওক, যদি গৃহ ঋণ অনিয়ন্ত্ৰিত খণ্ডৰ পৰা আহে, তেন্তে ই এটা গুৰুতৰ প্ৰত্যাহ্বানৰ বিষয় হয়। সেয়ে উৎকৃষ্ট অনুশীলন আৰু উচ্চ মানৰ পৰীক্ষণ, নিয়ন্ত্ৰণ আৰু প্ৰত্যাহ্বান পৰিচালনাৰ প্ৰতি গুৰুত্ব প্ৰদান গৃহ বিত্ত খণ্ডৰ প্ৰতিষ্ঠান গঠনৰ মূল ভিত্তি হোৱা প্ৰয়োজন।

বহুতো ব্যক্তিৰ বাবে গৃহ সাধাৰণতে জীৱনজোৰা সঞ্চয়ৰ ফল। সেয়ে কেন্দ্ৰ আৰু ৰাজ্য উভয় চৰকাৰেই গৃহ বিত্তৰ প্ৰতি স্পৰ্শকাতৰ হোৱা প্ৰয়োজন। কোনো নিয়ন্ত্ৰক/নিৰীক্ষক অবিহনে গৃহ খণ্ডৰ লগতে কেতবোৰ বিত্তীয় প্ৰতিষ্ঠানে অস্বচ্ছতাৰে কাম কৰিব। এই প্ৰতিষ্ঠানবোৰৰ ক্ষেত্ৰত গৃহ বজাৰখনৰ প্ৰয়োজনৰ স্বাৰ্থত সম নীতি আৰু নিয়ম প্ৰৱৰ্তন কৰা উচিত আৰু অন্তিমভাৱে উপভোক্তালৈ আগবঢ়োৱা লীজ চুক্তিকে ধৰি উৎপাদনৰ মানৰ বাবে সেয়া কৰণীয়। গৃহ ৰাজ্যিক চৰকাৰৰ বিষয় হোৱাৰ বাবে ৰাজ্যিক পৰ্যায়ত নতুন আৰু প্ৰচলিত আইন প্ৰণয়ন আৰু শক্তিশালী কৰা উচিত।

ভৱিষ্যতৰ কাৰণে পৰিকল্পনা কৰাটো অতি জৰুৰী। ভাৰতবৰ্ষই পী এম এ ৱাইৰ অধীনত পৰৱৰ্তী পাঁচ বছৰত পাঁচ কোটি গৃহ নিৰ্মাণ/সমৰ্থন কৰাৰ প্ৰয়োজন। শেহতীয়াভাৱে প্ৰৱৰ্তিত চী এল এছ এছ আঁচনিয়ে ই ডব্লিউ এছ/এল আই জী/এম আই জী শ্ৰেণীৰ গৃহ নিৰ্মাণৰ সামগ্ৰিকতা বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। এই ক্ষেত্ৰত বেংক বা আন উৎসৰপৰা ঋণৰ ধাৰাবাহিকতা ৰক্ষা কৰাৰ কাৰণে বিত্তীয় উৎসৰ পৰিকল্পনা অনুমোদন কৰা প্ৰয়োজন। যদি আন উৎস হয়, তেন্তে সেই আন উৎস কি হ'ব আৰু কোনে তেওঁলোকক নিয়ন্ত্ৰণ আৰু নিৰীক্ষণ কৰিব? এই ক্ষেত্ৰত ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান আৰু স্থানীয় নিকায়ৰ ভূমিকাও পৰীক্ষা কৰা প্ৰয়োজন। তদুপৰি ই ছিমেণ্ট, তীখা, বালি, লোহা, বৈদ্যুতিক সৰঞ্জাম, কাঠ আদি আন সামগ্ৰীৰ উৎপাদন আৰু যোগানতো উপযুক্ত পৰিকল্পনাৰ প্ৰয়োজন। পৰৱৰ্তীভাৱে উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ দৰে ৰাজ্যবোৰ য'ত গৃহৰ নাটনি যথেষ্ট তেনে ৰাজ্যবোৰত বহনযোগ্য গৃহৰ বাবে ভূমিৰ সুলভতাও মূল্যাংকন কৰা প্ৰয়োজন।

শেষত ক'ব পাৰি যে ৰাষ্ট্ৰীয় অৰ্থনীতিৰ কাৰণে গৃহ বিত্ত এটা গুৰুত্বপূৰ্ণ বিষয়, সেয়ে হাড্‌কো, এন এইছ বী আৰু এন বী অ' আদিৰ দৰে গৃহ সম্পৰ্কীয় প্ৰতিষ্ঠানবোৰ শক্তিশালী কৰা প্ৰয়োজন আৰু ভাৰতবৰ্ষৰ গৃহ উন্নয়নৰ বাবে তেওঁলোকক নিৰৱচ্ছিন্ন গৱেষণা চলাবলৈ উৎসাহী কৰা উচিত। আৰ্থিক দীনতা, নিবনুৱা সমস্যা আৰু দুৰ্যোগৰ দিনত গৃহ খণ্ডৰ জৰিয়তে ৰাষ্ট্ৰীয় অৰ্থনীতি শক্তিশালী কৰাৰ বাবে গৃহ খণ্ডৰ বিত্তৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য উভয়ে সঠিক পৰিকল্পনাৰে আগবঢ়া উচিত। ❐

# ভূ-সম্পত্তি (নিয়ন্ত্ৰণ আৰু উন্নয়ন) আইন, ২০১৬ (ৰেৰা)

**ৰঞ্জিত মেহতা***

ভূ-সম্পত্তি খণ্ড নিয়ন্ত্ৰণ কৰা, স্বচ্ছতা অনা আৰু উপভোক্তাৰ স্বাৰ্থ সুৰক্ষিত ৰখাৰ বাবে এখন বিধেয়ক ২০১৬ চনৰ ১০ মাৰ্চত ৰাজ্যসভাত অনুমোদন জনোৱা হয়। এই আইনখনক ভূ-সম্পত্তি (নিয়ন্ত্ৰণ আৰু উন্নয়ন) আইন, ২০১৬ চমুকৈ ৰেৰা বুলি কোৱা হয়। এই আইনখন জম্মু আৰু কাশ্মীৰৰ বাহিৰে সমগ্ৰ ভাৰতবৰ্ষতে সম্প্ৰসাৰিত। ২০১৭ চনৰ ১ মেইৰপৰা ভাৰতবৰ্ষত এই আইনখন প্ৰণয়ন কৰা হৈছে। এই আইনখনৰ উদ্দেশ্য হৈছে নিয়ামক আৰু ন্যায় নিৰ্ণায়ক প্ৰাধিকাৰী গঠনৰ জৰিয়তে ভূ-সম্পত্তি খণ্ডৰ নিয়ন্ত্ৰণ আৰু সক্ৰিয় কৰা যাতে ই স্বচ্ছতাৰ নিশ্চিতি প্ৰদান কৰে আৰু ক্ৰেতাৰ কল্যাণ সাধন হয়।

ভূ-সম্পত্তি আইন অহাৰ পূৰ্বে ভূ-সম্পত্তিৰ ক্ৰেতাসকলক উপভোক্তা সুৰক্ষা আইন ১৯৮৬ অনুসৰি এগৰাকী উপভোক্তা হিচাপে গণ্য কৰা হৈছিল অথবা তেওঁৰ আবেদন দেৱানী ন্যায়ালৰ অধীনলৈ অনাৰ বাবে এটা সুযোগ লাভ কৰিছিল। সকলো চিত্ৰ একেডাল তুলিকাৰে অংকন কৰাৰ বাবে প্ৰকৃত ন্যায় লাভৰপৰা বঞ্চিত হোৱাৰ সম্ভাৱনা থাকে। সেয়ে ভূ-সম্পত্তিৰ ক্ৰেতা বা সম্ভাব্য ক্ৰেতাক উপভোক্তা সুৰক্ষা আইনৰ অধীনত উপভোক্তা হিচাপে গণ্য কৰাৰ বাবে তেওঁলোকে ন্যায় লাভত বা তেওঁলোকৰ বিষয়বোৰ খৰতকীয়া আৰু সঠিকভাৱে সমাধান কৰাত জটিলতা আছে।

**ৰেৰাৰ প্ৰয়োজনীয়তা আৰু ভাৰতবৰ্ষৰ ভূ-সম্পত্তি খণ্ডৰ প্ৰতি আলোকপাত**

ভূ-সম্পত্তি খণ্ড চাৰিটা উপখণ্ডত বিভক্ত। সেই উপখণ্ডকেইটা হ'ল— গৃহ, খুচুৰা, আতিথ্য আৰু ব্যৱসায়িক। ক'ৰ্পোৰেট বাতাৱৰণৰ শ্ৰীবৃদ্ধি আৰু কাৰ্যালয় স্থানৰ প্ৰয়োজনীয়তা বৃদ্ধিৰ লগতে নগৰ আৰু উপনগৰত আবাস স্থানৰ চাহিদা বৃদ্ধি পোৱাৰ লগে লগে এই খণ্ডটোৰ বিকাশ সাধন হয়।

প্ৰধান মন্ত্ৰী মোডীৰ স্বপ্ন হ'ল ২০২২ৰ ভিতৰত সকলোৰে বাবে গৃহ। ভাৰতীয় পৰিয়ালবোৰৰ মাজত গৃহই ধাৰাবাহিকভাৱে বিনিয়োগযোগ্য সম্পদৰ স্থান লাভ কৰা হেতু ভূ-সম্পত্তি খণ্ডৰ চাহিদা বৃদ্ধিৰ বাবে আৰ্থিক অৱস্থাৰ বিকাশ প্ৰয়োজনীয়। সামগ্ৰিক-ভাৱে ২০১৯ৰ অন্তত ভাৰতবৰ্ষৰ নগৰীয়া গৃহ চাহিদাৰ বিকাশ প্ৰায় ১৫ নিযুতটা হ'ব বুলি আশা কৰা হৈছে। কুশ্বমেন ৱাকফিল্ডৰ প্ৰতিবেদন অনুসৰি এই সামগ্ৰিক চাহিদাৰ ভিতৰত শীৰ্ষৰ আঠখন মহানগৰত চাহিদা হ'ব ৩.৪ নিযুত। এই আঠখন মহানগৰৰ ভিতৰত দিল্লী ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰই ৪৭২,০০০টা গোটৰ চাহিদাৰে আঠখন মহানগৰৰ ভিতৰত এক-চতুৰ্থাংশ স্থান অধিকাৰ কৰিব। এয়া ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চল, গুড়গাঁও, নয়দা, গাজিয়াবাদ আৰু ফৰিদাবাদো সম্প্ৰসাৰিত হ'ব। এই শীৰ্ষৰ আঠখন মহানগৰত ২০১৯ চনৰ ভিতৰত মধ্য আয় বৰ্গ (এম আই জী)ই ৪১ শতাংশ বা ১.৪ নিযুত গোটেৰে মুখ্য চাহিদাৰ দিশ হ'ব। এম আই জী শ্ৰেণীৰ ওচৰা-উচৰিকৈ এই সময়ছোৱাত এই আঠখন মহানগৰত এল আই জী শ্ৰেণীয়েও ১.৩ নিযুতেৰে চাহিদাৰ কাষ চাপিব।

কৰ্মসংস্থাপনৰ সুবিধা, মূলধন আকৰ্ষণ আৰু চৰকাৰৰ ৰাজহ বৃদ্ধিৰ বৃহৎ সম্ভাৱনীয়তা থকাৰ বাবে ভূ-সম্পত্তি ভাৰতীয় অৰ্থনীতিৰ বাবে এটা জটিল খণ্ড স্বৰূপ হৈ আছে। ভাৰতবৰ্ষৰ মুঠ ঘৰুৱা উপাৰ্জনৰ প্ৰতি ৯.৫ শতাংশ অৰিহণা আগবঢ়াই ই এটা দ্ৰুত বিকশিত খণ্ডত পৰিণত হৈছে। ৰাষ্ট্ৰীয় দক্ষতা বিকাশ নিগম (এন এছ ডী চী)ৰ তথ্য অনুসৰি ২০১৩-২০২২লৈ মানৱ সম্পদত সৰ্বোচ্চ উত্থানৰ জৰিয়তে ভূ-সম্পত্তি খণ্ড ভাৰতবৰ্ষৰ মুখ্য কৰ্মসংস্থাপন ক্ষেত্ৰ হ'ব।

ভাৰতৰ ভূ-সম্পত্তি খণ্ডত অগ্ৰভাগ আৰু পশ্চাদভাগত থকা প্ৰায় ২৬৫টা ভাটিয়নী উদ্যোগে ভাৰতীয় অৰ্থনীতিলৈ সাম্প্ৰতিক সময়ত দ্ৰুত অগ্ৰগতি আৰু এটা গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াইছে। সমগ্ৰ বিশ্বতে উন্নয়নশীল অৰ্থনীতিত ইয়াৰ উচ্চ আসন স্থাপন হোৱাৰ পৰিপ্ৰেক্ষিতত এসময়ৰ খণ্ডিত আৰু অসংগঠিত খণ্ডটো সম্প্ৰতি গঠনগত আৰু সংগঠিত ৰূপলৈ ৰূপান্তৰিত হৈছে। বিশ্বৰ মানচিত্ৰত ভাৰতৰ স্থান ক্ৰমাৎ গুৰুত্বপূৰ্ণ হৈ ইতিবাচক ৰূপ ধাৰণ কৰাত এই খণ্ডটোৰ প্ৰতি আকাংক্ষা আৰু দায়বদ্ধতা বৃদ্ধি পায়।

***লেখক ড° ৰঞ্জিত মেহতা পী এইছ ডী চেম্বাৰ অব কমাৰ্ছ এণ্ড ইণ্ডাষ্ট্ৰিৰ মুখ্য সঞ্চালক,**

কেন্দ্ৰীয় চৰকাৰে সকলোৰে বাবে গৃহ কাৰ্যসূচী যাক প্ৰধান মন্ত্ৰী আবাস যোজনা বুলিও কোৱা হয়, সেই আঁচনিৰ অধীনত ৩০৫ খন মহানগৰ চিহ্নিত কৰি ২০২২ চনৰ ভিতৰত নগৰীয়া দৰিদ্ৰৰ কাৰণে ২ কোটি বাসগৃহ নিৰ্মাণৰ পৰিকল্পনা কৰিছে। নিম্ন ব্যয়/বহনযোগ্য গৃহৰ নিৰ্ণায়ক মান ৩০/৬০ বৰ্গ মিটাৰৰ বিল্ট-আপ এৰিয়াৰপৰা ৩০/৬০ বৰ্গ মিটাৰৰ কাৰ্পেট এৰিয়ালৈ পৰিৱৰ্তন কৰা হ'ল যাতে নিম্ন ব্যয়-বহনযোগ্য গৃহ নিৰ্মাণ খণ্ডটো ভৱন নিৰ্মাণকাৰীসকলৰ বাবে অধিক লাভজনক হয় আৰু এই খণ্ডটো ক্ৰেতাৰ বাবে অধিক আকৰ্ষণীয় হয়। বিল্ট-আপ এৰিয়াক কাৰ্পেট এৰিয়ালৈ সলনি কৰাৰ ফলত ক্ৰেতাসকলে অধিক প্ৰসাৰিত গৃহ লাভ কৰিছে আৰু ভৱন নিৰ্মাণকাৰীসকলে অধিক সংখ্যক ক্ৰেতাৰ মাজত ব্যৱসায় কৰিব পাৰে। ৩০ বৰ্গ মিটাৰৰ সীমা কেৱল ৪ খন মহানগৰৰ পৌৰ নিগম সীমাৰ ভিতৰত প্ৰযোজ্য হ'ব। আনহাতে মহানগৰৰ পৰিধি অঞ্চলকে ধৰি দেশৰ বাকী অঞ্চলত ৬০ বৰ্গ মিটাৰৰ সীমা প্ৰযোজ্য হ'ব।

মহানগৰ আৰু চহৰবোৰ চিহ্নিত কৰাৰ ক্ষেত্ৰত মধ্য প্ৰদেশৰ ৭৪ খন, ওড়িশাৰ ৪২ খন, ৰাজস্থানৰ ৪০ খন, ছট্টিশগড়ৰ ৩৬ খন, গুজৰাটৰ ৩০ খন, তেলেংগানাৰ ৩৪ খন, জম্মু আৰু কাশ্মীৰৰ ১৯ খন আৰু কেৰালা আৰু ঝাড়খণ্ডৰ ১৫ খনকৈ সন্নিৱিষ্ট কৰা হৈছে। চুক্তিৰ স্মাৰকত স্বাক্ষৰ কৰা আন ৰাজ্যবোৰ হৈছে অন্ধ্ৰ প্ৰদেশ, বিহাৰ, মণিপুৰ, মিজোৰাম, নগালেণ্ড, উত্তৰাখণ্ড। এই আঁচনি সাফল্যমণ্ডিত কৰাৰ বাবে বৰ্তমানৰ ২৯ নিযুত কৰ্মবাহিনী ২০৩০ চনত ৩৮ নিযুতলৈ বৃদ্ধি হৈ সংস্থাপন ক্ষেত্ৰৰ মুখ্য ভূমিকা গ্ৰহণ কৰাৰ আশা পোষণ কৰা হৈছে।

এই ক্ষেত্ৰত স্পষ্টভাৱে ক'বলৈ হ'লে ভূ-সম্পত্তিৰ ক্ষেত্ৰত স্মৰণীয় হিচাপে চিহ্নিত ভূ-সম্পত্তি (নিয়ন্ত্ৰণ আৰু উন্নয়ন) আইন, ২০১৬ খন ২০১৭ বৰ্ষৰ ১ মেইৰপৰা ভাৰত চৰকাৰে প্ৰৱৰ্তন কৰি গৃহ ক্ৰেতাসকলক অনৈতিক বিকাশকাৰীসকলৰপৰা সুৰক্ষিত কৰাৰ ব্যৱস্থা হ'ল। ৰেৰাৰ জৰিয়তে আমাৰ দেশৰ গুৰুত্বপূৰ্ণ ভূ-সম্পত্তিখণ্ডৰ প্ৰতি আত্মবিশ্বাস ঘূৰাই অনাৰ ব্যৱস্থা কৰাৰ প্ৰয়োজন। ভূ-সম্পত্তি খণ্ডটো আমাৰ দেশৰ শীৰ্ষ ৰাজহ সৃষ্টিকাৰী খণ্ড আৰু বিকাশকাৰীসকলক চকু দিয়াৰ বাবে কেতবোৰ নিয়ামক প্ৰাধিকাৰী বা স্বচ্ছ চৰকাৰী প্ৰাধিকাৰী থকা প্ৰয়োজন। ৰেৰাই ক্ৰেতা আৰু বিকাশকাৰী উভয়কে এখন উমৈহতীয়া মঞ্চ দিব আৰু পূৰ্বে জনাসাধাৰণে সন্মুখীন হোৱা বিভিন্ন প্ৰত্যাহ্বানৰ পৰিমাণ হ্ৰাস কৰিব। আশা কৰা হৈছে যে ৰেৰাই গৃহ ক্ৰেতাসকলৰ বাবে নতুন আশা আনিব, খণ্ডটোলৈ স্বচ্ছতা আনিব আৰু ভাৰতীয় ভূ-সম্পত্তি বজাৰখনত বিনিয়োগ কৰাৰ বাবে বিনিয়োগকাৰীৰ আত্মবিশ্বাস বৃদ্ধি কৰিব।

ৰেৰাৰ মুখ্য বৈশিষ্ট্যবোৰ তলত দিয়া ধৰণৰ ঃ

★ এই বিধেয়কে ব্যৱসায়িক আৰু বাসোপযোগী উভয় ভূ-সম্পত্তি প্ৰকল্পবোৰ নিয়ন্ত্ৰণ কৰিব।
★ বিধেয়কখনে ভূ-সম্পত্তিৰ ধন বিনিময় নিৰীক্ষণ কৰাৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশবোৰত ভূ-সম্পত্তি নিয়ন্ত্ৰক প্ৰাধিকাৰী স্থাপনৰ পোষকতা কৰিছে।
★ বিধেয়কখনে ভূ-সম্পত্তি প্ৰকল্প আৰু ভূ-সম্পত্তি এজেণ্টসকলক প্ৰাধিকাৰীৰ পঞ্জীয়ন বাধ্যতামূলক কৰা হৈছে।
★ ই সকলো পঞ্জীকৃত প্ৰকল্পৰ পৃষ্ঠপোষকতাকাৰী, প্ৰকল্প, ৰূপাংকন আঁচনি, ভূমিৰ স্থিতি, অনুমোদন, চুক্তিৰ লগতে ভূ-সম্পত্তিৰ এজেণ্ট, ঠিকাদাৰ, স্থপতি, গাঁথনিক অভিযন্তা আদিৰ বিষয়ে খোলাখুলিকৈ প্ৰকাশ কৰাটো বাধ্যতামূলক কৰিছে।
★ স্থানীয় প্ৰাধিকাৰীৰপৰা সকলো ধৰণৰ অনুমোদন নোপোৱাকৈ আৰু নিয়ন্ত্ৰকৰপৰা পঞ্জীয়ন লাভ নকৰাকৈ পূৰ্ব উন্মোচনত অনুমতি প্ৰদান কৰা নহ'ব। এই নিয়ন্ত্ৰণৰ অধীনত সকলো অসম্পূৰ্ণ প্ৰকল্প সোমাব।
★ এই বিধেয়কে ৫০০ বৰ্গ মিটাৰতকৈ অধিক বা আঠটা এপাৰ্টমেণ্ট (পৰৱৰ্তীভাৱে ৰাজ্যবোৰে এই প্ৰয়োজনীয়তা হ্ৰাস কৰিব পাৰে)ত কৈ অধিক যিকোনো প্ৰকল্পক সামৰি ল'ব।
★ প্ৰৱঞ্চনামূলক বিজ্ঞাপনৰ ক্ষেত্ৰত এই প্ৰাধিকাৰীয়ে উপভোক্তাক 'ক্ষতিপূৰণ'ৰ নিৰ্দেশনা দিব পাৰে।
★ বিকাশকাৰীয়ে সম্পূৰ্ণ হোৱা বা নিৰ্মীয়মান প্ৰকল্পৰ বিগত পাঁচ বছৰৰ বিতং বিৱৰণ আৰু প্ৰকল্পৰ বৰ্তমানৰ স্থিতি প্ৰদান কৰিব লাগিব। এইবোৰ নিয়ন্ত্ৰকৰ ৱেবছাইটত সুলভ হ'ব যাতে ক্ৰেতাই সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত তথ্য লাভ কৰে।
★ কাৰ্পেট এৰিয়াৰ প্ৰকাশ বিধেয়ক অনুসৰি হ'ব লাগিব।
★ ভূ-সম্পত্তি বিধেয়কে ক্ৰেতাৰপৰা লাভ কৰা ধনৰ ৭০ শতাংশ ১৫ দিনৰ ভিতৰত অনুসূচিত বেংকৰ এক এছক্ৰ' একাউণ্টত জমা কৰিব লাগিব যাতে প্ৰকল্প সময় মতে

সম্পূৰ্ণ কৰাৰ বাবে ই নিৰ্মাণ ব্যয় সামৰি ল'ব পাৰে।

★ বিচাৰপূৰ্বক ৰায় স্থিৰ কৰা বিষয়া বা আপীল ন্যায়াধিকৰণৰ জৰিয়তে বিবাদ মীমাংসা কৰাৰ বাবে ফাষ্ট ট্ৰেক বিবাদ মীমাংসা ব্যৱস্থা স্থাপন কৰিব বিচৰা হৈছে।

★ এই বিধেয়কে সংজ্ঞা আৰোপ কৰা বিষয়বোৰ দেৱানী আদালতে গ্ৰহণ কৰাত বাধা দিয়া হৈছে। সি যি কি নহওক, ভূ-সম্পত্তি বিষয়ক শুনানিৰ বাবে উপভোক্তা আদালতক অনুমতি দিয়া হৈছে। দেশত ৬৪৪ খন উপভোক্তা আদালত আছে। আপত্তিবোৰ মীমাংসা কৰাৰ বাবে অধিক ক্ষেত্ৰ থকা মানে ক্ৰেতাই নিম্ন আইনী ব্যয়ৰ জৰিয়তে বিবাদ মীমাংসা কৰা বুজায়।

★ প্ৰকল্পৰ ২/৩ ক্ৰেতাৰ অনুমতি অবিহনে পৃষ্ঠপোষকতাকাৰীক পৰিকল্পনা আৰু আৰ্হি সলনি কৰাতো বাৰণ কৰা হৈছে।

★ পৃষ্ঠপোষকতাকাৰীয়ে যদি তেওঁৰ সম্পত্তি পঞ্জীয়ন নকৰে, তেন্তে তেওঁ জৰিমনা হিচাপে প্ৰকল্প ব্যয়ৰ ১০ শতাংশলৈকে ধন আদায় দিব লাগিব। যদি তেওঁ ৰেৰা (ভূ-সম্পত্তি নিয়ন্ত্ৰক প্ৰাধিকাৰী)ই জাৰী কৰা নিৰ্দেশ এৰাই চলে, তেন্তে তেওঁ তিনি বছৰ পৰ্যন্ত কাৰাবাস অথবা অতিৰিক্ত জৰিমনা হিচাপে প্ৰকল্পৰ আনুমানিক ব্যয়ৰ ১০ শতাংশ অতিৰিক্ত জৰিমনা আদায় দিব লাগিব। যদি ভৱন নিৰ্মাণকাৰীয়ে আইনৰ অন্য কোনো বিধি-ব্যৱস্থাবোৰ উলংঘা কৰে তেন্তে তেওঁ প্ৰকল্পৰ আনুমানিক ব্যয়ৰ ৫ শতাংশ আদায় দিব লাগিব। এজেণ্টৰ কাৰণে জৰিমনা হ'ল বিধি ব্যৱস্থাবোৰ অৱমাননা কৰা সময়ত প্ৰতিদিনে ১০,০০০ টকা। যদি আপীল ন্যায়াধিকৰণবোৰৰ নিৰ্দেশ উলংঘা কৰে, তেন্তে ভূ-সম্পত্তি এজেণ্ট আৰু ক্ৰেতাক এবছৰৰ কাৰাবাসৰ বিষয়েও সন্নিৱিষ্ট কৰা হৈছে।

★ উপভোক্তা আদালতৰ কাষ চপাৰ বাবে অনুমতি প্ৰদান কৰা বিষয়টো গ্ৰাহকসকলৰ বাবে বৃহৎ সকাহ; কিয়নো দেশত ৬৪৪ খন উপভোক্তা আদালত আছে। ই কম ব্যয়ত ক্ৰেতাৰ আপত্তিবোৰ মীমাংসা কৰাৰ বাবে অধিক ক্ষেত্ৰৰ সুবিধা প্ৰদান কৰিছে।

★ এই বিধেয়কৰ আন আন মুখ্য বৈশিষ্ট্য হৈছে আদায় দিয়াত ব্যৰ্থ হোৱা বা পলম কৰাৰ ক্ষেত্ৰত পৃষ্ঠপোষকতাকাৰী আৰু ক্ৰেতাক সমহাৰত সুত ধাৰ্য কৰাৰ প্ৰস্তাৱ আগবঢ়োৱাটো। পূৰ্বৰ ব্যৱস্থা অনুসৰি ই ভৱন নিৰ্মাণকাৰীৰ স্বাৰ্থৰ হকে হৈছিল।

★ এই বিধেয়কে বৃহৎ গোট/ সম্পত্তিৰ আবণ্টনৰ তিনি মাহৰ ভিতৰত আবণ্টনকাৰীৰ সংঘ স্থাপন কৰাতো বাধ্যতামূলক কৰিছে যাতে এটা পুথিভঁৰাল আৰু এটা উমৈহতীয়া কক্ষকে ধৰি অন্যান্য উমৈহতীয়া সুবিধাবোৰৰ আবাসীসকলে ব্যৱস্থা কৰিব পাৰে। লগতে সম্পত্তিৰ কোনো গাঁথনিগত ত্ৰুটী ক্ৰেতাই যদি ধৰা পেলায়, তেন্তে দখলৰ এবছৰৰ ভিতৰত বিক্ৰীৰ পাছত লাভ কৰিবলগীয়া সেৱাৰ বাবে বিকাশকাৰীৰ সৈতে তেওঁ যোগাযোগ কৰিব পাৰে।

এই বিধেয়ক ৰূপায়ণ হোৱাৰ পাছত সম্পত্তিৰ ক্ৰেতাই কোনো প্ৰকল্পৰ বিষয়ে অনলাইন যোগে বিতংভাৱে অৱগত হ'ব পাৰিব। তেওঁলোকে নিৰ্মাণৰ অগ্ৰগতিৰ বিষয়েও নিৰীক্ষণ কৰিব পাৰিব আৰু যদি নিৰ্দ্ধাৰিত সময় মতে সম্পূৰ্ণ হোৱা নাই, তেন্তে অভিযোগ দাখিল কৰিব পাৰিব। এই বিধেয়কে ৰাজ্যিক পৰ্যায়ত ভূ-সম্পত্তি নিয়ন্ত্ৰক স্থাপনৰ সুবিধা প্ৰদান কৰিছে। বাসোপযোগী বা ব্যৱসায়িক উভয় ক্ষেত্ৰতে নিয়ন্ত্ৰকৰ ওচৰত পঞ্জীকৃত প্ৰকল্পহে বিক্ৰী কৰিব পাৰিব। সি যি কি নহওক, বিকাশকাৰী গোটে কয় যে প্ৰকল্প অনুমোদনকাৰী বিভাগকে ধৰি আৰু প্ৰকল্পৰ চৌপাশে বুনিয়াদী আন্তঃগাঁথনি গঠনকো সমানে জবাবদিহি কৰিলেহে প্ৰকল্প সময় মতে সম্পূৰ্ণ কৰিব পৰা যাব।

সামগ্ৰিকভাৱে ক'ব পাৰি যে এই বিধেয়কে খণ্ডটোলৈ অতি প্ৰয়োজনীয় স্বচ্ছতা আনি দিব। ই প্ৰকল্পবোৰলৈ অধিক ধন অহাটো সহায় কৰিব। এই পৰ্যন্ত বিধিৰ অধিসূচনা জাৰি কৰা ২৩ খন ৰাজ্য হ'ল— উত্তৰ প্ৰদেশ, গুজৰাট, ওড়িশা, অন্ধ্ৰ প্ৰদেশ, মহাৰাষ্ট্ৰ, মধ্য প্ৰদেশ, বিহাৰ, ছত্তিছগড়, ৰাজস্থান, উত্তৰাখণ্ড, অসম, ঝাৰখণ্ড, পঞ্জাব, তামিলনাডু, কৰ্ণাটক, দিল্লী ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ (এম অ'/ইউ ডীৰ-দ্বাৰা), আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, চণ্ডীগড়, দাদৰ আৰু নগৰ হাভেলী, দমন আৰু ডিউ, লাক্ষাদ্বীপ, পুডুচেৰী আৰু হাৰিয়ানা।

ৰেৰাই অনিয়ন্ত্ৰিত কিন্তু গুৰুত্বপূৰ্ণ ভাৰতীয় ভূ-সম্পত্তি খণ্ডক যি কেৱল ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনতে উল্লেখনীয় অৱদান আগবঢ়োৱা নাই ই লক্ষাধিক লোকক কৰ্ম সংস্থাপনো দিছে সেই খণ্ডটোক নিয়ন্ত্ৰণাধীন কৰিছে। ৰেৰাই ভূ-সম্পত্তি কোম্পানীবোৰক

**(৪৬ পৃষ্ঠাত চাওক)**

### সংকল্পৰ পৰা সিদ্ধি— সমাধানৰ জৰিয়তে প্ৰাপ্তি

### স্বাধীনতা সংগ্ৰাম

# মহাত্মা গান্ধীৰ উদাত্ত আহ্বান 'কৰিম কিম্বা মৰিম'

**এ আন্নামালাই***

মাননীয় প্ৰধান মন্ত্ৰীয়ে ৩০ জুলাই ২০১৭ৰ তেওঁৰ শেহতীয়া 'মন-কী-বাত'ত আগষ্ট মাহক 'বিপ্লৱৰ মাহ' হিচাপে অভিহিত কৰি ইয়াৰ গুৰুত্বৰ প্ৰসংগ উল্লেখ কৰিছিল। তেওঁ কৈছিল, "আমি আমাৰ শৈশৱৰপৰা এয়া এটা স্বাভাৱিক বিষয় হিচাপে শুনি আহিছিলোঁ আৰু ইয়াৰ কাৰণ আছিল ১৯২০ চনৰ ১ আগষ্টত অসহযোগ আন্দোলন আৰম্ভ হৈছিল, ১৯৪২ চনৰ ৯ আগষ্টত ভাৰত ত্যাগ আন্দোলন— যাক 'আগষ্ট ক্ৰান্তি' হিচাপেও জনা যায় সেয়া আৰম্ভ হৈছিল আৰু ১৫ আগষ্ট ১৯৪৭ত ভাৰতবৰ্ষ স্বাধীন হৈছিল। এইদৰে আগষ্ট মাহত বহুতো ঘটনা সংঘটিত হৈছিল যিবোৰ আমাৰ স্বাধীনতা আন্দোলনৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। চলিত বছৰত আমি ভাৰত ত্যাগ আন্দোলনৰ ৭৫ সংখ্যক দিৱস উদ্‌যাপন কৰিব। কিন্তু অতি কমসংখ্যক লোকহে 'ভাৰত ত্যাগ' শ্লোগানটো যে ড° ইউছুফ মেহেৰ আলীয়ে সৃষ্টি কৰিছিল সেই সম্পৰ্কে অৱগত। ১৯৪২ চনৰ ৯ আগষ্টতনো কি হৈছিল সেয়া আমাৰ যুৱ প্ৰজন্মই জনাটো প্ৰয়োজন।"

মাননীয় প্ৰধান মন্ত্ৰীয়ে লগতে উল্লেখ কৰিছিল— "স্বাধীনতাৰ কাৰণে অত্যুৎসাহী আকাংক্ষাৰে ভাৰতবৰ্ষৰ জনসাধাৰণ একত্ৰিত হৈছিল, একত্ৰিত-ভাৱে যুঁজ দিছিল আৰু দুৰ্ভোগ আঁকোৱালি লৈছিল; গৌৰৱোজ্জ্বল ভাৰত নিৰ্মাণৰ ক্ষেত্ৰত ইতিহাসৰ এই পৃষ্ঠাবোৰ আমাৰ বাবে প্ৰেৰণাদায়ক। আমাৰ স্বাধীনতা সংগ্ৰামৰ নায়কসকলে তেওঁলোকৰ একক চিন্তাৰ ধ্যানেৰে 'তপস্যা' কৰি, নানা ঘাত-প্ৰতিঘাত আঁকোৱালি লৈ, মহান ত্যাগ স্বীকাৰ কৰিছিল আৰু আনকি তেওঁলোকৰ জীৱন বিসৰ্জন দিছিল। ইয়াতকৈ আৰু মহৎ প্ৰেৰণা কি হ'ব পাৰে? এই 'ভাৰত ত্যাগ আন্দোলন' ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এটা গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি।

গান্ধীজীয়ে তেওঁৰ শক্তিশালী আৰু ঐতিহাসিক শ্লোগান ব্ৰিটিছ ৰাজক 'ভাৰত ত্যাগ' কৰিবলৈ আৰু ভাৰতবাসীক 'কৰিম অন্যথা মৰিম' সংকল্পৰে ১৯৪২ চনত ব্ৰিটিছ শাসকক প্ৰত্যাহ্বান জনাইছিল। ১৯৪২ চনৰ ৮ আগষ্টত বোম্বাইৰপৰা মহাত্মা গান্ধীৰ এই আহ্বান আহিছিল।

**হিংসাৰ মাজত ঃ**

১৯৩৯ চনত দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হৈছিল। সেই সময়ৰ ভাইচৰয় লিনলিথগ'য়ে ভাৰতবৰ্ষৰ নিৰ্বাচিত প্ৰাদেশিক চৰকাৰবোৰৰ সৈতে কোনো আলোচনা নকৰাকৈ ভাৰতবৰ্ষই জাৰ্মানীৰ সৈতে যুদ্ধত লিপ্ত হ'ব বুলি ১৯৩৯ চনৰ ৩ ছেপ্তেম্বৰত ঘোষণা কৰে। তেতিয়া কংগ্ৰেছৰ কাৰ্যকৰী সমিতিৰ বৈঠক অনুষ্ঠিত হয়, আলোচনা হয় আৰু সিদ্ধান্ত গ্ৰহণ কৰা হয় যে যদি কেন্দ্ৰীয়ভাৱে ভাৰতীয় ৰাষ্ট্ৰীয় চৰকাৰ গঠন কৰা হয় আৰু যুদ্ধৰ পাছত ভাৰতবৰ্ষৰ স্বাধীনতাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰা হয়, তেন্তে কংগ্ৰেছে সহযোগিতা আগবঢ়াব।

চৰকাৰে তেতিয়া এটা অন্ধ দৃষ্টিহে প্ৰয়োগ কৰিলে। ভাইচৰয় লিনলিথগ'য়ে উপদেশ-মূলক কাম-কাজৰ বাবে 'পৰামৰ্শদাতা সমিতি' এখন গঠনৰহে প্ৰস্তাৱ দিয়ে। অসন্তুষ্ট হৈ কংগ্ৰেছে ১৯৩৯ চনৰ ২২ অক্টোবৰত পদত্যাগ কৰে। ১৯৩৩ চনৰ পৰা গান্ধীজীয়ে আৰম্ভ কৰা গঠনমূলক কাম বিশেষকৈ অস্পৃশ্যতাৰ বিৰুদ্ধে জনমত গঠনৰ কামত গান্ধীজী ব্যস্ত আছিল। এই পৰিস্থিতিয়ে গান্ধীজীক পুনৰ সক্ৰিয় ৰাজনীতিলৈ আগুৱাই আনিছিল।

যুদ্ধৰ পাছত ভাৰতীয়সকলৰ এটা প্ৰতিনিধি গোট গঠন কৰি সেই গোটৰদ্বাৰা নতুন সংবিধানৰ কাঠামো তৈয়াৰ কৰাৰ পূৰ্বাৱলোকন কৰি চৰকাৰে আগবঢ়োৱা প্ৰস্তাৱক লৈ গান্ধীজী আৰু কংগ্ৰেছ সন্তুষ্ট নাছিল আৰু সেই বাবে গান্ধীজীয়ে ব্যক্তিগত সত্যাগ্ৰহ আৰম্ভ কৰিলে। ব্যক্তিগত সত্যাগ্ৰহ সীমিত, প্ৰতীকী আৰু স্বভাৱতে অহিংস পন্থাৰ যাৰ জৰিয়তে ব্যক্তিসকলে ৰাজহুৱাভাৱে ঘোষণা কৰিবলগীয়া হৈছিল— "ব্ৰিটিছ-সকলে যুদ্ধৰ বাবে আগবঢ়োৱা প্ৰচেষ্টা ধন বা জনেৰে সহায় কৰাটো ভুল। অহিংস পদ্ধতিৰে সকলো যুদ্ধক প্ৰতিৰোধ কৰাটো একমাত্ৰ ফলদায়ক পদক্ষেপ।" সত্যাগ্ৰহীসকলক নিৰ্বাচন

*লেখক এ আন্নামালাই নতুন দিল্লীস্থিত ৰাষ্ট্ৰীয় গান্ধী সংগ্ৰহালয়ৰ সঞ্চালক

কৰা দায়িত্ব অৰ্পণ কৰা হৈছিল মহাত্মা গান্ধীৰ ওপৰত। আচাৰ্য বিনোৱা ভাবেই ১৯৪০ চনৰ ১৭ ছেপ্টেম্বৰত ৱাৰ্দ্ধাত সত্যাগ্ৰহ আৰম্ভ কৰি প্ৰথমগৰাকী সত্যাগ্ৰহী হিচাপে চিহ্নিত হৈছিল আৰু তাৰ বাবে তেওঁ তিনি মাহৰ কাৰাবাস খাটিছিল। জৱাহৰলাল নেহৰু দ্বিতীয় গৰাকী সত্যাগ্ৰহী আছিল আৰু তেওঁ চাৰি মাহৰ কাৰাবাস খাটিছিল। এই ব্যক্তিগত সত্যাগ্ৰহ প্ৰায় ১৫ মাহৰ বাবে ধাৰাবাহিকভাৱে চলিছিল।

উইনষ্টন চাৰ্চিল নেতৃত্বাধীন ব্ৰিটিছ চৰকাৰ স্থিৰ সিদ্ধান্তলৈ আহিছিল আৰু দক্ষিণ-পূব এছিয়াৰ জাপানীসকলৰদ্বাৰা হোৱা অপ্ৰতিৰোধ্য আগ্ৰাসন বন্ধ কৰিবলৈ কাম কৰিছিল। তেওঁ তেওঁৰ যুদ্ধ কেবিনেট লেবাৰ পাৰ্টিৰ সহকৰ্মী ছাৰ ষ্টাফ'ৰ্ড ক্ৰিপছক ভাৰতবৰ্ষলৈ পঠিয়ালে। ব্ৰিটিছ চৰকাৰৰ কটকী বাছনি প্ৰক্ৰিয়া আছিল চতুৰ আৰু কূটনৈতিক। তেওঁলোকে এগৰাকী নিৰামিষভোজী, সমাজবাদী আৰু ভাৰতীয়ৰ প্ৰতি সহানুভূতিশীল ব্যক্তিক এই মিছনৰ বাবে বাছনি কৰিছিল যি 'ক্ৰিপছ মিছন' হিচাপে জনপ্ৰিয় হৈছিল।

১৯৪২ চনৰ ২২ মাৰ্চত ক্ৰিপছে দিল্লীত পদাৰ্পণ কৰিছিল আৰু গান্ধীজীকে ধৰি কংগ্ৰেছৰ নেতাসকলক সাক্ষাৎ কৰিছিল। মহাত্মা গান্ধীৰ এই মিছনৰ খচৰা দেখি মোহভংগ ঘটিছিল আৰু এই খচৰাক 'পষ্ট ডেটেড চেক' বুলি অভিহিত কৰিছিল। তেওঁ ক্ৰিপছক পৰৱৰ্তী উৰাজাহাজত ঘৰলৈ উভতিবলৈ উপদেশ দিছিল। ১২ এপ্ৰিলত ক্ৰিপছ শূন্য হাতেৰে উভতি গৈছিল।

**ব্যৱহাৰিক বিকল্প ঃ**

গান্ধীজীৰ মন বুজাৰ বাবে আমেৰিকান লেখক লুইচ ফিচাৰ ভাৰতলৈ আহি ৱাৰ্দ্ধাৰ সেৱাগ্ৰামত বাস কৰিছিল। তেওঁ জিন্নাকে ধৰি অন্যান্য নেতাসকলকো সাক্ষাৎ কৰিছিল। মহাত্মা গান্ধীয়ে আমেৰিকাৰ ৰাষ্ট্ৰপতি ফ্ৰেংকলিন ডী ৰুজভেল্টলৈ এখন পত্ৰ লিখিছিল আৰু সেই চিঠিখন সুৰক্ষিতভাৱে তেওঁক অৰ্পণ কৰিবলৈ লুইচ ফিচাৰক কৈছিল। পত্ৰখনত গান্ধীজীয়ে কৈছিল— "মোৰ প্ৰস্তাৱ সম্পূৰ্ণৰূপে প্ৰমাণ কৰাৰ কাৰণে জাপানীসকলৰ আগ্ৰাসন আৰু চীনা-সকলক প্ৰতিৰোধ কৰাৰ কাৰণে মিত্ৰশক্তিয়ে প্ৰয়োজনবোধ কৰিলে তেওঁলোকৰ নিজা ব্যয়ত সৈন্যদল ভাৰতবৰ্ষত ৰাখিব পাৰিব। আনহাতে ভাৰতৰ স্থিতিৰ প্ৰতি লক্ষ্য ৰাখিলে দেশখনে আমেৰিকা বা গ্ৰেট ব্ৰিটেইনৰ দৰে মুক্ত হ'ব। যুদ্ধৰ সময়ত মিত্ৰ সৈন্য দল চুক্তিৰ আধাৰত স্বাধীন ভাৰতবৰ্ষতে থাকিব যিখন দেশ প্ৰত্যক্ষ বা পৰোক্ষভাৱে কোনো বাহিৰা শক্তিৰ হস্তক্ষেপ অবিহনে ভাৰতবৰ্ষৰ জনসাধাৰণে গঠন কৰিব।"

এই সময়ছোৱাত ব্ৰিটিছসকলৰ উদ্দেশ্যধৰ্মী প্ৰচাৰ যন্ত্ৰ অতি সক্ৰিয় আছিল আৰু গান্ধীজী, নেহৰু, আজাদ আদিৰ সকলো নেতিবাচক প্ৰতিচ্ছবি আমেৰিকানসকললৈ প্ৰেৰণ কৰিছিল। কিন্তু একে সময়তে আমেৰিকাত এনে একাংশ ব্যক্তিৰ গোট আছিল যিসকলে ৰাষ্ট্ৰপতিৰ লবীৰ সৈতে বুজাবুজি কৰি গান্ধীজীৰ কাৰ্যাৱলীক সমৰ্থন জনাইছিল।

**ভাৰত ত্যাগ ঃ**

ভাৰত ত্যাগ আন্দোলন আৰম্ভ হোৱাৰ আগদিনা ১৯৪২ চনৰ ৭ আগষ্টত মহাত্মা গান্ধীয়ে তেওঁৰ ভাষণত বৃটিছসকলক 'ভাৰত ত্যাগ' কৰাৰ পথ দেখুৱাইছিল। ভাৰত ত্যাগ আন্দোলনেই হ'ল ভাৰতত ব্ৰিটিছ শাসনৰ অন্ত পেলোৱাৰ অন্তিম আহ্বান। এই ভাষণৰ জৰিয়তে তেওঁ ব্ৰিটিছৰ বিৰুদ্ধে অহিংস যুদ্ধৰ আৰম্ভণি ঘটাইছিল। কিন্তু তেওঁৰ এই আহ্বানৰ প্ৰতি তেওঁ অতি সতৰ্ক আছিল। এই প্ৰস্তাৱৰ আৰম্ভণি ঘটাই গান্ধীজীয়ে কৈছিল, "এই প্ৰস্তাৱ সম্পৰ্কে আলোচনা কৰাৰ পূৰ্বে মোক এটা-দুটা বিষয় উপস্থাপন কৰিবলৈ দিয়ক। দুটা বিষয় মই আপোনালোকক ভালদৰে বুজাব বিচাৰোঁ আৰু মই যি স্থানত থাকি আপোনালোকৰ ওচৰত সেয়া উপস্থাপন কৰিছোঁ সেই একে বিন্দুৰপৰা দৃষ্টি আৰোপ কৰাতো বিচাৰিছোঁ। এনে কেতবোৰ লোক আছে যিসকলে ১৯২০ চনৰ মইজনেই নে বুলি বা মোৰ কিবা পৰিৱৰ্তন হৈছে নেকি বুলি প্ৰশ্ন কৰে। আপোনালোকে তেনে ধৰণৰ প্ৰশ্ন সোধাৰ যুক্তিযুক্তিতা আছে। মই আপোনালোকক ক'ব বিচাৰো যে ১৯২০ৰ মইজনেই আজিৰ মই। পাৰ্থক্য এইয়াই মাথোঁ যে ১৯২০তকৈ এতিয়া মই বহু বেছি দৃঢ়।

কেতবোৰ লোক আছে যিসকলে ব্ৰিটিছক অন্তৰৰপৰা ঘিণ কৰে। এনে লোকে কোৱা শুনিছোঁ তেওঁলোকে তেওঁলোকক বীভৎসতা দেখুৱাইছে। সাধাৰণ লোকৰ বাবে ব্ৰিটিছ চৰকাৰ আৰু ব্ৰিটিছ নাগৰিকৰ মাজত কোনো পাৰ্থক্য নাই। তেওঁলোকৰ বাবে উভয়েই সমান। তেওঁলোকেই সেইসকল লোক যি জাপানীসকলৰ আগমন লৈ চিন্তিত নহয়। তেওঁলোকৰ বাবে ইয়াৰ অৰ্থ হ'ল সম্ভৱতঃ গৰাকী সলনি। কিন্তু এয়া এটা বিপদজনক কথা। এয়া আপোনালোকৰ মনৰপৰা মচি দিব লাগিব।

মহাত্মা গান্ধীয়ে জনসাধাৰণক আন্দোলনত অংশ গ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনাইছিল। তেওঁ কৈছিল, "মোৰ গণতন্ত্ৰৰ

অৰ্থ প্ৰতিগৰাকী ব্যক্তি নিজেই নিজৰ গৰাকী। মই পৰ্যাপ্ত পৰিমাণে ইতিহাস অধ্যয়ন কৰিছোঁ আৰু অহিংসাৰ জৰিয়তে গণতন্ত্ৰ প্ৰতিষ্ঠাৰ এটা বৃহৎ পৰিমাণৰ সম্পৰীক্ষা দেখা নাই। এইবোৰ বিষয় এবাৰ বুজি পালে আপোনালোক হিন্দু আৰু মুছলমানসকলৰ মাজৰ পাৰ্থক্য পাহৰি যাব।”

ভাৰতবৰ্ষৰ স্বাধীনতা আৰু স্বশাসিত চৰকাৰৰ কাৰণে আমাৰ সংগ্ৰাম সম্পূৰ্ণৰূপে অহিংস সংগ্ৰাম। এখন হিংসাত্মক যুদ্ধত এগৰাকী সাৰ্থক সৈন্যাধ্যক্ষই সৈন্য বাহিনীৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা আৰু স্বৈৰতন্ত্ৰ প্ৰতিষ্ঠা কৰা প্ৰায়ে শুনা যায়। কিন্তু কংগ্ৰেছৰ বিষয়ৰ আঁচনি অনুসৰি মহাত্মা গান্ধীয়ে নিজেই ঘোষণা কৰিছে— “এটা অহিংস সংগ্ৰাম যাতে ক্ষমতা আঁজুৰি অনাৰ আঁচনি নহয়। ই সম্পৰ্কৰ ৰূপান্তৰ ঘটোৱাৰ এটা কাৰ্যসূচী।”

মাননীয় প্ৰধান মন্ত্ৰীয়ে উল্লেখ কৰে, “কোটি কোটি ভাৰতীয়ই মহাত্মা গান্ধীৰ ‘কৰিম কিম্বা মৰিম’ৰ উদাত্ত কণ্ঠৰ, আৰু স্পষ্ট আহ্বান আৰু মন্ত্ৰৰ প্ৰতি সঁহাৰি জনাইছিল, এই সংগ্ৰামত তেওঁলোকো জঁপিয়াই পৰিছিল। দেশৰ লাখ লাখ যুৱক-যুৱতীয়ে তেওঁলোকৰ অধ্যয়ন ত্যাগ কৰিছিল, তেওঁলোকৰ পাঠ্যপুথি এৰিছিল। স্বাধীনতাৰ ধ্বনি শুনাৰ কাৰণে তেওঁলোকে সমদল উলিয়াইছিল। মহাত্মা গান্ধীয়ে ৯ আগষ্টত ‘ভাৰত ত্যাগ আন্দোলন’ৰ আহ্বান জনাইছিল, কিন্তু প্ৰতিগৰাকী আগশাৰীৰ নেতাক ব্ৰিটিছ চৰকাৰে কাৰাৰুদ্ধ কৰি ৰাখিছিল।

**অনাকাংক্ষিত হিংসা ঃ**

মহাত্মা গান্ধীৰ অহিংসা এটা পৰীক্ষা আছিল। চৰকাৰে ইয়াৰ কৰ্তৃত্ব খটুৱাই আন্দোলনটোক মষিমূৰ কৰিব বিচাৰিছিল আৰু আন্দোলন আৰম্ভ হোৱাৰ পূৰ্বেই ব্যৱস্থা গ্ৰহণৰ সিদ্ধান্ত লৈছিল। ভাৰত ত্যাগ সংগ্ৰামৰ প্ৰতি এ আই চী চীয়ে অনুমোদন জনোৱাৰ সংবাদ লাভ কৰিলে তেতিয়া চৰকাৰে সকলো প্ৰাদেশিক ৰাজ্যপাল, মুখ্য আয়ুক্ত আৰু ক্ষুদ্ৰ ৰাজ্যবোৰৰ ৰাজনৈতিক অধ্যক্ষসকলক পৰিকল্পনা অনুসৰি সমগ্ৰ ভাৰতবৰ্ষত এটা পদ্ধতিগতভাৱে ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায়। গান্ধীজী আৰু কৰ্ম নিৰ্দ্ধাৰণ সমিতি, নিখিল ভাৰত কংগ্ৰেছ সমিতি আৰু প্ৰাদেশিক সমিতিবোৰৰ সকলো সদস্যক গ্ৰেপ্তাৰ কৰাৰ বাবে আদেশ জাৰি কৰা হ’ল। কৰ্ম নিৰ্দ্ধাৰণ সমিতি, নিখিল ভাৰত কংগ্ৰেছ সমিতি আৰু প্ৰাদেশিক সমিতিবোৰক চৰকাৰে বেআইনী সংগঠন হিচাপে ঘোষণা কৰি, তেওঁলোকৰ কাৰ্যালয় আৰু নিধি জব্দ কৰে। সকলো ধৰণৰ ধৰ্ণা, আন্দোলন, গণসভা আৰু সমদল মষিমূৰ কৰিবৰ বাবে সৈন্য বাহিনীক কাৰ্যকৰীভাৱে প্ৰয়োগ কৰা হয়। সেনা আইনৰ অধীনত স্থানীয় বিষয়াই কোনো কাৰণ প্ৰদৰ্শন নকৰাকৈ যিকোনো ব্যক্তিক গ্ৰেপ্তাৰ কৰি কাৰাৰুদ্ধ কৰিব পাৰে।

গান্ধীজীৰ ভাষণৰ চৌৱিছ ঘণ্টাতকৈও কম সময়ৰ ভিতৰত কেৱল ৰাষ্ট্ৰীয় পৰ্যায়ৰে নহয়, আনকি তৃণমূল পৰ্যায়তো সম্পূৰ্ণ কংগ্ৰেছ নেতৃত্বক আটক কৰে আৰু কংগ্ৰেছ নেতৃত্ব আৰু স্বেচ্ছাসেৱকসকল যুদ্ধৰ বাকী কালছোৱা কাৰাগাৰতে কটায়। কিছুমান স্থানত আন্দোলনে হিংসাত্মক ৰূপ ধাৰণ কৰে, ৰাজহুৱা কাৰ্যালয় ধ্বংস কৰে, যোগাযোগ ব্যৱস্থা বিঘ্নিত কৰে আদি।

ভাৰতবৰ্ষৰপৰা বৃটিছ শাসন ইচ্ছাকৃতভাৱে বলপূৰ্বক আঁতৰোৱাৰ চেষ্টা চলোৱা বুলি চৰকাৰে গান্ধীজীকে দোষাৰোপ কৰে আৰু উচ্ছৃংখল জনতাৰ বেআইনী কাৰ্যকলাপৰ বিৰুদ্ধে চৰকাৰী পদক্ষেপৰ ন্যায্যতা প্ৰদান কৰে। এই পৰিস্থিতিয়ে গান্ধীজীক দুঃখিত কৰে। দীৰ্ঘ সময়ৰ বাবে তেওঁ সংঘাত মীমাংসা কৰাৰ বাবে অহিংসাকে শক্তিশালী ৰাজনৈতিক আহিলা হিচাপে গণ্য কৰি আহিছে, কিন্তু চূড়ান্ত আহ্বানৰ সময়ত তেওঁৰ নিজৰ লোকসকলেই তেওঁক আঘাত দিছে। তাৰ বাবে তেওঁ ১৯৪৩ চনৰ ১০ ফেব্ৰুৱাৰীৰপৰা ১৯৪৩ চনৰ ৩ মাৰ্চলৈ পুনৰ আগাখান পেলেচত তেওঁ অনশনত বহে। এই অনশনকালিন অৱস্থাতে তেওঁক আৰু সহযোগীসকলক বন্দী হিচাপে কাৰাৰুদ্ধ কৰি ৰাখে।

**হিংসাই অধিক হিংসাৰ সৃষ্টি কৰে ঃ**

কিবা প্ৰকাৰে গান্ধীজীৰ অনশনৰ বাৰ্তা জনসাধাৰণৰ কাষ পায়গৈ। সেই সময়তে এগৰাকী আত্মগোপনকাৰী আন্দোলনকাৰী আৰ আৰ দিৱাকা, যি পৰৱৰ্তী সময়ত গান্ধী স্মাৰক নিধিৰ অধ্যক্ষ হৈছিল তেওঁৰ সময়ছোৱাত তেওঁৰ দ্বিধাগ্ৰস্ততাৰ বিষয়ে ব্যাখ্যা কৰিছে। তেওঁ কয়, মই অনুভৱ কৰোঁ যে এই সকলোবোৰ কাৰ্যকলাপেই কূটাঘাতমূলক কাৰ্যকলাপ আৰু আনকি আত্মগোপন কৰাটোও কঠোৰভাৱে গান্ধীৰ পন্থা নহয়... যদিও মই আত্মগোপনকাৰী কৰ্মী হিচাপে পতিয়ন যাব পৰা নাই অথবা আত্মগোপনকাৰী কৰ্মী হিচাপে সাৰ্থক হ’ব পৰা নাই, মই কৰ্মীসকলক কেতবোৰ পথ প্ৰদৰ্শন আৰু সহায় কৰা প্ৰয়োজন... কিন্তু মই চৰকাৰী সম্পত্তি ধ্বংস কৰা আৰু আমাৰ কৰ্মীসকলৰ মনৰপৰা হিংসাৰ ভাব আঁতৰোৱাটো গুৰুত্বপূৰ্ণ বুলি ভাবোঁ, একেদৰে মনৰ পৰা ঘৃণা।”

কিন্তু গান্ধীজীয়ে নিৰীক্ষণ কৰে যে ৰাজহুৱা সম্পত্তিৰ প্ৰতি হিংসাত্মক হোৱাটোৱে নিশ্চিতভাৱে ব্যক্তিৰ প্ৰতি হিংসাৰ নেতৃত্ব দান কৰে। আত্মগোপন কৰা আৰু কৰ্মীসকলৰ সৈতে প্ৰয়োজনীয় যোগাযোগ অবিহনে কোনেও পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব নোৱাৰে।

১৯৪৪ চনৰ ২৮ জুলাইত গান্ধীজীয়ে সকলো আত্মগোপন কাৰ্যকলাপ হিংসাত্মক কাৰ্যকলাপৰ সমতুল্য বুলি ঘোষণা কৰে। তেওঁ আত্মগোপনকাৰী কৰ্মীসকলক কেতবোৰ মুক্ত কাৰ্যকলাপৰ জৰিয়তে ওলাই আহিবলৈ আৰু চৰকাৰৰদ্বাৰা গ্ৰেপ্তাৰ হ'বলৈ আহ্বান জনায়।

**দ্বিতীয় বিশ্বযুদ্ধ ঃ**

১৯৪৫ চনৰ আগষ্ট মাহৰ ৬ আৰু ৯ তাৰিখে হিৰোছিমা আৰু নাগাছাকিত আমেৰিকাই কৰা আণৱিক বোমা বৰ্ষণত লাখ লাখ লোকৰ নজীৰবিহীন মৃত্যুৰ পাছত দ্বিতীয় বিশ্বযুদ্ধৰ অন্ত পৰে।

মিত্ৰ বাহিনী বিজয়ী হিচাপে উদ্ভাসিত হৈ উঠে। গ্ৰেট ব্ৰিটেইনে ইয়াৰ ভূ-ভাগ সুৰক্ষিত ৰাখিলে। এতিয়া তেওঁলোকৰ ওপৰত ভাৰতৰ প্ৰশ্ন লৈ হেঁচা পৰিল। লৱণ সত্যাগ্ৰহ আৰু ভাৰত ত্যাগ আন্দোলনৰ সময়ত ব্ৰিটিছসকলে ভাৰতীয়সকলৰ প্ৰতি যি আচৰণ প্ৰদৰ্শন কৰিছিল তাৰ ফলত ভাৰতবৰ্ষৰ ভিতৰত আৰু বাহিৰত ব্ৰিটিছ শাসনৰ বিৰুদ্ধে এটা নেতিবাচক প্ৰভাৱ পৰিছিল। গণমতৰ অধিকাংশ গান্ধীজী আৰু ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ অনুকূলে আছিল।

গান্ধীজীয়ে জাগ্ৰত কৰা গণ প্ৰতিবাদ অৱমাননা আৰু নস্যাৎ কৰাৰ বাবে চলোৱা প্ৰচেষ্টা বিফল হোৱাৰ উপৰি দ্বিতীয় মহাযুদ্ধৰ সময়ত ব্ৰিটিছসকলে বহন কৰিবলগীয়া হোৱা ব্যয়ৰ বাবে ভাৰতৰ স্বাধীনতা অৰ্পণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰকৃততে ব্ৰিটিছসকলে নিজৰ অৰ্থনীতি টনকিয়াল কৰাৰ বাবে ভাৰতবৰ্ষক ইয়াৰ বৃহৎ বজাৰৰ সৈতে উপনিৱেশ হিচাপে ৰাখিছিল। গান্ধীজীয়ে লগতে ৰাষ্ট্ৰীয় কাৰণত বা ভাৰতক স্বাধীনতা প্ৰদানৰ বাবে গোপন কাৰ্যকলাপ সম্পৰ্কত চলা বিতৰ্ক নাকচ কৰিছিল।

**ৰাষ্ট্ৰ নাগৰিক হিচাপে শ্ৰেষ্ঠ**

শেষত ব্ৰিটিছে কেবিনেট মিছনক দিল্লীলৈ প্ৰেৰণ কৰি ভাৰতৰ স্বাধীনতা সম্পৰ্কত বুজাবুজি কৰাৰ সিদ্ধান্ত ল'লে। যিহেতু গান্ধীজীয়ে ভাৰতবৰ্ষৰ স্বাধীনতাৰ পথ এছিয়া আৰু আফ্ৰিকাৰ অধিকাংশ উপনিৱেশৰ স্বাধীনতাৰ জৰিয়তে চিত্ৰ অংকন আৰু ভৱিষ্যৎবাণী কৰিছিল। যিহেতু ৰাণী এলিজাবেথে আমেৰিকা যুক্তৰাষ্ট্ৰৰ দ্বি-শতবাৰ্ষিকী উপলক্ষে ফিলাডেলফিয়াত ভাষণত কৈছিল "ওঠৰ শতিকাত ব্ৰিটিছসকলে আমেৰিকান উপনিৱেশবোৰ হেৰুওৱাৰ মূল কাৰণ হ'ল আমি সঠিক সময়ত ৰাষ্ট্ৰ নেতাৰ অভাৱত ভুগিলোঁ আৰু তেনে অৱস্থাত ইয়াক ধৰি ৰখাটো সম্ভৱপৰ নহ'ল।" গান্ধীজীয়ে ভাবিছিল যে সন্মানজনক অহিংসা পদ্ধতিৰে ব্ৰিটিছক ৰাষ্ট্ৰ নাগৰিকৰ শিক্ষা প্ৰদান কৰিব পাৰিব আৰু এইদৰে সঠিক সময়ত মৰ্যাদা আৰু সন্মানেৰে ব্ৰিটিছক ভাৰত ত্যাগ কৰাৰ অনুকূল পৰিৱেশ ৰচনা কৰিছিল।

তেওঁ ভাৰতীয় লোকসকলক 'কৰিম কিম্বা মৰিম' বাণী দিছিল। এগৰাকী প্ৰকৃত নেতা হিচাপে তেওঁ কাম কৰিছিল আৰু মৃত্যুক আঁকোৱালি লৈছিল। ❒

---

**(১৪ পৃষ্ঠাৰ পৰা)**

চহৰ আৰু চহৰ বিকাশ কাৰ্য সম্প্ৰসাৰণ কৰা সন্দৰ্ভত। এই একে সময়তে বাসিন্দা-সকলে নিজৰ গৃহ গোটবোৰ উন্নত কৰিবৰ অৰ্থে যাতে প্ৰয়াস কৰিব পাৰে, সেই সম্পৰ্কে মনোযোগ দিয়া উচিত— বিশেষকৈ চহৰৰ ভিতৰুৱা অঞ্চলবোৰত। বহনক্ষম ঘৰৰ উদ্দেশ্যৰ বাবে খাচ পাম ধৰণৰ ভূমি অধিগ্ৰহণ অথবা সিঁচৰতি হৈ থকা ভূমিৰ সবিস্তাৰে ব্যৱহাৰ কৰা কাৰ্যৰ তেনে লেখ বৰ্তমানে নাই। তাৰ বিপৰীতে ৰাজহুৱা উদ্দেশ্যৰ অৰ্থে সামগ্ৰিকভাৱে সাৰ্থক ৰূপত প্ৰতিফলিত কৰিবৰ কাৰণে নীতি আৰু ৰূপায়ণৰ ক্ষেত্ৰত মনোযোগ দিয়া উচিত। ❒

# সত্তৰ বছৰত শিহৰণকাৰী গণতন্ত্ৰ

**বাল্মীকি প্ৰসাদ সিং***

**প্ৰসঙ্গ**

এটা দীৰ্ঘকালৰ স্বাধীনতা আন্দোলনৰ ফলস্বৰূপে সত্তৰ বছৰ পূৰ্বে ভাৰতত স্বাধীনতাৰ এটা নতুন যুগৰ সূচনা হয়। এয়া দেশখনৰ সময় আৰু কালভেদে মচিব নোৱাৰা ইতিহাসৰ এটা অতি গুৰুত্বপূৰ্ণ অধ্যায়। ইয়াক 'নিয়তিৰ লিখন' বুলি কোৱাটো অতি সমীচীন; আৰু ইয়েই গণতন্ত্ৰ প্ৰতিষ্ঠাপিত কৰা তথা ন্যায় প্ৰদানৰ বাট মুকলি কৰে আৰু সেই ন্যায় হ'ল সামাজিক, অৰ্থনৈতিক তথা ৰাজনৈতিক দিশৰ। এই স্থিতিক কেনেদৰে বুজিবলৈ প্ৰয়াস কৰিব লাগিব আৰু গণতান্ত্ৰিক ভাৰতৰ সত্তৰ বছৰ কালছোৱাৰ বিৱৰ্তন সম্পৰ্কে জানিবলৈ কৌতূহল জাগে। কাৰণ পাঁচ সহস্ৰাব্দৰ প্ৰাচীন সম্পদ আৰু ঐশ্বৰ্যৰে ভৰপূৰ দেশখনত কি নাছিল? ভাৰতৰ অন্যান্য বৈশিষ্ট্য আৰু সমাজৰ গতিশীলতা তথা ৰাজনৈতিকভাৱে শাসনপুষ্ট ব্যৱস্থাই বিকাশ আৰু তাৰ ফলাফলত কেনেদৰে বৰঙণি যোগাইছিল সেই বিষয়ে সাৰ্থক ৰূপত উপলব্ধি কৰাটো কঠিন কাম। কাৰণ স্বাধীনতা যুঁজাৰুৰ এটা পৰিয়ালত ১৯৪২ চনত জন্ম গ্ৰহণ কৰা এজন ব্যক্তিৰ বাবে সেইবোৰ অনুমানহে কৰিব পৰা যায় আৰু তেনে এখন প্ৰতিচ্ছবি আগত ৰাখি এই লেখক দেশখনৰ প্ৰশাসনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ অভিজ্ঞতা আছে। জিলা, ৰাজ্য আৰু ৰাষ্ট্ৰীয় স্তৰত আঁচনি আৰু কাৰ্যসূচীসমূহ যুগুতোৱা তথা ৰূপায়ণ কৰাৰ ক্ষেত্ৰত জড়িত থাকিলেও এই অকিঞ্চনৰ বাবে তাৰ ৰূপৰেখা বৰ্ণোৱা এটা দুঃসাহসিক কাম বুলিয়েই জ্ঞান কৰা হয়।

এতিয়া আহোঁ মূল বিষয়লৈ।

ভাৰতৰ সংবিধান ১৯৫০ চনৰ ২৬ জানুৱাৰীত গ্ৰহণ কৰা হৈছিল। ইয়াক যুগুতাই উলিওৱাৰ কামত বি আৰ আম্বেদকাৰে এগৰাকী স্বপ্নদ্ৰষ্টা নেতা ৰূপে ভূমিকা গ্ৰহণ কৰিছিল; আৰু তেওঁেই আছিল খচৰা সমিতিৰ অধ্যক্ষ। এই সংবিধানে গণতন্ত্ৰ আৰু ইয়াৰ প্ৰতিষ্ঠানসমূহৰ জৰিয়তে ভাৰতবৰ্ষক গঢ়ি তুলিবলৈ এটা বৈশিষ্ট্যপূৰ্ণ গাঁথনি প্ৰদান কৰে। আমি অবিৰতভাৱে এই পথেদি গৈ আছোঁ আৰু বহুত সফলতাও লাভ কৰা হৈছে। তথাপি কৰিবলগা কামবোৰৰ ভিতৰত বহুত অসম্পূৰ্ণ হৈ আছে আৰু আমাৰ কাৰ্য পদ্ধতিত বহু অভাৱ আৰু ভুল-ত্ৰুটীও আছে। কাৰ্যকৰণৰ নতুন পথ উদ্ভাৱন কৰি তাৰ প্ৰতি মনোযোগ দিয়াৰো আৱশ্যকতা আছে।

**সফলতা**

আমাৰ সফলতা কেবাটাও। তাৰ ভিতৰত চাৰিটা বিষয়ত বিশেষভাৱে আলোকপাত কৰা আৱশ্যক।

**প্ৰথমটো** হ'ল ভাৰতে সাৰ্বভৌমত্ব প্ৰতিষ্ঠা কৰিলে— যাৰ অৰ্থ হ'ল জনতাৰ-দ্বাৰা শাসন; আৰু এই শাসন তেওঁলোকে মুকলিমূৰীয়াভাৱে নিৰ্বাচিত কৰা প্ৰতিনিধিবৰ্গৰ জৰিয়তে কৰা হয়। এটা গণতান্ত্ৰিক পদ্ধতিৰ শাসন আৰু ৰাজনৈতিকভাৱে সংগঠিত ব্যৱস্থাপনাক ভাৰতে পোন প্ৰথমবাৰৰ বাবে প্ৰতিষ্ঠা কৰে। এতিয়া ভাৰত বিশ্বৰ ভিতৰত কেৱল বৃহত্তম গণতান্ত্ৰিক দেশেই নহয়, তদুপৰি ই অতি স্বচ্ছন্দতাৰে সমুজ্জ্বল ৰাষ্ট্ৰ।

দেশখনত 'এজন ব্যক্তি, এটা ভোট আৰু এটা মূল্য'ৰ পদ্ধতি প্ৰচলন কৰিবলৈ এটা সবল আৰু বৈশিষ্ট্যপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সাৰ্বজনীন ভোটদানৰ অধিকাৰে বিৰাট লাভৰ সূচনা কৰে আৰু পৰৱৰ্তী কালৰ তৃণমূল স্তৰলৈকে ক্ষমতাৰ বিকেন্দ্ৰী-কৰণে সেই লাভসমূহ সুদৃঢ় কৰাত সহায় কৰে। ভাৰতত গণতন্ত্ৰ প্ৰশাসনৰ অন্তঃস্থলীত বিৰাজমান।

ভাৰতত গণতন্ত্ৰই প্ৰতিষ্ঠা লাভ কৰা বিষয়টোৱে বহু চিন্তাবিদ— বিশেষকৈ পাশ্চাত্যত— পৰম্পৰাগত ভাবধাৰাক প্ৰত্যাহ্বান জনায় আৰু এই প্ৰত্যাহ্বানৰ বিষয় হ'ল গণতন্ত্ৰত নিশ্চয়েই কিছুমান পূৰ্ব অৱস্থা জড়িত আছে, যেনে অৰ্থনৈতিক বিকাশ, উচ্চ স্তৰৰ সাক্ষৰতা আৰু এটা উমৈহতীয়া ভাষা। কিন্তু প্ৰকৃত অৰ্থত ক'বলৈ গ'লে ভাৰতীয় গণতন্ত্ৰ দৰিদ্ৰতা, নিৰক্ষৰতা আৰু বৈচিত্ৰ্যৰ মাজত প্ৰস্ফুটিত হৈ উঠিছে।

---

*লেখক বাল্মীকি প্ৰসাদ সিং ছিকিমৰ পূৰ্বৰ ৰাজ্যপাল। এগৰাকী প্ৰতিষ্ঠিত লেখক, চিন্তাবিদ, ৰাইজৰ সেৱক। পূৰ্বতে তেওঁ বিশ্ব বেংকৰ কাৰ্যবাহী সঞ্চালক আৰু ৰাষ্ট্ৰদূত, ভাৰত চৰকাৰৰ গৃহ সচিব তথা সাংস্কৃতিক বিভাগৰ সচিব ৰূপেও সেৱা আগবঢ়াইছিল।

এয়া ভাৰতীয় জনগণ আৰু স্বাধীনতা সংগ্ৰামৰ নেতাসকলৰেই কৃতিত্ব বুলি ক'ব লাগিব— যাৰদ্বাৰাই এটা বহুমুখী আৰু নিঃকিন সমাজত গণতন্ত্ৰ প্ৰতিষ্ঠা কৰাই নহয়, তদুপৰি ইয়াক সফল, স্থিৰ আৰু স্বচ্ছন্দ তথা ফল-উন্মেষকাৰী কৰি তুলিছে।

ভাৰতীয় গণতন্ত্ৰৰ এটা মন কৰিবলগীয়া বিষয় হ'ল নিৰ্বাচন নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে অনুষ্ঠিত হয় আৰু তাকো সাৰ্বজনীন ভোটদানৰ অধিকাৰৰ ওপৰত ভিত্তি কৰি মুকলিমূৰীয়াকৈ তথা ভালদৰে হয়। এটা ৰাজনৈতিক দল কিম্বা মৰ্চাৰপৰা আনটোলৈ ক্ষমতাৰ হস্তান্তৰ নীতিগতভাৱে সমাপন হয়। ভাৰতত নিৰ্বাচন প্ৰক্ৰিয়া বেচ সহজ-সৰল আৰু জনগণে তাক ভালদৰে বুজি পায়। সেয়ে এইটো কোনো আচৰিত কথা নহয় যে গণতন্ত্ৰ ভাৰতীয় নিৰ্বাচক মণ্ডলীৰ প্ৰতিষ্ঠানমূলক শক্তিৰ সুপ্ৰকাশ স্বৰূপ হৈ পৰিছে।

আন এটা বৈশিষ্ট্য হ'ল ৰাজনীতিত সাধাৰণ লোকে বৰ্দ্ধিতভাৱে কৰা অংশগ্ৰহণৰ বিষয়টো চহৰ আৰু গাঁও উভয় অঞ্চলতেই আলোচনাত ঠাই পায় আৰু ই ক্ৰমান্বয়ে জনগণৰ মন আকৰ্ষণ কৰিবলৈ লৈছে। সেয়ে তেওঁলোকে ৰাজনৈতিক অধিকাৰক মূল্য দিয়ে আৰু সা-সুবিধাবোৰো কামত লগাবলৈ বিচাৰে। তেওঁলোকে পঞ্চায়ত, ৰাজ্যৰ বিধানসভা আৰু লোকসভাৰ নিৰ্বাচনবোৰত নিয়মীয়াকৈ ভোটদান কৰি নিজৰ অধিকাৰ আৰু দায়িত্ব প্ৰতিপন্ন কৰে।

ভাৰতীয় গণতন্ত্ৰৰ অতি উল্লেখযোগ্য সফলতা— দেশখনক ঐক্যবদ্ধ কৰাটো। এইক্ষেত্ৰত ছৰ্দাৰ বল্লৱভাই পেটেলে এটা ঐতিহাসিক ভূমিকা গ্ৰহণ কৰিছিল— যাৰ ফলত কম সময়ৰ ভিতৰতে ভাৰতীয় সংঘত ৫৬৫ খন ৰাজশাসিত ক্ষুদ্ৰ ক্ষুদ্ৰ প্ৰদেশ চামিলকৰণ সম্ভৱ হয়। তেতিয়াৰপৰা আমি দেশখনক একত্ৰিত তথা গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহৰ কাম-কাজ চলাই থাকিবলৈ সমৰ্থৱান হৈছোঁ। ভাৰত বিভাজনৰ প্ৰসঙ্গত এয়া বিশেষকৈ মন কৰিবলগীয়া বিষয়, কিয়নো সেই বিভাজনৰ ফলতেই এক নিযুততকৈ অধিক লোকে মৃত্যুবৰণ কৰিবলগীয়া হৈছিল আৰু অন্য লাখ লাখজনে ঠাই সলাবলগীয়া হৈছিল। কিন্তু সামায়িক কালত সাংবিধানিক গণতন্ত্ৰৰ স্থাপত্যই ভাৰত ৰাষ্ট্ৰক ধ্বংস কৰিবলৈ প্ৰয়াস কৰা সন্ত্ৰাসবাদী সংগঠনবোৰক বাধা প্ৰদান কৰিছে।

**দ্বিতীয়তঃ** ভাৰতীয় গণতান্ত্ৰিক পদ্ধতিয়ে ৰাজনৈতিক ব্যৱস্থাপনাত অৰ্থনৈতিক ৰূপ প্ৰদান কৰিছে। এই দৃষ্টিভঙ্গীৰ এটা বৈশিষ্ট্যপূৰ্ণ বিজয়ৰ দিশটো হ'ল খাদ্য উৎপাদনৰ ক্ষেত্ৰত ভাৰতে লাভ কৰা আত্ম-নিৰ্ভৰশীলতা। ১৯৪৭ চনৰপৰা জনসংখ্যা যি গতিত বৃদ্ধি পাইছে তৎসত্বেও এই খাদ্য উৎপাদনৰ গতিময়তা তাৎপৰ্যপূৰ্ণ। কল্পনাপ্ৰসূত নীতিৰ অৱলম্বনেও দেশখনৰ প্ৰতিজন নাগৰিককে খাদ্য পোৱাটো নিশ্চিত কৰিছে। তাৰ বাবে কিছুমান কাৰ্যসূচী শলাগ ল'বলগীয়া। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল— দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বসবাস কৰা লোকসকলৰ বাবে কম মূল্যত খাদ্যৰ যোগান আৰু মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইনৰ দৰে আঁচনিৰ অধীনত নিয়োগ ব্যৱস্থা, এটা উমৈহতীয়া বজাৰ তথা সৰ্বভাৰতীয় বেংকিং পদ্ধতিৰদ্বাৰা তাৰ প্ৰতি সমৰ্থন প্ৰদান। এইক্ষেত্ৰত সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাৰ অৱলম্বন হ'ল এটা গুৰুত্বপূৰ্ণ কীৰ্তিচিহ্ন।

ভাৰতৰ ৰাজনৈতিক নেতৃত্ব, নীতি তৈয়াৰ কৰোঁতা তথা ব্যৱসায়ৰ সন্দৰ্ভত বিস্তৰ জ্ঞান থকাসকল দেশখনক ২১ শতিকাৰ ভিতৰত এখন বৃহৎ অৰ্থনৈতিকভাৱে শক্তিশালী দেশ কৰি গঢ়ি তোলাৰ এটা দৃঢ় বাসনাৰদ্বাৰা উজ্জীৱিত হয়। অৰ্থনৈতিক বৃদ্ধিৰ উচ্চ হাৰ আৰু তাৰ লগতে সন্তোষজনক বৈদেশিক বিনিময় ভাণ্ডাৰ তথা বৰ্দ্ধিত ছেনছেক্সৰ (ষ্টক বজাৰ) পৰিসংখ্যাই তেওঁলোকৰ বিশ্বাস বঢ়াই তোলে। ইকুইটীৰ ওপৰত আলোকপাতসহ ভাৰতে এটা অধিক বৃদ্ধি হাৰ লাভ কৰিবলৈ লক্ষ্য কৰিছে। যদিও এই দুয়োটা উদ্দেশ্য সদায়েই বিৰোধাত্মক নহয়, তথাপি মধ্যম শ্ৰেণী অথবা বাণিজ্য সংস্থাবোৰৰ চাহিদা পূৰণ কৰিবৰ অৰ্থে যেতিয়া দুষ্প্ৰাপ্য সম্পদসমূহ এফলীয়া কৰা হয়, তেতিয়া অন্তৰ্দ্বন্দ্বৰ সৃষ্টি হয়; কাৰণ তেনে কৰিবলৈ যাওঁতে দুখীয়া আৰু অসুবিধাগ্ৰস্ততাত ভোগা-সকলৰ আৱশ্যকতাক অৱজ্ঞা কৰা হয়।

**তৃতীয়তঃ** আমাৰ সংবিধান দুবিধ সূত্ৰৰ প্ৰতি কাম কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ— যিটো সমতা ৰক্ষাৰ ক্ষেত্ৰত স্পষ্ট প্ৰভাৱ আছে। প্ৰথমটো হ'ল সকলোৰে বাবে সমান সা-সুবিধা আৰু দ্বিতীয়টো হ'ল শিক্ষা আৰু সামাজিকভাৱে বঞ্চিতসকলৰ সমস্যা সমাধান কৰা। চৰকাৰী নিয়োগৰ ক্ষেত্ৰত আমাৰ এই সুবিধাজনক নীতি প্ৰাৰম্ভিক অৱস্থাত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি লোকৰ প্ৰতি সীমাৱদ্ধ আছিল। কিন্তু মণ্ডল আয়োগৰ প্ৰতিবেদন গ্ৰহণ কৰাৰ পাছত (১৯৯০ চনত) ভাৰত চৰকাৰে সেই সংৰক্ষণ ব্যৱস্থা অন্য জাননীকৃত পিছপৰা সম্প্ৰদায় শ্ৰেণীৰ লোকৰ বাবে সম্প্ৰসাৰিত কৰা হয়।

এই ইতিবাচক কাৰ্যৰ এটা সুবিধা হ'ল দলিত তথা পিছপৰা শ্ৰেণীৰ

লোকসকলৰ মাজত তেনে সা-সুবিধাসমূহ বিতৰণ কৰাৰ ক্ষেত্ৰত উন্নতি সাধন হোৱাটো। সাধাৰণতে দুখীয়া আৰু নিম্ন শ্ৰেণীৰ পিতৃ-মাতৃৰ ল'ৰা-ছোৱালীয়ে নিম্নখাপৰ চাকৰি পায় আৰু সেই অনুযায়ী তেওঁলোকৰ দৰমহা তথা উপাৰ্জনো কম। কিন্তু সকলো স্তৰতে চাকৰি সংৰক্ষণ কৰা ব্যৱস্থাটোৱে এইটো নিশ্চিত কৰে যে দলিত আৰু পিছপৰা শ্ৰেণীৰ পিতৃ-মাতৃৰ ল'ৰা-ছোৱালী আই এ এছ আৰু আই পি এছৰ দৰে সৰ্বভাৰতীয় সেৱাসমূহতো নিৰ্বাচিত হয়। অৱশ্যে এই সুবিধা এতিয়ালৈকে দুখীয়া আৰু নিম্ন শ্ৰেণীৰ সমগ্ৰ সম্প্ৰদায়লৈকে প্ৰসাৰিত হোৱা নাই।

সংবিধানে আগবঢ়োৱা ইতিবাচক কাৰ্যৰ আঁচনিত ৰাজ্যবোৰক সামাজিক আৰু শিক্ষাৰ দিশত পিছপৰা শ্ৰেণীৰ লোকসকলৰ কাৰণে কেৱল বিশেষ ব্যৱস্থা কৰিবলৈ অধিকাৰ দিয়া নাই, তদুপৰি অনুসূচিত জাতি আৰু জনজাতি লোকসকলৰ বাবেও দিছে; আৰু তেনেদৰে দিছে মহিলা তথা ল'ৰা-ছোৱালীৰ কাৰণেও। যোৱা সত্তৰ বছৰ কালছোৱাত এই সন্দৰ্ভত যথেষ্ট ব্যৱস্থা গ্ৰহণ কৰা হয়। এনে এটা পদক্ষেপ হ'ল থলুৱা সংস্থাবোৰত মহিলাৰ কাৰণে আসন সংৰক্ষণ কৰাটো। আৰু অধিক কৰাৰ আৱশ্যক।

আমি এনে এটা কালত জীৱন নিৰ্বাহ কৰিছোঁ— য'ত সংবিধানত অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা সম্প্ৰদায়ৰ লোকৰ ইতিবাচক কাৰ্যৰ বাবে ব্যৱস্থা কৰা হৈছে আৰু তেনে কাৰ্যত উৎসাহিত হৈ অন্য বহু সম্প্ৰদায়ৰ লোকে একেধৰণৰ অধিকাৰ পাবলৈ দাবী জনাইছে। এই ক্ষেত্ৰত কেৱল প্ৰতিবাদ কৰাই দেখা নাযায়, তদুপৰি কেতিয়াবা কেতিয়াবা কোনো কোনো সম্প্ৰদায়ে সংৰক্ষণ ব্যৱস্থাৰ দাবী কৰি ৰাজপথত হিংসাত্মক কাৰ্যৰে বিৰুদ্ধাচৰণ কৰে। সবলীকৰণৰ এই সকলোবোৰ সাংবিধানিক পদক্ষেপ এটা পৰিকাঠামোৰ ভিতৰত আছে। এতিয়া এইবোৰ পুনৰ পৰীক্ষা কৰি সংশোধনাত্মক ব্যৱস্থা গ্ৰহণ কৰাৰ সময় হৈছে— যাতে ইতিবাচক কাৰ্যৰ সুফল লাভ কৰিব লগা লোকসকলৰ ওচৰ পায়গৈ। এই ক্ষেত্ৰত মূল প্ৰশ্নৰ বিষয়টো হ'ল চৰকাৰী নিয়োগত সংৰক্ষণ ব্যৱস্থাই প্ৰকৃততে ভালৰ কাৰণে কিমান দূৰ পৰিৱৰ্তন সাধন কৰিছে। কেৱল সেইটোৱেই নহয়, বিশেষকৈ পিছপৰা শ্ৰেণী সীমামূৰীয়া বৰ্গৰ লোকসকলক কেনেকৈ ই উপকৃত কৰিব? কাৰণ এই শ্ৰেণীৰ ভাল অৱস্থাৰ পৰিয়ালৰ লোকেহে সংৰক্ষণৰ লাভখিনি একচেটিয়াভাৱে পায়।

**চতুৰ্থতে** ভাৰতীয় গণতন্ত্ৰৰ বহু ৰাজহুৱা প্ৰতিষ্ঠানে গণতান্ত্ৰিক কাম-কাজৰ প্ৰক্ৰিয়াসমূহ সবল কৰিছে; সেইবোৰ প্ৰশংসাৰ যোগ্য। তেনে প্ৰতিষ্ঠানসমূহৰ ভিতৰত আছে ন্যায়পালিকা, নিৰ্বাচন আয়োগ, গাণনিক পদ্ধতি, গণমাধ্যম আৰু বহু দশকজুৰি গঢ় লৈ উঠা অন্য কিছুমান ৰাজহুৱা সংস্থা। জনগণক যি তথ্য জনাৰ অধিকাৰ প্ৰদান কৰা হৈছে, সেয়া হ'ল অন্য এটা পদক্ষেপ— যিটোৱে তেওঁলোকক সবল কৰি তুলিছে।

এইবোৰ কওঁতে আন কেইটামান প্ৰশ্নও মনত উদয় হয়। সেয়া হ'ল ভাৰতীয় গণতন্ত্ৰৰ স্থায়িত্ব আৰু সফলতা ভাৰতীয় সংস্কৃতি আৰু ঐতিহ্যৰ চাৰিত্ৰিক তথা প্ৰাচীন মূল্যবোধক প্ৰতিফলিত কৰা এটা উপায়স্বৰূপ জানো? ভাৰতৰ স্বাধীন নেতাসকলৰ দক্ষতাই ইয়াৰ কাৰণ বুলি জানো ক'ব পাৰি? ভাৰতৰ যি সংবিধান আছে তাৰ বাবেই জানো সম্পূৰ্ণভাৱে ই গঢ় লৈ উঠিছে? ভাৰত চৰকাৰ তথা ৰাজ্য চৰকাৰসমূহৰ নেতাসকলৰ বাবেই জানো এই সফলতা? ইয়াৰ উত্তৰত এইটোৱেই ক'ম যে মোৰ দৃষ্টিত এই সকলোবোৰ কাৰক শক্তিয়ে ভাৰতীয় গণতন্ত্ৰৰ স্থায়িত্ব তথা সফলতা উভয়ৰ প্ৰতি বৰঙণি যোগাইছে। দৰাচলতে ক'বলৈ গ'লে সহস্ৰ যুগত যি সহিষ্ণুতা আৰু বিভিন্ন দৃষ্টিভংগীৰ সন্দৰ্ভত যি যথাবিহিত বিবেচনাই ঠাই পাইছিল তাৰ ওপৰত প্ৰতিষ্ঠিত সভ্যতাৰ সবল ৰূপটোৱে গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহ গঢ় হ'বৰ কাৰণে এটা উৰ্বৰ থলৰ যোগান ধৰে।

ৰাষ্ট্ৰসমূহৰ মাজত ভাৰতৰ উত্থান হ'ল ইয়াৰ গণতন্ত্ৰ তথা বৈচিত্ৰ্যৰ প্ৰতি এটা গুণানুকীৰ্তন। ইয়াৰ সফলতা আৰু ৰাজনৈতিক তথা অৰ্থনৈতিক স্বতন্ত্ৰতাৰ ওপৰত আধাৰিত। তথাপি ভাৰতে বহু দূৰ যাব লগা আছে।

**প্ৰত্যাহ্বান**

ভাৰতীয় ৰাজনৈতিক ক্ষেত্ৰখনে অৰ্থনৈতিক দিশটোৰ সন্দৰ্ভত বহু প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। সেই প্ৰত্যাহ্বানবোৰ ঘাইকৈ নিৰাপত্তা আৰু ন্যায় বিষয়ক; দৰিদ্ৰতা দূৰীকৰণ; নিয়োগ উদ্ৰেককৰণ; শিক্ষা আৰু স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত উন্নত ব্যৱস্থা সাধন; আৰু দুৰ্নীতি তথা ৰাজনৈতিক অপৰাধকৰণ কাৰ্য।

**নিৰাপত্তা আৰু ন্যায়**

ৰাজ্যৰ প্ৰধান দায়িত্ব হ'ল প্ৰতিজন নাগৰিকৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা প্ৰদান কৰা। কিন্তু ৰাজ্যবোৰে আইন-কানুন নমনা শক্তিসমূহৰপৰা ভীষণ ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। জম্মু আৰু কাশ্মীৰৰ জেহাদী সন্ত্ৰাসবাদ

তথা তাৰ তদৰ্থ অনুৰূপ প্ৰভাৱ ভাৰতৰ আন ঠাইবোৰলৈ বিস্তাৰিতকৰণ, উত্তৰ-পূবৰ বিদ্ৰোহী কাৰ্যকলাপ আৰু ভাৰতৰ ঘাই ভূমি খণ্ডত নক্সালবাদী আন্দোলনৰ ভেটি খৰতকীয়াকৈ বিস্তৃতি লাভ কৰা কাৰ্যই গণতান্ত্ৰিক প্ৰশাসন ব্যৱস্থাৰ প্ৰতি গুৰুতৰ প্ৰত্যাহ্বান আনি দিছে। সৌভাগ্যক্ৰমে জেহাদী সন্ত্ৰাসবাদৰ বিৰুদ্ধে এটা ৰাষ্ট্ৰীয় ঐক্যমত গঢ় লৈ উঠা দেখা গৈছে; আৰু সেয়ে এই সংহাৰী ৰূপৰ ভাবুকিক দৃঢ়ভাৱে দমন কৰাটো ৰাষ্ট্ৰৰ কৰ্তব্য হৈ পৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ বিদ্ৰোহী কাৰ্যকলাপ ঘাইকৈ এতিয়া নগালেণ্ড, মণিপুৰ আৰু অসমত সীমাবদ্ধ হৈ আছে। এইবোৰ গণতান্ত্ৰিকভাৱে নিৰ্বাচিত ৰাজ্য চৰকাৰসমূহে কেন্দ্ৰৰ পূৰ্ণ সহায়-সমৰ্থনৰে নিয়ন্ত্ৰণ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। ভাৰতৰ মধ্য খণ্ডত বিস্তৃতি লাভ কৰা নক্সালবাদী আন্দোলন গাঁৱৰ দুখীয়া আৰু থলুৱা জনজাতিসকলৰ মাজত জনপ্ৰিয়। নক্সালপন্থীয়ে মাওবাদী আদৰ্শক আঁকোৱালি লৈছে আৰু ই গণতান্ত্ৰিক শাসন তথা ভাৰতৰ সংবিধানক বিৰোধ কৰে। তেওঁলোকে হিংসাত্মক কাৰ্য আৰু ৰাজনৈতিক ক্ষমতা জোৰকৈ দখল কৰাৰ ওপৰত বিশ্বাস কৰে। অৱশ্যে এই নক্সালবাদীৰ ভাবুকি কাৰ্যক কিছুমান ঠাইত উপযুক্তভাৱে নিয়ন্ত্ৰণ কৰা হৈছে। তাৰ বাবে ৰাজ্যবিশেষে সুচিন্তিতভাৱে আৰু দৃঢ়তাৰে ব্যৱস্থা গ্ৰহণ কৰে। গতিকে এই সমস্যাটোৰ সন্দৰ্ভত ৰাজ্য আৰু কেন্দ্ৰৰ নেতৃত্বৰে পৰিচালিত দিহা-পৰামৰ্শ আৰু উপযুক্ত সহায়-সমৰ্থনৰে সমন্বিতভাৱে সমাধান কৰা প্ৰয়োজন।

ন্যায় ব্যৱস্থাত সুচল প্ৰৱেশ ঘটা বিষয়টোৱে এইটো সূচায় যে এজন নাগৰিকে তেওঁৰ অধিকাৰ আৰু দাবী মীমাংসা কৰিবৰ বাবে কোন স্থান বা মঞ্চত উপৰিষ্ট হ'ব লাগে সেইটো জানে। কিন্তু বাস্তৱত দেখা যায় যে বহু নাগৰিকেই তেওঁলোকৰ অধিকাৰ সম্বন্ধে নাজানে অথবা যুঁজ দিবলৈ সক্ষম হ'ব নোৱাৰে আৰু আনকি তেওঁলোকে ক'ত সহায় পাব সেই বিষয়েও নাজানে। এনে লোকসকলৰ বাবে আন এটা প্ৰত্যাহ্বানৰ বিষয় হ'ল ন্যায়িক কাম-কাজসমূহৰ জটিলতা। সময় খৰচ আৰু অৰ্থ ব্যয়ৰ কথাটোতো আছেই। উদাহৰণ স্বৰূপে ক'বলৈ গ'লে ২০১৬ বৰ্ষৰ শেষ ভাগত দেশখনৰ উচ্চ ন্যায়ালয় আৰু নিম্ন আদালতসমূহত ২৮ নিযুত গোচৰ বিচাৰ নকৰাকৈ পৰি আছিল। সেয়ে ন্যায়ৰ সুচল ব্যৱস্থা মজবুত কৰিবৰ কাৰণে পদ্ধতিগত সমাধান কৰা আৱশ্যক। ইয়াৰ লগতে অতি প্ৰয়োজনবোধ কৰা লোকসকলে তৎকালীন সহায় পাবৰ বাবে তদৰ্থ ব্যৱস্থা কৰা প্ৰয়োজন।

**দৰিদ্ৰতা দূৰীকৰণ**

যোৱা ৭০ বছৰ কালছোৱাত লাখ লাখ লোকক দৰিদ্ৰতা স্তৰৰপৰা ওপৰলৈ অনা হয় আৰু তেওঁলোকৰ বহুতেই মধ্যৱৰ্তী শ্ৰেণীত যোগদান কৰে। কিন্তু তথাপি দেশখনত ১.৩ বিলিয়ন লোকৰ ভিতৰত প্ৰায় ২০০ নিযুত দাৰিদ্ৰ্য সীমাৰেখাৰ তলত আছে। দাৰিদ্ৰ্য সীমাৰেখাৰ তলত অধিক লোক উত্তৰ আৰু পূবৰ ৰাজ্যসমূহত আছে। কিন্তু কিমান সংখ্যক তেনে দৰিদ্ৰ লোক আছে সেয়া সঠিকভাৱে জনা নাযায়। সেয়ে তেনে লোকক চিহ্নিত কৰাটো আৱশ্যক আৰু সেই সন্দৰ্ভত কম্পিউটাৰৰ জৰিয়তে এখন তালিকা যুগুতোৱা প্ৰয়োজন। তেতিয়াহে তেওঁলোকক পোনপটীয়াভাৱে অৰ্থনৈতিক সা-সুবিধাসমূহ প্ৰদান কৰা সম্ভৱ হ'ব। এই অৰ্থনৈতিক বিধি-ব্যৱস্থাই স্বাভাৱিকতেই ধৰ্ম, জাতি, ধনী-দুখীয়া সকলোকে সামৰি ল'ব আৰু গ্ৰাম্য তথা চহৰৰ এলেকাবোৰো বাদ পৰি নাযাব।

যদি ভাৰতে যুৱকসকলক গুণগত শিক্ষা আৰু দক্ষতা প্ৰদান কৰে, তেনেহ'লে গণতান্ত্ৰিক শাসন ব্যৱস্থা বহুত শক্তিশালী হৈ উঠিব আৰু সিয়েই বিকাশৰ ক্ষেত্ৰত গতি প্ৰদান কৰিব। এতিয়া যুৱকসকলে গ্ৰহণ কৰিব লগা নিজ পছন্দৰ পথ আছে। সেয়া বিশ্ব শ্ৰেণীৰ ইঞ্জিনীয়াৰিং কলেজসমূহত শিক্ষা গ্ৰহণ কৰা কিম্বা নক্সালবাদী শিবিৰ অথবা বিদ্ৰোহী গোটত যোগদান কৰাৰ কিম্বা অন্য পথ বাছি লোৱাৰ। পিছে তেনে শিবিৰ অথবা বিদ্ৰোহী গোটত যোগদান কৰাটো কাম্য নহয় আৰু সুচিন্তিত লোকে তেনে হোৱাটো কেতিয়াও নিবিচাৰে। গতিকে নক্সাল-বাদী পথ উপযুক্তভাৱে বন্ধ কৰিব লাগে আৰু অপৰাধীসকলক ন্যায় ব্যৱস্থাৰ মাজলৈ আনিব লাগে।

ভাৰতৰ গণতন্ত্ৰই এই গুৰুত্বপূৰ্ণ বিষয়বোৰ সমাধান কৰিবলৈ সক্ষম হ'ব পাৰিব জানো? সেই বিষয়বোৰৰ ভিতৰত আছে— সেৱা প্ৰদান পদ্ধতিৰ উপযুক্তভাৱে উন্নতি সাধন কৰা; নীতি তৈয়াৰ কৰা পদ্ধতিৰ ভিতৰত শোচনীয় আৰু সীমামূৰীয়া অৱস্থাত থকা লোকসকলক সামৰি লোৱা; আৰু সেইসকল লোকলৈ দক্ষতা অৰ্জনৰ ব্যৱস্থাৰ দিহা কৰা— যাতে তেওঁলোক বিপণন ব্যৱস্থাৰ হিতাধিকাৰী হ'ব পাৰে।

**নিয়োগ**

ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাৰ অৰ্থনৈতিক দিশটোৰ অতি প্ৰত্যাহ্বান-মূলক কাম হ'ল যুৱক-যুৱতীসকলৰ

কাৰণে লাভজনক নিয়োগ উদ্রেক কৰা। ভাৰতত কাম কৰিব পৰা বয়স-গোটৰ ৮০০ নিযুততকৈ অধিক লোক আছে; আৰু এই গোটৰ তৰুণসকলৰ বয়স ১৮-৩৫ বছৰৰ ভিতৰত। বিশ্বৰ ভিতৰত এয়া হ'ল বৃহত্তম সংখ্যা। প্ৰতিমাহে এক নিযুত তৰুণ-তৰুণী কাম কৰাৰ উপযুক্ত হয় আৰু সেই অনুযায়ী কৰ্ম শক্তিত সংযোজন ঘটে। খৰতকীয়াকৈ অৰ্থনৈতিক বিকাশ সাধন হোৱা সত্বেও চাকৰি পোৱাটো চাকৰি প্ৰত্যাশী বৰ্দ্ধিত গতিৰ সংখ্যাৰ সৈতে অটুট ৰাখিব পৰা নাই। এই বাস্তৱ সত্যক কোনো কোনো মতদাতাই "চাকৰিবিহীন বিকাশ" বুলি অভিহিত কৰে। এই পৰিস্থিতি উৎপাদন আৰু সেৱা খণ্ডত নতুন প্ৰযুক্তিৰ অন্তৰ্ভুক্তিক্ৰমে জটিল হৈ পৰিব। 'প্ৰযুক্তিগতভাৱে নিয়োগযোগ্য নোহোৱা' এটা বৃহৎসংখ্যক যুৱকে, বিশেষকৈ উত্তৰ আৰু পূব ভাগৰ ৰাজ্যসমূহত বহু সমস্যাৰ সৃষ্টি কৰিব।

বিকাশৰ এটা কাৰিকৰী দৃষ্টিভঙ্গীৰ পৰা এইটো ধাৰণা কৰা হয় যে জনগাঁথনিয়েই হ'ল ভাগ্য নিয়ন্তাকাৰী। কিন্তু ইয়াৰ তদৰ্থ ৰূপে সমৃদ্ধি সাধনত তেনেদৰে সংযোগ সাধন কৰিব নোৱাৰে যদিহে তৰুণ লোকসকলে শিক্ষা আৰু দক্ষতা অৰ্জন নকৰে আৰু নতুন চাকৰি সৃষ্টি কৰা নহয়। এই যুৱকসকলক গুণগত শিক্ষা আৰু দক্ষতাৰে সজ্জিত কৰিবলৈ আমি যদি অপাৰগ হওঁ, তেনেহ'লে ভাৰতৰ জনগাঁথনিৰ লভ্যাংশ ৰাজনৈতিকভাৱে সংগঠিত এখন সমাজৰ স্থায়িত্বৰ প্ৰতি এটা গুৰুতৰ ধৰণৰ প্ৰত্যাহ্বানৰ বিষয় হৈ পৰিব পাৰে।

**শিক্ষা আৰু স্বাস্থ্য**

যুৱকসকলক নিয়োগ প্ৰদান কৰাৰ উপৰি ল'ৰা-ছোৱালীলৈ গুণগত শিক্ষাৰ দিহা আৰু সকলোৰে বাবে স্বাস্থ্য ৰক্ষাৰ সা-সুবিধা যোগান ধৰিবৰ কাৰণে ভাৰতে খৰতকীয়াকৈ কাম কৰিব লাগিব। তদুপৰি ৰাজ্যই কাম কৰা লোক, বয়সস্থ, শিশু, ৰোগী আৰু দুখীয়া লোকসকলৰ বাবে স্বাস্থ্য ৰক্ষাৰ সা-সুবিধা ব্যৱস্থা কৰাৰ প্ৰতি বিশেষভাৱে মনোযোগ দিব লাগিব। স্বাস্থ্য আৰু শিক্ষাৰ ক্ষেত্ৰত যি ৰাজহুৱা ব্যয় কৰা হয়, সেয়া ভাল অৱস্থাৰ লোকসকলৰদ্বাৰা অধিকভাৱে ভোগ কৰা দেখা যায়। দুখীয়া লোকসকল বসবাস কৰা ঠাইবোৰত অৱস্থিত স্কুল আৰু স্বাস্থ্য কেন্দ্ৰবোৰ সততেই অচল হৈ পৰে আৰু গুণগত দিশৰপৰাও সেইবোৰৰ মান তেনেই নিম্নখাপৰ।

বহু অধ্যয়নে এইটো উদঙাই দেখুৱায় যে ভাৰতৰ ল'ৰা-ছোৱালীবোৰৰ আৱশ্যকীয় বুদ্ধিমত্তা আৰু সম্ভাৱনা আছে, কিন্তু তেওঁলোকৰ গুণগত প্ৰাথমিক আৰু মাধ্যমিক স্কুলৰ সুচল প্ৰৱেশ ঘটিব লাগিব। দুৰ্ভাগ্যবশতঃ প্ৰায়ভাগ চৰকাৰী স্কুলৰ কাম-কাজ উপযুক্তভাৱে নচলে। তাৰ ফলস্বৰূপে চৰকাৰী স্কুলসমূহৰ দহ বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ আধাভাগেই সাত বছৰীয়া ল'ৰা-ছোৱালীৰ কাৰণে অৰ্থ কৰা এটা ছেদ পঢ়িব নোৱাৰে। বহু শিক্ষক কামৰ প্ৰতি উপযুক্ত নহয়। পাঠ্যক্ৰমবোৰ অতি অভিলাষী। পদ্ধতিটোক অধিক মেধাকেন্দ্ৰিক আৰু উত্তৰদায়ী কৰি তুলিবৰ বাবে শিক্ষকসকলক তেওঁলোকৰ প্ৰতিভালৈ চাইহে মকৰল কৰা উচিত, ৰাজনৈতিক সম্পৰ্কৰদ্বাৰা নহয়। বেচৰকাৰী স্কুলসমূহৰ অৱস্থা কিছু ভাল, কিন্তু তেনে স্কুলবোৰ বৰ খৰচী আৰু গ্ৰাম্য অঞ্চলত অৱস্থান নাই।

এইটো স্মৰ্তব্য যে শতিকাৰ পিছত শতিকাজুৰি ভাৰতৰ জ্ঞান আহৰণৰ ক্ষেত্ৰত অতি উত্তম কেন্দ্ৰ স্কুল আৰু উচ্চ শিক্ষা স্তৰ উভয়তে আছিল। এইটোৱে ভাৰতৰ সভ্যতাক বিশ্বৰ ভিতৰত এটা অন্যতম গৌৰৱোজ্জ্বল কৰি তোলাত প্ৰভূতভাৱে বৰঙণি যোগাইছিল। এতিয়া দেশখনৰ উচ্চ শিক্ষা আহৰণ কেন্দ্ৰবোৰ শক্তিশালী কৰা অতি প্ৰয়োজন হৈ পৰিছে— যাৰদ্বাৰাই মানৱ জ্ঞানৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহত নতুন সৃষ্টিৰ বাবে ব্যৱস্থা কৰিব পৰা যায়।

স্বাস্থ্য ৰক্ষা ব্যৱস্থাসমূহো দেশখনত ভাল অৱস্থাত নাই। বহু ৰাজ্যত ই অধিক শোচনীয়— বিশেষকৈ গ্ৰামাঞ্চলসমূহত। কিন্তু ইয়াতেই অৰ্থাৎ গ্ৰাম্য অঞ্চলবোৰত সত্তৰ শতাংশ জনসংখ্যাই জীৱন নিৰ্বাহ কৰে। অৱশ্যে এইটো সত্য যে চহৰবোৰত ভালেমান বেচৰকাৰী চিকিৎসালয় আৰু নিদানিক (ক্লিনিক) আছে; আৰু সেইবোৰত ভাল চিকিৎসক আছে তথা ভাল সেৱাও লাভ কৰা হয়। গ্ৰাম্য অঞ্চলবোৰৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰবোৰ উন্নত কৰা প্ৰয়োজন। নিদানিক নিৰ্মাণ কৰি তেনে কৰিব পৰা যায় আৰু স্বাস্থ্যৰ ক্ষেত্ৰত তথ্য প্ৰযুক্তি পদ্ধতিৰ বিকাশ সাধি আধুনিকীকৰণ কৰিব পাৰি। দক্ষ চিকিৎসা স্নাতক আৰু নাৰ্ছৰ আৱশ্যকতা দেশখনত বৃদ্ধি পাইছে আৰু তাক নিশ্চয়কৈ জৰুৰীভাৱে সমাধান কৰিব লাগিব।

সৌভাগ্যৰ কথা যে ভাৰত চৰকাৰে নতুন শিক্ষা নীতি আৰু স্বাস্থ্য নীতি প্ৰস্তুত কৰিবলৈ পদক্ষেপ হাতত লৈছে। সেই নীতিবোৰ সাম্প্ৰতিক কালৰ গুৰুত্বলৈ চাই উপযুক্তভাৱে গ্ৰহণ কৰা দৰকাৰ আৰু তেনেদৰে তাৰ ৰূপায়ণ কাৰ্যও সমাপন কৰা উচিত। ৰাজ্যবোৰৰ বৰ্তমান অৱস্থালৈ চাই এয়া এটা প্ৰত্যাহ্বানৰ বিষয়, কিন্তু তাক সুচিন্তিতভাৱে কাৰ্যত পৰিণত কৰিবলৈ চোৱা উচিত। এইক্ষেত্ৰত এটা কল্পনা-

প্ৰসূত আৰু বাস্তৱৰ প্ৰাসঙ্গিকতাসহ এটা নিৰীক্ষণ ব্যৱস্থাই আগবাঢ়ি যোৱাত বেচ সহায়ক হ'ব— যাৰদ্বাৰাই জনগণলৈ গুণমান সেৱা প্ৰদান কৰাৰ নিশ্চিত কৰিব পাৰি।

**ৰাজনীতি সম্পৰ্কিত দুৰ্নীতি আৰু অপৰাধকৰণ**

ৰাজনৈতিক প্ৰক্ৰিয়াত ঠাই পোৱা অপৰাধীকৰণ মানসিকতা আৰু ৰাজনীতিবিদ, অসামৰিক চাকৰিয়াল তথা ব্যৱসায়ী গোষ্ঠীয়ে ৰাজহুৱা নীতি প্ৰস্তুত কৰি প্ৰশাসনৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলায়। ভাৰতৰ গণতান্ত্ৰিক শাসন ব্যৱস্থাত অধিকভাৱে ভাবুকি আহে অপৰাধী আৰু বাহুবলী লোকসকলৰপৰা। কাৰণ এইসকল লোকৰ মাজৰেই যথেষ্ট সংখ্যক ৰাজ্যৰ বিধানসভা আৰু ৰাষ্ট্ৰীয় সংসদত প্ৰৱেশ কৰে। এনে এটা ৰাজনৈতিক সংস্কৃতিয়ে গা কৰি উঠিবলৈ লোৱা যেন লাগে য'ত বিধানসভা আৰু সংসদৰ সদস্য পদক ব্যক্তিগত লাভ তথা ধন অৰ্জনৰ বাবে এটা উপায় ৰূপে চোৱা হয়। সৰল জীৱন যাপন কৰা আৰু ৰাইজৰ বাবে নিস্বাৰ্থ সেৱা আগবঢ়োৱাৰ গান্ধীবাদী মূল্যবোধ ক্ষিপ্ৰভাৱে নোহোৱা হ'বলৈ ধৰিছে। এসময়ত যি আইনৰ শাসন আছিল সেয়া যেন ক্ৰমান্বয়ে নিষ্ক্ৰিয় হ'বলৈ আৰু তাৰ ঠাইত মানুহে নিজৰ খেয়াল-খুচিৰে প্ৰভাৱ বিস্তাৰ কৰিবলৈ লৈছে। নিৰ্বাচন আয়োগ আৰু সংসদ এই সমস্যাটোক লৈ বেচ চিন্তিত। সেয়ে এটা অধিক কটকটীয়া ন্যায়িক প্ৰশাসনৰ ব্যৱস্থা গ্ৰহণ কৰাটো সমীচীন আৰু জৰুৰীভাৱে তাক কামত লগোৱা উচিত।

ভাৰতত উচ্চ স্তৰত হোৱা দুৰ্নীতিক প্ৰশাসনৰ গুণগত দিশৰ উন্নতি সাধন কৰাত এটা বৃহৎ বাধা তথা সৰ্বাত্মক বিকাশৰ ক্ষেত্ৰতো এটা অন্তৰায় ৰূপে পৰিলক্ষিত হৈছে। যি ক্ষেত্ৰত মানৱীয় লালসা স্পষ্টভাৱে দুৰ্নীতিৰ এটা চালিকা শক্তি, তেনে স্থলত দোষীক শাস্তি প্ৰদান কৰিবৰ বাবে নিষ্ক্ৰিয় গাঁথনিগত প্ৰতিবিধান আৰু শোচনীয় বলবৎকৰণ পদ্ধতিয়ে দেশখনত বৰ্দ্ধিতভাৱে তেনে ঘটনা বৃদ্ধি হোৱাত বৰঙণি যোগাইছে। প্ৰভুত্ব তথা নিয়ন্ত্ৰণৰ জটিল আৰু স্বচ্ছতাবিহীন পদ্ধতি, সেৱা প্ৰদানকাৰী ৰূপে চৰকাৰৰ একচেটিয়া আধিপত্য, অনুপযুক্ত ন্যায়িক পৰিগাঁথনি, তথ্যৰ নাটনি আৰু নাগৰিক অধিকাৰৰ প্ৰতি দুৰ্বল ভাবধাৰা— এই সকলোবোৰে ভাৰতত দুৰ্নীতিক উদগনি জনায়। সেয়ে আমি এটা উপযুক্ত পদ্ধতি অৱলম্বন কৰিব লাগিব— যাৰদ্বাৰাই দোষীক শীঘ্ৰে শাস্তি প্ৰদান কৰিব পাৰে আৰু সৎ নাগৰিকসকলৰ খ্যাতি আৰু সন্মান ৰক্ষা কৰিব পাৰে। তেনে নাগৰিকসকলৰ ভিতৰত আছে অসামৰিক চাকৰিয়াল, ব্যৱসায়ত লাগি থকা উদ্যোগী আৰু ৰাজনীতিবিদসকল— যাৰ সমাজৰ প্ৰতি বৰঙণি অনস্বীকাৰ্য।

**সম্ভাৱনা আৰু ভৱিষ্যতৰ দৃশ্যপট**

ভাৰতে আগন্তুক দশকবোৰত নিজকে অৰ্থনৈতিক, সামৰিক আৰু সাংস্কৃতিক ক্ষেত্ৰত শক্তিশালী কৰি তোলাৰ যথেষ্ট সম্ভাৱনা আছে। ভাৰতৰ উত্থান মানৱীয় কাম-কাজৰ প্ৰতি ক্ষেত্ৰতে পৰিলক্ষিত হোৱা দেখা গৈছে। সেয়া ক্ৰীড়া জগতৰপৰা আৰম্ভ কৰি মহাকাশৰ কথাই কওক, কম্পিউটাৰ ছফ্‌টৱেৰৰপৰা ফাৰ্মাচিউটিকেল, যোগাভ্যাসৰপৰা ভিন ভিন নৃত্যশৈলীৰ কথাই কওক, সকলোতে এনে গতিধাৰা স্পষ্ট। অৱশ্যে অগ্ৰগতি আৰু বিকাশৰ পথ ভাৰতৰ চুবুৰীয়া দেশবোৰৰ প্ৰতিবেশীত্ব আৰু নিজ দেশৰ ভিতৰতে উদ্ভৱ হোৱা সামাজিক প্ৰত্যাহ্বানলৈ লক্ষ্য কৰি সহজ নহয়। আমি বৈদেশিক নীতিৰ দুঃসাহসিক কাৰ্যক আশ্ৰয় দিব নোৱাৰো অথবা অসুবিধাগ্ৰস্ততাত জীৱন নিৰ্বাহ কৰা গোটসমূহৰ দাবীকো অৱজ্ঞা কৰিব নোৱাৰোঁ। তেনে গোটৰ লোকসকলৰ প্ৰতি শিক্ষা আৰু স্বাস্থ্য ৰক্ষাৰ অধিক সা-সুবিধা যোগান ধৰাৰ প্ৰয়োজন আছে। এনে কামবোৰৰ লগে লগে আমাৰ সামৰিক আৰু কৌশলাত্মক দিশৰ সামৰ্থ্যকো শক্তিশালী কৰিব লাগিব।

ইতিহাস বহু বিষয়ৰ ক্ষেত্ৰত খৰতকীয়াকৈ গতি কৰিছে। তেনেবোৰ বিষয়ৰ ভিতৰত উল্লেখযোগ্য হ'ল— জনগাঁথনি, কৃষ্টি-সংস্কৃতি, নগৰীকৰণ আৰু মানৱীয় সজাগতাৰ সম্প্ৰসাৰণ। এই সকলোবোৰ বিষয়ৰ পৰিৱৰ্তনক্ৰমে যি আশা-আকাংক্ষা বৃদ্ধি পাব সেইটোৱে অদৃশ্যমূলক প্ৰত্যাহ্বানো সৃষ্টি কৰিব। সেইবাবে ভাৰতীয় নেতৃত্বই অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু বহিঃ ক্ষেত্ৰত কি নীতি গ্ৰহণ কৰা আৱশ্যক হ'ব সেই বিষয়ে বাছনি কৰাৰ প্ৰয়োজন আছে— যাতে আমি সফলভাৱে প্ৰযুক্তিগত নব্য ধাৰণা আৰু সৃষ্টিৰ বাবে আমাৰ শক্তি আৰু সামৰ্থ্যক সামঞ্জস্য ৰাখি আগুৱাই যাব পাৰোঁ। সমস্যা সমাধানৰ কৌশল আৰু ৰাজনৈতিক লক্ষ্যও সাধন কৰিব পাৰোঁ। ভাৰতৰ ৰাজনীতি ক্ষেত্ৰখনত প্ৰতিষ্ঠিত ব্যক্তিসকল, গণ মাধ্যম, শিক্ষাবিদ আৰু উপদেশ প্ৰদান কৰা বিশেষজ্ঞ গোটৰ ক্ষমতা আছে বিষয়সমূহ পুনৰ বিশ্লেষণ কৰাৰ আৰু ৰাজহুৱা বিতৰ্কক নতুনকৈ সজাই তোলাৰ।

মহাত্মা গান্ধীয়ে আমি সকলোৱে কাম কৰাটো বিচাৰিছিল। তেওঁ এনেদৰে কৈছিল, "আমি এখন ভাৰতৰ কাৰণে

কাম কৰিব লাগিব য'ত দুখীয়াতকৈ অতি দুখীয়া লোকসকলে অনুভৱ কৰিব যে এইখন তেওঁলোকৰেই দেশ আৰু এই নিৰ্মিত দেশখনত তেওঁলোকৰো হক ক'ব লগা অধিকাৰ আছে; এনে এখন ভাৰত য'ত কোনো উচ্চ আৰু নীচ শ্ৰেণীৰ লোক নাথাকিব; এনে এখন ভাৰত য'ত সকলো সম্প্ৰদায়ৰ লোকে সম্পূৰ্ণ ৰূপে সম্প্ৰীতিৰ মাজত বাস কৰিব।"

গণতন্ত্ৰই বৰ্দ্ধিতভাৱে উন্নয়ন আৰু প্ৰশাসনৰ নতুন বৈশিষ্ট্য দাঙি ধৰিছে। বিগত সাতটা দশকৰ কালছোৱাত গণতন্ত্ৰৰ বহু পৰিৱৰ্তন হৈছে। নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে অনুষ্ঠিত নিৰ্বাচনবোৰে সুপ্ৰশাসনৰ পিনে গতি কৰে আৰু বিকাশ কাৰ্যসূচীবোৰত বিভিন্ন অংশীদাৰসকলৰ অংশগ্ৰহণ কৰাৰ পথ প্ৰশস্ত কৰে।

এখন সৰ্বাত্মক ৰূপৰ সমাজ গঢ়ি তুলিবলৈ ধৈৰ্য আৰু অধ্যৱসায়ৰ প্ৰয়োজন হয়। অধিক উৎপাদনমুখী কৰি তুলিবলৈ হ'লে সমাজৰ সীমামূৰীয়া অৱস্থাত জীৱন যাপন কৰা লোকসকলক সবলীকৰণ কৰাটো হ'ল গুৰুত্বপূৰ্ণ কাম। এই দিশত কাৰ্য সাধন কৰিবলৈ কিছুমান বিষয়ত খৰখেদাকৈ নতুনত্ব প্ৰদান কৰাৰ প্ৰয়োজন জানো আছে? কাৰণ আমাৰ শিক্ষা, স্বাস্থ্য ৰক্ষা ব্যৱস্থা আদি আছেই। মাত্ৰ আৱশ্যক সেইবোৰক উপযুক্তভাৱে ৰূপায়ণ কৰা। তেনেদৰে চহৰ পৰিকল্পনা, ৰাজহুৱা পৰিবহণ, গৃহ নিৰ্মাণ আদি কামবোৰৰ প্ৰতিও অতি নিষ্ঠাৰে মনোযোগ দিয়া উচিত। আমি যেতিয়া চকাটো পুনৰ আৱিষ্কাৰ কৰিবলগা নহয়, তেনেস্থলত নতুন প্ৰযুক্তিক এনেদৰে বিকাশ কৰা উচিত— যিটোৱে ভাৰতীয় পৰিৱেশ আৰু স্থিতিৰ সৈতে খাপ খাই যাব পাৰে।

শেহতীয়াকৈ ভাৰতে নতুনকৈ পৰিৱৰ্তন সাধন কৰা উদাহৰণ বহুত আছে। তাৰ ভিতৰত কিছুমান ক্ষেত্ৰ হ'ল— মহাকাশ, কম্পিউটাৰ ছফ্টৱেৰ, অ'টোম'বাইল সা-সামগ্ৰী, নতুন ঔষধ-পাতি আৰু স্বাস্থ্য ৰক্ষাৰ সা-সুবিধাসমূহ। কিছুমান ক্ষেত্ৰৰ পৰিৱৰ্তন বেচ উল্লেখযোগ্য বিষয়। উদাহৰণ স্বৰূপে ভাৰতীয় মহাকাশ গৱেষণা সংগঠনে সমাপন কৰা কাৰ্য গোলকীয় মানৰ। ভাৰতৰ চহৰ আৰু গাঁওবোৰত ইণ্টাৰনেটৰ সা-সুবিধা যেনেদৰে বৃদ্ধি পাইছে সেয়া হ'ল প্ৰগতিৰ আন এটা মাইলৰ খুঁটি।

ৰাষ্ট্ৰ হিচাপে আৰু সভ্যতাই বিৰাজ কৰা দেশৰূপে আমি সিন্ধু উপত্যকা সভ্যতাৰ দিনৰপৰা আৰম্ভ কৰি বহুত নতুন সৃষ্টিৰে ইতিহাস ৰচিছোঁ। ঔষধ-পাতিৰ নতুন সমাহাৰ, যোগাভ্যাস আৰু প্ৰাকৃতিক চিকিৎসা সেই সভ্যতাৰেই আনুক্ৰমিক পৰিৱৰ্তনৰ দিশবিশেষ। জ্ঞান আৰু জীৱন দৰ্শনৰ প্ৰতি থকা অনুসন্ধিৎসু মন আৰু সূত্ৰসমূহ বেচ জনাজাত। সৌভাগ্যৰ কথা যে এই বৈশিষ্ট্য আৰু গুণাৱলীৰ আজিৰ কম্পিউটাৰ যুগতো প্ৰাসঙ্গিকতা আছে। কাৰণ সেইবোৰক ভেটি কৰিয়েই আমাৰ জ্ঞানপুষ্ট হৈ উঠিছে আৰু পাৰদৰ্শিতা লাভ কৰাতো বৰঙণি যোগাইছে বুলি ক'লেও অত্যুক্তি কৰা নহয়।

ন ন পৰিৱৰ্তন সাধন কাৰ্য চৰকাৰ, নাগৰিক সমাজ আৰু বজাৰত ঠাই পাইছে। সামাজিক আৰু ৰাজনৈতিক প্ৰক্ৰিয়াৰ বৰ্দ্ধিতভাৱে আন্তঃসংযোজন ঘটিছে— যাৰদ্বাৰাই গ্ৰামাঞ্চলত আধিপত্য বিস্তাৰ কৰি থকা চহকী লোকসকলৰ চৰিত্ৰৰ পৰিৱৰ্তন হৈছে। বিকাশ আৰু ধৰ্মনিৰপেক্ষতাবাদ হাতত ধৰাধৰি কৰি যাব লাগিব। অন্য এজন লোকৰ দৃষ্টিভংগী আৰু বিশ্বাসৰ প্ৰতি সন্মান জনোৱাটো ভাৰতৰ উত্তৰাধিকাৰীৰ এটা অনবদ্য অঙ্গ। এয়ে হ'ল সেই সভ্যতা— যাক মই 'বহুধা' দৃষ্টিভংগী বুলি কওঁ আৰু ইয়েই ভাৰতক ৰাষ্ট্ৰপুঞ্জৰ মাজত উচ্চশিৰে থিয় হ'বলৈ বল দিছে আৰু ইয়েই ভাৰতক বিশ্বৰ সকলোবোৰ বৃহৎ ধৰ্মৰ গৃহ হৈ থাকিবলৈ সুবিধা প্ৰদান কৰিছে।

ভাৰতত যি ধৰণ-কৰণ আৰু আচৰণে প্ৰতিষ্ঠা লাভ কৰিছে তাৰ প্ৰতি বিশ্বই ভাৰতক সন্মানৰ চকুৰে চায়; কাৰণ সেই পৰিৱেশৰ মাজত আমি এনে এখন সমাজক আঁকোৱালি লওঁ— য'ত ভিন ভিন জাতি, ধৰ্ম আৰু ৰাজনৈতিক বিশ্বাসৰে একেলগে শান্তিৰে জীৱন কটাওঁ। সেই বাবে এনে অভিজ্ঞতাই আমাক সংখ্যালঘু আৰু সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকৰ প্ৰতি অধিক সচেতন কৰি তোলা উচিত। আমি নিশ্চয়ে উপলব্ধি কৰিব লাগিব যে কেৱল এক গণতান্ত্ৰিক আৰু ধৰ্মনিৰপেক্ষ ভাৰতেহে আমাৰ নিজ লোকসকলৰ আস্থা অটুট ৰাখিব পাৰিব আৰু বিশ্বৰো ধাৰণা গাঢ় কৰি তুলিব।

এটা সভ্যতাৰ স্বাস্থ্য আৰু শক্তিৰ দিশটো বিচাৰ কৰিব পাৰে ৰীতি-নীতি, অভ্যাস, মতামত আৰু বিশ্বাসৰ ক্ষেত্ৰত আহি পৰা প্ৰত্যাহ্বানৰ সন্মুখত থিয় দিব পৰা ক্ষমতাৰদ্বাৰা আৰু যি ৰীতি-নীতি তথা বিশ্বাসে অগ্ৰগতিৰ পথ দমাই ৰাখে আৰু বিভাজন সৃষ্টি কৰে তাক বৰ্জন কৰাৰ ক্ষমতাৰ ওপৰত। ভাৰতীয় সভ্যতাই সময়ে সময়ে নিজৰ স্থিতিস্থাপকতা প্ৰদৰ্শন কৰিছে। সেয়ে মোৰ বিশ্বাস যে যেতিয়ালৈকে ভাৰতীয় সমাজ আৰু প্ৰশাসন ব্যৱস্থাই সাহিত্য, কলা, বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত সৃষ্টিশীল মনক উৎসাহিত কৰিব আৰু সৰ্বাত্মক বিকাশ তথা ন্যায়ৰ প্ৰতি

**(৫২ পৃষ্ঠাত চাওক)**

# স্মাৰ্ট মহানগৰত দীনসকলৰ আবাসন

**উষা পি ৰঘুপতি***

'স্মাৰ্ট ছিটি' নগৰীয়া খণ্ডৰ দ্ৰুত বিকাশৰ অন্যতম আঁচনি। এই আঁচনি বিশ্বৰ উন্নত দেশসমূহে ইতিমধ্যেই সম্পূৰ্ণ কৰিছে। সেই ফালৰ-পৰা 'স্মাৰ্ট চিটি অভিযান' আৰম্ভ কৰাৰ লগে লগে আমাৰ দেশত উন্নত দেশৰ শাৰী পূৰণ কৰাৰ বাবে প্ৰায় সাজু হৈ উঠিল। এটা কথাত ভাৰতৰ এয়া এটা বৃহৎ জাঁপ। এই অভিযানৰ প্ৰথম পৰ্যায় হিচাপে চৰকাৰে ইতিমধ্যে দুখন আঁচনিৰ শুভাৰম্ভ কৰিছেই। ক'বলৈ গ'লে আৰম্ভ হোৱা 'অটল মিছন ফৰ ৰিজুভেনেচন' এণ্ড 'আৰবান ট্ৰেন্সফৰ্মেচন' (AMRUT) আৰু 'সকলোৰে বাবে গৃহ' শীৰ্ষক আঁচনি দুখন ভাৰতীয় নগৰাঞ্চলৰ প্ৰয়োজনীয় উন্নত মানৰ সেৱা, প্ৰশাসন আৰু বাসস্থানৰ ক্ষেত্ৰত অন্যতম গুৰুত্বপূৰ্ণ পদক্ষেপ।

২০১১ চনৰ ভাৰতীয় লোকপিয়ল মতে দেশৰ ৩৭৭ নিযুত লোক নগৰাঞ্চলৰ বাসিন্দা। এটা সমীক্ষা মতে অহা দুই দশকত এই সংখ্যা ৬০০ নিযুত হোৱাৰ সম্ভাৱনা আছে। ২০১১ চনৰ লোক গণনাই দেখুওৱা মতে নগৰাঞ্চলৰ প্ৰায় ১.৩৭ কোটি (১৭.৪%) লোকে বস্তি অঞ্চলত বসবাস কৰে। ২০১২ চনত কাৰিকৰী গোট এটাই চলোৱা এটা সমীক্ষা অনুযায়ী ১৮.৭৮ নিযুত গোটৰ ৯৬ শতাংশই আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ (৫৬%) আৰু নিম্ন আয়ৰ অন্তৰ্গত। উক্ত দুই গোটেই এতিয়া চৰকাৰৰ 'সকলোৰে বাবে গৃহ' আঁচনিৰ মূল লক্ষ্য। প্ৰথম শ্ৰেণীৰ চহৰ (১,০০,০০০ৰো অধিক জনসংখ্যাৰ) বোৰেই এতিয়া প্ৰব্ৰজন-কাৰীসকলৰ আকৰ্ষণীয় গন্তব্য। এনেদৰে চহৰলৈ প্ৰব্ৰজন কৰাসকলৰ সুচল বাসগৃহ একোটা আহৰণৰ সামৰ্থ্য নথকা বাবেই বস্তি অঞ্চলতেই বসতি স্থাপন কৰিবলৈ বাধ্য হয়। এই বস্তি অঞ্চল-সমূহত মানুহৰ জীৱন ধাৰণৰ প্ৰাথমিক মৌলিক সা-সুবিধাসমূহৰ উপলব্ধতাৰ অভাৱ। সেয়ে আমাৰ মনলৈ অহা প্ৰথমটো প্ৰশ্ন হ'ল— স্মাৰ্ট ছিটিৰ আঁচনি গ্ৰহণ কৰাৰ পৰত আমি নগৰাঞ্চলৰ এনে সমস্যাসমূহৰ সমাধানৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছোঁ?

স্মাৰ্ট ছিটি অভিযান আঁচনিৰ নিৰ্দেশনাত উল্লেখ কৰা হৈছে— জনসাধাৰণক জীৱনৰ প্ৰাথমিক প্ৰয়োজন-সমূহ পূৰণ কৰিব পৰাকৈ স্বচ্ছ আৰু বহনক্ষম পৰিৱেশ সম্পন্ন উন্নতমানৰ জীৱন একোটা দিব পৰাটোৱেই এই আঁচনিৰ মূল উদ্দেশ্য। 'বহনক্ষম আৰু সংহত বিকাশ' স্মাৰ্ট চিটিৰ যি উদ্দেশ্য সি দেশৰ অন্যান্য নগৰ-চহৰসমূহৰো অনুপ্ৰেৰণামূলক আৰ্হি।

একোটা অঞ্চলভিত্তিক আঁচনি যাক কোৱা হয় Area Based Plan (ABP) আৰু চহৰৰ উপকণ্ঠীয় সংহত আঁচনি Pan City Plan (PAP)য়েই 'স্মাৰ্ট ছিটিৰ পৰিকল্পনা'! আৰ্হি, আন্তঃগাঁথনি, চলাচল, পৰিৱেশ ইত্যাদিৰ উন্নয়নেৰে চহৰৰ ভিতৰতে এটা বিশেষ অঞ্চল বাছি লৈ তাৰ সংহত বিকাশ সাধনেই এ বী পীৰ মূল লক্ষ্য। আনহাতে চহৰৰ প্ৰশাসন/পৰিচালনা বিশেষকৈ তৎপৰ বা স্মাৰ্ট প্ৰযুক্তিৰ জৰিয়তে সকলো সমাধা কৰিব পৰাতেই পান ছিটি প্লেনৰ লক্ষ্য। সি যি কি নহওক, 'স্মাৰ্ট ছিটি অভিযান'ত বাসস্থানৰ বিষয়টোক বিশেষ গুৰুত্ব দিয়া হোৱা নাই। আনকি এ এম আৰ ইউ টী (AMRUT)তো বিষয়টোক অন্যতম বিশেষ বিষয় হিচাপে লোৱা হোৱা নাছিল, যদিও বাসস্থানৰ বিষয়টো এ বী পীৰ এটা প্ৰধান বিষয় হ'ব লাগিছিল। দৰিদ্ৰসকলৰ বাবে ক্ৰয়সাধ্য বাসগৃহৰ বিষয়টো এ এম আৰ ইউ টী (AMRUT)ৰ এটা মূল ভিত্তি। স্মাৰ্ট ছিটি অভিযান আৰু এ এম আৰ ইউ টী (AMRUT) উভয় আঁচনিৰেই 'দুৰ্বল শ্ৰেণীৰ বাবে গৃহ' সমূহীয়া লক্ষ্য হোৱা উচিত বুলি আশা কৰা যায়।

২০১৫ চনত 'প্ৰধান মন্ত্ৰী আবাস যোজনা' (PMAY) অথবা 'সকলোৰে বাবে গৃহ'ৰ শুভাৰম্ভ কৰা হয় আৰু ২০২২ চনত এই আঁচনি সম্পূৰ্ণ হোৱাৰ কথা। এই আঁচনিৰ অধীনত ধনৰ যোগান কেন্দ্ৰীয় চৰকাৰৰ আৰু সেই ধন ৰাজ্যৰ প্ৰকল্প ৰূপায়ণ সংস্থা তথা নগৰীয়া স্থানীয় নিকায়ৰদ্বাৰা আহিব লাগিব।

প্ৰধান মন্ত্ৰী আবাস যোজনা আঁচনিয়ে পৰ্যায়ক্ৰমে দেশৰ ৪০৪১ খন নগৰক সামৰি ল'ব আৰু ইয়াৰ প্ৰাথমিক

***লেখিকা উষা পি ৰঘুপতি নেশ্বনেল ইন্সটিটিউট অৱ আৰ্বান এফেয়েৰছ আৰু আৰ্বান প্লেনাৰৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা**

লক্ষ্য হ'ব ৫০০ খন প্ৰথম শ্ৰেণীৰ চহৰ। প্ৰধান মন্ত্ৰী আবাস যোজনা আঁচনিৰ অধীনত ২০ নিযুত বাসগৃহ নিৰ্মাণ কৰা হ'ব। এই আঁচনিৰ ৰূপায়ণৰ জৰিয়তে 'সকলোৰে বাবে গৃহ' লক্ষ্য পূৰণ হৈ উঠিব। ইয়াৰ বাবে প্ৰয়োজনীয় সকলো ধৰণৰ আধুনিক আৰু সেউজ প্ৰযুক্তি আৰু নিৰ্মাণ সামগ্ৰীৰ যোগানৰ সুবিধা প্ৰদানত চৰকাৰ আগ্ৰহী।

**দৰিদ্ৰসকলৰ বাবে আবাস**

অঞ্চলভিত্তিক উন্নয়ন আৰু পুনৰ্বাসনৰ ক্ষেত্ৰত বস্তি অঞ্চলবোৰক স্মাৰ্ট চিটি প্লেন (SCP)ৰ ভিতৰত সামৰি লোৱা হ'ব নে নাই সেইটো সম্পূৰ্ণভাৱে নিৰ্ভৰ কৰিব চহৰসমূহৰ ওপৰত। বস্তি অঞ্চলৰ উন্নয়ন ইতিমধ্যে থকা বস্তি অঞ্চলৰ পুনৰ্বাসন, নিম্ন আয়ৰ আৰু আৰ্থিকভাৱে দুৰ্বলসকলৰ বাবে সহজলভ্য বাসগৃহ অথবা ভাৰাঘৰ ইত্যাদিৰ প্ৰকল্প ৰূপায়ণ কাৰ্যসূচী স্মাৰ্ট ছিটি পৰিকল্পনাৰ অন্তৰ্ভুক্ত কৰা হৈছে। অৱশ্যে আটাইবোৰ স্মাৰ্ট ছিটি প্লেনৰ অন্তৰ্গত নে অঞ্চলভিত্তিক উন্নয়নৰ অধীনত সংহত আবাসিক অঞ্চল অথবা বস্তি অঞ্চলৰ পুনৰ উন্নয়নৰ কাৰ্যসূচী থাকিবই লাগিব তেনে কোনো ধৰা-বন্ধা নিয়ম নাই। ৬০টা স্মাৰ্ট ছিটি পৰিকল্পনাৰ ১৪টাতেই অঞ্চলভিত্তিক উন্নয়নৰ অন্তৰ্গত আবাসিক প্ৰকল্পৰ উল্লেখ নাই। উদাহৰণ স্বৰূপে আহমেদাবাদ, ভুৱনেশ্বৰ আৰু ধৰমশালাত স্মাৰ্ট ছিটি পৰিকল্পনাত অঞ্চলভিত্তিক উন্নয়নৰ অন্তৰ্গত সংহত আবাসিক প্ৰকল্পৰ আঁচনি ধাৰ্য কৰা আছে, কিন্তু কানপুৰ, গোৱালিয়ৰ আৰু লুধিয়ানাত তেনে কোনো অগ্ৰাধিকাৰভিত্তিক আবাসিক প্ৰকল্পৰ আঁচনি উল্লেখ নাই।

অঞ্চলভিত্তিক উন্নয়ন আঁচনিৰ অন্তৰ্গত প্ৰস্তাৱিত সংহত আবাসিক প্ৰকল্পৰ উল্লেখ কৰা হ'ল—

(১) ২০১৭-১৮ত আহমেদাবাদত মুখ্য মন্ত্ৰী গৃঢ় আবাস যোজনা, বি এছ ইউ পি (BSUP), আৰ এ ৱাই, গুজৰাট বস্তি পুনৰ্বাসন নীতি আৰু চাফাই কামদাৰ যোজনাৰ অন্তৰ্গত ৪০,০০০তকৈও অধিক সহজলভ্য আবাসগৃহ সম্পূৰ্ণ হৈ উঠিব।

(২) ভুৱনেশ্বৰত অভিযান আবাসৰ অধীনত ৬০০০ আবাসিক গোটৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিব। ভুৱনেশ্বৰত অঞ্চলভিত্তিক উন্নয়নৰ অধীনত বস্তি অঞ্চলৰ উন্নয়ন, সহজলভ্য আবাস, নিৰ্মাণ-শ্ৰমিকৰ বাবে ভাৰাঘৰ, চাকৰিয়াল মহিলাৰ বাবে নিৱাস আৰু গৃহহীনৰ বাবে আশ্ৰয়স্থল নিৰ্মাণ কাৰ্যসূচীক সামৰি লোৱা হৈছে। 'মিছন আবাস'ৰ অধীনত বস্তি অঞ্চল পুনৰ্বাসন কাৰ্যসূচীৰ অংশ হিচাপে ২৪ বস্তি অঞ্চলক চাৰিখন সংহত আবাসিক সমিতিলৈ উন্নীতকৰণৰ আশা কৰা হৈছে।

(৩) ধৰমশালাত স্মাৰ্ট ছিটি পৰিকল্পনাৰ অন্তৰ্গত প্ৰস্তাৱিত সৰ্বমুঠ ৩৫০০ আবাসিক গোটৰ ১২৫০টা বস্তি এলেকাৰ আবাসী আৰু নগৰাঞ্চলৰ গৃহহীনৰ বাবে ধাৰ্য কৰা হৈছে। প্ৰধান মন্ত্ৰী আবাস যোজনাৰ অধীনত এই আঁচনি ৰূপায়ণ সম্পূৰ্ণ হৈ উঠিব।

স্মাৰ্ট ছিটি পৰিকল্পনাৰ সংহত আবাসিক প্ৰকল্প আঁচনিসমূহ যে প্ৰধান মন্ত্ৰী আবাস যোজনা আৰু স্থানীয় অন্যান্য বস্তি এলেকা উন্নয়ন তথা পুনৰ্বাসন আঁচনিৰ জৰিয়তে সম্পূৰ্ণ হৈ উঠাৰ আশা সেয়া উল্লিখিত উদাহৰণসমূহতেই স্পষ্ট হৈ উঠিছে।

স্মাৰ্ট ছিটি অভিযানে নগৰসমূহক বিশুদ্ধ পানী যোগান, বৰ্জ্য পানী নিষ্কাষণ, অনাময় কাৰ্যসূচী আদি সাম্প্ৰতিক সময়ৰ নগৰাঞ্চলৰ প্ৰত্যাহ্বানৰ জোৱা মাৰিব পৰাকৈ চহৰসমূহৰ সন্মুখলৈ এটা সুযোগ আনি দিছে। স্মাৰ্ট ছিটি অভিযানে একোখন চহৰ গতিশীল কৰি ৰখাৰ সকলো উপাদনকেই নগৰ একোখনলৈ বহুতো দিশ মুকলি কৰি দিছে। স্মাৰ্ট ছিটি অভিযানে যে কেৱল নগৰীয়া উচ্চবিত্ত আৰু মধ্যবিত্ত সকলৰহে বিকাশ সাধন কৰিব তেনে নহয়, দৰিদ্ৰসকলো এই আঁচনিৰদ্বাৰা লাভৱান হ'ব।

**প্ৰত্যাহ্বানসমূহ ঃ**

স্মাৰ্ট ছিটি অভিযানে বিকাশৰ কাৰ্যসূচী আগুৱাই নিয়াৰ পৰত বহু প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাটো অৱধাৰিত। যি ক্ষেত্ৰত বস্তি অঞ্চল উন্নয়নৰ সন্দৰ্ভত স্মাৰ্ট চিটি প্লেনত পূৰ্বৰে পৰা থকা বস্তিবাসীৰ জীৱনৰ মান উন্নত কৰাই মুখ্য উদ্দেশ্য সেইক্ষেত্ৰত এই লক্ষ্য সাধন ইমান সহজো নহয়। অথবা বস্তি অঞ্চলৰ উন্নয়নৰ বাবে স্মাৰ্ট ছিটি মানেই একমাত্ৰ বিকাশ নহয়। আনকি কোনো কোনো অঞ্চলত ই সম্ভৱো নহয়। বহু ক্ষেত্ৰত বস্তি অঞ্চলৰ উন্নয়নৰ প্ৰয়োজনতেই বস্তিবাসীক পূৰ্বৰেপৰা বাস কৰি থকা বস্তিৰপৰা উচ্ছেদ কৰি অন্য ঠাইত পুনৰ্বাসন দিয়া হয়, বিশেষকৈ তদানীন্তন বসতিৰপৰা বহু দূৰৈত। কিন্তু এই পুনৰ্বাসন আঁচনি ন্যূনতমভাৱেই অভিপ্ৰেত আঁচনি নহয়। ইয়াৰ পৰিৱৰ্তে চহৰসমূহে সেই ঠাইৰ বিকাশ সাধন কৰি উচ্চ দৰত মুকলি কৰাৰহে পোষকতা কৰে অধিক মূল্যৰ ৰাজহৰ বাবে। সকলো প্ৰকাৰৰ আয়ৰ মানুহৰ বাবে বসতিৰ ব্যৱস্থাৰ প্ৰয়োজনত বহলভিত্তিক

আঁচনিৰ প্ৰয়োজন, কিন্তু এই বহলভিত্তিক আঁচনিত সদায়ে সৰ্বপেক্ষা, ফলপ্ৰসূ অথবা দৃশ্যমান আঁচনিৰ ৰূপত আৱিৰ্ভূত নহয়। স্মাৰ্ট ছিটি পৰিকল্পনাত দৰিদ্ৰসকলৰ বাবে আবাসিক প্ৰকল্প নিৰ্মাণৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰি তাৰ ৰূপায়ণৰ বাবে উঠি-পৰি লগাটোৱেই মুখ্য কাম নহয়, মুখ্য কাম হোৱা উচিত দৰিদ্ৰসকলৰ জীৱনৰ মান উন্নীত কৰাটোহে। সেই ফালৰপৰা আৰ্থিকভাৱে দুৰ্বলসকলৰ বাবে দীৰ্ঘম্যাদী তথা সহজে তত্বাৱধান ল'ব পৰা গৃহ নিৰ্মাণ কৰাটোহে স্মাৰ্ট ছিটি পৰিকল্পনাত ধাৰ্যকৰা বিকাশ কাৰ্যসূচীৰ অন্যতম বিষয় হোৱা উচিত। সেয়ে স্মাৰ্ট ছিটি পৰিকল্পনাৰ পৰিধিত সামৰিব পৰা চহৰসমূহত আৰ্থিকভাৱে দুৰ্বল লোকৰ বাবে নিৰ্মাণ কৰিবলগীয়া বাসগৃহসমূহৰ আৰ্হি আৰু উপাদান যাতে সেইসকল লোকৰ ক্ৰয় ক্ষমতা অনুসাৰে হয় তালৈ লক্ষ্য ৰখাটো স্মাৰ্ট চিটিৰ আবাসনৰ অন্যতম বৈশিষ্ট্য হোৱা উচিত।

জনসাধাৰণৰ অংশগ্ৰহণৰ বিষয়টোও স্মাৰ্ট ছিটিৰ এনে এটা প্ৰত্যাহ্বান যিটো অৱশ্যেই অতিক্ৰম কৰিবই লাগিব। এই ক্ষেত্ৰত নিৰ্মাণ খণ্ডৰ সৈতে জড়িত ব্যক্তিগত খণ্ডৰো বিশেষ দায়িত্ব আছে। সেয়া হ'ল প্ৰস্তাৱিত গৃহ গোটসমূহৰ আবাসীসকলৰ সৈতে গৃহসমূহৰ আৰ্হিৰ আৰু তাত ব্যৱহাৰ হ'বলগীয়া কেঁচামাল অথবা উপাদান সন্দৰ্ভত মুকলি আলোচনা তথা মত বিনিময়।

স্মাৰ্ট ছিটি অভিযানৰ নিৰ্মাণ খণ্ডত ব্যক্তিগত সংস্থাক জড়িত কৰাৰ বিষয়টো লৈ বহু সময়ত এইবুলিও যুক্তি দৰ্শোৱা হয় যে ব্যক্তিগত সংস্থাসমূহে দৰিদ্ৰ-সকলৰ আবাসনৰ প্ৰসংগটোৰ প্ৰতি আগ্ৰহী নহয়। কাৰণ দৰিদ্ৰসকলক যথা স্থানত ৰাখি বাসগৃহৰ সুবিধা কৰি দিয়াৰ তেওঁলোক ইচ্ছুক নহয়। দৰিদ্ৰসকলক নিজৰ ইতিপূৰ্বে থকা ঠাই অথবা ইতিপূৰ্বে দখল কৰি থকা ভূমিৰপৰা প্ৰথমে উচ্ছেদ কৰি আৰু পিছলৈ তাত পুনৰ্বাসন দিয়াৰহে তেওঁলোক পক্ষপাতী। কিন্তু স্মাৰ্ট ছিটি পৰিকল্পনাত 'সকলোৰে বাবে গৃহ' এটা অন্যতম গুৰুত্বপূৰ্ণ দিশ আৰু সেইমতে বহুতো স্মাৰ্ট ছিটি পৰিকল্পনাৰ অধীনত সেই কাম আৰম্ভ হৈছে। পিছে সেই কাৰ্যসূচী কিমান সংহত ৰূপত সম্পূৰ্ণ হৈ উঠে সেই কথা সময়েহে ক'ব।

আবাসনৰ ক্ষেত্ৰত ভাৰাঘৰৰ বিষয়টো এটা গুৰুত্বপূৰ্ণ দিশ। মালিকী স্বত্বৰ বাসগৃহৰ বিষয়টোৱে বস্তি এলেকাৰ সমস্যা সমাধান নকৰে। দৰিদ্ৰসকলকে ধৰি বিভিন্ন আয়ৰ লোকসকলেও ভাৰাঘৰৰহে পোষকতা কৰে, কিয়নো সেইসকল কৰ্মক্ষেত্ৰৰ বিস্তৃতি থকা ঠাইৰ স্থায়ী বাসিন্দা নহয়। সেই ফালৰপৰা 'ব্যয়সাধ্য ভাৰাঘৰ' এটা বিশেষ জৰুৰী প্ৰয়োজন। নতুন বস্তি এলেকাৰ উন্নয়ন সাধনৰ পৰিৱৰ্তে স্মাৰ্ট ছিটি পৰিকল্পনাত ব্যয়সাধ্য ভাৰাঘৰৰ দিশটোতহে গুৰুত্ব দিয়া উচিত।


নিম্ন আয়ৰ লোকৰ বাসগৃহৰ ক্ষেত্ৰত বিত্তৰ দিশত সদায়েই প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা যায়। যদিও এই ক্ষেত্ৰত চৰকাৰৰ ফালৰপৰা ৰাজসাহায্য থাকে তথাপি দৰিদ্ৰসকলে ঋণ গ্ৰহণৰ বাবে সক্ষম হ'ব নে নাই সেই লৈ সদায়েই এটা প্ৰশ্ন অথবা চিন্তা থাকি যায়।

আবাসন প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰত সদায়েই বিলম্ব ঘটে। কাৰণ ভূমিৰ অধিগ্ৰহণ আৰু বিভিন্ন সংস্থাৰ অনুমোদন পোৱাত অত্যধিক সময় ব্যয় হয়। ই প্ৰকল্প একোটাৰ নিৰ্মাণ ব্যয়ত প্ৰভাৱ পেলোৱাৰ লগতে প্ৰকল্পটোৰ সুফল-প্ৰসূতাতো প্ৰভাৱ পেলায়। যদি ইতিপূৰ্বে বসতি থকা বস্তি অঞ্চলৰ পুনৰ উন্নয়ন ঘটোৱা হয়, তেতিয়া হ'লে সেইখিনি মানুহৰ থকাৰ বিকল্প ব্যৱস্থা কৰাৰ লগতে তেওঁলোকৰ জীৱিকাৰ দিশটোত ক্ষতিসাধন হ'বলৈ নিদিয়াৰ প্ৰতি লক্ষ্য ৰখাটোও আবাসন প্ৰকল্প নিৰ্মাণ সংস্থাৰ অন্যতম প্ৰধান দায়িত্ব। এই বিৱৰ্তিত বা পৰিৱৰ্তিত বিকল্প ব্যৱস্থাৰ বাবে ক্ষিপ্ৰ সমাধান বিচাৰি উলিওৱাটোও স্মাৰ্ট ছিটিৰ সমুখত এটা গুৰুত্বপূৰ্ণ কাৰ্য।

**সুবিধাসমূহ**

'সকলোৰে বাবে গৃহ' আঁচনিৰে স্মাৰ্ট ছিটি অভিযানে দৰিদ্ৰসকলক বাসগৃহ লাভৰ এটা উদ্ভাৱনীমূলক সুবিধা প্ৰদান কৰিছে। কিয়নো প্ৰস্তাৱিত এই নতুন বাসগৃহসমূহ পৰ্যাপ্ত পোহৰ আৰু বতাহ চলাচলৰ ব্যৱস্থাৰে শক্তি-ফলপ্ৰসূ। কাৰণ বতাহ সঞ্চালন আৰু পোহৰৰ ব্যৱস্থা পৰ্যাপ্ত হোৱা হেতুকে বাসগৃহ-সমূহত কম শক্তি খৰচ হ'ব। আনহাতে গৃহসমূহৰ ওপৰৰ চালিখন আধুনিক প্ৰযুক্তিক্ষম শীতলতম ব্যৱস্থাসম্পন্ন কৰি গ্ৰীষ্মৰ সময়ত তাপ কমাই ৰাখিব পৰা যায়। জয়বায়ু পৰিৱৰ্তনৰ সাম্প্ৰতিক এই সময়ত দৰিদ্ৰসকলেই আটাইতকৈ বেছি ভুক্তভোগী। দৰিদ্ৰসকলৰ বাবে নিৰ্দিষ্ট কৰা বাসগৃহৰ এই নতুন ব্যৱস্থা সেউজ আৰু বহনক্ষম দৃষ্টিভঙ্গীৰ উজ্জ্বল দৃষ্টান্ত।

সমান্তৰাল আৰ্হিৰ ঘৰবোৰৰ গাঁথনি আৰ চী চী অথবা পী এছ চী (Pre Stressed Concrete) হোৱা বাঞ্ছনীয়। আনহাতে বেৰ, দুৱাৰ, খিৰিকি আদিবোৰ পুনৰ ব্যৱহাৰ্য ধাতু, প্লাষ্টিক অথবা পাতল পদাৰ্থৰ উপাদানেৰে নিৰ্মিত হ'ব লাগে। নিৰ্মাণ ব্যয় কমোৱাৰ প্ৰয়োজনত স্থানীয়ভাৱে প্ৰাপ্ত উপাদান তথা সৰঞ্জাম ব্যৱহাৰ কৰাৰ ওপৰত গুৰুত্ব দিব লাগে।



এই ক্ষেত্ৰত ব্যৱসাধ্য আৰু দ্ৰুতভাৱে প্ৰসাৰ লাভ কৰা গ্লাছ ফাইবাৰ আৰু গ্লাছ ফাইবাৰ ৰি-ইনফৰ্ছড্ জিপছাম (GYPSUM)ৰদ্বাৰা নিৰ্মিত দুৱাৰ-খিৰিকি আৰু খিৰিকিৰ পেনেল ব্যৱহাৰ কৰিলে নিৰ্মাণ ব্যয় বহু কমিব। ইতিমধ্যে মাদ্ৰাজ আই আই টীয়ে জী এফ আৰ জী উপদানেৰে প্ৰস্তুত কৰা পেনেলেৰে এটা ঘৰৰ আৰ্হি প্ৰস্তুত কৰি উলিয়াইছে।

ঘৰটোৰ আৰ্হিৰ দুটা ভাগ আছে। গাঁথনিগত আৰ্হি অথবা মূল ৰূপ আৰু দুৱাৰ-খিৰিকি, দেৱাল ইত্যাদি। সেইবোৰৰ বিষয়ে ইতিমধ্যেই আলোচনা কৰি অহা হৈছে।

উক্ত ধৰণৰ আৰ্হি এটা প্ৰস্তুত কৰি উলিয়াইছে কষ্টফৰ্ডে (লৰী বেকাৰ ছেণ্টাৰ ফৰ হেবিটেট ষ্টাডিজ) থিৰুভান্থাপুৰমত। এই আৰ্হি অনুযায়ী প্ৰতিটো ঘৰৰ ওপৰত যথেষ্ট মুকলি অথবা খোলা ঠাই ৰখা হৈছে। থিৰুভান্থাপুৰমৰ কৰিমাদম আৱাসিক চৌহদত এই আৰ্হি সাজি উলিওৱা হৈছে।

স্মাৰ্ট ছিটিত 'দৰিদ্ৰসকলৰ গৃহ'ত উদ্ভাৱনী ক্ষমতা থকাটো বাঞ্ছনীয়। দৰিদ্ৰসকলৰ জীৱিকাৰ ৰক্ষণাবেক্ষণৰ লগতে তেওঁলোকৰ স্বাস্থ্যৰ দিশটোৰ প্ৰতিও দৃষ্টি দিয়া উচিত। দৰিদ্ৰসকল চৰকাৰৰ আঁচনিতে কেৱল নিৰ্দ্ধাৰিত লক্ষ্য হৈ থকা অনুচিত। দৰিদ্ৰসকলক একোটা মানসম্পন্ন জীৱন দিব



নোৱাৰালৈকে স্মাৰ্ট ছিটিৰ ধাৰণা কেৱল সমাজৰ সৰ্বোচ্চ শ্ৰেণীৰ মানসতে আৱদ্ধ থাকিব। ❐

*'পয়োভৰা'ত প্ৰকাশিত প্ৰবন্ধপাতিৰ বিষয়ে পাঠকৰ কিবা মন্তব্য থাকিলে অথবা প্ৰকাশিত তথ্যৰ উপৰি পঢুৱৈ সমাজক অধিক তথ্য জনাবলৈ বিচাৰিলে, সেই বিষয়ে আমালৈ লিখি পঠিয়ায় যেন। উপযুক্ত বিবেচিত হ'লে 'পয়োভৰা'ত প্ৰকাশ কৰা হ'ব।*

# বহনযোগ্য বাসগৃহত সেউজ প্ৰযুক্তি

**যশকুমাৰ শুক্লা***

বৰ্দ্ধিত জনসংখ্যাৰ লগতে ক্ষিপ্ৰ গতিত গঢ় লৈ উঠা নগৰীকৰণ প্ৰক্ৰিয়াই দেশখনত বাসগৃহৰ নাটনি হোৱাৰ পথ যথেষ্টভাৱে প্ৰশস্ত কৰিছে। ২০১২-১৭ বৰ্ষৰ কালছোৱাত চহৰাঞ্চলত বাসগৃহৰ নাটনিৰ সংখ্যা ১৭.৭৮ নিযুত আৰু গ্ৰামাঞ্চলত ৪৩.৯০ নিযুত হয় বুলি এটা তথ্যত প্ৰকাশ পায় (গোৱেল, ২০১৪ আৰু নী বী অ' ২০১২ৰ প্ৰতিবেদন)। নিম্ন উপাৰ্জিত গোট তথা অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ বাসিন্দাসকলে ৯৫ শতাংশতকৈ অধিক চহৰৰ বাসগৃহ নাটনিৰ সন্মুখীন হৈছে। সেই একেদৰে দাৰিদ্ৰ্য সীমা-ৰেখাৰ তলত বসবাস কৰাসকলে ৯০ শতাংশতকৈ অধিক গ্ৰাম্য গৃহৰ নাটনিৰ সন্মুখীন হৈছে। গতিকে বহনযোগ্য বাসগৃহ নিৰ্মাণ কৰাটো দেশখনৰ নীতি তৈয়াৰ কৰোঁতাসকলৰ প্ৰধান গুৰুত্বৰ বিষয় হৈ পৰিছে।

যোৱা কেইটামান দশকত ভাৰতে কেন্দ্ৰ, ৰাজ্য আৰু চহৰৰ থলুৱা সংস্থাৰ স্তৰত বহু নীতি অৱলম্বন কৰে— যাতে নিম্ন উপাৰ্জিত, অৰ্থনৈতিকভাৱে দুৰ্বল আৰু দাৰিদ্ৰ্য সীমাৰেখাৰ তলত জীৱন নিৰ্বাহ কৰাসকললৈ বহনক্ষম গৃহ প্ৰদান কৰিব পাৰি। শেহতীয়াকৈ ভাৰত চৰকাৰে দেশখনত বাসগৃহ নাটনি সমস্যা সমাধান কৰিবৰ কাৰণে বহুত অভিলাষী আঁচনি প্ৰস্তাৱ কৰে। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল— হাউছিং ফৰ অল (আৰ্বান) বাই ২০২২ মিছন, অটল অভিযান ফৰ ৰিজুভেনচন এণ্ড আৰ্বান ট্ৰেন্সফৰ্মেচন (চমুকৈ অমৃত) আৰু স্মাৰ্ট চিটিজ। আঁচনিবোৰৰ অধীনত অতিৰিক্ত গৃহ নিৰ্মাণ কাৰ্যৰ ফলত চলিত আন্তঃগাঁথনি আৰু সম্পদৰ ওপৰত বহুত হেঁচা পৰিব। ২০১৪-১৫ বৰ্ষৰ কালছোৱাত ভাৰতৰ আবাসিক খণ্ডৰ বিদ্যুতৰ খৰচ মুঠ চলিত বিদ্যুৎ শক্তিৰ ২৩ শতাংশ হৈছিল (২০১৬ বৰ্ষৰ কেন্দ্ৰীয় পৰিসংখ্যা কাৰ্যালয়ৰ তথ্য)। তদুপৰি আবাসিক খণ্ডৰ বিজুলী খৰচ (অৰ্থাৎ ব্যৱহাৰ) সম্বন্ধে যি প্ৰেক্ষাপণ কৰা হৈছে তাৰ পৰিমাণ ২০৫০ বৰ্ষৰ ভিতৰত আঠ গুণতকৈ অধিক হ'ব বুলি আশা কৰিছে। গতিকে ঘৰসমূহ এনেদৰে নিৰ্মাণ কৰাত গুৰুত্ব আৰোপ কৰিব লাগিব যাৰদ্বাৰাই শক্তি, জল আৰু সামগ্ৰীসমূহৰ ব্যৱহাৰ কম হয়।

২০০১ বৰ্ষত ভাৰতে শক্তি সংৰক্ষণ আইন প্ৰচলন কৰিছিল। ইয়াৰ ফলত নিৰ্মাণ খণ্ডৰ বাবে শক্তি সংৰক্ষণ নিৰ্মাণ বিধি (এনাৰ্জি কনজাৰভেচন বিল্ডিং ক'ড) বিকাশ কৰাৰ পথ মুকলি কৰে। শেহতীয়াকৈ এই ক'ড অৰ্থাৎ বিধি অতিৰিক্ত আৱশ্যকতা পূৰণ কৰিবৰ বাবে পুনৰবৰ্দ্ধিত কৰা হয়। ইয়াৰ অতিৰিক্ত সময়ৰ গুৰুত্ব আৰু আৱশ্যকতালৈ চাই ভাৰতীয় মানক ব্যুৰই ৰাষ্ট্ৰীয় নিৰ্মাণ বিধিৰ নিৰন্তৰ গতি অটুট ৰাখিবৰ কাৰণে নিজাববীয়াকৈ কিছু অৱলম্বনৰ বিষয়ে সংযোগ কৰে। আনপিনে নতুন আৰু পুনৰ ব্যৱহাৰযোগ্য শক্তি মন্ত্ৰণালয়ে ঘৰবোৰত সৌৰ জলতাপ তথা সৌৰ পোহৰৰ সৰঞ্জাম ক্ৰয় আৰু স্থাপন কৰিবৰ বাবে মূলধনী ৰাজসাহায্য আগবঢ়ায়। এনে সেউজ কাৰ্যসূচীৰ অৱলম্বনে যেতিয়া গৃহ চৌহদবোৰত স্বেচ্ছামূলক ব্যৱস্থা গ্ৰহণ কৰাত উৎসাহিত কৰিব, তেতিয়া নীতিসমূহৰ জৰিয়তে সঙ্গবদ্ধ প্ৰয়াস কৰাৰ প্ৰয়োজন— যাতে এই উপযুক্ত শক্তি আৰু সেউজ প্ৰযুক্তি (গ্ৰীণ টেক্‌ন'ল'জী) ব্যৱহাৰ কৰিবলৈ লোকসকল উৎসাহিত হয়।

**ঘৰৰ নক্সাকৰণ**

ভাল ঘৰে লোকসকলৰ জীৱনৰ গুণগত দিশ উন্নত কৰাত সহায় কৰে আৰু অধিক উৎপাদনশীল তথা উপাৰ্জন উদ্ৰেক কৰাৰ সামৰ্থ্যৰ বাট মুকলি কৰে। সেয়ে বহনযোগ্য ঘৰৰ নক্সাই বাস কৰিব লগা লোকবিশেষক এটা স্বাস্থ্যকৰ তথা সন্তোষজনক পৰিৱেশ প্ৰদান কৰাৰ লক্ষ্য কৰিব লাগিব। বহনক্ষম ঘৰৰ নক্সাৰ দৰ্শন বা বিশেষত্ব হ'ব লাগিব কিছুমান দিশ-কোণ অথবা বিষয়ক সামৰি লোৱাটো।

***লেখক যশকুমাৰ শুক্লা চী ই পী টী বিশ্ববিদ্যালয়ৰ ছেণ্টাৰ ফৰ এডভান্সড ৰিছাৰ্চ ইন বিল্ডিং ছায়েন্স এণ্ড এনাৰ্জিৰ কাৰিকৰী সঞ্চালক। তেওঁ উক্ত কেন্দ্ৰৰ নো-জিৰো এনাৰ্জি বিল্ডিং গৱেষণা দলৰ সহযোগী আৰু কম শক্তি শীতল পদ্ধতি, বিল্ডিং ব্যৱস্থাপনা পদ্ধতি আদিৰ ক্ষেত্ৰত গৱেষণা কাৰ্যৰ নেতৃত্ব গ্ৰহণ কৰে।**

তেনে দিশ অথবা বিষয়ৰ ভিতৰত উল্লেখযোগ্য হ'ল— ঘৰৰ ভিতৰত গুণগত বতাহ চলাচল কৰাৰ সুবিধা, তাপমূলক সন্তোষজনক অৱস্থা আৰু শক্তি সক্ষমতাৰ সূচী (ঘৰখনৰ প্ৰতি ইউনিট এলেকাত ব্যৱহৃত শক্তি মাত্ৰ)। বহনক্ষমতাৰ বিষয়টো সমগ্ৰ খৰচৰ ওপৰত ভিত্তি কৰি থিৰ কৰা উচিত, অৰ্থাৎ নিৰ্মাণ, কাৰ্য সম্পাদন আৰু সম্পূৰ্ণ কৰি গৰাকীক প্ৰদান কৰা। এয়া কেৱল প্ৰাৰম্ভিক নিৰ্মাণ খৰচ হিচাপ কৰি সদ্যহতে যি ব্যৱস্থা গ্ৰহণ কৰা হয় আৰু সম্পূৰ্ণ বিপৰীতধৰ্মী হ'ব লাগিব। স্থায়ী নিৰ্মাণ দৃষ্টিভংগীত ঘৰৰ নক্সা আৰু উপযুক্ত প্ৰযুক্তি গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়— যাতে তাত বাস কৰা লোকসকলে দীৰ্ঘকালৰ সুবিধা লাভ কৰিব পাৰে। তেনে ঘৰৰ নক্সাত জলবায়ু-সঁহাৰিসূচক নক্সাও থাকিব লাগে আৰু নিৰ্মাণৰ বাবে থলুৱা নিৰ্মাণ সামগ্ৰী ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰিব লাগে।

**নক্সা বাছনি**

শক্তি সক্ষম ভৱনসমূহৰ নক্সা বিশেষভাৱে কৰা হয়। সেই ক্ষেত্ৰত দুটা দৃষ্টিভংগীৰ বিষয় থাকে। তাৰে এটাক ব্যৱহাৰ কৰি কামত আগবাঢ়িবলৈ লোৱা হয়। সেই দুটা বিষয় হ'ল— বিধানৰ-দ্বাৰা পৰিচালিত আৰু কাৰ্য সম্পাদনৰ-দ্বাৰা পৰিচালিত। বিধান পৰিচালিত দৃষ্টিভংগীত প্ৰতিটো ভৱনৰ উপাদানৰ বাবে কি কি আৱশ্যক তাক নিৰ্দিষ্ট কৰে। বিল্ডাৰ্চ অৰ্থাৎ গৃহ নিৰ্মাণ কৰোঁতা, বিকাশ সাধন কৰোঁতা অথবা নক্সাকাৰী-সকলে এই সম্ভাব্য সংযোজনাৱলীৰপৰা অতি উপযুক্ত বিকল্প বাছি ল'ব পাৰে আৰু সেই মতে নক্সা কৰি ভৱন নিৰ্মাণৰ কাম গ্ৰহণ কৰিব পাৰে। কাৰ্য সম্পাদনৰদ্বাৰা পৰিচালিত দৃষ্টিভংগীত বিল্ডিঙৰ এটা সবিশেষ শক্তি সক্ষম প্ৰতিচ্ছবি গ্ৰহণ কৰা হয়। তাৰ বাবে এটা আৰ্হি যুগুতাই সঠিক আকাৰ বা ফলাফল নিৰ্দ্ধাৰণ কৰা হয়। নিৰ্মাণ কৰিব লগা তেনে ভৱনটোৱে সকলোবোৰ প্ৰয়োজনীয়তাক সামগ্ৰিকভাৱে সামৰি ল'বনে সেইটোও ঠিক কৰা হয়। বিধানযুক্ত দৃষ্টিভংগীয়েই হ'ল এটা বহনযোগ্য ঘৰৰ নক্সা আৰু নিৰ্মাণৰ বাবে অধিক উপযুক্ত।

**তাপ আৰামৰ সংজ্ঞা**

ভাৰতত ভৱন নিৰ্মাণৰ ক্ষেত্ৰত তাৰ নক্সা ঘাইকৈ তাপ বিষয়ক সন্তুষ্টি লাভৰ কথাটোলৈ চাই অংকন কৰা হয়। তাৰ বাবে কেনেধৰণৰ মজবুত কিম্বা নিৰ্দিষ্ট প্ৰৱাহৰ অৱস্থা থকা প্ৰয়োজন সেইটোৰ প্ৰতিও মন দিয়া হয়। 'ইণ্ডিয়া মডেল ফৰ এডাপ্টিভ কমফৰ্ট' চমুকৈ আই এম এ চীৰদ্বাৰা কৰা এটা বিস্তৃত অধ্যয়নত এইটো প্ৰকাশ পায় যে ভাৰতীয় লোকসকলে আন্তৰ্জাতিক মানে দাঙি ধৰা তাপমাত্ৰাতকৈ অধিক আৰু বিস্তৃত মাত্ৰাত সন্তুষ্টি লাভ কৰিব পাৰে। শেহতীয়াকৈ এন বী চি আৰু ই চী বী চী-এ নতুন ভৱনৰ আই এম এ চিৰ নক্সা পদ্ধতিক গ্ৰহণ কৰিছে। এই আই এম এ চী-য়ে বহল পৰিসৰৰ তাপ সম্বলিত ঘৰৰ নক্সা কৰিবলৈ এটা সুবিধা আগবঢ়ায়— যাৰদ্বাৰাই উপযুক্ত প্ৰযুক্তি ব্যৱহাৰ কৰি তাক সাধন কৰিব পৰা যায়।

**উপযুক্ত আৱৰণ**

বহনক্ষম ঘৰৰ আৱৰণ এনেদৰে আৰ্হি কৰিব লাগে— যাৰদ্বাৰাই ভৱনটোৰ ভিতৰ ভাগত গঢ় লৈ উঠা তাপমাত্ৰাক হ্ৰাস কৰিব পাৰি। অধিক প্ৰতিবিম্বমূলক চাল (যাক শীতল চাল ৰূপেও জনা যায়) হ'ল এটা উপযুক্ত প্ৰযুক্তি। ভৱনটোত পৰা সৌৰ তাপ বিকিৰণক প্ৰতিহত কৰাৰ ক্ষমতা এনে চালৰ আছে। তদুপৰি বেৰ, খিৰিকি আৰু চালত ব্যৱহাৰ কৰা সামগ্ৰীৰ সমুচিত ব্যৱহাৰৰদ্বাৰাও তাপমাত্ৰা যথেষ্টভাৱে হ্ৰাস কৰিব পৰা যায়। ফলস্বৰূপে ভৱনৰ ভিতৰ ভাগত তাপৰ প্ৰভাৱ কম অনুভূত হোৱা সম্ভাৱনা থাকে। ওপৰত লগোৱা চাল আৰু বেৰত ব্যৱহৃত সামগ্ৰীৰ অধিকভাৱে সহ্য কৰিব পৰা তাপৰ ক্ষমতাই ঘৰৰ ভিতৰত তেনেদৰে ক্ৰিয়া কৰিবলৈ নিদিয়ে। ফলস্বৰূপে তেনে ঘৰ বেচ বাসৰ উপযোগী হ'ব। খিৰিকি আদিৰ দৰে গ্ৰহণ কৰা ব্যৱস্থাৰ অতি গুৰুত্বপূৰ্ণ বিষয়টো হ'ল সৌৰ তাপ লাভৰ ক্ষেত্ৰত সহনশীল অৱস্থাৰ সৃষ্টি— যিটোৱে মূৰকত তেনে তাপমাত্ৰাক যথেষ্টভাৱে নিয়ন্ত্ৰণ কৰে। এই কাৰ্যক চমুকৈ "এছ এইচ জী চী" (ছ'লাৰ হিট গেইন্ কোএফিচিয়েণ্ট) ৰূপে জনা যায়। ই সৌৰ তাপ বিকিৰণ মাত্ৰা ঘৰৰ ভিতৰলৈ ভগ্নাংশ ৰূপত যাবলৈ দিয়ে আৰু তাৰ ফলত ভিতৰত তাৰ মাত্ৰা তেনেদৰে অধিক অনুভূত নহয়। তদুপৰি বতাহ প্ৰৱাহিত হোৱা যিবোৰ সুৰুঙা থাকে (যেনে— দুৱাৰ আৰু খিৰিকিবোৰৰ কাষত থকা বিন্ধা বা ফাঁক) সেইবোৰ বন্ধ কৰি দিব লাগে— যাতে অনাৱশ্যক তাপমাত্ৰা কম কৰিব পাৰি। তাপমাত্ৰাৰ হ্ৰাসকৰণে তেনে ঘৰৰ ভিতৰত থকা বাসিন্দাসকলক সন্তুষ্টি গ্ৰহণ কৰাত সুচল কৰে। লগতে শীতলীকৰণ পদ্ধতি ব্যৱস্থা গ্ৰহণ কৰাৰ আৱশ্যকতাও হ্ৰাস কৰে। স্বাভাৱিকভাৱে বতাহ চলাচল কৰিব পৰা ভৱনৰ ভিতৰত ঘণ্টাজুৰি সন্তুষ্টিৰ সময় পাৰ কৰিবৰ বাবেও এটা উপায় অৱলম্বন কৰিবলৈ লোৱা হৈছে। ইয়াক কোৱা হয়

"ফেইজ চেঞ্জ মেটেৰিয়েল" (পী চী এম)। এই সন্দৰ্ভত গৱেষণা প্ৰাৰম্ভিক অৱস্থাত আছে। সেয়া সম্পূৰ্ণ হৈ উঠিলে আৰু তদনুৰূপে কাৰ্য সাধন কৰিলে এই নতুন প্ৰযুক্তি এটা অনবদ্য আৱৰণৰ উপাদান হ'ব পাৰে।

১নং চিত্ৰ ঃ **ক্ৰম পৰিৱৰ্তন সামগ্ৰী সহ নতুন চিলিং টাইলছ**




খিৰিকি আদিৰ জৰিয়তে বিচ্ছুৰিত হোৱা আন এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল ভৱনৰ ভিতৰৰ অংশৰ পোহৰৰ সংবহন— যাৰ ফলত কৃত্ৰিমভাৱে আলোকিতকৰণ ব্যৱস্থাৰ (যেনে বাল্বৰ জৰিয়তে) প্ৰয়োজন নহয়। দিনৰ ভাগত বিদ্যুৎ শক্তিৰ খৰচ ৰাহি কৰে আৰু যি ঠাইত পোহৰৰ ব্যৱস্থা নকৰিলে নহয়, তেনে ঠাইতো শক্তিৰ ব্যৱহাৰ কিছু পৰিমাণে হ'লেও হ্ৰাস কৰে। গতিকে অধিক মাত্ৰাত পোহৰৰ ব্যৱস্থা নকৰাকৈ ভৱনৰ ভিতৰৰ অংশত স্বাভাৱিক পোহৰৰ সুচলতাৰ ওপৰত মনোযোগ দিয়াটো অধিক সমীচীন।

থলুৱা সামগ্ৰীৰ থাৰ্মোফিজিকেল বৈশিষ্ট্য সঠিকভাৱে বুজি উঠিলে তেনে সামগ্ৰী ব্যৱহাৰ কৰাত সহায়ক হ'ব পাৰে আৰু ভৱনৰ আৰ্হি কৰোঁতাসকলক সেই বিষয়ে প্ৰয়োজনীয় কাৰিকৰী তথ্য যোগান ধৰিলে উপযুক্ত নক্সা তৈয়াৰ কৰাত কোনো অসুবিধা নহয়। ভাৰতীয় নিৰ্মাণ সামগ্ৰীৰ থাৰ্মোফিজিকেল বৈশিষ্ট্যৰ আৰশ্যকীয় তথ্যপাতি আৰ্হিকাৰসকলৰ বাবে অন্‌লাইনত উপলব্ধ হয়।

বহিঃ আচ্ছাদিত কৌশল-স্থিৰ কিম্বা চলমান— তেনে অৱস্থাতো পোনপটীয়া সৌৰ বিকিৰণ হ্ৰাস কৰা আৰু খিৰিকিবোৰৰ পৰা লাভ কৰা (অৰ্থাৎ খিৰিকিয়েদি অহা) তাপ কম কৰিবৰ কাৰণে বহনক্ষম ঘৰৰ ক্ষেত্ৰত বৰ উপযোগী হ'ব পাৰে। পৰম্পৰাগতভাৱে

২নং চিত্ৰ ঃ **সৌৰ তাপ অৰ্জন গুণাংকৰ বাৰ্ষিক গ্ৰাফ**




তৈয়াৰ কৰা ভৱনবোৰত নিৰ্দিষ্ট ধৰণে বহিঃ আচ্ছাদিতকৰণ ব্যৱস্থা প্ৰায়ে আৰ্হিবোৰত কৰা হয়। অৱশ্যে চলমান বহিঃ আচ্ছাদিত কৌশলৰ ব্যৱহাৰ ভাৰতীয় ভৱন প্ৰসঙ্গত তুলনামূলক-ভাৱে নতুন। এনে বহিঃ আচ্ছাদিতকৰণ ব্যৱস্থাই ঘৰৰ লোকক তেওঁলোকৰ প্ৰয়োজন অনুসাৰে আচ্ছাদিতকৰণৰ স্থান ইফাল-সিফাল কৰাত সুবিধা হয়। গৱেষণাৰ পৰা এইটো দেখা গৈছে যে খিৰিকিৰ পৰা লাভ কৰা সৌৰ তাপ ১৫-৩০ শতাংশ হ্ৰাস কৰিব পৰা ক্ষমতা বহিঃ আচ্ছাদিতকৰণ কৌশলৰ আছে। ভাৰতীয় চহৰসমূহৰ কাৰণে অতি উপযুক্ত আচ্ছাদিতকৰণ ব্যৱস্থাৰ নক্সা তৈয়াৰ কৰিবলৈ আৰশ্যকীয় আহিলা-পাতি অন্‌লাইনত উপলব্ধ হয়।

### বায়ু সঞ্চালনৰে শীতলীকৰণ

বায়ু সঞ্চালন ব্যৱস্থাৰ মূল উদ্দেশ্য হ'ল ভৱনৰ ভিতৰত ভাল বতাহৰ চলাচল অটুট ৰখা। অৱশ্যে ভালদৰে আৰ্হি কৰা অৰ্থাৎ সু-সজ্জিত বায়ু সঞ্চালন ব্যৱস্থাক অনুকূল পৰিৱেশ অনুযায়ী ঠাইবিশেষত সন্তোষজনকভাৱে শীতলতা প্ৰদান কৰিবৰ কাৰণে বহিঃ ভাগৰ বতাহকো ব্যৱহাৰ কৰিব পাৰে। এনে সঞ্চালন ব্যৱস্থা অৰ্থাৎ য'ত বতাহ আহ-যাহ কৰিবৰ

বাবে সৰু খিৰিকিৰ (ভেণ্টিলেটৰ) দিহা কৰা হয় তাৰ জৰিয়তে বিশেষকৈ বহনক্ষম ঘৰৰ কাৰণে নিশাৰ ভাগত লোকসকলক যথেষ্ট আৰাম দিব পাৰে। দিনটোত লোকসকল বাহিৰত কামত ব্যস্ত থকা হেতুকে সন্ধিয়া পৰত ঘৰলৈ উভতি আহি নিশাৰ সময়খিনিত এনে আৰাম বেচ বৈশিষ্ট্যপূৰ্ণ বুলি ক'ব পাৰি। ভাৰতৰ ঘৰবোৰত ১৫-২০ শতাংশ আৰাম আৰু বিদ্যুতৰ দিশৰ লাভ উপলব্ধ কৰিবৰ কাৰণে বহু কৌশল পন্থা অৱলম্বন কৰা দেখা যায়। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল সুন্দৰ আৰ্হিৰে তৈয়াৰ কৰা খোলা ভাগক (অপেনিং) যথাযুক্তভাৱে কামত লগাই ক্ৰছভেণ্টিলেচন কৰিবলৈ দিয়াটো।

**কম শক্তিৰ শীতলীকৰণ আৰু পুনৰ ব্যৱহাৰযোগ্য শক্তিৰ নিৰীক্ষণ প্ৰযুক্তি**

জলবায়ুৰ বিষম অৱস্থাত বহনক্ষম ঘৰৰ যি আৰ্হি অৰ্থাৎ নক্সা কৰা হয়, তেনে ঘৰবোৰত কম শক্তিৰ শীতলীকৰণ প্ৰযুক্তিৰ প্ৰয়োজন হয়— যাতে তাত বাস কৰিব লগা লোকসকল তাপমাত্ৰাৰ পিনৰপৰা আৰামত থাকিব পাৰে। যিমানখিনি ঠাণ্ডাৰ প্ৰয়োজন হয় তাতোকৈ বেছিখিনি উলিয়াই পঠাব পৰা ব্যৱস্থা হ'ল এটা উপযুক্ত প্ৰক্ৰিয়া। ইয়াৰদ্বাৰাই কম শক্তিৰ খৰচেৰে ঠাইখনৰ আৰামদায়ক তাপমাত্ৰা অটুট ৰাখিব পাৰে। সৌৰ আলোকিত তথা জল উষ্ণতা— এই দুয়োটাৰ সমন্বয়ক্ৰমে বহনক্ষম ঘৰবোৰত যথেষ্টভাৱে শক্তি খৰচৰ মাত্ৰা হ্ৰাস কৰিব পাৰে। এনে ঘৰবোৰৰ শক্তি ব্যৱহাৰৰ ক্ষেত্ৰত শক্তি ব্যৱস্থাপনা পদ্ধতি হ'ল এটা অতি উপযুক্ত ব্যৱস্থা। এই পদ্ধতিয়ে ঘৰৰ গিৰিহঁতক শক্তি সঞ্চয়ৰ পথ মুকলি কৰিব পাৰে আৰু এনেধৰণৰ ঘৰৰ ভৱিষ্যৎ আৰ্হিৰ ক্ষেত্ৰত বিদ্যুৎ ব্যৱহাৰ সম্পৰ্কিত বিষয়ত আৱশ্যকীয় সম্ভেদ দিব পাৰে।

ওপৰত উল্লেখ কৰাৰ দৰে শক্তি সক্ষম তথা সেউজ প্ৰযুক্তিক (গ্ৰীণ টেক্‌ন'ল'জী) কামত লগাবলৈ ভালে-কেইটা ব্যয়-উপযুক্ত পথ আছে। মূল আৰ্হিৰ পৰিধি, নিৰ্মাণ উপাদান আৰু সেউজ প্ৰযুক্তিৰ বিষয়ৰে সমৃদ্ধ এলানি গৃহ চিত্ৰৰ প্ৰতিফলিত ৰূপটোৰে বহনক্ষম ঘৰৰ উপযুক্ত বিকাশৰ পথ প্ৰশস্ত কৰিব পাৰে। এই প্ৰাক্-আৰ্হি পথটোৰে আন এটা সুবিধাও আগবঢ়ায়— যাৰ ফলত ঘৰৰ নক্সা মতে কাম কৰিবলৈ লওঁতে ব্যয়ৰ পৰিমাণ বহুখিনি হ্ৰাস কৰিব পাৰে। এটা বিকল্প ৰূপে "প্ৰি-ফেব্ৰিকেটেড' ঘৰ অৰ্থাৎ এটা ৰূপাংক অংশৰ ঘৰেও ব্যয় উপযুক্ত আৰ্হি তথা নিৰ্মাণৰজ্জু ক্ষেত্ৰত খৰচৰ মাত্ৰা হ্ৰাস কৰাৰ পথ মুকলি কৰিব পাৰে। সেউজ প্ৰযুক্তি সহ এনেধৰণৰ উৎকৃষ্ট গুণৰ বহনক্ষম গৃহই দেশখনৰ কল্যাণ সাধন তথা অৰ্থনৈতিক বিকাশ সাধনত এটা বৈশিষ্ট্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। ❒


# পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ বিষয় সম্ভাৰ

অক্টোবৰ ২০১৭ — **নতুন ভাৰত**

উপৰোক্ত বিষয়ত অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

সম্পাদক, **পয়োভৰা**
পেন্সনপাৰা পথ, গৃহ নং-৪,
গুৱাহাটী-৭৮১০০৩
ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# গ্ৰামাঞ্চলত দীৰ্ঘস্থায়ী আৰু মান সম্পন্ন গৃহনিৰ্মাণ

**সমীৰা সৌৰভ**
**ৰাহুল সিং**

সমগ্ৰ বিশ্বৰ বাবে গৃহহীনতাই এটা ক্ৰমবৰ্দ্ধিত সমস্যাৰ ৰূপ ধাৰণ কৰিছে। আফ্ৰিকা, লেটিন আমেৰিকা আৰু এছিয়াত এই গৃহহীনতাই ব্যাপক ৰূপ লৈছে। ইফালে এই অঞ্চলবোৰতে গোলকীয় জনসংখ্যা বৃদ্ধিৰ হাৰ দ্ৰুততৰ হৈছে। মন কৰিবলগীয়া যে অন্ন আৰু বস্ত্ৰৰ পাছতে মানুহৰ জীৱনৰ মৌলিক প্ৰয়োজন হ'ল থাকিবৰ বাবে এটুকুৰা ঠাই। সেই সকলেই গৃহহীন যিসকলে আবাসৰ সুবিধা বা নিয়মীয়া আৰু সুৰক্ষিত আশ্ৰয়ৰ ব্যৱস্থা কৰিব পৰা নাই। গোলকীয় অৰ্থনৈতিক উচ্চতালৈ ভাৰতবৰ্ষ আগুৱাই গ'লেও দেশখন এক নিযুততকৈ অধিক গৃহহীন লোকৰ আবাসভূমি। ২০১১ চনৰ লোকপিয়লৰ তথ্য অনুসৰি ভাৰতবৰ্ষত ১.৭৭ নিযুত গৃহহীন লোক আছে যি দেশখনৰ মুঠ জনসংখ্যাৰ ০.১৫ শতাংশ। সেই লোকপিয়লৰ তথ্য অনুসৰি ভাৰতবৰ্ষত ১৭, ৭৩, ০৪০ গৰাকী গৃহহীন লোক আছে। ছাতৰ সৈতে গাঁথনি বা নিৰ্মাণ কৰা 'পিয়ল গৃহ'ত বাস নকৰা ব্যক্তি বা পৰিয়ালক গৃহহীন বুলি কোৱা হয়। ভাৰতবৰ্ষত এনে গৃহহীন লোকৰ ৫২.৯ শতাংশ চহৰ অঞ্চলত আৰু ৪৭.১ শতাংশ গ্ৰামাঞ্চলত বাস কৰে। দেশখনৰ মুঠ বাসগৃহৰ সংখ্যা ৫২.০৬ নিযুতৰ পৰা ৭৮.৪৮ নিযুতলৈ বৃদ্ধি পালেও এতিয়াও ১৮.৭৮ নিযুত গৃহৰ নাটনি আছে (২০১১ চনৰ পিয়ল অনুসৰি) তেনে প্ৰেক্ষাপটত পৰ্যাপ্ত পৰিমাণে বাসগৃহৰ ব্যৱস্থা কৰাটো আজিৰ সময়ত ভাৰতবৰ্ষৰ বাবে গুৰুতৰ প্ৰত্যাহ্বান। দৰিদ্ৰতা নিৰ্মূলকৰণৰ ক্ষেত্ৰতো দৰিদ্ৰৰ বাবে গৃহ এটা জটিল কাৰক। ভাৰতবৰ্ষত প্ৰায় তিনি চতুৰ্থাংশ লোক গ্ৰামাঞ্চলত বাস কৰে। গ্ৰামাঞ্চলত পৰ্যাপ্ত পৰিমাণৰ বাসস্থানৰ অভাৱ গ্ৰামাঞ্চলত সংস্থাপনৰ সা-সুবিধাবোৰ নথকাৰ বাবে নগৰ অঞ্চলত গৃহহীনৰ সংখ্যা আৰু বস্তি অঞ্চল বৃদ্ধি হৈ সমস্যাৰ সৃষ্টি কৰিছে। আনহাতে দাৰিদ্ৰ্য সীমাৰেখাৰ তলত অধিকসংখ্যক লোক বাস কৰা গ্ৰামাঞ্চলত পৰ্যাপ্ত পৰিমাণৰ বাসগৃহৰ অভাৱৰ বিষয়টোৱে গুৰুতৰ ৰূপ ধাৰণ কৰিছে।

স্বাধীনতাৰ তাৎক্ষণিক পৰৱৰ্তী সময়ত শৰণাৰ্থীসকলৰ পুনৰ সংস্থাপনৰ বাবে দেশত ৰাজহুৱা বাসগৃহ আঁচনি প্ৰৱৰ্তন কৰা হৈছিল। ১৯৬০ চনলৈকে ভাৰতৰ বিভিন্ন প্ৰান্তত প্ৰায় ৫ লাখ পৰিয়াললৈ বাসগৃহ আগবঢ়োৱা হৈছিল। পৰৱৰ্তী সময়ত দাৰিদ্ৰ্য সীমাৰেখাৰ তলত (বি পি এল) বাস কৰা পৰিয়ালবোৰৰ বাসস্থানৰ প্ৰয়োজনীয়তা পূৰাবলৈ ১৯৯৬ চনৰ ১ জানুৱাৰীৰপৰা প্ৰযোজ্য হোৱাকৈ ইন্দিৰা আৱাস যোজনা আই এ ৱাই নামৰ এখন স্বতন্ত্ৰীয়া আঁচনি আৰম্ভ কৰা হয়। প্ৰৱৰ্তন কৰাৰ ৩০ বছৰ পাছতো আই এ ৱায়ে গ্ৰাম্য বাসস্থানৰ নাটনি চকুত লগাকৈ দূৰ কৰিব পাৰিলেও এই আঁচনিয়ে সামৰি ল'ব পৰাৰ সীমিত সুবিধাৰ হেতু গ্ৰাম্য বাসগৃহৰ সুবিধা সম্পৰ্কত এই আঁচনিখনৰ ফলাফলত এটা সহানুভূতিশীল ব্যৱধান পৰিলক্ষিত হয়। সেইবাবে পৰ্যাপ্ত বাসগৃহৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব উপলব্ধি কৰি ভাৰত চৰকাৰে ২০২২-ৰ ভিতৰত সকলোৰে বাবে বাসগৃহ প্ৰদানৰ এক উল্লেখনীয় প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। চৰকাৰৰ প্ৰতিশ্ৰুতি আৰু গ্ৰাম্য বাসগৃহৰ ব্যৱধানৰ মোকাবিলা কৰাৰ বাবে ২০১৬ চনৰ ১ এপ্ৰিলৰপৰা প্ৰযোজ্য হোৱাকৈ আই এ ৱাইক প্ৰধান মন্ত্ৰী আৱাস যোজনা—গ্ৰামীণ (পী এম এ ৱাই জী) হিচাপে পুনৰ গঠন কৰা হৈছে। শেহতীয়াভাৱে প্ৰধান মন্ত্ৰী আৱাস যোজনা (পী এম অ' ৱাই)ৰ জৰিয়তে

**দৰিদ্ৰ সবলীকৰণ— প্ৰধান মন্ত্ৰী আবাস যোজনা— গ্ৰাম্য প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে বাসগৃহ**

| | |
|---|---|
| ২০১৯ ৰ ভিৰতত ১ কোটি বাসগৃহ নিৰ্মাণ কৰিবলগীয়া | বাসগৃহৰ আকাৰ ২০ বৰ্গ মিটাৰৰপৰা ২৫ বৰ্গ মিটাৰলৈ বৃদ্ধি |
| ইউনিট সাহায্য ২০,০০০ টকাৰপৰা ১,২০,০০০ টকালৈ বৃদ্ধি | প্ৰতি বাসৃহতে থাকিব শৌচালয় |

***সমীৰা সৌৰভ ভাৰত চৰকাৰৰ গ্ৰাম্য উন্নয়ন দপ্তৰৰ সঞ্চালক (এম জী এন আৰ ই জী এ)। ৰাহুল সিং ব্যৱসায় পৰামৰ্শদাতা আৰু বিশ্লেষক।**

আৰ্থিকভাৱে দুৰ্বল শ্ৰেণী (ই ডব্লিউ এছ) আৰু নিম্ন আয়ৰ গোট (এল আই জি) ৰ উপৰি মধ্য আয়ৰ গোটৰ বাসগৃহৰ প্ৰয়োজনীয়তা পূৰণৰ বাবেও সম্প্ৰসাৰণ কৰা হৈছে। চৰকাৰৰ '২০২২ লৈ সকলোৰে বাবে বাসগৃহ আঁচনিখনৰ লক্ষ্য হ'ল চহৰাঞ্চলত দুই কোটি আৰু গ্ৰামাঞ্চলত তিনি কোটি বহনযোগ্য বাসগৃহ নিৰ্মাণ। এই গৃহনিৰ্মাণ আঁচনিখন এম এন আৰ ই জী এ আৰু অনাময় আঁচনিৰ সৈতে সংযোজিত কৰিব পাৰে যাতে বাসগৃহবোৰত 'উন্নত মানসম্পন্ন নলা সেৱাৰ ব্যৱস্থা থাকে।' '২০২২ চনত সকলোৰে বাবে বাসগৃহ আঁচনিৰ অধীনত প্ৰতি বছৰে গ্ৰামাঞ্চলত প্ৰায় ৪০ লাখ বাসগৃহ নিৰ্মাণ কৰিব লাগিব। তাৰে পদক্ষেপ হিচাপে ২০১৬-১৭ৰ পৰা ২০১৮-১৯ বৰ্ষৰ ভিতৰত ৮১,৯৭৫ কোটি টকা ব্যয় সাপেক্ষে এক কোটি বাসগৃহ নিৰ্মাণত অনুমোদন জনাইছে। এই পদক্ষেপ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ২০২২ চনৰ ভিতৰত 'সকলোৰে বাবে বাসগৃহ'ৰ লক্ষ্যৰ এটা সংৰেখন। আৰ্থ-সামাজিক বৰ্ণ পিয়ল (এছ ই চী চী) ২০১১ ৰ তদৰ্থ তথ্য অনুসৰি দেশৰ গ্ৰামাঞ্চলৰ প্ৰায় চাৰিকোটি পৰিয়ালে বাসগৃহৰ অভাৱত ভুগি আছে। প্ৰধান মন্ত্ৰী আৱাস যোজনা- গ্ৰামীণ (পী এম এ ৱাই জী)ৰ অধীনত ২০১৬-১৭ৰপৰা ২০১৮-১৯ বিত্তীয় বৰ্ষলৈ প্ৰথম স্তৰত এক কোটি বাসগৃহ নিৰ্মাণৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। পৰৱৰ্তীভাৱে ২০২২ চনলৈ যি লক্ষ্য সন্মুখত ৰখা হৈছে, সেয়া সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলে কৰা আৰ্থ-সামাজিক বৰ্ণ পিয়লৰ ওপৰত ভিত্তি কৰি স্থায়ী অপেক্ষাৰ তালিকা নিৰ্দ্ধাৰণ আৰু চূড়ান্তকৰণ কৰা হ'ব। এই লক্ষ্যত উপনীত হোৱাৰ বাবে কাৰিকৰী সমৰ্থন আগবঢ়াবলৈ ৰাষ্ট্ৰীয় পৰ্যায়ত গ্ৰাম্য বাসগৃহৰ বাবে ৰাষ্ট্ৰীয় কাৰিকৰী সমৰ্থন প্ৰাধিকৰণ (এন টী এছ এ) স্থাপন কৰা হ'ব। দেশৰ বাজেটৰ সহায়ত আৰু ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক (নাবাৰ্ড)ৰপৰা এই ক্ষেত্ৰত পৰ্যাপ্ত পৰিমাণৰ আৰ্থিক উৎস সৃষ্টি কৰা হ'ব। বিলম্বিত আদায় আৰু সম্পূৰ্ণকৰণ ত্বৰান্বিত কৰাৰ বাবে প্ৰত্যক্ষ লাভ ট্ৰান্সফাৰ (ডী বী টী)ৰ সহযোগিতা আন এক মাধ্যম হিচাপে ব্যৱহৃত হৈছে। বৃদ্ধিৰ বাবে এক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

পী এম এ ৱাই জী আঁচনিৰ অধীনত পকী বাসগৃহ নিৰ্মাণৰ বাবে প্ৰতিগৰাকী হিতাধিকাৰীলৈ সমতল অঞ্চলত ১.২০ লাখ টকা আৰু পাৰ্বত্য, জটিল অঞ্চল আৰু আই এ পি জিলাত ১.৩০ লাখ টকা আগবঢ়োৱা হয়। যিবোৰ অঞ্চলত নিৰ্মাণ সামগ্ৰীৰ যোগান সুলভ নহয়, যোগাযোগ ব্যৱস্থা অনুন্নত, ভূ-প্ৰাকৃতিক আৰু জলবায়ুৰ অৱস্থা অনুন্নত হোৱা হেতুকে

## গৃহ মধুৰ গৃহ

- চলিত বিত্তীয় বৰ্ষত চৰকাৰে আঁচনিৰ বাবে ১৫,০০০ কোটি টকা আবণ্টন দিছে।
- প্ৰতিটো পৰিয়ালৰ বাবে আদায় দিয়া ধনৰ পৰিমাণ পূৰ্বৰ ৭৫,০০০ টকাৰপৰা ১.২ লাখ টকালৈ বৃদ্ধি।
- প্ৰতি ঘৰৰ কালি ২২ বৰ্গ মিটাৰৰ পৰা ২৫ বৰ্গ মিটাৰলৈ বৃদ্ধি।
- পৰিয়ালৰ বাবে সংযোজন নীতিৰ ভিতৰত যান্ত্ৰিক বাহন বা নাওৰ মালিকীস্বত্ব, লেণ্ডলাইন ফোন ২.৫ একৰতকৈ অধিক জলসিঞ্চন কৰিব পৰা ভূমি, ৫০,০০০ টকাৰ ক্ৰেডিট সীমা সহ কে চী চী আৰু চৰকাৰৰ ক্ষেত্ৰত আয়কৰ প্ৰদান স্থিতি

| | |
|---|---|
| ২০১৫ চনৰ জুলাইত আৰম্ভ কৰা এছ ই চী য়ে ১৪ টা ক্ষেত্ৰত বঞ্চিতৰ মান নিৰ্ণয়ৰ বাবে ৬৪০খন জিলাৰ ২৪.৩৯ কোটি পৰিয়ালৰ ঘৰে ঘৰে নিৰীক্ষণ | সৰ্বাধিক বঞ্চিত স্ক'ৰ লাভ কৰা সৰ্বাধিক পৰিয়ালে চৰকাৰী সুবিধা লাভ কৰিব। |
| এছ ই চী চী ডাটা অনুসৰি ১৩% বা ২.৩৭ কোটি গ্ৰাম্যগৃহত মাত্ৰ এটা কোঠালি, কেঁচা বেৰ আৰু কেঁচা ছাত আছে। | আগন্তুক সাত বছৰত চৰকাৰে গ্ৰাম্য দৰিদ্ৰ জনসাধাৰণৰ বাবে তিনিকোটি গৃহ নিৰ্মাণৰ লক্ষ্য বান্ধি লৈছে। |

এম আই এছ-আৱাসছফ্ট (MIS-Awaassoft) আঁচনিৰ জৰিয়তে সমন্বিত অনলাইন নিৰীক্ষণ ব্যৱস্থা কৰা হৈছে। বিলম্ব পৰিহাৰ কৰিববলৈ বাসগৃহৰ পৰিদৰ্শন আৰু ভৌগোলিক ব্যৱস্থা প্ৰৱৰ্তনৰ কাৰণে AwaasApp নামৰ এক মোবাইল এপৰ সহায় ল'ব পাৰি। প্ৰশিক্ষণ, নিৰ্দ্ধাৰণ আৰু প্ৰমাণ পত্ৰ প্ৰদান কৰি প্ৰশিক্ষিত গ্ৰাম্য ৰাজ্যমিস্ত্ৰীৰ সংখ্যা নিৰ্মাণ ব্যয় বৃদ্ধি হয়, তেনেবোৰ ঠাইত এই সাহায্যৰ তাৰতম্য ঘটিব পাৰে। এখন ৰাজ্যৰ ভিতৰত জটিল হিচাপে চিহ্নিত কৰা এই অঞ্চল বিশেষত ৰাজ্য চৰকাৰেও সহযোগিতা আগবঢ়োৱাৰ ব্যৱস্থা কৰে। অঞ্চল বিশেষত সুলভ সম্পদৰ জৰিয়তে সময় মতে মান সম্পন্ন বাসগৃহ নিৰ্মাণৰ বাবে হিতাধিকাৰীসকলক বিত্তীয় সাহায্যৰ উপৰি কেতবোৰ অন্যান্য সা-সুবিধা

আগবঢ়োৱা প্ৰয়োজন। তাৰে পদক্ষেপ হিচাপে সম্পদ আৰু কেঁচামালৰ স্তৰ ভিত্তিক প্ৰয়োজনীয়তা স্থানীয় অৱস্থাৰ সৈতে সম্পৰ্কীয় গৃহৰ আৰ্হি প্ৰস্তুত, সীমিত ব্যয়ৰ নিৰ্মাণ প্ৰযুক্তি, নিৰ্মাণ সামগ্ৰীৰ যোগান, পৰ্যাপ্ত পৰিমাণৰ প্ৰশিক্ষিত ৰাজমিস্ত্ৰীৰ সুলভতা আদিও হিতাধিকাৰীসকললৈ আগবঢ়োৱা হয়।

সমৰ্থন সেৱাৰ ব্যৱস্থা সমূহ নিম্নোক্ত ক্ষেত্ৰসমূহত গ্ৰহণ কৰা প্ৰয়োজন—

(ক) হিতাধিকাৰীৰ সজাগতা
(খ) উন্নয়ন আৰু গৃহ আৰ্হি পদ্ধতিৰ ব্যৱস্থা
(গ) ৰাজমিস্ত্ৰীৰ প্ৰশিক্ষণ আৰু দক্ষতাৰ প্ৰমাণ পত্ৰ
(ঘ) নিৰ্মাণ সামগ্ৰীৰ ব্যৱস্থা
(ঙ) বৃদ্ধ আৰু অক্ষম হিতাধিকাৰীলৈ সহায়-সহযোগিতা
(চ) বেংকৰপৰা ৭০,০০০ টকালৈকে ঋণৰ ব্যৱস্থা।

উন্নয়ন আৰু গৃহ আৰ্হি পদ্ধতিৰ ব্যৱস্থা সকলোৰে বাবে গৃহৰ অভিনৱ কৌশল।

কেতবোৰ বিশেষ ধৰণৰ ব্যৱস্থা যথা স্থানীয় পৰিস্থিতি অনুসৰি গৃহ-আৰ্হি, তেওঁলোকৰ অঞ্চলৰ উপাযুক্তকৈ গঢ়িব পৰা ধৰণৰ প্ৰযুক্তি আদিৰ ওপৰত ভিত্তি কৰি হিতাধিকাৰী নিৰ্বাচন কৰাটো ৰাজ্যসমূহে আশা কৰে। তদুপৰি মূল গৃহৰ আৰ্হি প্ৰস্তুত কৰোঁতে স্বাস্থ্যসন্মত ৰান্ধনিশাল, এটা শৌচালয় আৰু স্নানগাৰো সংলগ্ন কৰা প্ৰয়োজন। আনহাতে হিতাধিকাৰীসকল বসবাস কৰা অঞ্চলৰ প্ৰাকৃতিক অৱস্থাৰ সৈতে সামঞ্জস্য ৰাখি আৰু ভূমিকম্প, ঘূৰ্ণীবতাহ, বান আদিৰ দৰে প্ৰাকৃতিক দুৰ্যোগ (য'ত প্ৰয়োজন)ত ক্ষয় ক্ষতি হ'ব নোৱাৰাকৈ ঘৰবোৰৰ বেৰ আৰু ছাত শক্তিশালীকৈ নিৰ্মাণ কৰা প্ৰয়োজন। ইফালে ঘৰবোৰৰ আৰ্হি প্ৰস্তুত কৰোঁতে নিম্নোক্ত ব্যৱস্থা সমূহ সংলগ্ন কৰা প্ৰয়োজন যাতে পৰৱৰ্তী সময়ত হিতাধিকাৰীসকলে সুলভ সম্পদৰ ওপৰত ভিত্তি কৰি সংযোজনা কৰিব পাৰে।

(ক) জীৱিকা নিৰ্বাহৰ বাবে প্ৰয়োজনীয় কাৰ্য সম্পাদন কৰিবলৈ পৰ্যাপ্ত স্থান।
(খ) বৰষুণৰ পানী সংৰক্ষণ আৰু ব্যৱহাৰৰ ব্যৱস্থা
(গ) এখন বাৰাণ্ডা।

২০১৮-১৯ বিত্তীয় বৰ্ষৰ ভিতৰত ১.০০ কোটি বাসগৃহ নিৰ্মাণৰ বাবে পি এম ৱাই জি আঁচনিৰ অধীনত মুঠ ১,৩০,০৭৫ কোটি টকা ব্যয় ধাৰ্য কৰা হৈছে। এই ব্যয় কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যচৰকাৰ বোৰৰ মাজত ৬০ঃ৪০ত ধাৰ্য কৰা হৈছে। উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যবোৰ আৰু তিনিখন হিমালয়ান ৰাজ্য যথা জম্মু আৰু কাশ্মীৰ, হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডৰ এই ব্যয়ৰ অনুপাত ৯০ঃ১০ ধাৰ্য কৰা হৈছে। আনহাতে কেন্দ্ৰীয় শাসিত অঞ্চল (ইউ টী)বোৰৰ ক্ষেত্ৰত ভাৰত চাৰকাৰে সম্পূৰ্ণ ব্যয় বহন কৰিব।

এই আঁচনিৰ মুঠ ব্যয়ৰ কেন্দ্ৰীয় অংশ হিচাপে নিৰ্দ্ধাৰণ কৰা হৈছে ৮১,১৭৫ কোটি টকা। ইয়াৰ ভিতৰত ৬০,০০০ কোটি টকা বাজেট সমৰ্থিত আৰু ২১,৯৭৫ কোটি টকা নাবাৰ্ডৰপৰা ঋণ হিচাপে আহিব যি ঋণ ২০২২ৰ পাছত বাজেট অনুমোদন হিচাপে কিস্তি দিয়া হ'ব।

ৰাজ্যবোৰে গাঁও পঞ্চায়ত উন্নয়ন খণ্ড বা জিলাক এটা গোট হিচাপে ধৰিব। এছ এ জী ৱাই গাঁও পঞ্চায়ত গ্ৰাম্য গোট, অপেন ডিফেকচন মুক্ত গাঁও পঞ্চায়ত আৰু গাঁও পঞ্চায়তবোৰক অগ্ৰাধিকাৰ দি সংশ্লিষ্ট ক্ষেত্ৰত থকা ডে এন আৰু এল এম মহিলা আত্মসহায়ক গোট আদিৰ জৰিয়তেও শক্তিশালি সামাজকি আয় কৰা হ'ব।

অক্ষম ব্যক্তি (সম সুবিধা, অধিকাৰ সুৰক্ষা আৰু সম্পূৰ্ণ অংশগ্ৰহণ) আইন ১৯৯৫-এ অক্ষম ব্যক্তিসকললৈ সামাজিক সুৰক্ষা প্ৰদান কৰে। সেই অনুসৰি, পী এম ৱাই জী আঁচনিয়ে যিসকল হিতাধিকাৰীলৈ সাহায্য আগবঢ়ায়, পৰিয়ালত কোনো অক্ষম ব্যক্তি থাকিলে আৰু প্ৰাপ্তবয়স্ক সদস্যৰ কোনো সক্ষম ব্যক্তি নাথাকিলে তেনে পৰিয়ালক বাসগৃহ আগবঢ়োৱাত অগ্ৰাধিকাৰ দিয়া হয়। অক্ষম ব্যক্তি আইন ১৯৯৫ৰ ধাৰা অনুসৰি ৰাজ্যবোৰে সম্ভাব্য সকলো সুবিধা আগবঢ়াব আৰু এইক্ষেত্ৰত ৰাজ্যিক পৰ্যায়ত অক্ষম ব্যক্তিৰ বাবে হিতাধিকাৰী ৩ শতাংশ যাতে হয় তাক নিশ্চিত কৰিব।

পী এম এ ৱাই জীৰ অধীনত হিতাধিকাৰীক এম জি এনৰেগাৰ জব কাৰ্ডধাৰীক নিৰ্দ্ধাৰিত বছৰি ১০০ দিনৰ ওপৰঞ্চি কাম কৰাৰ সুবিধা আগবঢ়ায়। ইয়াৰ জৰিয়তে গৃহবোৰৰ নিৰ্মাণ খৰতকীয়া হোৱাৰ উপৰি গ্ৰামাঞ্চলত অতিৰিক্তভাৱে কৰ্মত আত্মনিয়োগ কৰিব বিচৰালোকসকললৈ অতিৰিক্ত আয়ৰ সুবিধা প্ৰদান কৰা হয়।

পৰৱৰ্তীভাৱে গ্ৰাম সভাৰদ্বাৰা নিৰ্দ্ধাৰণ কৰা এছ ই চী চী ২০১১ৰ দ্বাৰা সামৰি লোৱা নীতি অনুসৰি যদি সম্ভৱ হয় মুঠ নিধিৰ ১৫ শতাংশ ৰাষ্ট্ৰীয় পৰ্যায়ৰ সংখ্যালঘু পৰিয়ালৰবোৰৰ বাবে চিহ্নিত কৰা হয়। ৰাজ্য/কেন্দ্ৰীয় শাসিত প্ৰদেশবোৰত সংখ্যালঘুসকলৰ বাবে সংৰক্ষণৰ সুবিধাৰ ক্ষেত্ৰত সংশ্লিষ্ট ৰাজ্য/কেন্দ্ৰীয় শাসিত প্ৰদেশবোৰত

২০১১ চনৰ লোক পিয়লত সন্নিৱিষ্ট সংখ্যালঘু ব্যক্তিৰ গ্ৰাম্য জনসংখ্যা ভিত্তিত হ'ব। সি যি কি নহওক, এই ক্ষেত্ৰত স্থায়ী অপেক্ষাৰ তালিকা এছ ই চি চিৰ তথ্য গাঁও সভাই নিৰীক্ষণ কৰাৰ ভিত্তিত চূড়ান্ত কৰা হ'ব আৰু ইয়াৰ ভিত্তিতে প্ৰতিখন ৰাজ্য/কেন্দ্ৰীয় শাসিত প্ৰদেশে সংখ্যালঘুৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰিব। সংখ্যালঘু চিহ্নিত কৰণৰ ক্ষেত্ৰত সংখ্যালঘুৰ ৰাষ্ট্ৰীয় আয়োগ আইন, ১৯৯২ৰ ধাৰা ২-(গ)ৰ অধীনত জাৰি কৰা সংখ্যালঘুসকলৰ ভিত্তিত হ'ব।

## সমৰ্থন পদ্ধতিৰ প্ৰয়োগ

**(গ্ৰাম্য গৃহৰ কাৰণে ৰাষ্ট্ৰীয় কাৰিকৰী সমৰ্থন প্ৰাধিকৰণ)**

সকলোৰে বাবে গৃহৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত কাৰিকৰী সমৰ্থন আগবঢ়োৱাৰ বাবে ৰাষ্ট্ৰীয় স্তৰত গ্ৰাম্য বাসগৃহৰ বাবে ৰাষ্ট্ৰীয় কাৰিকৰী সমৰ্থন প্ৰাধিকৰণ (এন টি এছ এ) স্থাপন কৰা হৈছে । এই প্ৰাধিকৰণৰ কাম-কাজবোৰ হৈছে মানসম্পন্ন নিৰ্মাণ নিশ্চিতকৰণ, ৰূপায়ণ, নিৰীক্ষণ, অতিৰিক্ত বাজেট অৰ্থ পৰিচালনা, তথ্য শিক্ষা আৰু যোগাযোগ (আই ই চী) কাৰ্যাৱলী, ই-প্ৰশাসন সমাধানত উন্নয়ন আৰু পৰিচালনা, ডাটা আলোচনা, প্ৰশিক্ষণ আৰু কৰ্মশালাৰ ব্যৱস্থা কৰা। ইয়াৰ লগতে ৰাজ্য/কেন্দ্ৰীয় অঞ্চলবোৰে চিহ্নিত কৰা কাৰিকৰী সুবিধাদান কেন্দ্ৰবোৰৰ কামকাজৰ সমন্বয়/নিৰীক্ষণ/সুবিধা প্ৰদান আদিও চোৱা হয়।

## অগ্ৰসৰতা

গৃহ নিৰ্মাণৰ ক্ষেত্ৰত সহায় আগবঢ়োৱাৰ উপৰি প্ৰাথমিক সা-সুবিধাবোৰ প্ৰদানৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য/কেন্দ্ৰীয় শাসিত প্ৰদেশৰ চৰকাৰবোৰ প্ৰচলিত আঁচনিৰ এক বিন্দু অভিমুখে অগ্ৰসৰ হোৱাৰ প্ৰয়োজন। প্ৰাথমিক সা-সুবিধা প্ৰদানৰ ক্ষেত্ৰত বিভিন্ন আঁচনিবোৰ একেদিশে অগ্ৰসৰ হোৱাৰ প্ৰয়োজন। ইয়াৰ ভিতৰত ঃ

(ক) পী এম এ ৱাই জী গৃহৰ ক্ষেত্ৰত শৌচালয়ৰ নিৰ্মাণ এটা অভিন্ন অংশ। শৌচালয় নিৰ্মাণৰ বাবে হিতাধিকাৰীসকলক নিধি স্বচ্ছ ভাৰত মিছন গ্ৰামীণ (এছ বী এম জী) এম, জী এনৰেগা বা আন উৎসৰ্গিত আৰ্থিক উৎসৰপৰা সাহাৰ্য্য আগবঢ়োৱা হ'ব শৌচালয় নিৰ্মাণৰ পাছতহে ঘৰবোৰৰ নিৰ্মাণ সম্পূৰ্ণ হোৱা বুলি ধৰা হ'ব।

(খ) পী এম এ ৱাই জী হিতাধিকাৰী-সকলে তেওঁলোকৰ ঘৰ নিৰ্মাণৰ ক্ষেত্ৰত এম জী এনৰেগাৰ জৰিয়তে একে বিন্দুতে অগ্ৰসৰ হোৱাৰ বাবে চলিত নিৰিখত দক্ষতাবিহীন কৰ্ম সংস্থাপনৰ ৯০ কৰ্মদিন (পাৰ্বত্য জিলাবোৰ, জটিল অঞ্চল আৰু আই এ পি জিলাৰ ক্ষেত্ৰত ৯৫ কৰ্মদিন) সৃষ্টি। দুটা এম আই এছৰ পী এম এ ৱাই জীৰ Awaassoft আৰু এম জী এনৰেগাৰ NREGAsoft-ৰ মাজত ছাৰভাৰৰ পৰা ছাৰভাৰলৈ সমন্বয় যাতে Awaassoft-ত অনুমোদন জনোৱা ঘৰ স্বয়ংক্ৰিয়-ভাৱে NREGAsoft-ত নিৰ্মাণ নিৰ্দ্ধাৰণ হয়, যাতে কামবোৰ খৰতকীয়া হয়।

(গ) জীৱনৰ আন এটা মৌলিক প্ৰয়োজনীয়তা হ'ল খোৱাপানী। পী এম এ ৱাই— জীৰ হিতাধিকাৰী-সকলে খোৱাপানী আৰু অনাময় মন্ত্ৰণালয়ৰ ৰাষ্ট্ৰীয় গ্ৰাম্য খোৱা পানী কাৰ্যসূচী (এন আৰ ডী ডব্লিউ পী) বা সমধৰ্মী আঁচনিৰ জৰিয়তে বিশুদ্ধ খোৱা পানী লাভ কৰে তাৰ ব্যৱস্থা কৰা।

(ঘ) শক্তি মন্ত্ৰণালয়ৰ দীনদয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনা (ডী ডী ইউ জী জে ৱাই) আঁচনিৰ সৈতে অগ্ৰসৰ হোৱা যাতে পী এম এ ৱাই জীৰ হিতাধিকাৰীসকলে বিদ্যুৎ সংযোগ লাভ কৰে। ৰাজ্য/কেন্দ্ৰীয়শাসিত অঞ্চলবোৰে নিশ্চিত কৰা প্ৰয়োজন যে পি এম এ ৱাই জীৰ হিতাধিকাৰীসকলে নতুন আৰু নৱীকৰণ শক্তি উৎস মন্ত্ৰণালয়ে (এম এন আৰ ই এছ) ৰূপায়ণ কৰা আঁচনিৰ জৰিয়তে সৌৰ লেম্প, সৌৰ গৃহ লাইটিং ব্যৱস্থা, সৌৰ পথ লাইটিং ব্যৱস্থা, পৰিষ্কাৰ ৰন্ধন শক্তি ব্যৱস্থা হিচাপে ৰাষ্ট্ৰীয় বায়'মাছ কুকষ্ট'ভ প্ৰগ্ৰাম (এন বী চী পী) আৰু ৰাষ্ট্ৰীয় জৈৱ-গেছ আৰু সাৰ পৰিচালন কাৰ্যসূচীৰ অধীনত বায়'গেছ ইউনিট লাভ কৰে।

(ঙ) পী এম এ ৱাই জীৰ হিতাধিকাৰী-সকলক পৰিষ্কাৰ আৰু অধিক সক্ষম ৰন্ধন ইন্ধন যোগান ধৰাৰ বাবে ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলবোৰে পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰণালয়ৰ প্ৰধান মন্ত্ৰী উজ্বলা যোজনা (পী এম ইউ ৱাই)ৰ অধীনত এল পী জী সংযোগ প্ৰদান কৰাৰ ব্যৱস্থা।

(চ) ঘৰৰ বাহিৰ ভিতৰ পৰিষ্কাৰ ৰখাৰ বাবে গোটা আৰু তৰল আৱৰ্জনা সঠিকভাৱে ব্যৱস্থা কৰা প্ৰয়োজন। সেয়ে ৰাজ্য/কেন্দ্ৰীয় শাসিত প্ৰদেশৰ চৰকাৰবোৰে স্বচ্ছ ভাৰত অভিযান (জী) বা ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰৰ কোনো আঁচনিৰ জৰিয়তে গোটা আৰু

তৰল আৱৰ্জনা ব্যৱস্থাপনাৰ ব্যৱস্থা কৰা প্ৰয়োজন।

(ছ) নিৰ্মাণ সামগ্ৰীৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে এম জী এনৰেগাৰ সৈতে আগবাঢ়ি ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰবোৰ নিৰ্মাণ সামগ্ৰীৰ উৎপাদন ইটা, ষ্টেবিলাইজাইড মাড ব্লক, ফ্লাই এছ ব্ৰিক আদিৰ ব্যৱস্থা কৰিব লাগে। এই উৎপাদিত সামগ্ৰীবোৰ পী এম এ ৱাই জীৰ হিতাধিকাৰীসকলক যোগান ধৰিব লাগে।

(জ) ৰাজ্য/কেন্দ্ৰীয় শাসিত প্ৰদেশবোৰে এম জি এনৰেগাৰ সৈতে একে বিন্দুত অগ্ৰসৰ হৈ গোট/ব্যক্তিগত সা-সুবিধাৰ ব্যৱস্থা যথা গৃহস্থানৰ উন্নয়ন বায়' ফেন্সিং, খোজকঢ়া স্থান, ঘৰলৈ সংযোগী পথ বা ষ্টেপ, ভূমি সংৰক্ষণ আৰু প্ৰতিৰোধ কাম আদি পী এম এ ৱাই জী হিতাধিকাৰীসকলক ব্যৱস্থা কৰিব লাগে।

এছ ই চী চী ২০১১ৰ তথ্য ভিত্তিক গ্ৰাম সভাই বিশ্লেষণ কৰি পী এম এ ৱাই (গ্ৰামীণ)ৰ হিতাধিকাৰী নিৰ্বাচন কৰে আৰু একেই তথ্য আন বহু কাৰ্যসূচীৰ বাবেও ব্যৱহাৰ কৰা হয়, এক বিন্দুত অগ্ৰসৰ হোৱাৰ লক্ষ্য বান্ধি আদায় কৰা লাভবোৰ যদি নিয়মীয়াকৈ নিৰীক্ষণ কৰা হয়, তেন্তে লাভবোৰ সহজে আদায় কৰা সম্ভৱ।

**ৰিপ'ৰ্টিং আৰু মণিটৰিং**

পী এম এ ৱাই জী কাৰ্যসূচীৰ প্ৰণয়ন আৰু নিৰীক্ষণ ই গভৰ্ণেঞ্চ অন্তৰপৰা অন্তলৈ ব্যৱস্থাৰ জৰিয়তে সম্পাদন কৰা হয়। আঁচনিৰ সেৱা আদায়ৰ বাবে ই গভৰ্ণেঞ্চৰ দুটা ব্যৱস্থা আছে যথা ঃ

(ক) পী এম এ ৱাই জী এম আই এছ— Awaassoft

(খ) পী এম এ ৱাই জী ম'বাইল এপ্লিকেচন AwaasApp.


পী এম এ ৱাই জীৰ অধীনত নিৰীক্ষণ ব্যৱস্থা গ্ৰহণৰ বাবে এক শক্তিশালী নিৰীক্ষণ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। Awaassoft-ত প্ৰয়োজনীয় তথ্য যাতে সঠিক সময়ত দিয়া হয় তাৰ বাবে নিৰীক্ষণৰ ব্যৱস্থা আছে। Awaassoft-ত দিয়া তথ্যবোৰ বিভিন্ন ব্যৱস্থাৰ নিৰীক্ষণৰদ্বাৰা প্ৰদান কৰা ব্যৱস্থাৰ ওপৰত ভিত্তি কৰি দিয়া হয়। নিৰীক্ষণ ব্যৱস্থা ভালদৰে চলাৰ বাবে কেন্দ্ৰীয় দল (এৰিয়া অফিচাৰ আৰু এন এল এম), সাংসদ, ৰাজ্য/কেন্দ্ৰীয় শাসিত প্ৰদেশবোৰৰ উন্নয়ন মাত্ৰ Awaassoft-ৰপৰা সংগৃহীত তথ্যৰ আধাৰত হয়।

**আৱাসছফ্‌ট (Awaassoft)**

পী এম এ ৱাই জীৰ ই-গভৰ্ণেঞ্চ আগবঢ়োৱাৰ বাবে Awaassoft এটা ৱেব ভিত্তিক ইলেকট্ৰনিক ছাৰ্ভিচ ডেলিভাৰী প্লেটফৰ্ম।

**সকলোৰে বাবে গৃহ লাভৰ বাবে সমৰ্থন ব্যৱস্থা**

গৃহ নিৰ্মাণ কাৰ্যত বহনক্ষম উন্নয়ন লাভৰ বাবে পৰ্যাপ্ত পৰিমাণৰ ভূমি, আন্তঃগাঁথনিমূলক সুবিধা আৰু সেৱাৰ সময়োচিত উন্নয়ন অতি গুৰুত্বপূৰ্ণ দিশ।




ৰাজ্যিক পৰ্যায়ৰ পী এম ইউনিটবোৰ আৰু সামাজিক গাণনিকৰ নিৰীক্ষণত গঠিত জিলা উন্নয়ন সমন্বয় আৰু নিৰীক্ষণ (দিশ)ৰ জৰিয়তে সম্পন্ন হয়।

সঠিক সময়ত উদ্ভট তথ্যৰ ভিত্তিত Awaassoft-এ বহুতো তথ্য যুগুত কৰে। পি এম এ ৱাইজিৰ অধীনৰ সকলো প্ৰতিবেদন Awaassoft-ৰ জৰিয়তে উদ্ভাৱন হয়। এই আঁচনিৰ অধীনত তাৰ বাবে স্পষ্ট ভূমি নীতি প্ৰণয়ন আৰু ৰূপায়ণ সৰ্বাধিক প্ৰয়োজনীয়। পী এম এ ৱাইৰ চহৰাঞ্চল আৰু গ্ৰামাঞ্চল দুয়োটা বাহুয়ে এটা দিশত লক্ষ্য নিৰ্দ্ধাৰণ কৰে। সেয়া হ'ল মালিকানাধীন বাসগৃহৰ ব্যৱস্থা। যিবোৰ অঞ্চলত বাসগৃহ নিৰ্মাণৰ বাবে পৰ্যাপ্ত পৰিমাণৰ ভূমিৰ অভাৱ সেই অঞ্চলবোৰত বিশেষকৈ গ্ৰামাঞ্চলত এটা প্ৰত্যাহ্বান আহি পৰিছে। তদুপৰি

নতুন গৃহ নিৰ্মাণ সামগ্ৰী যোগানত ব্যয় সীমিতকৰণ, কম ব্যয় সাপেক্ষ প্ৰযুক্তি আৰু নিৰ্মাণ আৰু উৎপাদন প্ৰক্ৰিয়াত উপযুক্ত প্ৰযুক্তিৰ ব্যৱস্থা কৰা আৰু নিৰ্মাণ সামগ্ৰী পুনৰ ব্যৱহাৰ কৰা আদি দিশবোৰ গুৰুত্ব দিয়া প্ৰয়োজন। সেয়ে এই ক্ষেত্ৰত স্থানীয়ভাৱে সুলভ কেঁচামাল ব্যৱহাৰ কৰা প্ৰয়োজন। পৰ্যাপ্ত পৰিমাণৰ গৃহ ব্যৱস্থা নথকা, নিম্ন আয়ৰ ঋণৰ বাবে নিম্ন আয় আৰু ন্যূনতম সুবিধা থকা গৃহ ঋণৰ ব্যৱস্থা কৰাৰ জৰিয়তে ভাৰতৰ লাখ লাখ ঘৰত অনাময়, বিশুদ্ধ খোৱাপানী, নৰ্দমা আৰু বিদ্যুৎ আদিৰ দৰে প্ৰাথমিক ব্যৱস্থা আগবঢ়াব পৰা যাব।

## সামৰণি

পী এম এ ৱাই জী দক্ষ ভাৰত, ডিজিটেল ভাৰত, মেইক ইন ইণ্ডিয়া, তথ্য প্ৰযুক্তি/প্ৰত্যক্ষ লাভ বিনিময় আধাৰ মঞ্চ আৰু প্ৰধানমন্ত্ৰী জন ধন যোজনাৰ সৈতে একলেগে আগবাঢ়ি যোৱাত এটা বৃহৎ পদক্ষেপ। এই আঁচনিয়ে ২০১৯ চনৰ ভিতৰত ৫ লাখ গ্ৰাম্য ৰাজমিস্ত্ৰীক দক্ষ কৰি গঢ়ি তোলা আৰু সমগ্ৰ দেশতে গৃহ আৰ্হিৰ বিতং অধ্যয়ন, পৰিৱেশিক প্ৰত্যাহ্বান আৰু গৃহত প্ৰয়োজনীয়তা আদিৰ ভিত্তিত দুই শতাধিক ভিন্ন গৃহ আৰ্হিৰ অনুমতি দিয়ে। তদুপৰি ৰান্ধনিশাল, বিদ্যুৎ সংযোগ, এল পী জী, শৌচালয় আৰু স্নানাগাৰ, খোৱাপানী আদি বিভিন্ন ব্যৱস্থাৰ জৰিয়তে একে বিন্দুত অগ্ৰসৰ হোৱাকৈ স্থানীয় সম্পদৰ সৰ্বাধিক ব্যৱহাৰত গুৰুত্ব প্ৰদান কৰা হৈছে। সেইদৰে এই আঁচনিয়ে দুখীয়া পৰিয়ালত তথ্য বিনিময় প্ৰযুক্তি (আই চি টি) আৰু স্পেছ টেকন'লজিৰ ব্যৱহাৰৰ জৰিয়তে পৰৱৰ্তীভাৱে হিতাধিকাৰী নিৰ্বাচন আৰু কামত উন্নয়ন সাধনৰ দিশবোৰ উলিয়াইছে।

নিৰ্মাণ খণ্ডই হ'ল ভাৰতবৰ্ষৰ কৰ্মসংস্থাপনৰ ক্ষেত্ৰত দ্বিতীয় বৃহৎ কেন্দ্ৰ। এই খণ্ডটোৰ সৈতে আগে পিছে আঢ়ৈ শতাধিক ভাটিয়নী উদ্যোগ সংযোজিত হৈ আছে। গ্ৰাম্যঞ্চলৰ জনসাধাৰণৰ বাবে গ্ৰাম্য বাসগৃহ নিৰ্মাণৰ ব্যৱস্থাই নিৰ্মাণখণ্ডৰ সৈতে জড়িত ব্যক্তিসকলৰ পেছাদাৰী চাহিদা পূৰণ কৰিব পাৰে। নিৰ্মাণ সামগ্ৰী ক্ৰয়, দক্ষ-অদক্ষ শ্ৰমিকৰ সেৱা গ্ৰহণ, যাতায়াত সেৱা আৰু গ্ৰামাঞ্চলত আৰ্থিক কাম-কাজ আৰু ব্যৱস্থাৰ বৃদ্ধিৰ বাবে আৰ্থিক উৎসৰ জৰিয়তে এটা ইতিবাচক পৰিস্থিতি সৃষ্টি আদিও উল্লেখনীয়। এই ক্ষেত্ৰত দুটা পৰ্যায়ত প্ৰভাৱ পৰা পৰিলক্ষিত হয়— নিৰ্মাণকালীন আৰু বসবাস কৰা সময়ত। ইতিবাচক পদক্ষেপবোৰৰ ভিতৰত সামাজিক মূলধন আৰু বহনক্ষম সম্প্ৰদায়ৰ জৰিয়তে সামাজিক সমন্বয় সাধিত হয়। তদুপৰি গৃহৰ অৱস্থা উন্নত কৰণৰ জৰিয়তে শ্ৰম উৎপাদনশীলতা আৰু ইতিবাচক স্বাস্থ্য উন্নতি আদিতো বহু উন্নয়ন দেখা যায়। ই মানৱ উন্নয়ন নিৰ্ণায়ক যথা পৰিপুষ্টি, অনাময়, প্ৰসূতি আৰু শিশু স্বাস্থ্য আদিতো ইতিবাচক অৰিহণা যোগায়। সামগ্ৰিকভাৱে ই জীৱনৰ মানৰ উন্নতি সাধন কৰি পাৰিৱেশিষ্টিক অৱস্থাৰ উন্নয়ন কৰে। এটা গৃহ হল অৰ্থনৈতিক সম্পদ আৰু স্বাস্থ্য আৰু শিক্ষা লাভৰ উপযুক্ত প্ৰভাৱ পেলাই সামাজিক স্থিতিৰ উন্নয়ন ঘটায়। স্থায়ী গৃহৰপৰা জ্ঞাত আৰু অজ্ঞাত বহুতো সুবিধা প্ৰচুৰ পৰিমাণে আহে আৰু ই পৰিয়াল আৰু স্থানীয় অৰ্থনীতিৰ বাবে মূল্যৱান হৈ পৰে। ❒

(২১ পৃষ্ঠাৰ পৰা)

অধিক স্বচ্ছতা আৰু দায়বদ্ধতা অনাত সহায় কৰিব আৰু ভূ-সম্পত্তিৰ ক্ৰেতা কোনো প্ৰবঞ্চনা বা ভুৱা প্ৰতিশ্ৰুতিৰ কবলৰ পৰা সুৰক্ষিত থাকিব।

সৰ্বোপৰি চৰকাৰী আঁচনি, ২০২২ চনলৈ সকলোৰে বাবে গৃহৰ বাবে ব্যক্তিগত খণ্ডৰ পৰা বৃহৎ নিধিৰ প্ৰয়োজন। ভূ-সম্পত্তি খণ্ডই প্ৰকল্পবোৰৰ বাবে ধন লাভ কৰিবলৈ যুঁজ অব্যাহত ৰাখিবলগীয়া হয় যিহেতু কোম্পানীবোৰ বৃহৎ ঋণৰ বোজাই কোঙা কৰি পেলায়। তেনে পৰিপ্ৰেক্ষিতত এই পদক্ষেপ সঠিক দিশত আগবঢ়া বুলি ক'ব পাৰি। এই পদক্ষেপে উপভোক্তাৰ লগতে যিসকল বিকাশকাৰীয়ে নিকা ব্যৱসায় চলায় তেওঁলোকৰ হকে বুলিব পাৰি। গ্ৰেট ব্ৰিটেইন আৰু অষ্ট্ৰেলিয়াৰ দৰে দেশবোৰৰ দৰে বিশ্বৰ বজাৰখনৰ আৰ্হি লৈ ক'ব পাৰি যে সেই খণ্ডটোত স্বচ্ছতা থকাৰ বাবে গৃহ নিৰ্মাণত প্ৰত্যক্ষ বিদেশী বিনিয়োগ ঘটাব পৰা যায়। ভূ-সম্পত্তি উদ্যোগেও এই বিধেয়কক আদৰণি জনাইছে কিয়নো তেওঁলোকে অনুভৱ কৰিছে যে প্ৰকল্প আবণ্টন জনোৱা চৰকাৰী প্ৰাধিকাৰীক এই আইনৰ অংশ কৰি লোৱা নাই বাবে অনুমোদন প্ৰক্ৰিয়াতে বিলম্ব হ'ব পাৰে। শেষত ক'ব পাৰি যে এয়া ভূ-সম্পত্তি খণ্ডৰ বাবে এটা নতুন আৰম্ভণি। উপভোক্তাৰ মানসিকতাৰ অধিক উন্নতি সাধন কৰি উচ্চ পৰ্যায়ৰ স্বচ্ছতা আৰু দক্ষতা, অৰ্থনীতিৰ ওপৰত আত্মবিশ্বাস বৃদ্ধি আৰু গৃহ ঋণৰ হাৰ হ্ৰাস কৰিব বুলি ক'ব পাৰি। ❒

# সকলোৰে বাবে গৃহ আৰু আন্তঃগাঁথনি ঃ প্ৰয়োজনীয়তা আৰু প্ৰশাসন

**কৃষ্ণ দেৱ***

স্বাধীনতাৰ পাছত তাৎক্ষণিকভাৱে শৰণাৰ্থীসকলক পুনৰ সংস্থাপিত কৰাৰ পৰা দেশত ৰাজহুৱা গৃহ প্ৰদান কাৰ্যসূচী আৰম্ভ হ'ল আৰু তেতিয়াৰে পৰা দাৰিদ্ৰ্য নিৰ্মূল উপায় হিচাপে চৰকাৰৰ বাবে প্ৰধান মনোযোগ আকৰ্ষক ক্ষেত্ৰত হিচাপে পৰিগণিত হৈ আহিছে।

গৃহ ব্যৱস্থাকৰণ মৌলিক প্ৰয়োজন হোৱাৰ লগতে নিৰ্মাণ উদ্যোগৰো এটা অংশ আৰু অৰ্থনীতিৰ এটা গুৰুত্বপূৰ্ণ ক্ষেত্ৰ। ভাৰতীয় মুঠ ঘৰুৱা উৎপাদনী নিৰ্মাণ খণ্ডৰ বৰঙণি হ'ল ৮ শতাংশ (অপৰিৱৰ্তনীয় মূল্যত) আৰু কৃষি খণ্ডৰ পিছতেই অৰ্থনৈতিক ক্ষেত্ৰলৈ বৰঙণি আৰু নিয়োগ আগবঢ়োৱাৰ ক্ষেত্ৰত দ্বিতীয় স্থানত আছে। নিৰ্মাণ খণ্ডটো সেৱা খণ্ডৰ পাছতে বিদেশী প্ৰত্যক্ষ বিনিয়োগ প্ৰৱাহ আনোতা দ্বিতীয় সৰ্ববৃহৎ খণ্ড আৰু প্ৰত্যক্ষ বা পৰোক্ষভাৱে ৩ কোটি ৫ লাখতকৈ অধিক লোকৰ নিয়োগদাতা আৰু অৰ্থনীতিৰ সকলো খণ্ডকে এই খণ্ডই প্ৰভাৱিত কৰিছে। মহানগৰসমূহ হ'ল সম্পদৰ কেন্দ্ৰ। কিছুমান ডাঙৰ মহানগৰৰ জনমূৰি আয় সামগ্ৰিকভাৱে দেশৰ জনমূৰি আয়ৰ গড়তকৈ অধিক আৰু কিছুমান ক্ষেত্ৰত ৰাষ্ট্ৰীয় গড়ৰ দুগুণতকৈয়ো অধিক কিন্তু এইবোৰ উপভোগ আৰ্হি, পৰিশোধ কৰা ধন আৰু আন যোগসূত্ৰৰ জৰিয়তে ৰাষ্ট্ৰীয় আৰু গ্ৰাম্য অৰ্থনীতিৰ লগত একেলগে বান্ধ খাই আছে।

ভাৰতত গৃহ ব্যৱস্থাপনা উদ্যোগ এটি অন্যতম দ্ৰুতগতিত আগবঢ়া খণ্ড। বৃহৎ সংখ্যক জনসংখ্যা ভিত্তিৰে, বৰ্দ্ধিত আয়ৰ স্তৰ আৰু দ্ৰুত নগৰীকৰণে এই খণ্ডৰ বৰ্দ্ধন খৰতকীয়া কৰিছে। ২০০১ চনত ভাৰতৰ নগৰ অঞ্চলত প্ৰায় ২৮ কোটি ৬০ লাখ লোক বাস কৰিছিল। ভাৰতৰ নগৰাঞ্চলত বাস কৰা লোকৰ সংখ্যা বিশ্বৰ ভিতৰত দ্বিতীয়।

২০১১ চনৰ লোকপিয়ল অনুসৰি নগৰাঞ্চলৰ জনসংখ্যা ৩৭ কোটি ৭০ লাখ বৃদ্ধি পাইছে আৰু সেই অনুসৰি ইয়াৰ বৰ্দ্ধন প্ৰায় ৩২ শতাংশ হিচাপে পঞ্জীভুক্ত হৈছে। ২০১২ চনত ভাৰতত গৃহ ব্যৱস্থাপনাৰ নাটনি ৪ কোটি ৭৪ লাখ গোট আছিল বুলি নিৰূপণ কৰা হৈছিল। নিৰূপণ অনুযায়ী ২০৩০ চনৰ ভিতৰত ভাৰতীয় মহানগৰসমূহত প্ৰায় ৫৯ কোটি লোক বাস কৰিব। এইখিনি জনসংখ্যাৰে, ভাৰতৰ নগৰ গৃহ ব্যৱস্থাপনাৰ নাটনি ১ কোটি ৮৮ লাখ বাসগৃহ হ'ব বুলি হিচাপ কৰা হৈছে।

এই গুৰুত্বপূৰ্ণ জনসংখ্যাৰ বাবে গতিশীল সেৱাৰ প্ৰয়োজনীয়তাৰ বাবে চিন্তা কৰিব লাগিব। নতুনকৈ বিকশিত হোৱা অঞ্চল আৰু নতুন সৰু মহানগৰসমূহত নগৰ পৰিবহণৰ চাহিদায়ো গুৰুত্বপূৰ্ণ মনোযোগ পোৱাৰ প্ৰয়োজন আছে যাতে এই স্থানসমূহত নগৰীয়া পৰিবহণে নাটনিৰ অনুপাত পাবগৈ নোৱাৰে। সৰু আৰু মজলীয়া নগৰ আৰু বৃহৎ গ্ৰাম্য এলেকাত আৰম্ভ কৰাৰ নীতি বৃহৎ মহানগৰসমূহৰ দৰে একে হ'ব নোৱাৰে আৰু তেওঁলোকৰ দাবী আৰু সমস্যাসমূহো গুৰুত্বপূৰ্ণ। নগৰ পৰিকল্পনাকাৰীসকলে সেয়েহে তেওঁলোকৰ সমস্যাবোৰ আচহুৱা দৃষ্টিৰে চাব নালাগে।

২০০১ চনত ভাৰতৰ নগৰৰ সংখ্যা আছিল ৫,১৬১ খন আৰু ২০১১ চনত ইয়াৰ সংখ্যা ৭,৯৩৫ খনলৈ বৃদ্ধি পালে। যোৱা শতিকাটোত নগৰীকৰণৰ বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত মহানগৰ আৰু নগৰত বাস কৰা লোকৰ মুঠ জনসংখ্যা বৃদ্ধি পাইছে। নগৰীয়া বৰ্দ্ধনৰ আৰ্হিত প্ৰথম শ্ৰেণীৰ নগৰসমূহত বাস কৰা জনসংখ্যাৰ অনুপাত বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। নগৰীয়া জনসংখ্যাৰ দুই-তৃতীয়াংশতকৈয়ো অধিক লোক বৰ্তমান এক লাখতকৈ বেছি জনসংখ্যা থকা মহানগৰত (শ্ৰেণীৰ নগৰ) বাস কৰে। ডাঙৰ মহানগৰ, এক নিযুতৰ অধিক জনসংখ্যাৰ মহানগৰ, অৰ্দ্ধ নিযুততকৈ অধিক জনসংখ্যা থকা মহানগৰৰ বৰ্দ্ধিত সংখ্যাই নগৰ পৰিবহণ ব্যৱস্থাপনাৰ কৌশলৰ আভাস দিয়ে।

চৰকাৰে গৃহ ব্যৱস্থাপনা আৰু নগৰ সেৱা বিতৰণৰ দৰে কিছুমান বিষয়ৰ সমস্যা দূৰীকৰণৰ বাবে ভালেমান নীতি গ্ৰহণ কৰিছে। নগৰ সেৱা চৰ্ত আৰু মান স্থাপনৰ প্ৰথম প্ৰচেষ্টা জাকাৰিয়া সমিতিৰদ্বাৰা ১৯৬৩ চনতে গ্ৰহণ কৰা হৈছিল। পৰৱৰ্তী কালত, নগৰ আৰু গ্ৰাম

*লেখক কৃষ্ণ দেৱ আন্তঃগাঁথনি খণ্ডৰ বিশেষজ্ঞ আৰু স্বতন্ত্ৰ পৰামৰ্শদাতা হিচাপে কাম কৰি আছে। তেওঁ পৰিকল্পনা আয়োগত পৰামৰ্শদাতা হিচাপেও কৰ্মৰত।

পৰিকল্পনা সংগঠন (১৯৭৪), পৰিকল্পনা আয়োগ (১৯৪৩, ১৯৯৯), অভিযান গৱেষণা গোট (১৯৮৯), নগৰ উন্নয়ন মন্ত্ৰণালয়, ভাৰত চৰকাৰ (১৯৯১), কেন্দ্ৰীয় জনস্বাস্থ্য আৰু পাৰিৱেশিক অভিযান্ত্ৰিক সংগঠন (১৯৯৯), ভাৰতীয় নগৰ আন্তঃগাঁথনি আৰু সেৱা বিষয়ক ঈশ্বৰ জজ্ আহলুৱালিয়া সমিতি (২০১১), ৰাষ্ট্ৰীয় নগৰ পৰিবহণ নীতি (২০০৬) আৰু বিভিন্ন সেৱাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা চৰ্ত আদি আন সমিতি/সংস্থা/প্ৰতিষ্ঠান আদিৰ বিষয়েও উল্লেখ কৰিব পাৰি। ১৯৮৮ চনত ৰাষ্ট্ৰীয় গৃহ ব্যৱস্থা নীতি গ্ৰহণ কৰা হয়।

অতিৰিক্তভাৱে, ৰাষ্ট্ৰীয় গৃহ ব্যৱস্থাপনা বেংক (এন এইছ বী) আৰু গৃহ ব্যৱস্থাপনা আৰু নগৰ উন্নয়ন নিগম (এইছ ইউ ডী চী অ') এনে ধৰণৰ নীতি ৰূপায়ণ কৰাত সহজসাধ্য কৰিবলৈ গঠন কৰা হৈছিল। নগৰ গৃহ ব্যৱস্থাপনাৰ প্ৰথম নীতিৰ ফল আছিল ৰাষ্ট্ৰীয় নগৰ গৃহ ব্যৱস্থাপনা আৰু বাসগৃহ নীতি ২০০৭ (গৃহ ব্যৱস্থাপনা আৰু নগৰ দৰিদ্ৰতা নিৰ্মূলকৰণ আঁচনি ২০০৭)। ই বহনযোগ্য নগৰ উন্নয়নৰ মূল লক্ষ্য হিচাপে বহনযোগ্য বাসগৃহ ব্যৱস্থাপনাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ইয়াক অনুসৰণ কৰিয়েই তেতিয়াৰ পৰা বহনযোগ্য গৃহ ব্যৱস্থাপনাত গ্ৰহণ কৰা ভালেমান কাৰ্যসূচী হ'ল—

- **জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় পুনৰ নবীকৰণ অভিযান (জে এন এন য়ু আৰ এম) ঃ** এই অভিযানৰ লক্ষ্য আছিল ৬৫ খন অভিযানে সামৰি লোৱা মহানগৰত অভিযানৰ সময়ছোৱাত (২০০৫-২০১২) নগৰ অঞ্চলৰ দৰিদ্ৰ লোকৰ বাবে ডেৰ লাখ বাসগৃহ নিৰ্মাণ। এই লক্ষ্য নিৰ্দ্ধাৰিত গৃহ ব্যৱস্থাপনাৰ অধীনত দুটা নীতি আছিল। সংহত গৃহ ব্যৱস্থাপনা আৰু বস্তি উন্নয়ন কাৰ্যসূচী আছিল প্ৰত্যক্ষ গৃহ ব্যৱস্থাপনা নীতি ব্যৱস্থা। নগৰ অঞ্চলৰ দৰিদ্ৰৰ বাবে মৌলিক সেৱাৰ (চমুকৈ বী এছ ইউ পী) লক্ষ্য আছিল সুৰক্ষা অধিকাৰ, বহনসাধ্য গৃহ ব্যৱস্থাপনা আৰু পানী, অনাময়, স্বাস্থ্য আৰু শিক্ষা আৰু নিম্ন উপাৰ্জনৰ লোকসকলৰ বাবে সামাজিক সুৰক্ষা আদি প্ৰদান কৰা।
- **অংশীদাৰী ভিত্তি বহনসাধ্য গৃহ ব্যৱস্থাপনা (এ এইছ পী) ঃ** ব্যক্তিগত খণ্ডক জড়িত কৰি বজাৰ সমাধান প্ৰক্ৰিয়া।
- **ৰাজীৱ আৱাস যোজনা ঃ** এই কাৰ্যসূচীৰ লক্ষ্য হ'ল নগৰীয় দৰিদ্ৰলৈ ব্যয়সাধ্য গৃহ ব্যৱস্থাপনা আগবঢ়োৱা।
- ২০১৫ চনৰ মেই মাহত ২০২২ চনৰ ভিতৰত সকলোৰে বাবে গৃহ ব্যৱস্থাপনা ৰাজীৱ আৱাস যোজনা (আৰ এ ৱাই) ঘোষণা কৰা হয়। এই প্ৰতিবেদনত বহনযোগ্য গৃহৰ সমস্যা দূৰীকৰণৰ বাবে বহনক্ষম নীতিৰ বাবে গাঁথনিৰ বিকাশ কৰাৰ পাছত ৰাজীৱ আৱাস যোজনা (আৰ এ ৱাই) আৰু ২০২২ চনৰ ভিতৰত সকলোৰে বাবে গৃহ নীতি বিশ্লেষণ কৰা হৈছে।

দেশে স্বাধীনতা লাভ কৰা ৭৫ বছৰ সম্পূৰ্ণ কৰাৰ সময়ত প্ৰধান মন্ত্ৰীয়ে ২০২২ চনৰ ভিতৰত সকলোৰে বাবে গৃহ নীতি পুৰ্বাৱলোকন কৰে। এই লক্ষ্যত উপনীত হ'বলৈ, কেন্দ্ৰীয় চৰকাৰে ২০২২ চনৰ ভিতৰত 'সকলোৰে বাবে গৃহ' শীৰ্ষক এটা সৰ্বাত্মক অভিযান প্ৰৱৰ্তন কৰে। এই কাৰ্যসূচীৰ লক্ষ্য হ'ল পৰৱৰ্তী ৭ বছৰৰ ভিতৰত (২০১৫-২০২২) সমগ্ৰ দেশত দুই কোটিতকৈ অধিক গৃহ নিৰ্মাণ কৰা। প্ৰধান মন্ত্ৰী আৱাস যোজনা (পী এম এ ৱাই) হিচাপে খ্যাত এই আঁচনিখন কেন্দ্ৰীয় পৃষ্ঠপোষক আঁচনি (চী এছ এছ) হিচাপে ৰূপায়িত কৰা হ'ব।

এই আঁচনিৰ লক্ষ্য নিৰ্দ্ধাৰিত হিতাধিকাৰী হ'ব দুখীয়া আৰু নিম্ন উপাৰ্জনৰ গোটৰ ২০১১ চনৰ লোকপিয়ল অনুসৰি দেশৰ নগৰীয়া অঞ্চলৰ ৪০৪১ খন লিখিত আইনৰদ্বাৰা প্ৰতিষ্ঠাপিত নগৰত বাস কৰা দুখীয়া আৰু নিম্ন উপাৰ্জন গোটৰ লোক। ইয়াৰ লগত ৫০০ খন 'ক' শ্ৰেণীভুক্ত মহানগৰৰ দৰিদ্ৰসকলকো সামৰি লোৱা হ'ব আৰু তিনিটা পৰ্যায়ত ৰূপায়ণ কৰা হ'ব।

**পী এম এ ৱাই প্ৰথম পৰ্যায় ঃ** (২০১৫ চনৰ এপ্ৰিলৰ পৰা ২০১৭ চনৰ মাৰ্চলৈকে) মুঠ ১০০ খন মহানগৰৰ কাম আৰম্ভ আৰু এই কালছোৱাৰ ভিতৰতে কাম সম্পূৰ্ণকৰণ।

**পী এম এ ৱাই দ্বিতীয় পৰ্যায় (২০১৭ চনৰ এপ্ৰিল মাহৰ পৰা ২০১৯ চনৰ মাৰ্চ মাহলৈকে) ঃ** এই সময়ছোৱাত মুঠ ২০০ খন মহানগৰ সামৰি লোৱা হ'ব আৰু বিকশিত কৰা হ'ব।

**পী এম এ ৱাই তৃতীয় পৰ্যায় (২০১৯ চনৰ এপ্ৰিল মাহৰ পৰা ২০২২ চনৰ মাৰ্চ মাহলৈ) ঃ** এই সময়ছোৱাত বৈ যোৱা মহানগৰসমূহ সামৰি লোৱা হ'ব আৰু বিকশিত কৰা হ'ব।

২০১৭ চনৰ বাজেটত বিকাশ কৰোঁতাসকলৰ দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি সঁহাৰি জনাই ২০২২ চনৰ ভিতৰত সকলোৰে বাবে গৃহ অভিযান দেশৰ সকলোৰে ওচৰলৈ কাষ চপাই নিয়াৰ বাবে পী এম এ ৱাইৰ কাৰণে বণ্টন ১৫ হাজাৰ কোটি টকাৰ পৰা ২৩ হাজৰ

কোটি টকালৈ বৃদ্ধি কৰা হৈছে। বহনযোগ্য বাসগৃহৰ বাবে আন্তঃগাঁথনি স্থিতি অনুমোদন গুৰুত্বপূৰ্ণ পদক্ষেপ কাৰণ ই বিকাশ কৰোঁতাসকললৈ বিত্তীয় সস্তীয়া উৎসৰ যোগান ধৰিব আৰু পুঁজি বৃদ্ধিৰ বাবে বিকাশ ধৰোঁতাসকলৰ কাৰণে অতিৰিক্ত পথ মুকলি কৰিব।

২০১৫ চনৰ বাজেটত চৰকাৰে ৬ কোটি বাসগৃহ প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিছিল। ইয়াত ২০১৯ চনৰ ভিতৰত বহনযোগ্য বাসগৃহ উপলব্ধ কৰিবলৈ প্ৰায় ৬১ বিলিয়ন আমেৰিকান ডলাৰ বিনিয়োগ কৰিব বুলিও প্ৰতিশ্ৰুতি দিছিল। সি যি কি নহওক, মুঠ নিৰ্দ্ধাৰিত বিনিয়োগ প্ৰয়োজন হ'ব প্ৰায় ১ ট্ৰিলিয়ন। ইয়াৰে ৭০-৮০ শতাংশ হ'ব পৰৱৰ্তী ৫ বছৰৰ পৰা ৭ বছৰৰো অধিক বহনযোগ্য খণ্ডৰ। এই প্ৰয়োজনীয় পুঁজি লাভ কৰাৰ বাবে চৰকাৰে গৃহ ব্যৱস্থাপনা খণ্ডৰ বিকাশৰ বাবে ব্যক্তিগত খণ্ডৰ বিনিয়োগ আকৰ্ষণ কৰিবলৈ কাম কৰি আছে। গ্ৰাম্য ভাৰতৰ গৃহহীন আৰু কেঁচা ঘৰত বাস কৰি থকাসকলৰ কাৰণে ২০১৯ চনৰ ভিতৰত ১ কোটি বাসগৃহ নিৰ্মাণ কৰা হ'ব।

আঁচনিখনৰ বৃহৎ লক্ষ্যত আগন্তুক বছৰত নিৰ্মাণৰ ক্ষেত্ৰ আৰু ভূ-সম্পত্তি খণ্ডত আচম্বিতে উন্নতি হ'ব বুলি প্ৰকাশ পাইছে। এই খণ্ডত বৃহৎ বিনিয়োগো কৰা হ'ব। এই বিনিয়োগে অৰ্থনীতিক এটা বিস্ময়কৰ বৰ্দ্ধন দিব আৰু এই বৰ্দ্ধনে মহানগৰসমূহত বহুমুখী সুযোগৰ সৃষ্টি কৰিব।

ভাৰতৰ দৃশ্যপটত প্ৰতীয়মান হৈছে যে তেনে ধৰণৰ সুবিধাবোৰ মাত্ৰ মহানগৰসমূহতে উপলব্ধ হ'ব। ইভ্ গ্লেকছাৰে কৈছে যে, "মহানগৰসমূহে দৰিদ্ৰ লোক সৃষ্টি নকৰে, মহানগৰে দৰিদ্ৰ লোকক আকৰ্ষণহে কৰে।" এই আকৰ্ষণটো প্ৰব্ৰজনৰ বাদে একো নহয়। প্ৰব্ৰজনকাৰীসকলে বাসগৃহ লাভ আৰু পানী, অনাময় আদি মৌলিক সুবিধা আৰু পৰিবহণৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হয়। বহুক্ষেত্ৰত, নিৰ্মাণ খণ্ডৰ দৰে খণ্ডবোৰত সাধাৰণতে কৰ্ম নিয়োজিত হয়, যিবোৰত কাম অবিৰামভাৱে নহয় আৰু সেয়েহে তেওঁলোকৰ কৰ্ম নিয়োজনো অবিৰাম নহয়। সেয়েহে তেওঁলোক দুখপূৰ্ণ অৱস্থাত দিন কটাবলৈ বাধ্য হয়। তেওঁলোক বিশেষতঃ হ্ৰস্বকালিন সময়ৰ প্ৰব্ৰজনকাৰী আৰু নগৰৰ বস্তি অঞ্চলত বাস কৰিবলৈ বাধ্য হোৱাৰ ফলত উচ্ছেদ আৰু স্থানান্তৰকৰণৰ অহৰহ ভাবুকিৰ সন্মুখীন হয়। তেওঁলোকৰ বহুতে মৌলিক সেৱা নথকা পদপথ আৰু মহানগৰৰ উদ্যোসমূহত থাকিব লগা হয় আৰু তাৰ ফলত হাৰাশাস্তিৰ সন্মুখীন হ'ব লগা হয় বিশেষকৈ মহিলাসকলৰ এই ক্ষেত্ৰত সমস্যা বেছি।

এই মহানগৰসমূহে বৰ্দ্ধিত উদ্যোগত কাম কৰাৰ বাবে অধিক প্ৰব্ৰজনকাৰীক আকৰ্ষণ কৰে এনে নহয়, পৰ্যাপ্ত পৰিমাণৰ গৃহ ব্যৱস্থাপনা প্ৰতিক্ৰিয়াৰ অভাৱৰ অৰ্থ হ'ল এই প্ৰব্ৰজনকাৰীৰ অধিক সংখ্যকেই হ'ল বস্তি নহ'লে অকৰ্তৃত্বপ্ৰাপ্ত আৱাস চৌহদৰ অসংগঠিত বসবাসকাৰী।

গৃহ ব্যৱস্থাপনা আৰু নগৰ আন্তঃগাঁথনিৰ দিশত চাহিদা আৰু দাবীৰ ক্ষেত্ৰত বজাৰে সন্মুখীন হোৱা প্ৰধান প্ৰত্যাহ্বানসমূহ হ'ল—

- **প্ৰাক্ ৰূপায়ণ স্তৰত জটিল আৰু দীঘলীয়া প্ৰক্ৰিয়া ঃ** এইবোৰৰ ভিতৰত ভূমিৰ অৱস্থান্তৰ প্ৰাপ্তি, ভৱন পৰিকল্পনা অনুপুংখ নিৰীক্ষণ আৰু অনুমোদন, নিৰ্মাণৰ অনুমতি প্ৰাপ্তি আৰু বিভিন্ন সংস্থা/বিভাগৰ অভিযোগহীন প্ৰমাণ-পত্ৰৰ দীঘলীয়া তালিকা অন্তৰ্ভুক্ত হৈছে। এইবোৰ প্ৰক্ৰিয়াই প্ৰায় দুবছৰ ল'ব পাৰে আৰু তাৎপৰ্যপূৰ্ণভাৱে ৰাজ্যভেদে প্ৰকল্প ব্যয় সময়ৰ প্ৰভাৱ ভিন্ন, যাৰ ফলত নগৰৰ দুখীয়াসকললৈ বহনসাধ্য ব্যয়ত বাসগৃহ আগবঢ়াবলৈ অসাধ্য হৈ পৰে।
- **পৰ্যাপ্ত পৰিমাণৰ বৰ্হিঃ আন্তঃগাঁথনি আৰু সহযোগৰ অভাৱ ঃ** কিছুমান ৰাজ্য চৰকাৰে এই বিষয়সমূহ মনত ৰাখি সৰলীকৰণ আৰু নীতি আৰু প্ৰক্ৰিয়া দক্ষকৰণ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। উদাহৰণ স্বৰূপে মধ্য প্ৰদেশৰ ভূমি উমৈহতীয়াকৰণ আঁচনি আৰু পুনৰ গাঢ়তাকৰণ আৰু কৰ্ণাটকৰ জী পী এছ ভিত্তিক কায়িক অগ্ৰগতি চোৱা-চিতা ব্যৱস্থা আদিৰ বিষয়ে উল্লেখ কৰিব পাৰি।

২০২২ চনৰ ভিতৰত সকলোৰে বাবে বাসগৃহৰ আঁচনিৰ অগ্ৰগতিৰ লগে লগে, যদি নিৰ্দ্ধাৰিত সময়ৰ ভিতৰতে এই আঁচনি সম্পূৰ্ণ হৈ উঠে তেনেহ'লে আমি পানী, অনাময় আৰু স্বাস্থ্য, পৰিবহণ, শিক্ষা, বিদ্যুৎ, বাসপোযোগী ভাল আৰু বহনযোগ্য পৰিৱেশ আদি বিষয়ৰ আন্তঃগাঁথনিত গুৰুত্ব প্ৰদান কৰিব লাগিব যাতে ভৱিষ্যতে এই বাসগৃহ ছ'ছাইটিবোৰে বস্তি অঞ্চল আৰু তেওঁলোকৰ চৌপাশৰ পাৰিৱেশিক স্বাস্থ্য সমস্যাৰ সৃষ্টি কৰি সমূহীয়া বাসস্থলীলৈ পৰ্যবসিত কৰিব নোৱাৰে।

**১। পানী, অনাময় আৰু স্বাস্থ্য ঃ**

ভাৰতৰ মহানগৰসমূহত পানীৰ যোগানৰ ক্ষেত্ৰত, নিম্নমান, অনিয়মীয়া যোগান আদি বিভিন্ন বেমেজালিৰে ভৰা। নগৰ অঞ্চলত বাস কৰা লোকৰ

সংখ্যা বৃদ্ধি আৰু মহানগৰৰ সীমা সম্প্ৰসাৰণৰ লগতে ভাৰতৰ মহানগৰসমূহত পানী যোগানৰ বিষয়টো প্ৰত্যাহ্বান হিচাপে থিয় দিছে।

পানী, বায়ু, ভূমিৰ প্ৰদূষণে ডেংগি, মেলেৰিয়া, চিকুণগুনীয়া, ছোৱাইন ফ্লু, ডায়েৰিয়া, এজ্‌মা, শ্বাসতন্ত্ৰত সংক্ৰমণ আদি ৰোগ সৃষ্টি কৰাত অৰিহণা যোগাইছে। ভাৰত চৰকাৰৰ নগৰ উন্নয়ন দপ্তৰৰ এটা অধ্যয়ন মতে (২০০৯) ভাৰতৰ নগৰ অঞ্চলত বাস কৰা ১৪ বছৰ বয়সৰ তলৰ ২ কোটি ৩০ লাখ ল'ৰা-ছোৱালী শোচনীয় অনাময় ব্যৱস্থাৰ বাবে বিপদসংকুল অৱস্থাত আছে। আনহাতে, নগৰ অঞ্চলৰ ৮০ লাখ ল'ৰা-ছোৱালী শোচনীয় পানী যোগান ব্যৱস্থাৰ বাবে বিপদ শংকাৰ মাজত আছে বুলি একেটা অধ্যয়নতে প্ৰকাশ। সেইদৰে শিশুৰ মৃত্যুৰ হাৰ প্ৰতি ১০০০ শিশুৰ বিপৰীতে ৪২টা। যদিও এই সংখ্যা গ্ৰাম্য অঞ্চলতকৈ কম তথাপিতো এইটো বিপদজনকভাৱে উচ্চ হাৰ।

অপৰ্যাপ্ত পানী যোগান, শোচনীয় চোৰা-চিতা ব্যৱস্থা আৰু অপৰ্যাপ্ত প্ৰতিষ্ঠাপকে নেটৱৰ্ক বিতৰণৰ ক্ষেত্ৰত কাৰিকৰী লোকচানৰ সৃষ্টি কৰে। মিটাৰিং কৰাৰ ক্ষেত্ৰত ভুল, বিল নথকা পানীৰ খৰচ আদি দিশবোৰে পানীৰ বাণিজ্যিক দিশবোৰত লোকচান হোৱাত বৰঙণি যোগায়। এই সকলোবোৰে পানী ৰাজহহীন হোৱাত সহায় কৰে। স্থানসমূহত চোৰা-চিতা কৰা ব্যৱস্থা নথকা দক্ষতাহীনতা হ্ৰাসৰ বাবে কোনো উদগনি নথকা, শোচনীয় ৰাজহ সৃষ্টি, ব্যয়ৰ ক্ষতিপূৰণ, সেৱা বিতৰণ আৰু ব্যৱস্থাটো চোৰা-চিতাকৰণ আদি সকলোতে থকা দক্ষতাৰ অভাৱৰ বাবে ভাৰতৰ নগৰ অঞ্চলৰ পানী যোগান ব্যৱস্থাটো অতি শোচনীয়।

তদুপৰি, মহানগৰসমূহলৈ প্ৰাকৃতিকভাৱে অহা বানপানী, গৰাখহনীয়া, পানী প্ৰদূষণ আদি ভাবুকিবোৰে পানীৰ ব্যৱস্থাপনাৰ ওপৰত অধিক প্ৰভাৱ পেলায়। বৰ্তমান আৰু ভৱিষ্যতৰ বাসগৃহৰ বাবে খোৱাপানীৰ ব্যৱস্থাটো নিশ্চিত কৰাটো গুৰুত্বপূৰ্ণ বিষয়। কেন্দ্ৰীয়কৰণ হোৱা বৃহৎ অভিযান্ত্ৰিক প্ৰকল্পবোৰে ভালতকৈ অনিষ্ট কৰাৰহে ঐতিহাসিক প্ৰমাণ আছে। বৈকল্পিক বিকেন্দ্ৰীভূত নগৰীয়া পানী ব্যৱস্থাপনাৰ অভিজ্ঞতাও গ্ৰহণ কৰিব লাগে।

**বৰ্জিত পদাৰ্থ আঁতৰোৱাৰ ব্যৱস্থাকৰণ ঃ**

এই সেৱাই তেওঁলোকৰ নেটৱৰ্ক আৰু পানী সংৰক্ষণৰ জলপথ, পানীৰ উৎস, বৰ্জনীয় পদাৰ্থ সংগ্ৰহ আৰু সামগ্ৰিকভাৱে সমগ্ৰ পৰিৱেশটোতে যাতে প্ৰতিবন্ধকতা আৰু একো সুৰুঙা নাথাকে সেইটো সুনিশ্চিত কৰিব লাগে। কিন্তু দুৰ্ভাগ্যজনকভাৱে ভাৰতৰ এই পৰিস্থিতি আৱশ্যকীয় আদৰ্শৰ পৰা বহু দূৰত। পানীৰ যোগান আৰু অনাময় ব্যৱস্থা অপৰ্যাপ্ত আনকি য'ত পানীৰ যোগান আছে, সেইবোৰ ঠাইতো ইয়াৰ যোগান অনিয়মীয়া আৰু নিম্নমানৰ আৰু এইবোৰেই স্বাস্থ্যৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলায়। এই বিষয়ে তলত উল্লেখ কৰা হৈছে—

- ভাৰতৰ ৫,১৬১ মহানগৰ/নগৰৰ ভিতৰত ৪,৮৬১ খনত বৰ্জনীয় পদাৰ্থ দূৰীকৰণ ব্যৱস্থা নেটৱৰ্ক আংশিকভাৱেও নাই।
- বেংগালুৰু আৰু হায়দৰাবাদৰ দৰে মহানগৰৰ প্ৰায় ৫০ শতাংশ বাসগৃহ নলাৰে বৰ্জনীয় পদাৰ্থ দূৰীকৰণ ব্যৱস্থাৰ লগত সংলগ্ন কৰা হোৱা নাই।
- নগৰত বাস কৰা প্ৰায় ১৮ শতাংশ বাসগৃহত শৌচাগাৰ সুবিধাৰ অভাৱ আৰু বাহিৰত মলত্যাগ কৰিবলৈ বাধ্য হয়।
- পথ নেটৱৰ্কৰ ২০ শতাংশতকৈয়ো কম পথ ধুমুহা বৰষুণৰ পানীৰে নলা-নৰ্দমা বুৰাই পেলায়।

সতেজ পানী বা খোৱাপানী বা উদ্যোগত ব্যৱহাৰ কৰাৰ কাৰণে পানীৰ ভৱিষ্যতৰ চাহিদা মহানগৰীসমূহৰ বৰ্দ্ধনৰ লগে লগে বাঢ়ি গৈছে।

খোৱাপানী আৰু ঔদ্যোগিক ক্ষেত্ৰত ব্যৱহাৰৰ বাবে পানী প্ৰয়োগ প্ৰকল্প বৃদ্ধি কৰাটো প্ৰয়োজন। বৰ্জনীয় পানী প্ৰয়োগ প্ৰকল্পৰ অভাৱৰ হেতু ভাৰতত জলবাহিত ৰোগৰ চিকিৎসাৰ বাবে ১৫ বিলিয়ন ডলাৰ ব্যয় হয় বুলি অনুমান কৰা হৈছে। (CII and CEEW 2010)। তদুপৰি নলা-নৰ্দমা ব্যৱস্থা আৰু শৌচাগাৰৰ সুবিধা উপলব্ধ কৰোৱা বিষয়বোৰৰ ওপৰতো গুৰুত্ব প্ৰদান কৰিব লাগিব।

**গোটা বৰ্জনীয় পদাৰ্থৰ ব্যৱস্থাপনা**

ভাৰতৰ মহানগৰসমূহত সৃষ্টি হোৱা গোটা বৰ্জনীয় সামগ্ৰীসমূহৰ বাবে ব্যৱস্থাপনাৰ বৃহৎ ব্যৱস্থাৰ অত্যন্ত প্ৰয়োজন, যদিও বহু দেশৰ তুলনাত ভাৰতত সৃষ্টি হোৱা বৰ্জনীয় পদাৰ্থৰ পৰিমাণ কম। ভাৰতত পৰিয়াল আৰু পৌৰ নিকায় উভয়ৰে আনবোৰৰ পৰা জীৱাণুৰে ধ্বংস কৰিব পৰা বৰ্জনীয় বস্তুবোৰ পৃথককৈ ৰখাৰ অভ্যাস নাই বুলিব পাৰি আৰু এইক্ষেত্ৰত জনসাধাৰণৰ সচেতনতাও কম। বৰ্জনীয় বস্তুবোৰ সংগ্ৰহ কৰাৰ ক্ষেত্ৰত নিয়মীয়া নহয়, কোনো ক্ষেত্ৰত কৰা নহয়েই আৰু এইবোৰ বিন্যাসকৰণৰ ক্ষেত্ৰত নিয়ম মানি চলাও নহয়। পৌৰ নিকায়ৰ গোটা

বৰ্জনীয় বস্তুৰ নীতি ২০০০ চনতে প্ৰয়োগ কৰা হৈছিল যদিও ৰূপায়ণৰ ক্ষেত্ৰত দুৰ্বল পৰিলক্ষিত হয়।

বাস্তৱিকতে ভাৰতৰ বৰ্জনীয় সামগ্ৰীসমূহ জীৱাণুৱে ধ্বংস কৰিব পৰা বিধৰ (৬০ শতাংশতকৈ অধিক) আৰু পচন সাৰলৈ ৰূপান্তৰিত কৰাৰ সুবিধা আছে। ডাঙৰ মহানগৰসমূহত জীৱন শৈলীৰ পৰিৱৰ্তন হোৱাৰ লগে লগে পেকেইজ কৰা সামগ্ৰীৰ ব্যৱহাৰ বৃদ্ধি পাইছে আৰু বছৰি জনমূৰি বৰ্জনীয় সামগ্ৰী উৎপাদন ১.৩% বৃদ্ধি পাইছে। জীৱাণুৱে ধ্বংস কৰিব পৰা জাবৰৰ পৰিমাণ উদ্যোগিক দেশসমূহতকৈ অধিক পৰিমাণৰ হ'ব বুলি আশা কৰা হৈছে। ভাৰত চৰকাৰে ২০১৯ চনৰ ভিতৰত দেশখন পৰিষ্কাৰৰ লক্ষ্যৰে ২০১৪ চনৰ ২ অক্টোবৰ তাৰিখে স্বচ্ছ ভাৰত অভিযান প্ৰৱৰ্তন কৰে।

**নগৰ পৰিবহণ এটা খণ্ডৰ বাবে** এটা বিস্তৃত নাম। ইয়াত মানুহৰ যাতায়াত আৰু সামগ্ৰী সৰবৰাহৰ বাবে খোজকঢ়া, চাইকেল চলোৱা, অ-ইঞ্জিনযুক্ত বাহন ৰিক্সা আদিক সামৰি আন্তঃমহানগৰ পৰিবহণ সেৱা, মটৰ গাড়ী, মটৰ বাইক আদি ব্যক্তিগত খণ্ডৰ পৰিবহণ, ৰেইল বা বাছভিত্তিক ৰাজহুৱা পৰিবহণ, টেক্সি আৰু অৰ্ধ-সাময়িক পৰিবহণ আদি ব্যক্তিগত আৰু ৰাজহুৱা পৰিবহণত অন্তৰ্ভুক্ত।

- ভাৰতত নগৰ পৰিবহণ মাথোঁ ২২ শতাংশহে কিন্তু তাৰ তুলনাত নিম্ন মধ্যমীয়া উপাৰ্জনৰ দেশৰ (উদাহৰণস্বৰূপে ফিলিপাইনছ, ভেনিজুৱেলা, ইজিপ্ত) ক্ষেত্ৰত নগৰ পৰিবহণ ৪৯ শতাংশ আৰু উচ্চ-মধ্য উপাৰ্জনৰ দেশ (উদাহৰণ-স্বৰূপে দক্ষিণ আফ্ৰিকা, দক্ষিণ কোৰিয়া, ব্ৰাজিল আদি)সমূহৰ নগৰ পৰিবহণ হ'ল ৪০ শতাংশ।
- ভাৰতত ৰাজহুৱা পৰিবহণ ক্ষিপ্ৰতাৰ অংশ ১৯৫১ চনৰ ১১ শতাংশৰ পৰা দ্ৰুতগতিৰে ২০০১ চনত ১.১ শতাংশলৈ হ্ৰাস পায়।
- ভাৰতৰ ৫০ লাখ বা ততোধিক জনসংখ্যাৰ ৮৫ খন মহানগৰৰ ভিতৰত মাত্ৰ ২০খনতহে ২০০৯ চনত ছিটি বাছ সেৱা উপলব্ধ।
- ছিংগাপুৰত পথৰ ঘনত্ব হ'ল (প্ৰতি বৰ্গ কিলোমিটাৰত) ৯.২, কুৰিটিবাত ৯.৭, ছিউলত ২১.৮, জোহান্সবাৰ্গত ১০, চেন্নাইত ৩.৮ আৰু নতুন দিল্লীত ১৯.২।

ভাৰতীয় মহানগৰসমূহৰ ৰাজহুৱা পৰিবহণৰ ব্যৱস্থা অপৰ্যাপ্ততা আৰু দুৰ্বল মান কেৱল দেশৰ অৰ্থনীতিৰ বৰ্ধন সম্ভাৱনাৰ প্ৰতি প্ৰবল প্ৰত্যাহ্বানেই নহয় ই মানুহৰ স্বাস্থ্য আৰু কুশলৰ ওপৰতো যথেষ্ট বেয়া প্ৰভাৱ পেলায়। পথ যাত্ৰাত দীৰ্ঘ সময়, পথ দুৰ্ঘটনাত প্ৰাণহানি আৰু বায়ু প্ৰদূষণ আদি মহানগৰসমূহৰ পৰিবহণ সেৱাৰ সমস্যাসমূহৰ কিছুমান উদাহৰণ।

নগৰ পৰিবহণ মহানগৰৰ উৎপাদনশীলতা আৰু ৰাষ্ট্ৰীয় অৰ্থনীতিলৈ নগৰ বৰঙণিৰ ক্ষেত্ৰত সুবিধাজনকো হ'ব পাৰে বা ই সমস্যাৰো সৃষ্টি কৰিব পাৰে। নগৰ পৰিবহণৰ সংজ্ঞায়িত বৈশিষ্ট্য হ'ল নগৰ অঞ্চলৰ অধিক ঘনত্ব, দক্ষতা আৰু বহনযোগ্য-ভাৱে মহানগৰসমূহত মানুহ আৰু সামগ্ৰীৰ যাতায়াতৰ সামৰ্থ্য সমৰ্থন কৰা। মৌলিক নগৰ আন্তঃগাঁথনি সেৱা ব্যৱস্থাৰ পুঞ্জীভূত অৰ্থনৈতিক নিৰ্ভৰতা সমূহীয়া আৰু নগৰ পৰিবহণ আন্তঃগাঁথনি হ'ল বৈশিষ্ট্যপূৰ্ণ। ই মানুহ আৰু আৱাসিক এলেকাক শিক্ষা আৰু নিয়োগৰ স্থানৰ লগত আৰু বিকল্প শিক্ষা আৰু নিয়োগ ক্ষেত্ৰত প্ৰৱেশৰ বাবে ব্যক্তিৰ পছন্দ আৰু সুবিধাৰ সম্প্ৰসাৰণত সংযোগ কৰে।

নগৰ পৰিবহণ ব্যৱস্থাৰ দক্ষতা আৰু সফলতাৰ স্বাস্থ্য আৰু বিশেষকৈ ঘৰৰ পৰা নিয়মিতভাৱে কৰ্মক্ষেত্ৰলৈ অহা-যোৱা কৰাসকলৰ সুৰক্ষা আৰু নগৰীয়া বাসিন্দাসকলৰ ওপৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়। পথ যাত্ৰা সম্পৰ্কীয় দুৰ্ঘটনা তথা অপৰাধৰ পৰা সুৰক্ষাৰ মহানগৰ আৰু পৰিবহণ ব্যৱস্থাৰ লগত সম্পৰ্ক আছে। স্বাস্থ্য সম্পৰ্কীয় প্ৰভাৱৰ ক্ষেত্ৰত নগৰ অঞ্চলৰ পৰিবহণ, মটৰ গাড়ীৰ প্ৰদূষণ হ'ল বায়ু প্ৰদূষণৰ সবাতোকৈ বেছি প্ৰদূষক।

বাসিন্দাসকলক জীৱনৰ উন্নত মান আগবঢ়োৱাৰ সময়ত অৰ্থনৈতিক বৰ্ধন আৰু অভিযোজনাৰ চালিকা শক্তি হিচাপে মহানগৰসমূহে ল'বলগীয়া ভূমিকাত পৰিবহণ, গৃহ বৰস্থাপনা, বাণিজ্যিক ভূ-সম্পত্তি আদিৰ প্ৰতিযোগিতামূলক চাহিদা সু-সংহত কৰাটো গুৰুত্বপূৰ্ণ। ৰাজহুৱা পৰিবহণ, ঠাহখাই থকা অ-অৰ্থনীতি, পৰিৱেশিক হীন অৱস্থা, পৌৰ সেৱাত অধোন্নতি, পথ দুৰ্ঘটনাত হোৱা আঘাত আদিকে ধৰি নগৰ পৰিবহণৰ আন্তঃগাঁথনিৰ উপযুক্ত পৰিমাণৰ ব্যৱস্থাৰ অভাৱে পানী আৰু বায়ুৰ প্ৰদূষণ বৃদ্ধি কৰে। সু-পৰিকল্পিত আৰু ৰূপায়িত নগৰ পৰিবহণে মহানগৰীৰ সা-সুবিধাবোৰ বৃদ্ধি কৰে আৰু সেইবোৰৰ অ-অৰ্থনীতিৰ ভীৰ হ্ৰাস কৰে।

ভাৰতৰ ৰাজহুৱা পৰিবহণৰ শোচনীয় দৰ্শন বহু পৰিমাণে কৰ নীতি আমোলৰ প্ৰভাৱ ৰাজহুৱা পৰিবহণৰ বিৰুদ্ধে আৰোপিত হ'ব পাৰে। ৰাজহুৱা পৰিবহণৰ গাড়ীৰ মুঠ কৰ বোজা ব্যক্তিগত গাড়ীৰ তুলনাত প্ৰতিখন গাড়ীত প্ৰতি কিলোমিটাৰত ২৬ গুণ

অধিক। নগৰ উন্নয়নৰ (নগৰ পৰিবহণ) সংসদীয় স্থায়ী সমিতি ২০১০ এ অতিৰিক্ত জনসমাগমপূৰ্ণ অঞ্চলত টোল কৰৰ ৰূপত ব্যক্তিগত যান-বাহনৰ ওপৰত 'জনাকীৰ্ণ কৰ' আৰোপ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছিল। কিন্তু নগৰ উন্নয়ন মন্ত্ৰালয়ে ভাৰতৰ প্ৰসংগত পৰিমাণ আৰু গুণগত ক্ষেত্ৰত ৰাজহুৱা পৰিবহণৰ উপলব্ধতা আৰু ইণ্টেলিজেঞ্চ জনসমাগমপূৰ্ণ পৰিবহণ ব্যৱস্থা (আই টী এছ) (লোকসভা ২০১০)ৰ প্ৰতি মনত ৰাখি জনসমাগপূৰ্ণ কৰ আৰোপন এই পৰ্যায়ত আগতীয়া হ'ব বুলি ইংগিত দিয়ে। বৰ্তমান ভীষণ বিশৃংখল পৰিস্থিতি চম্ভালিবৰ বাবে আৰু ভৱিষ্যতে বাসোপযোগী কৰি ৰাখিবলৈ কাৰ্বনৰ নিৰ্গমণ হ্ৰাস কৰাৰ কাৰণে এই কৰ আৰোপ কৰাৰ সময় আহিছে।

ভৱিষ্যৎ প্ৰজন্মৰ বাবে কৰিবলগীয়া এই বহনযোগ্য বাসগৃহ ব্যৱস্থাত দিনটোৰ ২৪ ঘণ্টাই বিদ্যুৎ আৰু পানী উপলব্ধ কৰিবৰ বাবে, যিটো তেওঁলোকৰ বাবে মৌলিক অধিকাৰো, সামাজিক আৰু শৈক্ষিক, স্বাস্থ্য প্ৰতিষ্ঠান, গাড়ী ৰখোৱা ঠাই, মুকলি ঠাই, পদাচাৰী আৰু উদ্যোগ আদিৰ বাবে অৰ্থনৈতিক আন্তঃগাঁথনি পৰিকল্পনা গ্ৰহণ কৰা জৰুৰী প্ৰয়োজন, যাতে দেশৰ সম্পদ ভৱিষ্যৎ প্ৰজন্মই স্বাস্থ্যকৰ আৰু সম্পূৰ্ণ জীৱন অতিবাহিত কৰিব পাৰে। ❐

---

**(৩২ পৃষ্ঠাৰ পৰা)**

গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহক প্ৰাধান্য দিব, তেতিয়ালৈকে ভাৰতৰ যুগ যুগৰ প্ৰাচীন সাংস্কৃতিক শক্তিৰ ন-ৰূপ দিয়াৰ কাৰ্য অব্যাহত থাকিব।

মূল্যবোধৰ প্ৰাসঙ্গিকতা সন্দৰ্ভত বহুলভাৱে ক'বলৈ গ'লে ভাৰতমাতাই নিজৰ সতি-সন্ততিক এটা সৰল জীৱন যাপন, পৰিয়ালৰ মাজত মজবুত বান্ধোন, সুকীয়া দৃষ্টিভঙ্গী পোষণ কৰোঁতাসকলৰ প্ৰতি সহনশীলতা, আধ্যাত্মিক জ্ঞানৰ সন্ধান আৰু পৰিৱেশ তথা প্ৰকৃতিৰ প্ৰতি সন্মান জনাবলৈ সুবিধা দিব। ভাৰতৰ সংবিধানে এই মূল্যবোধক অনুমোদন জনায় আৰু 'মানুহৰদ্বাৰা কৰা শাসন'ৰ বিপৰীতে 'আইনৰ শাসন'ৰ এটা দৃঢ় পৰিকাঠামোৰ যোগান ধৰে।

'সবকা সাথ সবকা বিকাশ'— এই শ্লোগানটো অতি উপযুক্ত হৈছে। ই সৰ্বদিশক সামৰি লোৱা হ'ব লাগিব আৰু আমি পোষণ কৰা মূল্যবোধ আৰু গণতন্ত্ৰৰ সূত্ৰসমূহ তথা সংবিধানে দিয়া আইনৰ শাসনৰ সৈতে মিলি যাব লাগিব। কাইলৈৰ ভাৰত হ'ব দৰিদ্ৰতা, ক্ষুধা আৰু নিৰক্ষৰতাৰপৰা যাতনামুক্ত এখন দেশ।

**সামৰণি**

শেষত মোৰ শেহতীয়া গ্ৰন্থ এখনৰপৰা এটা ছেদৰ উদ্ধৃতিৰে এই প্ৰবন্ধটো সমাপ্ত কৰিবলৈ বিচাৰিছোঁ। সেই গ্ৰন্থখনৰ শিৰোনাম হ'ল— The 21st Century : Geo-politics, Democracy and Peace।

"প্ৰকৃত বিষয়টো হ'ল ঃ ভাৰত জানো আগবাঢ়ি গৈছে? আমি জানো বাস্তৱিকতেই সুপ্ৰশাসনৰ পিনে আগুৱাই যোৱাৰ এটা পৰিৱৰ্তিত অৱস্থাত আছোঁ? তাৰ উত্তৰ ইতিবাচক ৰূপে দিবলৈ মই বেচ সচেষ্ট। ৰাজনৈতিক নেতৃত্ব, প্ৰশাসন প্ৰতিষ্ঠানৰ ক্ষেত্ৰত নতুন সজাগতা, ন্যায়পালিকাৰ স্বতন্ত্ৰীয়া চৰিত্ৰ, সক্ৰিয় গণ মাধ্যম আৰু স্বাচ্ছন্দ্য নাগৰিক সমাজ তথা অন্য প্ৰতিষ্ঠানসমূহে মোক এই আশা দিছে। এই আশাবাদ এই কথাৰ ওপৰতো আধাৰিত যে ভাৰতৰ জনেগণে, বিশেষকৈ যুৱক-যুৱতীসকলে তেওঁলোকৰ প্ৰশাসন প্ৰতিষ্ঠানবোৰ ৰাইজৰ আশা-আকাংক্ষা আৰু আৱশ্যকতাসমূহ পূৰ্ণ কৰাৰ দিশলৈ সংবেদনশীলতাৰে প্ৰেৰিত হ'ব লাগিব। এই ক্ষেত্ৰত ৰাজনৈতিক কাৰ্যবাহীসকল, উদ্যোগৰ নেতা আৰু চৰকাৰী চাকৰিয়ালসকলে নিশ্চয়ে মনোযোগ দিব লাগিব। আপোচ কৰিব নলগা আৰু এৰাই চলিব নোৱাৰা অন্তিম মন্তব্য হ'ল এই যে চৰকাৰ, নাগৰিক সমাজ আৰু বিপণন ক্ষেত্ৰত ন্যস্ত থকাসকলে সঙ্গবদ্ধ হৈ কাম কৰা প্ৰয়োজন। এয়া সম্ভৱ যেতিয়া গণতন্ত্ৰ, সংস্কৃতি আৰু প্ৰশাসন শক্তিসমূহৰ মাজত সমন্বয় গঢ়ি উঠিব।" ❐

# উন্নয়ন পথ মানচিত্ৰ

## কৰ্মীসকলৰ বাবে সংশোধিত সমন্বিত গৃহ আঁচনিৰ নিৰ্দেশিকা



শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে কৰ্মীসকলৰ কাৰণে সংশোধিত সমন্বিত গৃহ আঁচনিৰ নিৰ্দেশিকা (আৰ আই এইচ এছ) ২০১৬ মুকলি কৰিছে। এই আঁচনিৰ জৰিয়তে প্ৰতিগৰাকী কৰ্মীৰ বাবে গৃহ নিৰ্মাণৰ কাৰণে ১,৫০,০০০/- টকাৰ ৰাজসাহায্য তিনিটা কিস্তিত হিতাধিকাৰীৰ বেংক একাউণ্টত পোনপটীয়াকৈ জমা কৰা হ'ব।

বিড়ি/লো আকৰ খনি, মেগানিজ আকৰ আৰু ক্ৰমিয়াম আকৰ খনি (আই অ' এম চি)/চুণ শিল আকৰ খনি, দলমাইট আকৰ খনি (এল এছ ডি এম)/মাইকা খনি আৰু চিনে উদ্যোগৰ সৈতে জড়িত শ্ৰমিকসকলক শ্ৰমিক কল্যাণ সংস্থা (এল ডব্লিউ অ')ৰ সৈতে পঞ্জীয়ন কৰা হৈছে। মন্ত্ৰালয়ে কৰ্মীসকলৰ গৃহ নিৰ্মাণৰ বাবে গৃহ ৰাজসাহায্য প্ৰদান কৰিছে। এই কামৰ বাবে ২০১৭-১৮ বিত্তীয় বৰ্ষত ৬০, ৯৫, ৫৪,০০০ টকাৰ আবণ্টন দিয়া হৈছে আৰু চলিত বছৰত ৮০০০ গৃহলৈ অনুমোদন জনোৱাৰ প্ৰস্তাৱ ৰখা হৈছে।

## নিৰ্দিষ্টভাৱে অৰক্ষিত জনজাতি গোটবোৰৰ কাৰণে গৃহ



জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে 'নিৰ্দিষ্টভাৱে অৰক্ষিত জনজাতি গোটৰ উন্নয়নৰ কাৰণে আঁচনি (পি ভি টি জি এছ)' ৰূপায়ণ ককৰিছে যাৰ উদ্দেশ্য হৈছে আৱাস উন্নয়ন ব্যৱস্থাৰ জৰিয়তে এক সৰ্বাত্মক ব্যৱস্থাৰে তেওঁলোকৰ আৰ্থ-সামাজিক অৱস্থাৰ উন্নয়ন আৰু তেওঁলোকৰ সামাজিক আৰু আৰ্থিক জীৱনৰ সকলো দিশতে হস্তক্ষেপ কৰা যাতে নিৰ্দিষ্টভাৱে অৰক্ষিত জনজাতি গোটবোৰৰ জীৱনৰ মান উন্নত হয়। ৰাজ্য চৰকাৰৰ বাৰ্ষিক সংৰক্ষণ তথা উন্নয়ন (চি চি ডি) পৰিকল্পনা দাখিল কৰা প্ৰস্তাৱৰ আধাৰত ৰাজ্য চৰকাৰবোৰলৈ নিধিৰ আবণ্টন দিয়া হয় যিবোৰ সচিব, জনজাতি পৰিক্ৰমাক মুৰব্বী হিচাপে লৈ গঠিত প্ৰকল্প আনুষ্ঠানিকভাৱে জ্ঞাত কমিটি (প্ৰজেক্ট এপ্ৰাইজেল কমিটি)য়ে বিবেচনা আৰু অনুমোদন জনায়। আঁচনিৰ অধীনত কাৰ্যকলাপবোৰৰ ভিতৰত আছে (ক) জীৱিকা (খ) কৃষি, উদ্যান শস্য, পশুপালন, দুগ্ধ উৎপাদন আৰু দক্ষতা/কাৰিকৰী প্ৰশিক্ষণ আদিৰ জৰিয়তে নিৰ্দিষ্টভাৱে অৰক্ষিত জনজাতি গোটবোৰৰ সংস্থাপনৰ সুবিধা আৰু আৰ্থিক উন্নয়ন (গ) শিক্ষা (এছ এছ এ/আৰ এম এছ এৰ অতিৰিক্তভাৱে শিক্ষা, ড্ৰপ আউট, আৱাসিক বিদ্যালয়) (ঘ) স্বাস্থ্য (এন এইচ এম আদিৰ উপৰি কাৰ্যক্ষম স্বাস্থ্য সেৱাৰ ব্যৱধান নাশ) (ঙ) বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা (যিবোৰত নিৰ্দিষ্ট মন্ত্ৰালয়ে সম্পূৰ্ণ/সাৰ্বজনীন সামৰাৰে ব্যৱধান দূৰ কৰিব পৰা নাই) (চ) ভূমি বিতৰণ, ভূমি উন্নয়ন (ছ) সামাজিক সুৰক্ষা (জ) গৃহ আৰু আৱাস (ঝ) সংযোগ (পথ আৰু টেলিকমিউনিকেচন) (ঞ) বিদ্যুৎ যোগান (যিবোৰত নিৰ্দিষ্ট মন্ত্ৰালয়ে সম্পূৰ্ণ/সাৰ্বজনীন সামৰাৰে ব্যৱধান দূৰ কৰিব পৰা নাই), চোৰাচিতা কৰাৰ ব্যৱস্থাৰে সৌৰশক্তি (ট) জলসিঞ্চন (যিবোৰত নিৰ্দিষ্ট মন্ত্ৰালয়ে সম্পূৰ্ণ/সাৰ্বজনীন সামৰাৰে ব্যৱধান দূৰ কৰিব পৰা নাই) (ঠ) নগৰ উন্নয়ন (ড) সংস্কৃতি (ঢ) পৰম্পৰাগত আৰু জনজাতি ক্ৰীড়া আৰু খেলধেমালি সামৰি ক্ৰীড়া (ণ) নিৰ্দিষ্টভাৱে অৰক্ষিত জনজাতি গোটবোৰৰ সৰ্বাত্মক আৰ্থ-সামাজিক উন্নয়নৰ কাৰণে আন কোনোধৰণৰ উদ্ভাৱনী কাৰ্যকলাপ।

নিৰ্দিষ্টভাৱে অৰক্ষিত জনজাতি গোটবোৰৰ কাৰণে গৃহ আৰু আৱাস ব্যৱস্থা প্ৰাথমিকভাৱে ইন্দিৰা আৱাস যোজনাৰ অধীনত বিশেষ সাহায্যই সামৰি লয় আৰু অতিৰিক্তভাৱে এই আঁচনিৰ জৰিয়তে ব্যৱধান দূৰীকৰণ আৰু সামগ্ৰিকভাৱে সকলোকে সামৰি লোৱাৰ ব্যৱস্থা কৰা হয়। এই আঁচনিৰ অধীনত গৃহ নিৰ্মাণৰ বাবে ধন মোকলাই দিয়াৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰবোৰক নিৰ্দিষ্টভাৱে অৰক্ষিত জনজাতি গোটবোৰৰ পৰম্পৰাগত স্থপতি আৰ্হি ৰক্ষা কৰিবলৈ উপদেশ দিয়া হয়। যোৱা বছৰ ২০১৬-১৭ ত নিৰ্দিষ্টভাৱে অৰক্ষিত জনজাতি গোটবোৰৰ কাৰণে গৃহ নিৰ্মাণ আঁচনিৰ অধীনত তামিলনাডু আৰু কেন্দ্ৰীয় শাসিত আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জৰ কাৰণে ক্ৰমে ৯২৭.৫০ লাখ আৰু ৫৭.০০ লাখ টকা মোকলাই দিয়া হয়।



Commemorating 75th Anniversary of
Quit India Movement
& Completion of
70 Years of Independence
Immortal Saga of
Freedom Struggle
through our books...
Select titles available as eBook
Buy online at
play.google.com, amazon.in, kobo.com
Publications Division
Ministry of Information & Broadcasting, Government of India
Soochna Bhawan, CGO Complex, Lodhi Road, New Delhi-110003
website: www.publicationsdivision.nic.in
For placing orders, please contact:
Phone : 011-24367260, 24365609, e-mail: businesswng@gmail.com
@ DPD_India
www.facebook.com/publicationsdivision
www.facebook.com/yojanaJournal

## আপুনি জানেনে?

# ভাৰতবৰ্ষৰ সমবায় গৃহ আন্দোলন

দেশৰ সমগ্ৰ সমবায় গৃহ আন্দোলনৰ বাবে নেশ্বনেল কো-অপাৰেটিভ হাউছিং ফেডাৰেশ্যন অৱ ইণ্ডিয়া (এন চী এইছ এফ) সৰ্বোচ্চ সংস্থা। ১৯৬৯ চনৰ জন্ম লগ্নৰ বছৰৰ পৰাই ই গৃহ সমবায়বোৰৰ উৎসাহীকৰণ, উন্নয়ন আৰু সমন্বয়ৰক্ষা-কাৰী কাম কাজত জড়িত হৈ আছে। স্থাপনৰ বছৰ পৰাই এন চী এইছ এফে সমগ্ৰ দেশৰে গৃহ সমবায়বোৰৰ সাংগঠনিক আৰু উন্নয়নমূলক কাম-কাজৰ বহুতো ব্যৱস্থা লৈছে। ৰাজ্য চৰকাৰ/কেন্দ্ৰীয় শাসিত প্ৰদেশৰ প্ৰশাসনৰ সহযোগিতাত এন চী এইছ এফে ২০ খন সৰ্বোচ্চ সমবায় গৃহ ফেডাৰেশ্বনক সহায় কৰিছে, সেইবোৰৰ সংখ্যা প্ৰথম অৱস্থাত ৬ৰ পৰা ২৬লৈ উত্থান ঘটাইছে। ১৯৬৯-৭০ বৰ্ষত যেতিয়া এন চী এইছ এফৰ জন্ম হৈছিল তেতিয়া দেশত ১১.১ লাখ সদস্য সংখ্যাৰে দেশত মাত্ৰ ১৬,৩০৮ খন প্ৰাথমিক গৃহ সমবায় আছিল। বৰ্তমান তৃণমূল পৰ্যায়ত ৭০ লাখতকৈও অধিক সদস্য সংখ্যাৰে প্ৰায় ১,০০,০০০ প্ৰাথমিক গৃহ সমবায় আছে। এই প্ৰাথমিক গৃহ সমবায়বোৰ ৰাজ্যিক পৰ্যায়ত ২৬ খন সৰ্বোচ্চ সমৱায় ফেডাৰেশ্বনৰদ্বাৰা সমৰ্থিত যিবোৰ এ চী এইছ এফৰ স্বীকৃতিপ্ৰাপ্ত। এন চী এইছ এফৰ শেহতীয়া এটা অধ্যয়নত প্ৰকাশ যে ৰাজহুৱা ব্যক্তিগত আৰু সমবায়খণ্ডত নিৰ্মিত প্ৰতি ১০০ ঘৰৰ ভিতৰত ১১টা গৃহ সমবায়ৰদ্বাৰা স্বীকৃতিপ্ৰাপ্ত।

গৃহ সমবায়ৰ সংজ্ঞা প্ৰকাশ কৰিবলৈ হ'লে ই আইনগভাৱে সংঘবদ্ধ হোৱা ব্যক্তিৰ এটা গোট, সাধাৰণতে সীমিত পৰ্যায়ত ই গৃহৰ উমৈহতীয়া প্ৰয়োজনত একে কাৰণত সভা অনুষ্ঠিত কৰিবৰ বাবে বা পাৰস্পৰিক সহযোগিতাৰে এই ক্ষেত্ৰত উন্নীতকৰণৰ বাবে একত্ৰিত হোৱা। এনে পৰিপ্ৰেক্ষিতত এক সমবায়ত সদস্য ভুক্তি স্বেচ্ছামূলক আৰু নিয়ন্ত্ৰণ গণতান্ত্ৰিক আৰু প্ৰয়োজনীয় মূলধন আহৰণৰ বাবে সদস্য সকলে প্ৰায় সমপৰিমাণৰ বৰঙণি আগবঢ়োৱা প্ৰয়োজন। গৃহ সমবায়ৰ প্ৰাথমিক চৰিত্ৰ হ'ল ই আন সহায় আৰু সমবায় কাৰ্যত শক্তিশালী গুৰুত্ব আৰোপ কৰে। বিভিন্ন ৰাজ্যৰ গৃহ সমবায়বোৰৰ কাৰ্যকলাপ সংশ্লিষ্ট ৰাজ্যবোৰৰ চৰকাৰৰদ্বাৰা নিযুক্ত সমবায় সমিতিবোৰৰ পঞ্জীয়কৰদ্বাৰা প্ৰশাসিত সমবায় সমিতি আৰু সমবায় সমিতি বিধিবোৰৰ দ্বাৰা নিয়ন্ত্ৰিত। ৰাষ্ট্ৰীয় পৰ্যায়ৰ সমবায় সংস্থাবোৰ আৰু বহু ৰাজ্যিক সমবায় সমিতিবোৰ বহু ৰাজ্যিক সমবায় সমিতি আইন আৰু বিধিৰ নিয়মাৱলীৰদ্বাৰা শাসিত।

সমিতি পঞ্জীয়ন আইন ১৮৬০- যি এক সৰ্বভাৰতীয় আইন (যি কি নহওক বহুতো ৰাজ্যত আইনত ৰূপান্তৰ আছে) ৰ অধীনত পঞ্জীকৃত এক সমিতি হ'ল সাতগৰাকী বা ততোধিক ব্যক্তিৰ এটা সংস্থা আৰু ই বৃহৎ পৰিসৰত ৰাজহুৱা স্বাৰ্থত বা সদস্য সকলৰ উমৈহতীয়া স্বাৰ্থত কেতবোৰ দাতব্য বা পৰহিতৈষী কাম কৰে আৰু যি অতি সম্ভৱ ব্যয়ত পৰিচালিত হয়। এখন পঞ্জীকৃত সমিতি নিৰ্দ্দিষ্ট সীমাৰদ্ধতাৰে গঠিত আইনী অস্তিত্ব। যি কি নহওঁক সমবায় সমিতিৰ সদস্য সকলে ইয়াৰ সদস্যসকলৰ অৰ্থনৈতিক স্বাৰ্থক উৎসাহ যোগোৱাৰ বাবে একত্ৰিত হয়।

সমবায় গৃহত সংযোজনৰ লাভালাভবোৰ নিম্নোক্ত ধৰণৰ—

১। এক গৃহ সমবায় ৰাজহুৱা বা লাভ অৰ্জনকাৰী সংস্থা নহয়। ইয়াৰ মূল উদ্দেশ্য হ'ল অৰ্থনৈতিক শোষণ নাশ কৰা কিয়নো ই কেৱল সদস্যসকলৰদ্বাৰা নিয়ন্ত্ৰিত।

২। ৰাজহুৱা গৃহৰ বিকাশ হিচাপে সমবায় ভিত্তিক গৃহই পৰিকল্পনা স্তৰতে গৃহ আৰ্হি নিয়ন্ত্ৰণৰ বাবে ইয়াৰ সদস্যসকলক সুবিধা প্ৰদান কৰে। তদুপৰি মাটি সম্পত্তিৰ চোৰাচিতা কৰাত সদস্যসকলৰ হাতত যি কম ব্যয়ত আৰু এটা উৎকৃষ্ট পন্থাৰে চোৰাচিতা কৰিব পাৰে।

৩। সমবায় গৃহই গৃহৰ পৰিমাণগত তথা গুণগত সন্তুষ্টি প্ৰদান কৰে। যিহেতু ইয়াত সদস্যসকলৰ অংশ গ্ৰহণৰ হাৰ সৰ্বোচ্চ সেয়ে আন সকলো উপ-ব্যৱস্থাৰে যোগান ধৰাতকৈ এই ব্যৱস্থাই ব্যৱহাৰ-কাৰীৰ প্ৰয়োজনীয়তা অধিক দায়িত্ব সহকাৰে গ্ৰহণ কৰে।

৪। গৃহ সমবায়বোৰে দখলৰ পৰৱৰ্তী সময়ত ব্যৱহাৰকাৰী সকলৰ মাজত দায়ৱদ্ধতাৰ ভাৱধাৰা সৃষ্টি কৰে লগতে ইয়াক প্ৰভাৱান্বিত কৰিবলৈ প্ৰয়োজনীয় ব্যৱস্থা সৃষ্টি কৰে।

৫। অধিক ব্যয়ক ন্যুনতম কৰাৰ কৰাৰ বাবে সদস্য সকলৰ শক্তিশালী ব্যৱস্থাৰে প্ৰকল্প ব্যয় দক্ষতা নিৰীক্ষণ কৰা আৰু নিৰ্মাণকে ধৰি

আন সকলো ব্যয় অৰ্থনীতিত প্ৰভাবান্বিত কৰিব পৰাকৈ হয়।

৬। সমবায়বোৰে তেওঁলোকৰ সদস্য সকলৰ বাবে ঋণৰ ব্যৱস্থা কৰে আৰু ঋণ পৰিশোধ সদস্য সকলৰ উমৈহতীয়া দায়িত্ব। গতিকে ঋণ পৰিশোধ আৰু আন জৰিমণাবোৰ সঠিকভাৱে নিৰীক্ষণ কৰা হয়।

৭। সদস্যসকলে সমবায়ৰ ভোট দানৰ অধিকাৰ লাভ কৰে আৰু পৰিক্ৰমাত অংশ গ্ৰহণ কৰিব পাৰে আৰু এইদৰে তেওঁলোকৰ মাজত আত্ম প্ৰত্যয় আৰু আত্ম-সন্মানৰ ভাৱ বৃদ্ধি পায়।

৮। সমবায় নিজে এটা ক্ষুদ্ৰ সম্প্ৰদায় আৰু সেয়ে ই বিশেষ কাৰ্যসূচীৰ আয়োজন, স্বাস্থ্য সেৱা প্ৰদান, অঞ্চলটোৰ পৰিৱেশতন্ত্ৰৰ উন্নীত-কৰণ, সামাজিক আচৰণ আৰু মানসিক স্বাস্থ্যৰ উন্নীতকৰণ আদি কেতবোৰ সামাজিক কাম-কাজ পৰিচালিত কৰিব পাৰে।

৯। অন্যান্য অৰ্থনৈতিক কাৰ্যাৱলী যথা উপভোক্তা সমবায়, বেংক, ক্লাৱ আৰু আন উমৈহতীয়া সেৱা যিবোৰ সম্প্ৰদায়টোৰ বাবে প্ৰয়োজনীয় সেইবোৰ এটা অৰ্থনৈতিক ব্যৱস্থাৰে গৃহ সমবায়ে গঠন কৰিব পাৰে।

সংশ্লিষ্ট ৰাজ্যই সৃষ্টি কৰা নিৰ্দ্ধাৰিত আইন আৰু বিধিবোৰ আৰু সমবায়ৰ উপবিধিত উল্লিখিত অৰ্হতা থাকিলে পুৰুষ/মহিলা যিকোনো ব্যক্তিয়ে গৃহ সমবায়ৰ সদস্য হ'ব পাৰে। ❐

*পয়োভৰা ৰাইজৰ আলোচনী—*

***নিজে পঢ়ক, আনকো পঢ়ুৱাওক—***

***দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—***

২০১৩ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰপৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবছাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবছাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।